দৈনিক
# বাতৰি কাকত

সত্য আৰু ন্যায়ৰ সপক্ষে

PUBLISHED SIMULTANEOUSLY FROM GUWAHATI & JORHAT

RNI REGD. NO. ASSASS/2003/15035 • E-paper: centralread.com • email: dainikbatorikakot@gmail.com

VOL XXIII, No. 233 ত্ৰিবিংশ বছৰ, সংখ্যা- ২৩৩, ২২ জুলাই, বুধবাৰ, ২০২৬, ৫ শাওন, ১৯৪৫ শক, BATORI KAKOT, Wednesday, 22 July, 2026, Guwahati Edition / গুৱাহাটী সংস্কৰণ মূল্য ঃ ৭.০০ টকা





## তিতাবৰত বাঢ়নী পানীয়ে উটুৱাই নিলে দুগৰাকী কিশোৰীক

## মৃতকৰ পৰিয়ালৰ ঘৰত ৰাজহ মন্ত্ৰী কেশৱ মহন্ত

### ৪ লাখকৈ সাহায্য ঘোষণা



**বাতৰি কাকত, যোৰহাট, ২১ জুলাই ঃ** যোৰহাট জিলাৰ তিতাবৰ ৰাজহ চক্ৰৰ অন্তৰ্গত নাৰায়নপুৰ পাণবাৰী চাহ বাগিচাৰ বৰলাইনত কালি বিয়লি বৰজানৰ বাঢ়নি পানীয়ে উটুৱাই নিয়াৰ ফলত ছোনিয়া পাহাৰীয়া (১৬ বছৰ) আৰু সুস্মিতা মিৰ্ধা (১৫) নামৰ দুগৰাকী কিশোৰীৰ সলিল সমাধি ঘটে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই আজি আগবেলা চাহ ■ *এঘাৰ পৃষ্ঠাত*

উজনিত অপৰিৱৰ্তিত বান পৰিস্থিতি ঃ উদ্ধাৰ-সাহায্য অভিযান অব্যাহত

# চৰাইদেউত বানত উটি গ'ল এটা পৰিয়ালৰ ৪ সদস্য

### অভয়পৰীয়া গাঁৱত বানপীড়িতৰ হাহাকাৰ ঃ ওখ ঠাই বিচাৰি যাওতেই মাতৃ-কন্যাক উটুৱাই নিলে সোঁতে ঃ মাতৃ-ভগ্নীক বিচাৰি যাওতে ঢৌৱে উটুৱাই নিলে দুই ভাতৃক









**ষ্টাফ ৰিপ'ৰ্টাৰ, ২১ জুলাই ঃ** জটিল বান পৰিস্থিতিৰ মাজত চৰাইদেউত সংঘটিত হৈছে এক চাঞ্চল্যকৰ ঘটনা। অভয়পৰীয়া গাঁৱত বানপানীত একে পৰিয়ালৰ চাৰিজন সদস্য নিৰুদ্দেশ হোৱাৰ খবৰ পোহৰলৈ আহিছে। জানিব পৰা মতে, চৰাইদেউৰ ঢেঁকাপুখুৰী আৰক্ষী থানাৰ অন্তৰ্গত লাকুৱা অভয়পুৰীয়া গাঁৱত সোমবাৰে নিশা হঠাতে অহা বাঢ়নী পানীয়ে গাওঁখন প্লাবিত কৰে। গাওঁখনৰ ৰোহিনী দুবৰাৰ বাসগৃহতো পানী সোমোৱাত পৰিয়ালটোৰ সদস্য সকলে ওখ ঠাইত আশ্ৰয় বিচাৰি ওলাই আহোতে পথৰ ওপৰদি বৈ অহা পানীৰ কোৱাল সোঁতত পত্নী টুটুমনি দুৱৰা আৰু কন্যা বিদিশা দুৱৰা উটি যায়। ■ *এঘাৰ পৃষ্ঠাত*

শিৱসাগৰ-যোৰহাট-গোলাঘাটত হাহাকাৰ ঃ ৰে'ল সেৱা ব্যাহত

## বানৰ কবলত ৰাজ্যৰ ১১ জিলাৰ ৩৬ ৰাজহ চক্ৰ

### ১৪,৪১১.২৬৭ হেক্টৰ কৃষিভূমি পানীৰ তলত ঃ ৩,১০,৮০৭ গৰাকী লোক বানত ক্ষতিগ্ৰস্ত



**ষ্টাফ ৰিপ'ৰ্টাৰ, ২১ জুলাই ঃ** উজনি অসমৰ বিস্তীৰ্ণ অঞ্চলত বান পৰিস্থিতিয়ে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। নৈ-উপনৈৰ বাঢ়নী পানীয় প্লাৱিত কৰিছে শ শ গাঁও আৰু ৰাজপথ, যাৰ ফলত জনজীৱন সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰিছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ আজি পুৱা ১০ বজালৈ বান পৰিস্থিতিৰ প্ৰাথমিক প্ৰতিবেদন অনুসৰি-ৰাজ্যৰ ১১খন জিলা আৰু ৩৬টা ৰাজহ চক্ৰ বানৰ কবলত পৰিছে। বিশ্বনাথ, চৰাইদেউ, ধেমাজি, ডিব্ৰুগড়, গোলাঘাট, যোৰহাট, কামৰূপ, কাৰ্বি আংলং, নগাঁও, শিৱসাগৰ আৰু তিনিচুকীয়া। ৭৫৮খন গাঁও বানৰ দ্বাৰা প্ৰভাৱিত। মুঠ ৩,১০,৮০৭গৰাকী লোক বানত ক্ষতিগ্ৰস্ত। ১৪,৪১১.২৬৭ হেক্টৰ ■ *এঘাৰ পৃষ্ঠাত*

## সোণম ৱাংচুকক মেডাণ্টা হাস্পতাললৈ স্থানান্তৰৰ নিৰ্দেশ দিল্লী হাইক'ৰ্টৰ

**নতুন দিল্লী, ২১ জুলাই ঃ** সোণম ৱাংচুকক তৎকালীনভাৱে গুৰগাঁৱৰ মেডাণ্টা হাস্পতাললৈ স্থানান্তৰ কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে দিল্লী উচ্চ ন্যায়ালয়ে। দীৰ্ঘদিন ধৰি অনশন কৰি থকাৰ ফলত স্বাস্থ্যৰ অৱনতি ঘটাৰ পিছতে যন্তৰ মন্তৰৰ পৰা আৰক্ষীয়ে তেওঁক আঁতৰাই ছফদৰজং হাস্পতালত ভৰ্তি কৰাইছিল। মঙলবাৰে ■ *এঘাৰ পৃষ্ঠাত*

ড° ববি শৰ্মা বৰুৱাৰ ছবিলৈ 'ছুপাৰ মামা' বঁটা

## আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত অসমীয়া ছবি 'ৰ'দৰ পাখি'লৈ জুৰীৰ বিশেষ সন্মান



**ষ্টাফ ৰিপ'ৰ্টাৰ, ২১ জুলাই ঃ** বিশিষ্ট চলচ্চিত্ৰ পৰিচালিকা ড° ববি শৰ্মা বৰুৱা পৰিচালিত অসমীয়া ছবি 'ৰ'দৰ পাখি' (মৰ্ণিং চানছাইন)এ ৰাছিয়াৰ ৰাজধানী মস্কোত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ মেড বাই উইমেন'ত জুৰী স্পেচিয়েল মেনচন-ছুপাৰ মামা বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। যোৱা ৮ জুলাইৰ পৰা ১২ জুলাই, ২০২৬লৈ মস্কোত অনুষ্ঠিত এই আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ প্ৰতিযোগিতা শাখাত ছবিখন আনুষ্ঠানিকভাৱে নিৰ্বাচিত হৈছিল। ■ *এঘাৰ পৃষ্ঠাত*

মৰিগাঁৱত জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কৃতি ছাত্ৰ-ছাত্ৰীক বিশেষ অভিনন্দন অনুষ্ঠানত পলাশ চাংমাই

## প্ৰত্যাহ্বান নেওচি মেধাবী ছাত্ৰ-ছাত্ৰীয়ে নিজক প্ৰতিষ্ঠা কৰি জাতিটোৰ প্ৰতি দায়বদ্ধ হ'ব লাগিব



**বাতৰি কাকত, মৰিগাঁও, ২১ জুলাই ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ মৰিগাঁও জিলা সমিতিৰ উদ্যোগত আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ মৰিগাঁও সদৰ আঞ্চলিক সমিতিৰ অতিথ্যত মৰিগাঁও চহৰৰ পবিতৰা হাটত ২০২৬ বৰ্ষ হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ৯০ শতাংশ কৈ অধিক নম্বৰসহ সুখ্যাতিৰে উত্তীণ হোৱা ৪৫ গৰাকী কৃতি ছাত্ৰ-ছাত্ৰীক অভিনন্দন পত্ৰ, কলম আৰু স্মাৰক প্ৰদানেৰে আশীষ জনোৱা লগতে ■ *এঘাৰ পৃষ্ঠাত*

## আই আই এম গুৱাহাটীৰ প্ৰথম শিক্ষাবৰ্ষৰ পাঠ্যক্ৰমৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে



### ডিজাইন- অত্যাধুনিক থ্ৰী-ডি প্ৰিন্টিং কেন্দ্ৰ উদ্বোধন ঃ পলাশবাৰী সমজিলা আয়ুক্তৰ নতুন সংহত কাৰ্যালয় ভৱনৰ ভূমি পূজন ড° শৰ্মাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২১ জুলাই ঃ** অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উচ্চ শিক্ষা খণ্ডত এক নতুন মাত্ৰা সংযোজন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ বঙৰাৰ টেক চিটি, গুৱাহাটীস্থিত আই আই এম গুৱাহাটীৰ অস্থায়ী চৌহদত শৈক্ষিক প্ৰতিষ্ঠানটোৰ প্ৰথম শিক্ষাবৰ্ষৰ এম বি এ পাঠ্যক্ৰমৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। তদুপৰি, তেওঁ টেক চিটি, গুৱাহাটীত স্থাপিত ডিজিটেল ডিজাইন আৰু অত্যাধুনিক থ্ৰী-ডি প্ৰিন্টিং কেন্দ্ৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ লগতে পলাশবাৰী সমজিলা আয়ুক্তৰ নতুন সংহত কাৰ্যালয় ভৱনৰ ভূমি পূজন তথা আধাৰশিলা স্থাপন কৰে। আই আই এম গুৱাহাটীৰ প্ৰথম ■ *এঘাৰ পৃষ্ঠাত*

## পত্নীক নিৰ্যাতন চলাই গ্ৰেপ্তাৰ জোৱান হৰিদেৱ দাস

### মুখ্যমন্ত্ৰীক অভিযোগ দাখিলৰ পিছতে তৎপৰ আৰক্ষী

**দৌলাশালৰ পৰা সুৰজিত পাঠক, ২১ জুলাই ঃ** পত্নীক শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলাই আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হৈছে আৰক্ষী । নলবাৰী জিলাৰ মুকালমুৱা থানাৰ অন্তৰ্গত দৌলাশাল গাঁৱৰ এগৰাকী বিবাহিত মহিলাক অকথ্য নিৰ্যাতন চলাই আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হৈছে অসম আৰক্ষীৰ এগৰাকী জোৱান । প্ৰাপ্ত খবৰ অনুসৰি দৌলাশাল গাঁৱৰ এগৰাকী যুৱতীয়ে ২০১৬ চনত অসম আৰক্ষীৰ এগৰাকী জোৱানৰ লগত সামাজিকভাৱে বিবাহপাশত আবদ্ধ হৈছিল । অভিযোগ অনুসৰি মুকালমুৱা থানাৰ অন্তৰ্গত ১নং নাৰুৱা গাঁৱৰ নিবাসী তথা অসম আৰক্ষীৰ জোৱান হৰিদেৱ দাসে বিবাহৰ কিছুদিন পাছৰে পৰা পত্নীক যৌতুক বিচাৰি চলাইছিল শাৰীৰিক আৰু মানসিক নিৰ্যাতন । ভুক্তভোগী মহিলাগৰাকীয়ে দৌলাশাল আৰক্ষী চকীত দাখিল ■ *এঘাৰ পৃষ্ঠাত*

ক্ষোভ উজাৰিলে ভগ্নী পামী বৰঠাকুৰে

## আদালতৰ মজিয়াত জুবিন গাৰ্গক বদনামী কৰাৰ চেষ্টা অধিবক্তাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ২১ জুলাই ঃ** ফাষ্টট্ৰেক আদালতত চলি আছে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ বিচাৰ প্ৰক্ৰিয়া। এইবাৰ আদালতে লিপিবদ্ধ কৰিলে জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰৰ ভাষ্য। কিন্তু মৃত্যুৰ পিছতো যেন জুবিন গাৰ্গৰ নামৰ সত্তাটোক বদনামী কৰিবলৈ এৰা নাই জুবিন হত্যাৰ অভিযুক্ত অধিবক্তাই। বিচাৰ প্ৰক্ৰিয়াৰ মাজতে আদালতৰ মজিয়াত বাৰে-বাৰে জুবিন গাৰ্গক সুৰাপায়ীৰূপে প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰিছে অভিযুক্তৰ অধিবক্তাই। সাক্ষ্যদানৰ অন্তত সংবাদ মাধ্যমৰ আগত ক্ষোভ উজাৰিলে জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰে। জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰে কয়— মই যিখিনি কৈছো, সেইখিনি আদালতে লিপিবদ্ধ কৰিছে। মোৰ কথাখিনিয়ে গোচৰটোত সহায় কৰিব। মোৰ কথাখিনি সত্য আৰু প্ৰমাণৰ ভিত্তিত কৈছো। এটা কথা বেয়া লাগিছে যে যিগৰাকী জুবিন গাৰ্গে অসমক বিশ্বৰ মানদণ্ডলৈ লৈ ■ *এঘাৰ পৃষ্ঠাত*

মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান

## ৰূপহীহাট- চামগুৰিত ৪৫ সহস্ৰাধিক হিতাধিকাৰীক চেক বিতৰণ কৃষি মন্ত্ৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ২১ জুলাই ঃ** কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি নগাঁও জিলাৰ ৰূপহীহাট আৰু চামগুৰি বিধানসভা সমষ্টিত অনুষ্ঠিত দুখন বৃহৎ ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান আঁচনিৰ অধীনত ক্ৰমে ১৯,৮৪০ আৰু ২৫,৬৫৮ গৰাকী ■ *এঘাৰ পৃষ্ঠাত*

## সংসদৰ অধিৱেশনৰ পূৰ্বে ৰাহুলক কটাক্ষ প্ৰধানমন্ত্ৰীৰ

**নতুন দিল্লী, ২১ জুলাই ঃ** সংসদৰ বৰ্ষাকালীন অধিৱেশন ফলপ্ৰসূ কৰাৰ আহ্বান জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সাংসদসকলক তথ্যভিত্তিক আৰু অৰ্থপূৰ্ণ আলোচনাত অংশগ্ৰহণ কৰিবলৈ অনুৰোধ জনায়। মোদীয়ে কয়, ভাৰতৰ দ্ৰুত অৰ্থনৈতিক অগ্ৰগতি আৰু শেহতীয়া মহাকাশ ক্ষেত্ৰৰ সফলতাই দেশৰ যুৱ সমাজৰ অসীম সম্ভাৱনাৰ প্ৰতিফলন ঘটাইছে। ■ *এঘাৰ পৃষ্ঠাত*

'শ্ৰী ৰঘুপতি'ৰ পিছত পুনৰ একেলগে ৰবি শৰ্মা-সুব্ৰত কাকতি

## মুক্তিৰ পূৰ্বে চৰ্চাত 'ঐ পুলিচ'ৰ ট্ৰেইলাৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ, ২১ জুলাই ঃ** অসমীয়া চলচ্চিত্ৰপ্ৰেমীৰ অপেক্ষাৰ তালিকাত থকা এই বছৰৰ অন্যতম বহুচৰ্চিত ছবি 'ঐ পুলিচ'ক লৈ ছবিপ্ৰেমিৰ মাজত দেখা গৈছে ব্যাপক উছাহ। ৰুটষ্টক এণ্টাৰটেইনমেণ্টছৰ বেনাৰত নিৰ্মিত আহিবলগীয়া পূৰ্ণদৈৰ্ঘ্যৰ ছবি 'ঐ পুলিচ'ৰ ট্ৰেইলাৰ উন্মোচনৰ জৰিয়তে সোমবাৰে গুৱাহাটীত আনুষ্ঠানিকভাৱে আৰম্ভ হয় এই বহু প্ৰত্যাশিত ছবিখনৰ মুক্তিৰ ক্ষণগণনা। উল্লেখ্য যে ছবিখনৰ মুকলি কৰা ট্ৰেইলাৰত একেলগে দেখা যাব একচন, হাস্যৰস, আৱেগ আৰু পাৰিবাৰিক মনোৰঞ্জনৰ সমাহাৰ। একে সময়তে, আৰক্ষীকেন্দ্ৰিক কাহিনীৰ সীমাবদ্ধতাক নেওচি এক ভিন্ন স্বাদৰ কাহিনীও দৰ্শকৰ আগত তুলি ধৰিছে এই ট্ৰেইলাৰে। অহা ৭ আগষ্টত ছবিগৃহত মুক্তি পাবলগীয়া ■ *এঘাৰ পৃষ্ঠাত*

## কাৰ্বি পাহাৰৰ পৰা নামি অহা পানীয়ে বুৰাব বঢ়মপুৰ-কঠীয়াতলী অঞ্চল

**বাতৰি কাকত, কামপুৰ, ২১ জুলাই ঃ** যোৱা পাঁচ দিনৰলৈকে বঢ়মপুৰ সমষ্টিৰ কঠীয়াতলী কামপুৰত বৰষুণৰ পানীৰ বাদে বান পানীৰ কোনো আশংকা নাছিল। কিন্তু নাগালেণ্ডত ঘটা ডাৱৰ বিস্ফুৰণৰ পানী কাৰ্বি পাহাৰে বাগৰি পানীয়ে ইতিমধ্যে ডকমকা, হাওৰাঘাট হৈ যমুনানৈৰে কঢ়িয়াই ডবকা আদি প্লাবিত কৰি বয়াবহ পানী নিশাৰীনৈত পৰি যমুনামুখৰ বঢ়মপুৰ সমষ্টি এলেকাৰ কৃষি ভূমি প্লাবিত কৰিছে। নিশাৰী নৈ খন যমুনামুখৰ পৰা বাগৰি প্ৰায় কুৰি কিলোমিটাৰ উত্তৰে আহি ■ *এঘাৰ পৃষ্ঠাত*

## Declaration

I, LAIMATI BALA BRAHMA, W/O Mugaram Brahma, R/O Village–Binyakhata, P.O.–Binyakhata, P.S.–Gossaigaon, Dist.–Kokrajhar, BTC (Assam), declare that due to a bona fide mistake, my name has been recorded as LAIMATI BRAHMA in my Assam Gramin Vikash Bank Account No. 7132010011082 instead of my correct name LAIMATI BALA BRAHMA. Vide an Affidavit before Notary Public on 21/07/2026.

## Declaration

I, FATIK CHANDRA BARMAN, S/O Tari Chandra Barman, R/O Vill. - No.1 Satbil, P.O.- Binnakhata, P.S.- Gossaigaon, Dist.- Kokrajhar, BTC, Assam, declare that due to a bona fide mistake, my name has been recorded as FATIK BARMAN in my Assam Gramin Vikash Bank Account (A/C No. 7132029012890) instead of my correct name FATIK CHANDRA BARMAN. Vide an Affidavit before Notary Public on 21/07/2026.

## নাম শুধৰণি

মৰিগাঁও জিলাৰ দহালী মকৰীয়া কিছামৰ ১৫৪ আৰু ৪২ নং পটাৰ ১৪৬, ১৪৮, ১৭০, ১৯৩, ১৯৪, ১৬৭ আৰু ১৬৮ নং দাগৰ মাটিৰ পটাত মোৰ পিতৃৰ নামটো নৰেশ্বৰ বাহাদুৰ, পিতা- শ্বেৰ বাহাদুৰ বুলি ভুলকৈ লিপিবদ্ধ হৈ আছে । প্ৰকৃততে হ'ব লাগে নৰেশ্বৰ বৰদলৈ, পিতা- গুন্টে বৰদলৈ।

**সোনমনি বৰদলৈ**
পিতা- নৰেশ্বৰ বৰদলৈ (মৃত)
দহালী মকৰীয়া
ডাক- শিলচাং
জিলা- মৰিগাঁও (অসম)

## Declaration

Me and my husband's correct names is/are Samaina Brahma, C/O- Marendra Basumatary and same name has been recorded in my Aadhaar card No. 8660-0152-9009 & EPIC No.HHK0008994. Due to a bona fide mistake, me and my husband's names have been erroneously recorded in my AGV Bank Passbook, Account No. 7136026055217 maintained at Kachugaon Branch as " Somaina Basumatary, C/O- Morendra Basumatary instead of the correct. Samaina Brahma, C/O-Marendra Basumatary and Somaina Basumatary, C/O-Morendra Basumatary" refer to one identical person represents me and my husband.

**Samaina Brahma**
C/O- Marendra Basumatary
D/O-Dalendra Brahma
Vill-Thakamtukum
Takampur F.V.
P.O.- Takampur
P.S.-Kachugaon
District- Kokrajhar, BTC, (Assam).

## Declaration

I do hereby declare throuth NOTARY PUBLIC Kamrup Metro Guwahati dtd. 18/07/2026, that my actual name is CHANDA BASFORE D/o. Golap Chand Basfore aged about 44 years, by religion-Hindu, resident of Railway Qtr. No. DS/9/F, Rest Camp, Pandu, P.O. Pandu, P.S. Jalukbari, Guwahati-781012, Dist. Kamrup(M), Assam in my all relevant documents. Do to mistake my name is recorded in Adhar Card vide No. 833624701386 as CHANDRA BASFORE instead of CHANDA BASFORE. both names are same and one person none else.

## Affidavit

VIDE an Affidavit sworn before the Notary, Kokrajhar on 21/07/2026, I JOHIRUDDIN SHEIKH, S/O Abed Ali, R/O Vill.- Joypur, P.O. & P.S.- Kokrajhar, Dist.- Kokrajhar, Assam, PIN-783370, declare that due to a bona fide mistake, my name has been recorded as JOHIR SHEIKH instead of my correct name JOHIRUDDIN SHEIKH in the Jamabandi records of Kokrajhar Revenue Circle. to land covered by Dag No. 77 & Dag No. 79 under Patta No. 10. JOHIR SHEIKH and JOHIRUDDIN SHEIKH are one and the same person

## Declaration

I, CHANDANA BRAHMA, W/O Basu Barman, D/O Baneswar Brahma, R/O Vill.- Aminkata, P.O.- Aminkata, P.S.- Gossaigaon, Dist.- Kokrajhar, BTC (Assam), declare that due to a bona fide mistake, my name has been wrongly recorded as SANDANA BRAHMA in my Assam Gramin Vikash Bank Account No. 7132026000462. My actual and correct name is CHANDANA BRAHMA. Vide an Affidavit before the Notary Public on 20/07/2026.

## Affidavit

Vide an Affidavit sworn before the Notary, Kokrajhar on 21/07/2026, I, KHALEK ALI CHAKLADER, C/O Late Sakim Ali Chaklader, R/O Ward No. 6, P.O. & P.S. Kokrajhar, Dist. Kokrajhar, BTC, Assam–783370, do hereby declare that my name has been wrongly recorded as "ABDUL KHALEK ALI" in my Assam Gramin Bikash Bank Savings Account No. 7137010014241 instead of my correct name "KHALEK ALI CHAKLADER". Both names refer to one and the same person.

## Declaration

I Hajera khatun D/o:- late Montaj Ali here by solemnly affirm and declare that I am a citizen of India by birth and permanent resident of the below mentioned address.That my actual and correct name is Hajera khatun and my father's actual and correct name is Montaj Ali which is correctly recorted in my some other relevant documents.That my name has been wrongly recorded as Roshida khatun instead of Hajera khatun and my father's name has been wrongly recorded as Motaj Ali instead of Montaj Ali in the land record vide patta No.52, Dag No.118.situated at village:- Islampur, Mouza:- Jania under Baghbar Revenue Circle,Dist- Barpeta (Assam). That Hajera khatun and Roshida khatun is the one and same person i.e.myself and Montaj Ali and Motaj Ali is the one and same person i.e.my father.That I made this Affidavit before the Notary public Barpeta to produce it is a piece of documents before the authority concern.

**Hajera khatun**
D/o:- late Montaj Ali.
Vill-Islampur.
PO- kadong.
PS- Kalgachia.
Dist- Barpeta (Assam).

# কামপুৰত কৃষক মুক্তিৰ প্ৰতিষ্ঠা দিৱস উদযাপন




**বাতৰি কাকত, কচুৱা, ২১ জুলাই ঃ** নগাঁও জিলাৰ কামপুৰত আজি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ চৰতম কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসটি পালন কৰা হয়। এই উপলক্ষে সংগঠনটোৰ কামপুৰ আঞ্চলিক কাৰ্যালয় প্ৰাঙ্গণত পুৱা পতাকা উত্তোলন কৰে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নগাঁও জিলাৰ সভাপতি খগেন গায়নে আৰু ছহিদ তৰ্পন কৰে কামপুৰ আঞ্চলিকৰ কাৰ্যকৰী সভাপতি ধনবৰ কোঁৱৰ আৰু উপ সভাপতি পূৰ্নেন্দু বৰাই। ইয়াৰ পিছতে অনুষ্ঠিত হোৱা এক সভাত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় উপদেষ্টা ৰাজু বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ৰাজু বৰাই নগাঁও জিলাৰ বিভিন্ন ঠাইত বিকল হৈ থকা জলসিঞ্চন আঁচনি সমূহ শীঘ্ৰে মেৰামতি কৰি কৃষকৰ উপযোগী কৰি তুলিবৰ বাবে বিভাগীয় কৰ্তৃপক্ষক অনুৰোধ জনায়। কৃষক মুক্তিৰ উপদেষ্টা গৰাকীয়ে বিশিষ্ট পৰিবেশবিদ সমাজকৰ্মী ছুনম ৱাংচুকক দিল্লী আৰক্ষীয়ে অনশন থলীৰ পৰা বলপূৰ্বকভাবে উঠাই লৈ যোৱা কাৰ্যক তীব্ৰ ভাষাৰে সমালোচনা কৰে আৰু তেওঁৰ অনশনৰ প্ৰতি সহমৰ্মিতা প্ৰদৰ্শন কৰি অতি সোনকালে দাবীসমূহ মানি লবলৈ চৰকাৰক দাবী জনায়। দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা প্ৰতিষ্ঠা দিৱসত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় প্ৰাক্তন সাংগঠনিক সম্পাদক নীলমনি শইকীয়া, কৃষক মুক্তিৰ নগাওঁ জিলাৰ সম্পাদক স্বপন হাজৰিকা, সংগঠনটোৰ কামপুৰৰ সভাপতি হোমেশ্বৰ পাঠক আদি উপস্থিত থাকে।

# বকোৰ সমাজপ্ৰাণ ৰাতি ৰাম বড়োৰ সোঁৱৰণী গ্ৰন্থ প্ৰকাশ-স্মৃতিচাৰণ সভা আয়োজন

**বাতৰি কাকত, বকো, ২১ জুলাই ঃ** কামৰূপ জিলাৰ বৃহত্তৰ বকোত সমাজ সংগঠকৰ জৰিয়তে সমাজপ্ৰাণ সন্মান পোৱা বকো শোলামুখৰ ৰাতি ৰাম বড়োৰ বিগত ২০০৪ চনতে পৰলোকপ্ৰাপ্তি ঘটিছিল। জীৱিত কালত এই গৰাকী ৰাতি ৰাম বড়োই বৃহত্তৰ অঞ্চলটোত বহু সংখ্যক অনুস্থান প্ৰতিস্থানৰ জন্মদাতা আৰু স্বপ্নদ্ৰষ্টা আছিল। বকো দৈনিক মিলন বজাৰ সমিতি, বকো ছোৱালী হাইস্কুল ; ডেউচৰ আঞ্চলিক হাইস্কুল, ছাটাবাৰী আঞ্চলিক হাইস্কুলকে ধৰি বহু সংখ্যক শৈক্ষিক সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ প্ৰতিস্থাপক আছিল প্ৰয়াত ৰাতি ৰাম বড়ো। এই গৰাকী অফুৰন্ত গুণৰ অধিকাৰী ৰাতি ৰাম বড়োৰ পৰলোক গমনত বহু অনুস্থান প্ৰতিস্থানৰ মুৰব্বীহীন হৈছিল। সেই সময়ত বহু সংখ্যক শুভাকাংক্ষীয়ে তেওঁৰ সামাজিক আৰু শৈক্ষিক কৰ্মৰাজিক সোঁৱৰণ কৰিব পৰা নাছিল। সেয়ে ৰাতি ৰাম বড়োই সামাজিক আৰু শৈক্ষিক তথা সুষ্ঠ সমাজ গঠনৰ বাবে কৰা অৱদানক সোঁৱৰণ কৰিবলৈ অতি সোনকালে এখনি সোঁৱৰণী গ্ৰন্থ প্ৰকাশ কৰাৰ ব্যৱস্থা আৰু ৰাজহুৱা স্মৃতিচাৰণ সভা আয়োজনৰ প্ৰস্তুতি চলিছে। এই উপলক্ষে আজি বকোস্থিত সংগীত মহাবিদ্যালয়ত আয়োজন কৰে ৰাজহুৱা সভা। প্ৰয়াত ৰাতি ৰাম বড়োৰ বৰ জোৱাই তথা অৱসৰপ্ৰাপ্ত শিক্ষক দেৰেন চন্দ্ৰ বড়োৰ তৎপৰতাত আয়োজন কৰা সাধাৰণ সভাৰ প্ৰাকক্ষণত প্ৰয়াত সমাজকৰ্মী ৰাতি ৰাম বড়োৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে যতীন পাঠক আৰু নগেন কলিতাই। সোঁৱৰণী অনুস্থানত উপস্থিত সকলোৱে ৰাতি ৰাম বড়োৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি আৰু পুষ্পাঞ্জলী অৰ্পণ কৰে। সভাত ৰাতি ৰাম বড়োৰ সামাজিক জীৱন দৰ্শনৰ ওপৰত আলোকপাত কৰি সোঁৱৰণী গ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা আৰু ৰাজহুৱা স্মৃতিচাৰণ সভা আয়োজনৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই উপলক্ষে বকো সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ নগেন কলিতাৰ সঞ্চালনাত অনুষ্ঠিত হয় সাধাৰণ সভা। সভাত সমাজপ্ৰাণ ৰাতি ৰাম বড়োৰ সামাজিক কৰ্মৰাজিৰ ওপৰত আলোকপাত কৰি অতি সোনকালে ৰাজহুৱা স্মৃতিচাৰণ সভা আৰু সোঁৱৰণ গ্ৰন্থ প্ৰকাশ কৰাৰ সিদ্ধান্তগ্ৰহণ কৰে। সেই উপলক্ষে নগেন কলিতাক সভাপতি, সুৰেণ চন্দ্ৰ কলিতাক উপ সভাপতি আৰু দেৰেন চন্দ্ৰ বড়ো আৰু সত্যজিৎ ৰাভাক যুটীয়া সম্পাদক হিচাপে লৈ গঠন কৰে সোঁৱৰণ গ্ৰন্থ সম্পাদনা সমিতি খন। সমিতি খনে অহা তিনি মাহৰ ভিতৰত বিস্তৃত কায্যক্ৰমণিকাৰে স্মৃতিচাৰণ সভা আৰু সোঁৱৰণ গ্ৰন্থ উন্মোচনী অনুষ্ঠান আয়োজন কৰিব বুলি ঘোষণা কৰে। ৰাজহুৱা সাধাৰণ সভাত বকো সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ নগেন কলিতা, জ্যেষ্ঠ সমাজ কৰ্মী তথা ধৰ্মপ্ৰাণ যতীন পাঠক,অৱসৰপ্ৰাপ্ত শিক্ষক তথা বকো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সুৰেণ চন্দ্ৰ কলিতা, অৱসৰপ্ৰাপ্ত বন বিষয়া প্ৰহ্লাদ বড়ো, অৱসৰপ্ৰাপ্ত শিক্ষক গীৰিন্দ্ৰ কুমাৰ চৌধুৰী, সত্যজিৎ ৰাভা, অৱসৰপ্ৰাপ্ত অভিযন্তা তথা জ্যেষ্ঠ সমাজ কৰ্মী হৰকান্ত দাস, সমাজ কৰ্মী বেণুধৰ ৰাভা, বকো সাহিত্য সভা শতদল শাখাৰ সম্পাদক জনাৰ্দ্দন বড়ো, ভাৰত চৌধুৰী, বিষ্ণু বড়ো, সুৰেণ বড়ো, নলিনী কুমাৰ খাখলাৰীৰ উপৰিও বহু সংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# অভয়াপুৰীত জ্ঞান-বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অভয়াপুৰীত জ্ঞান-বিজ্ঞান সমিতিৰ মাণ্ডলিক কাৰ্যালয়ত বঙাইগাঁও জিলা জ্ঞান বিজ্ঞান সমিতিৰ উদ্যেগত দিনযোৰা কাৰ্যসূচীৰে যোৱা ১৮ জুলাই তাৰিখে প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয় ।প্ৰতিষ্ঠা দিৱস উপলক্ষে পুৱা ৯ বজাত জ্ঞান-বিজ্ঞান সমিতিৰ পতাকা উত্তোলন কৰে সভাপতি মহেন্দ্ৰ নাৰায়ণ কাকতিয়ে। তাৰ পিছত অনুষ্ঠিত হোৱা মুকলি সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে মুখ্য অতিথি হিচাপে উপস্থিত থকা অভয়াপুৰী সমষ্টিৰ বিধায়ক ভূপেন ৰায়ে আৰু সহযোগ কৰে বঙাইগাঁও জিলা জ্ঞান-বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠাপক সচিব মাণিক চন্দ্ৰ শৰ্মাই । অভয়াপুৰী জ্যেষ্ঠ নাগৰিক সন্থাৰ সভাপতি তপন দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক ৰজো বালা নাথে। উদ্দেশ্য ব্যাখ্যাৰ পিছত জিলা সভাপতি মহেন্দ্ৰ নাৰায়ণ কাকতিয়ে জ্ঞান-বিজ্ঞান সমিতিৰ তত্ত্বাৱধানত বঙাইগাঁও জিলাত নব্বৈ দশকৰ পৰা চলা পূৰ্ণ সাক্ষৰতা অভিযান, আমাৰ পঞ্চায়ত আমাৰ কাম আৰু বৰ্তমান মহিলা প্ৰচেষ্টা গোটে কৰি অহা বিভিন্ন কামৰ বিশদ বিৱৰণ সভাৰ আগত দাঙি ধৰে। বঙাইগাঁও জিলা জ্ঞান -বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠাপক সচিব মাণিক চন্দ্ৰ শৰ্মাই ১৯৯০ চনত প্ৰতিষ্ঠা হোৱা বঙাইগাঁও জিলা জ্ঞান- বিজ্ঞান সমিতিয়ে বঙাইগাঁও জিলাৰ উপৰিও ধুবুৰী, কোকৰাঝাৰ আদিতো সাক্ষৰতা অভিযানৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে নানা গীত-মাত, সভা-সমিতিবোৰ কেনেকৈ অনুষ্ঠিত কৰিছিল তাক বহলাই ব্যাখ্যা কৰে। বঙাইগাঁও জিলা জ্ঞান- বিজ্ঞান সমিতিৰ প্ৰথম গৰাকী সভাপতি আছিল বঙাইগাঁও জিলাৰ প্ৰথম গৰাকী উপায়ুক্ত দীনেশ চন্দ্ৰ বৰ্মণ । সভাত মুখ্য অতিথি হিচাপে উপস্থিত থকা অভয়াপুৰী সমষ্টিৰ বিধায়ক ভূপেন ৰায়ে সাক্ষৰতা অভিযানৰ কথা উল্লেখ কৰি আজিৰ পৰা দুকুৰি বছৰ আগৰ আৰু বৰ্তমানৰ বঙাইগাঁও জিলাৰ শিক্ষাৰ ক্ষেত্ৰখনৰ তুলনামূলক বৰ্ণনা ডাঙি ধৰি বিভিন্ন সমস্যা আৰু বিধায়ক হিচাপে সেইবোৰ কেনেকৈ সমাধান কৰিছিল বা কৰিবলৈ চেষ্টা কৰিছিল সেয়া উদাহৰণ সহকাৰে সভাত ব্যক্ত কৰাৰ লগতে বৰ্তমান সময়ৰ শিক্ষা ব্যৱস্থাৰ কথাও উল্লেখ কৰে। উল্লেখনীয় যে মুখ্য অতিথি ভূপেন ৰায়ে ভাষণ আগবঢ়োৱাৰ আগে আগে বঙাইগাঁও জিলা জ্ঞান - বিজ্ঞান সমিতিৰ ফালৰ পৰা এখন ফুলাম গামোচা, এটি শৰাই আৰু ফুলাম জাপিৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তাৰ পিছতে নৱ সাক্ষৰ আনাতি ৰায়ে লিখা 'সৰুতে' নামৰ কবিতা এটি পাঠ কৰে ইক্ৰামুল ইচলামে। সভাত উপস্থিত থকা বিশিষ্ট ব্যক্তি সকল ক্ৰমে অকণ কৰ্মকাৰ, তাৰাপদ দাস, উৎপল নাথ, চিত্ত ৰায়, ৰাণী ব্ৰহ্ম, জানকী কাকতি, পিনু দাস আৰু সদানন্দ ৰায় । সভাত শলাগৰ শৰাই আগবঢ়ায় সম্পাদক ৰজো বালা নাথে । সভাপতিয়ে সাৰুৱা ভাষণ প্ৰদান কৰাৰ অন্তত জাতীয় সংগীত পৰিৱেশনৰ পিছত সভা ভঙ্গ হোৱা বুলি ঘোষণা কৰে। প্ৰসঙ্গ ক্ৰমে উল্লেখনীয় যে সভাৰ শেষত বঙাইগাঁও জিলা জ্ঞান-বিজ্ঞান সমিতিৰ সম্পাদক ৰজোবালা নাথৰ উদ্যেগত মহিলা প্ৰচেষ্টা আত্মসহায়ক গোটৰ সহযোগত ধূপ কাঠি প্ৰস্তুত কৰণৰ ওপৰত এটি কৰ্মশালা অনুষ্ঠিত হয় । কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে জোনালী নাথ।

## নাম শুধৰণি

মোৰ প্ৰকৃত আৰু শুদ্ধ নাম সুমেবালা হাজং (SUMEBALA HAJONG)। কিন্তু মোৰ ভূমিৰ নথি-পত্ৰ, অৰ্থাৎ জমাবন্দী আৰু জৰীপযুক্ত গাঁৱৰ চিঠা প্ৰতিলিপিত, দাগ নং- ২৫৫, পট্টা নং- ১৯৫, মাৰগাঁও যতনা ৰাজহ গাঁও, মানকাচৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ভূমিৰ নথিত ভুলবশতঃ মোৰ নাম জুনিলা হাজং (JUNILA HAJONG) বুলি লিপিবদ্ধ হৈছে।

ইয়াৰ দ্বাৰা জনোৱা হৈছে যে, 'সুমেবালা হাজং' আৰু 'জুনিলা হাজং' এই দুয়োটা নাম একে অৰ্থাৎ, উভয় নাম মোৰেই আৰু মই একে ব্যক্তি।

**সুমেবালা হাজং**
স্বামী- বজেন্দ্ৰ হাজং
গাঁও- মাৰগাঁও যতনা
ডাকঘৰ- কালাপানী
থানা- মানকাচৰ
জিলা- দক্ষিণ শালমাৰা, মানকাচৰ

## Name Correction

My actual and correct name is MADHABI KALITA, which is recorded in my all-other relevant documents, but in my son's JeetpriangshuDas Educational documents of KV IIT Guwahati wherein my name has been recorded as MADHABI DAS instead of MADHABI KALITA. I do hereby declare that MADHABI KALITA and MADHABI DAS is the one and same person having single identity i.e. myself.

**MADHABI KALITA**
Wife of Rabin Das
Village- Dakshin Bejera, Janigog
P.O.- Janigog
District- Nalbari, Assam
PIN-781334

### সংস্কৃতিকী ভূৱনেশ্বৰ, গুৱাহাটীৰ দৰ্পণ ডেন্স একাডেমীৰ যুটীয়া উদ্যোগ

# গুৱাহাটীত ভাৰত আন্তৰ্জাতিক নৃত্য মহোৎসৱ



**বাতৰি কাকত, বিলাসীপাৰা, ২১ জুলাই ঃ** ভূৱনেশ্বৰৰ সংস্কৃতিকী আৰু গুৱাহাটীৰ দৰ্পণ ডেন্স একাডেমীৰ যুটীয়া উদ্যোগত আমবাৰীৰ অসম ৰাজ্যিক সংগ্ৰহালয়ৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত দুদিনীয়াকৈ বিয়লি তিনি বজাৰ পৰা অনুষ্ঠিত হৈছে ভাৰত আন্তৰ্জাতিক নৃত্য মহোৎসৱ ২০২৬ উক্ত অনুষ্ঠানত ধুবুৰী জিলাৰ শংকৰদেৱ কলা নিকেতন সত্ৰীয়া কেন্দ্ৰ বিলাসীপাৰাৰ অধ্যক্ষ শুভ বিভাস বিশ্বাস ক ফিউচাৰ ফেচ এৱাৰ্ড ২০২৫ প্ৰদান কৰা হয়। শুভ বিশ্বাস দূৰদৰ্শন কেন্দ্ৰ এগৰাকী বি গ্ৰেড স্বীকৃতিপ্ৰাপ্ত নৃত্য শিল্পী। বিশ্বাসে ইণ্ডিয়া বুক অফ ৰেকৰ্ডছ খিতাপ অৰ্জন কৰিবলৈও সক্ষম হৈছে । উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে সংগীত নাটক অকাডেমী বঁটাপ্ৰাপ্ত কথক নৃত্যশিল্পী গুৰু বিপুল দাস আৰু সন্মানীয় অতিথি হিচাপে সংগীত নাটক অকাডেমী বঁটাপ্ৰাপ্ত সত্ৰীয়া নৃত্যশিল্পী তথা টপ গ্ৰেড শিল্পী গুৰু অনিতা শৰ্মা, মণিপুৰী নৃত্যশিল্পী গুৰু এল কৰুণা দেৱী আৰু সংগীত নাটক অকাডেমীৰ সত্ৰীয়া কেন্দ্ৰৰ সঞ্চালক ডঃ প্ৰতিভা শৰ্মা উপস্থিত থাকে। উৎসৱত অতিথি হিচাপে কথক নৃত্যশিল্পী গুৰু বিজয় শ্ৰীবাস্তৱ, ওস্তাদ বিছমিল্লা খাঁ যুৱ পুৰস্কাৰপ্ৰাপক সত্ৰীয়া নৃত্যৰ টপ গ্ৰেড শিল্পী ডাঃ মীঞ্জনন্দা বৰঠাকুৰ, ভাৰত নাট্যম শিল্পী গুৰু উপাসনা মহন্ত গগৈ, উড়িচী নৃত্যশিল্পী অংকিতা কূলাভী আদিকে ধৰি ফিউচাৰ ফেচ এৱাৰ্ড ২০২৫ৰ বিচাৰক মণ্ডলী হিচাপে দায়িত্ব পালন কৰা কেইবাগৰাকীও বিশিষ্ট নৃত্যশিল্পী উপস্থিত থাকি মহোৎসৱৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উল্লেখ্য যে সাংবাদিক তথা নৃত্য সমালোচক শ্যাম হৰি চক্ৰৰ পৰিকল্পনাৰে ভুৱনেশ্বৰত এই মহোৎসৱৰ আৰম্ভণি কৰা হৈছিল। পাছলৈ নতুন দিল্লী, কলাকাতা, মুম্বাই, মণিপুৰ,বাংগালুৰু, জলপাইগুড়ি আদিকে ধৰি ভাৰতৰ বিভিন্ন অঞ্চলত এইনৃত্য মহোৎসৱ অনুষ্ঠিত হৈ আহিছে। অসমৰ দৰ্পণ ডেন্স একাডেমীৰ উদ্যোগত ২০১৯ চনৰে পৰা এই মহোৎসৱ ২০২০-২০২১ বৰ্ষক বাদ দি প্ৰতি বছৰে বৰ্তমানলৈকে গুৱাহাটীত অনুষ্ঠিত কৰা হৈ আহিছে। উঠি অহা প্ৰজন্মৰ প্ৰতিভাৱান, প্ৰতিশ্ৰুতি সম্পন্ন শাস্ত্ৰীয় নৃত্যশিল্পী আৰু লোকনৃত্য শিল্পীসকলক এখন মঞ্চ দিয়াৰ উদ্দেশ্যৰে এই নৃত্য মহোৎসৱৰ

# জাগীৰোডৰ বাঘজাপতগ্ৰীষ্মকালীন অভিনয় কৰ্মশালা

**বাতৰি কাকত, জাগীৰোড, ২১ জুলাই ঃ** গ্ৰীষ্মকালীন সময় চোৱাত ছাত্ৰ-ছাত্ৰীসকলক অভিনয়ৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ প্ৰয়াসেৰে জাগীৰোডৰ বাঘজাপত আজিৰে পৰা ৰবি ক্ৰিয়চনৰ উদ্যোগত সাদিনীয়াকৈ অনুষ্ঠিত হয় গ্ৰীষ্মকালীন অভিনয় কৰ্মশালা। কৰ্মশালা খনি উদ্বোধন কৰে সাংস্কৃতিক কৰ্মী তথা বাঘজাপ গাঁও পঞ্চায়তৰ সভাপতি প্ৰদীপ দেউৰীয়ে । ভাষণ প্ৰসংগত দেউৰীয়ে আয়োজক মণ্ডলীৰ এনে ব্যতিক্ৰমী প্ৰয়াসক ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰি কয় যে এনে ধৰণৰ কৰ্মশালাই উঠি অহা প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত নটৰাজ আৰু অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে সমাজ সেৱক কুমুদ চন্দ্ৰ ডেকাই। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত শ্বহীদ সূৰ্য বৰা মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি শান্তনু হাজৰিকাই অংশ গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক সাৰুৱা ভাষণ প্ৰদান কৰে। সৰ্বাংসুন্দৰ অনুষ্ঠানটিত তিৱা স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্যবাহী সদস্যা বিনীতা দৈমাৰী , জাগীভকতগাঁও মণ্ডল বিজেপিৰ সভানেত্ৰী মল্লিকা বৰদলৈ, সম্পাদক প্ৰসন্ন ডেকা, জাগীভকতগাঁও বিজেপিৰ মণ্ডল মহিলা মৰ্চাৰ সভানেত্ৰী প্ৰাঞ্জুমিকা বৰা, ৰবি ক্ৰিয়েচনৰ সভাপতি বিশ্বজিৎ দেউৰী, সম্পাদক ৰমেন ডেকা শচজিতুগ্নআদিৰ লগতে অঞ্চলটোৰ বিশিষ্ট বহু কেইগৰাকী ব্যক্তি সকল উপস্থিত থাকে। আনহাতে ছাত্ৰ নেতা জ্যোতিৰ্ময় গোস্বামীয়ে আঁতধৰা অনুষ্ঠানটিত সমাজসেৱক জয়ন্ত সাগৰ শইকীয়া, অভিনয় কৰ্মশালা পৰিচালনা সমিতিৰ সভাপতি নৰেন চাহানী, সম্পাদক দিপুমণি শইকীয়া কৰ্মকৰ্তা ডিম্বেশ্বৰ ডেকা, অভিজিৎ ডেকা (পাপু) আদিৰ লগতে অভিনয় কৰ্মশালাত অংশ গ্ৰহণ কৰা প্ৰশিক্ষাৰ্থী তথা অভিভাৱক সকল উপস্থিত থাকে। স্বহীদ সূৰ্য বৰা মাধ্যমিক বিদ্যালয় প্ৰাংগনত অনুষ্ঠিত হোৱা মঞ্চ আৰু কেমেৰা উভয় বিষয়ত কৰ্মশালাত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে অভিনেতা আৰু পৰিচালক জিৎ কলিতা । শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰা কৰ্মশালাৰ পৰৱৰ্তী সময়ত প্ৰশিক্ষক তথা সমল ব্যক্তি হিচাপে জনপ্ৰিয় অভিনেতা কমল লোচন, স্নিগ্ধা গগৈ, উপাসনা প্ৰিয়ম আৰু দিগন্ত ভৰালী উপস্থিত থাকিব। স্মৰ্তব্য যে আঠ বছৰ উৰ্ধৰ সকলোৱে এই প্ৰশিক্ষণত অংশ গ্ৰহণ কৰিব পাৰিব বুলি উদ্যক্তা মণ্ডলীয়ে জানিবলৈ দিয়ে।

# নগাঁৱৰ ফিজিক্সৱালা বিদ্যাপীঠ পাঠশালাত নীট পৰীক্ষাত সফলতা লাভ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা



**বাতৰি কাকত, নৰ্নৈ, ২১ জুলাই ঃ** প্ৰত্যেক বছৰৰ দৰে এই বছৰো সদ্যঘোষিত সৰ্বভাৰতীয় মেডিকেল প্ৰবেশ পৰীক্ষাত নগাঁৱৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান ফিজিক্সৱালাই সফলতাৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। প্ৰতিষ্ঠানখনৰ পৰা এই বছৰত নীট পৰীক্ষাত অৱতীৰ্ণ হোৱা মুঠ ১০০ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১০০জনেই মেডিকেল প্ৰবেশ পৰীক্ষাত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে শিক্ষানুষ্ঠান খনৰ পৰা নীটত সফলতা লাভ কৰা সৰ্বমুঠ ১৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী চিকিৎসা মহাবিদ্যালয়ত অধ্যয়নৰ সুবিধা লাভ কৰিব। শিক্ষানুষ্ঠান খনৰ পৰা ৰাজবীৰ বৰাই (৫৮৭) সৰ্বোচ্চ নাম্বাৰ লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে প্ৰতিষ্ঠান খনৰ কৰ্তৃপক্ষৰ ফালৰ পৰা জানিবলৈ দিয়া মতে- ইতিমধ্যে শিক্ষানুষ্ঠান খনত অষ্টম মানৰ পৰা দশম মানলৈ ছেৱা আৰু চি বি এ চি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অলিম্পিয়াড পৰীক্ষাৰ প্ৰস্তুতি, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ অধ্যয়নৰ লগতে নীট আৰু জে,ই,ই পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে কোচিঙৰো ব্যৱস্থা আছে। উল্লেখ যে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ নীট- জে ই ই পৰীক্ষাত সফলতা লাভ কৰিব নোৱাৰা ছাত্ৰ-ছাত্ৰী সকলৰ বাবে অহা ২৮ জুলাই কৰা পুনৰ পাঠদানৰ ব্যৱস্থা কৰা হৈছে বুলি শিক্ষানুষ্ঠান খনৰ কতৃপক্ষৰ ফালৰ পৰা জানিবলৈ দিয়ে। তদুপৰি শিক্ষানুষ্ঠান খনৰ ফালৰ পৰা মেডিকেল প্ৰবেশ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ১৫ গৰাকী ছাত্ৰ-ছাত্ৰীক কেক কাটি বিশেষ ভাৱে সম্বৰ্ধনা জনোৱা হয়।

# কঠীয়াতলীত পথ দুৰ্ঘটনা

**বাতৰি কাকত, কচুৱা, ২১ জুলাই ঃ** কঠীয়াতলীত আজি বাইক আৰু মেজিকৰ মাজত মুখামুখি সংঘৰ্ষ হোৱাৰ ফলত দুজন লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। জানিব পৰা মতে কঠীয়াতলী দিশৰপৰা আহি থকা বাইক আৰোহী আৰু কামপুৰ দিশৰপৰা আহি থকা মেজিক গাড়ীৰ মাজত এই মুখামুখি সংঘৰ্ষ হয়। দুৰ্ঘটনাটোত মেজিক গাড়ীখনে খুন্দা মাৰি কাষৰ নলাৰ ওপৰত উঠি যায়। দুয়োকে সংকটজনক অৱস্থাত স্থানীয় ৰাইজে চিকিৎসালয়লৈ প্ৰেৰণ কৰে । আঘাতপ্ৰাপ্ত লোক কেইজনৰ সবিশেষ এতিয়াও জানিব পৰা হোৱা নাই । দুৰ্ঘটনা সংঘটিত হোৱা মেজিক গাড়ীখনৰ নম্বৰ এ এছ ০২ ডি চি৭৬৭৭ আৰু বাইকখনৰ নম্বৰ হৈছে এ এছ ০২ কে ১৯৮।

*No.DPRD/BTC/(15th FC)UT(X)/Udl-02/2026/09* *Dated Kokrajhar the 15th July, 2026*

**PRESS NOTICE**
***(e-Procurement)***

The Director, P&RD, BTC, Kokrajhar invites bids for implementation of work "Const. of RCC slab culvert at Jhilkhakhat Don Bosco School" for an amount not exceeding of Rs. 21,00,000.00 (Rupees twenty one lakhs) only under 15th Finance Commission Untied Grant (1st & 2nd instt.) for the year 2025-26 during 2026-27 from the registered contractors of Class-I & Class-II (A, B & C) category of Assam PWD (Roads) / (Building), BTC.

Details may be seen at website http://assamtenders.gov.in and also at the Office of the undersigned during office hours.

Sd/- Director,
Panchayat & Rural Development,
BTC, Kokrajhar

**IPR(BTC)/C/2026-27/846**

দৈনিক বাতৰি কাকত সত্য আৰু ন্যায়ৰ সপক্ষে

# শিৱসাগৰ জিলা কবি সন্মিলনৰ আজীৱন সভ্য সমাৰোহ

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২১ জুলাইঃ** শিৱসাগৰ জিলা কবি সন্মিলনৰ উদ্যোগত সদৌ অসম কবি সন্মিলনৰ শিৱসাগৰ জিলাৰ আজীৱন সভ্য সমাৰোহখনি শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যায়। অনুষ্ঠানৰ প্ৰথমতেই অনুষ্ঠানটোৰ প্ৰতিষ্ঠাপক পথাৰৰ কবি ৰাম গগৈৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট কবি বিচিত্ৰা বৰা ভূঞাই। শিৱসাগৰ জিলা কবি সন্মিলনৰ উপ-সভাপতি বিজু বৰঠাকুৰে সভাপতিত্ব কৰা অনুষ্ঠানটি উদ্বোধন কৰে সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন কেন্দ্ৰীয় প্ৰধান সম্পাদক আৰু উপ-সভাপতি হৰেন গগৈয়ে। তেওঁ নিজৰ বক্তব্যত কয় যে, কবিতা লিখাৰ সমান্তৰালভাৱে সংগঠন আগবঢ়াই নিয়াতো এটা জটিল কাম। সেই জটিল কামটোৰে গুৰি ব'ঠা ধৰিছিল জনতাৰ কবি ৰাম গগৈয়ে। তেওঁ কয় --কাব্যচৰ্চা কৰিবলৈ হ'লে আমি কেৱল লিখিলেই নহক্কব। প্ৰচুৰ অধ্যয়ন আৰু অনুশীলনেহে এটা ভাল কবিতাৰ জন্ম দিব। তেওঁ কথা প্ৰসংগত বিশিষ্ট কবি নীলমণি ফুকনে জীৱনত এটা ভাল কবিতা লিখিব নোৱৰাৰ বাবে দুখ থাকি যোৱা বুলি মন্তব্য কৰাটো উল্লেখযোগ্য বুলি মত প্ৰকাশ কৰে। উঠি অহা প্ৰজন্মক কবিতাৰ ঐতিহ্য, পৰম্পৰাৰ লগতো পৰিচিত হোৱাৰ লগতে বিদেশী কবিৰ কবিতাও অধ্যয়ন কৰিব লাগিব বুলি তেওঁ মন্তব্য কৰে। শিৱসাগৰ জিলা কবি সন্মিলনৰ সম্পাদক প্ৰাঞ্জল আবিৰে আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত কবিতা পাঠ কৰে ক্ৰমে পুঞ্জন বৰুৱা, অশ্ৰুমনি দত্ত ঘোষ, ৰুলি বৰগোহাঁই গগৈ, শিখা বুঢ়াগোহাঁই, ৰূপা শইকীয়া, পূজা বৰুৱা, অনামিকা দাস, বিচিত্ৰা বৰা ভূএগু, মঞ্জু ঘৰফলীয়া বড়া, দিতিমণি বুঞ্জাগোহাঁই আৰু হাৰেজা বেগমে। অনুষ্ঠানত এটি সুন্দৰ গীত পৰিবেশন কৰে কবি-শিল্পী কল্পনা গোহাঁই গগৈয়ে। উক্ত অনুষ্ঠানতে শিৱসাগৰ জিলা কবি সন্মিলনৰ মুখপত্ৰ 'কাব্য গুঞ্জন' উন্মোচন কৰা হয়। 'কাব্য গুঞ্জন'ৰ সম্পাদক হৰেন চন্দ্ৰ নাথে আঁত ধৰা কাৰ্যসূচীত মুখপত্ৰখনি উন্মোচন কৰে শিৱসাগৰ জিলা কবি সন্মিলনৰ প্ৰাক্তন সভাপতি ব্ৰজেন দাসে। আনহাতে, বিশিষ্ট কবি হাৰেজা বেগমৰ কাব্য গ্ৰন্থ 'অনুভৱৰ দলিচা' উন্মোচক কৰে শিৱসাগৰ জিলা কবি সন্মিলনৰ প্ৰাক্তন সভাপতি মুকুল নাথে। উল্লেখযোগ্য যে, আজীৱন সভ্য সমাৰোহত শিৱসাগৰ জিলা কবি সন্মিলনক অবৈধভাৱে গঠিত সদৌ অসম কবি সন্মিলনৰ সমিতিখনে ভংগ কৰা প্ৰসংগত কেইবাগৰাকী আজীৱন সভ্যই অসন্তুষ্টি প্ৰকাশ কৰে। আজীৱন সভ্য হৰেন চন্দ্ৰ নাথ, হৰেন গগৈ, মুকুল নাথ, ব্ৰজেন দাস, অশ্ৰুমনি দত্ত ঘোষ, ৰূপা শইকীয়া আদিয়ে কেৱল এটা শাখাক লৈ সমান্তৰাল জিলা সমিতি গঠন কৰাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। ৰাম গগৈৰ আদৰ্শৰে জন্ম হোৱা অনুষ্ঠানত এনে কাৰ্য সূচনা কৰাত সকলোকে মানসিকভাৱে আঘাত দিয়া বুলিও তেওঁলোকে মন্তব্য কৰে। প্ৰতিগৰাকী আজীৱন সদস্যকে অনুষ্ঠানটোত বিশেষভাৱে সন্মান জনোৱা হয়।

# ৰূপহীহাটত বিদ্যুত বিভাগৰ বিৰুদ্ধে আছুৰ উত্তাল প্ৰতিবাদ



**বাতৰি কাকত, লাওখোৱা, ২১জুলাই ঃ** ৰূপহীহাটত আজি আছুৱে বিদ্যুত বিভাগৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে।ৰূপহী আঞ্চলিক ছাত্ৰ সন্থাই ৰূপহী ৰৌমাৰীৰ শক্তি উপ কেন্দ্ৰত উপস্থিত হৈ এই প্ৰতিবাদ কৰে। প্ৰতিবাদকাৰী সকলে বিদ্যুত বিভাগ হায় হায়, বিদ্যুত মন্ত্ৰী লেই লেই ছেই ছেই আদি নানা শ্লোগান দি পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদকাৰী সকলে চামগুৰি বিদ্যুত বিভাগৰ উপ-সংমণ্ডল বিষয়াৰ ওচৰত এক স্মাৰক পত্ৰ প্ৰেৰণ কৰে। স্মাৰক পত্ৰখনত উল্লেখ কৰে য়ে ৰূপহী অঞ্চলত অব্যাহত থকা তীব্ৰ অনিয়মীয়া বিদ্যুত যোগান আৰু সঘনাই হোৱা 'লোডশ্বেডিং'য়ে সমগ্ৰ অঞ্চলটোৰ সৰ্বসাধাৰণ ৰাইজক অতিষ্ঠ কৰি তুলিছে। আজিৰ যন্ত্ৰ তথা কাৰিকৰী যুগত ছাত্ৰ-ছাত্ৰীৰ বিদ্যায়তনিক দিশত সঘনাই হোৱা বিদ্যুত কৰ্তনে বিধি পথালি দিয়া পৰিলক্ষিত হৈছে।বিদ্যালয়ত হোৱা দীঘলীয়া বিদ্যুত কৰ্তনে তীব্ৰ গৰমত ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্যজনিত আসোঁৱাহ সৃষ্টি কৰা দেখিবলৈ পোৱা গৈছে। তদুপৰি খাৰুৱা তেলৰ সঞ্চয় কৰিব পৰাকৈ বিকল্প হিচাপে যি বৈদ্যুতিক বাহনৰ উন্মেষ ঘটা সেইবোৰৰ চলাচলৰ ক্ষেত্ৰত অনিয়মীয়া তথা দীৰ্ঘসময়যোৱা বিদ্যুত কৰ্তনে বাধাৰ সৃষ্টি কৰিছে। যাৰ ফলত সেইসমূহ বাহনক উপাৰ্জনৰ পথ হিচাপে গণ্য কৰি থকা সাধাৰণ জনতাৰ চৰম হাৰাশাস্তি হৈছে। ৰূপহী অঞ্চলৰ বিভিন্ন কল-কাৰখানা, সঞ্চয়ৰ গুদাম, বেংককে আদি কৰি সমাজৰ প্ৰত্যেকটো ক্ষেত্ৰতে অস্বাভাবিক বিদ্যুত কৰ্তনে মাধমাৰ সোধাইছে।বিদ্যুত বিভাগৰ এনে চৰম গাফিলতি আৰু দায়িত্বহীনতাৰ বাবেই উপৰোক্ত বাৰেকুচি সমস্যাই জনমানসক জৰ্জৰিত কৰি তুলিছে বুলি স্মাৰক পত্ৰখনত উল্লেখ কৰিছে। ৰূপহী অঞ্চলৰ উক্ত সমস্যাৰ বাবে সংশিষ্ট বিভাগক পোনে পোনে জগৰীয়া কৰি বিদ্যুত কৰ্তনৰ এই সমস্যা অতিশীঘ্ৰ সমাধান কৰিবলৈ স্মাৰক পত্ৰৰ জড়িয়তে আছুৱে দাবী জনাইছে।

# অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ অধিৱেশন স্থগিত

**ষ্টাফ ৰিপ'ৰ্টাৰ, নাজিৰা, ২১জুলাই ঃ** অহা ২২,২৩ আৰু ২৪ জুলাইত নাজিৰা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ আতিথ্যত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৪৫ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনখনি কাৰেং ঘৰৰ বাকৰিত অৱস্থিত গড়গাঁও মহাবিদ্যালয়ত অনুষ্ঠিত হোৱাৰ কথা আছিল। নাজিৰাত হোৱা বানপানীৰ বাবে অধিৱেশনস্থলীৰ লগত যোগাযোগ বিচ্ছিন্ন হোৱাত অধিৱেশনখন সামৰিক ভাৱে স্থগিত ৰখা হৈছে বুলি অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি নীলাক্ষী গগৈ আৰু প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে আদৰণী সমিতিৰ লগত আলোচনা কৰি জানিবলৈ দিয়ে।

# হাজৰিকাপাৰাত বাল্য বিবাহ-শিশু নিৰ্যাতনৰ সন্দৰ্ভত সজাগতা সভা

**ইন্দাদুল হক, ছিপাঝাৰ, ২১ জুলাই ঃ** অসম ভলীবল মিছন, ১০০ ৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰ ভলীবল লীগৰ হাজৰিকাপাৰা ভলীবল প্ৰশিক্ষণ কেন্দ্ৰৰ খেলুৱৈ সকলৰ দ্বাৰা আজি এবছৰ ধৰি ইউনিছেফৰ দ্বাৰা বাল্য বিবাহ, শিশু নিৰ্যাতন, শিশু শ্ৰমিক বন্ধ কৰা কাৰ্যসূচী ৰূপায়ন হৈ আছে । আজি প্ৰশিক্ষণ কেন্দ্ৰৰ খেলুৱৈ সকলে হাজৰিকাপাৰা অঞ্চলৰ সচেতন ব্যক্তি সকলক উক্ত বিষয়সমূহ ৰোধ কৰাৰ ক্ষেত্ৰত সচেতন হ'বলৈ প্ৰায়োজন বোধে খেলুৱৈ সকলক উক্ত কাৰ্যসূচী সমূহ সূচলভাৱে ৰূপায়িত কৰিবলৈ তেওঁলোকে সহযোগিতা কামনা কৰে । উক্ত কাৰ্যসূচীত ৰাষ্ট্ৰীয় ভলীবল ৰেফাৰী জয়ন্ত কুমাৰ শৰ্মা, ৰাজ্যিক ভলীবল ৰেফাৰী শিৱ প্ৰসাদ শৰ্মা, ৰাষ্ট্ৰীয় ভলীবল খেলুৱৈ সঞ্জীৱ শৰ্মা, হাজৰিকাপাৰা সাহিত্য সভাৰ সভাপতি হৰেশ্বৰ চহৰীয়া, যুৱ সাংবাদিক মানসজ্যোতি বৰুৱা, দ্বীপজ্যোতি চহৰীয়া প্ৰমুখ্যে কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# তেজপুৰত সোনম ৱাংচুকৰ আন্দোলনৰ প্ৰতি সমৰ্থনৰে একাধিক স্থানত উত্তাল প্ৰতিবাদ

**বাতৰি কাকত,তেজপুৰ, ২১ জুলাইঃ** অন্যায় দেখিও তোমাৰ মনত যদি খং উঠা নাই,তেন্তে বুজিবা তুমি গোলামীক স্বীকাৰ কৰি লৈছা। অন্যায় মুক্ত ভাৰত,ভয়মুক্ত ভাৰত বিচাৰি দেশৰ ভিন্ন প্ৰান্তৰৰ লগতে আজি তেজপুৰতো এক গণ অৱস্থান কাৰ্যসূচীত অনুৰণিত হ'ল এই ধ্বনি। উচ্চাৰিত হ'ল সম্ৰাট অশোকৰ পৰা মহাত্মা গান্ধীলৈ সত্য আৰু অহিংস পন্থাৰ অপৰাজিত শক্তিৰ প্ৰাসংগিকতাৰ কথাও। দেশৰ লাখ লাখ শিক্ষাৰ্থীৰ সুৰক্ষিত শৈক্ষিক ভৱিষ্যতৰ বাবে ২৮ জুনৰ পৰা অনশনৰত দেশৰ বিশিষ্ট উদ্ভাৱক, পৰিবেশ বিজ্ঞানী সোনম ৱাংচুক আৰু হেজাৰ হেজাৰ শিক্ষাৰ্থীৰ অহিংস- গণতান্ত্ৰিক আন্দোলনৰ প্ৰতি সহমৰ্মিতা জনাই আজি দিনৰ ৰৰ বজাৰ পৰা তেজপুৰৰ ভূপেন হাজৰিকা কলাভূমিৰ সন্মুখত তেজপুৰৰ ভালেসংখ্যক বিশিষ্ট নাগৰিক, বিভিন্ন সংগঠনৰ প্ৰতিনিধি আৰু শিক্ষা প্ৰতিষ্ঠানৰ ছাত্ৰ ছাত্ৰীয়ে এক 'গণ অৱস্থান'ৰে প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। শৈক্ষিক সংস্কাৰ আৰু প্ৰশ্নকাকত ফাদিলকে ধৰি শৈক্ষিক ক্ষেত্ৰত সংঘটিত হৈ অহা শিক্ষাৰ্থীসকলৰ জীৱনক লৈ হেতালি খেলা কাণ্ডৰ বাবে চৰকাৰে নৈতিক দায়িত্ব স্বীকাৰ কৰাৰ দাবীত আয়োজিত গণ অৱস্থানত সমবেত প্ৰতিবাদকাৰীসকলে কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰেই ৱাংচুকসহ আন্দোলনৰত শিক্ষাৰ্থীসকলৰ স'তে গণতান্ত্ৰিক আলোচনাৰ উদ্যোগ গ্ৰহণ কৰক, শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে পদত্যাগ কৰক, এনটিএ বাতিল কৰক ৰাজহুৱা শিক্ষা ৰক্ষা কৰক, দেশৰ শিক্ষা ব্যৱস্থা সুস্থ নিকা গণতান্ত্ৰিক কৰি তোলক, ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ হেতালি খেলা বন্ধ কৰক,গণতান্ত্ৰিক আন্দোলনত পুলিচৰ হস্তক্ষেপ বন্ধ কৰক আদি শ্লোগানেৰে প্ৰতিবাদস্থলীৰ পৰিৱেশ উত্তাল কৰি তোলে। এই গণ অৱস্থান কাৰ্যসূচীত অংশ লৈ তেজপুৰ নাগৰিক সমাজৰ সভাপতি তথা দৰং মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক পূৰ্ণেশ্বৰ নাথে কয় যে আজি আমি আমাৰ গণতান্ত্ৰিক অধিকাৰ সুৰক্ষিত কৰাৰ বাবে একত্ৰিত হৈছো। দেশৰ পৰাধীনতাৰ সময়তো গণতান্ত্ৰিক আন্দোলনৰ প্ৰতি শাসকগোষ্ঠীয়ে শ্ৰদ্ধা জনাইছিল। কিন্তু বৰ্তমানৰ শাসক শ্ৰেণীয়ে ছাত্ৰ ছাত্ৰীৰ নায্য দাবী শুনাতো দূৰৰ কথা, প্ৰতিবাদী কণ্ঠ ৰোধ কৰাৰ বাবেহে উঠি পৰি লাগিব ধৰিছে। তিনিঘণ্টীয়া এই প্ৰতিবাদী কাৰ্যসূচীত অংশ লৈ বিশিষ্ট সমাজকৰ্মী মিনাক্ষী ভূএগু, নাট্যকাৰ ঐশ্বৰ্য কাকতি, তেজপুৰ নাগৰিক সমাজৰ উপ সভাপতি পুলীন ভট্টাচাৰ্য,সুলেখক শান্তনু বৰুৱা আৰু লক্ষী শইকীয়া, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° ভূপেন শইকীয়া, চি পি আই এম এলৰ ৰুবুল শৰ্মা, জনসাংস্কৃতিক পৰিষদৰ ৰাজু বৰুৱা, তেজপুৰ নাগৰিক সমাজৰ সম্পাদক অঞ্জন গোস্বামী,সদৌ অসম সাংবাদিক সন্থাৰ সভাপতি পংকজ কুমাৰ নাথ,এআই ডি এছ অ'ৰ ৰাজ্যিক উপসভাপতি পল্লব পেগু, জিলা সভাপতি নয়নমণি চৌধুৰী,উপ সভাপতি মাধূৰ্য গগৈ আৰু আদিত্য গগৈ, চি পি এমৰ জিলা সম্পাদক মনেশ্বৰ বড়োসহ বহুকেইগৰাকী বিশিষ্ট নাগৰিকে তেওঁলোকৰ বক্তব্যত দেশৰ শিক্ষা ব্যৱস্থাক সুস্থ আৰু নিকা কৰাৰ উদ্দেশ্যে দেশৰ ছাত্ৰসমাজে তুলি ধৰা ন্যায্য দাবীসমূহ শীঘ্ৰে মানি ল'বলৈ চৰকাৰক দাবী জনায়। প্ৰতিবাদকাৰীসকলে সুধাকণ্ঠ ভূপেন হাজৰিকাৰ 'মানুহে মানুহৰ বাবে' শীৰ্ষক প্ৰখ্যাত গীত সমস্বৰে পৰিবেশন কৰি কাৰ্যসূচীৰ সমাপ্তি ঘটায়। আনহাতে,নতুন দিল্লীৰ চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাৰ পৰাই ৱাংচুকে বাৰ্তাৰ জৰিয়তে আজিৰ দ্বিতীয় স্বাধীনতাৰূপী সংসদ যাত্ৰা সফল কৰাৰ বাবে আহ্বান জনোৱা দিনটোতে চিপিআইশ্চএমগ্নৰ শোণিতপুৰ জিলা কমিটিৰ উদ্যোগতো সোমবাৰে এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়। তেজপুৰ হেমবৰুৱা ভৱন চৌহদৰ সন্মুখত বামপন্থী দলটোৰ অসম ৰাজ্যিক কমিটিৰ সদস্য ৰবিন তামুলী, শোণিতপুৰ জিলা সম্পাদক মনেশ্বৰ বড়ো,জিলা সম্পাদক মণ্ডলীৰ সদস্য সুভ্ৰাংশু ৰঞ্জন দেব আৰু অমিতাভ চৌধুৰী,কৃষক নেতা লীলা ভূএগু আৰু জ্যোতি নাথ,জিলা কমিটিৰ জ্যেষ্ঠ সদস্য ভবানন্দ ৰায়ৰ লগতে জিলাখনৰ জিলাখনৰ ভিন্ন প্ৰান্তৰ কৰ্মকৰ্তা আৰু সমৰ্থকসকল দিনৰ ১১ বজাত সমবেত হয় আৰু দেশজোৰা প্ৰতিবাদী কাৰ্যসূচীৰ অংশ হিচাপে প্ৰতিবাদী বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে 'সোনম ৱাংচুক আৰু আন্দোলনকাৰীসকলৰ ওপৰত চলোৱা সকলো দমনমূলক ব্যৱস্থা অবিলম্বে বন্ধ কৰক', 'আন্দোলনকাৰীসকলৰ সংবিধানসন্মত গণতান্ত্ৰিক অধিকাৰ আৰু শান্তিপূৰ্ণ প্ৰতিবাদৰ অধিকাৰ নিশ্চিত কৰক', 'শিক্ষা ব্যৱস্থা সংক্ৰান্ত দাবীসমূহৰ ওপৰত আন্দোলনকাৰীসকলৰ সৈতে তৎক্ষণাত আলোচনা আৰম্ভ কৰক' 'কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে পদত্যাগ কৰক,' 'ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা বাতিল আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ প্ৰত্যাহাৰৰ দাবীসমূহ গুৰুত্বসহকাৰে বিবেচনা কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰক', 'গণতন্ত্ৰ, সংবিধান আৰু নাগৰিকৰ মৌলিক অধিকাৰ সুৰক্ষা নিশ্চিত কৰক' আদি শ্ল'গান আৰু দাবীৰে পৰিবেশ উত্তাল কৰি তোলে।প্ৰতিবাদকাৰী নেতাসকলে প্ৰতিবাদস্থলীত প্ৰদান কৰা বক্তব্যত ৱাংচুক আৰু তেওঁৰ স'তে আন্দোলনত জড়িত হোৱা সকলোৰে ওপৰত চলোৱা বলপূৰ্বক দমনমূলক ব্যৱস্থাৰ প্ৰতি গভীৰ উদ্বেগ প্ৰকাশ কৰি কয় যে,দেশৰ শিক্ষা ব্যৱস্থাত বিৰাজ কৰা অনিয়ম, প্ৰশ্নকাকত ফাদিল, শিক্ষাৰ বাণিজ্যিকীকৰণ, ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা ৰ ভূমিকা আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ বিৰুদ্ধে গণতান্ত্ৰিকভাৱে দাবী উত্থাপন কৰি থকা অৱস্থাত আন্দোলনকাৰীসকলৰ ওপৰত বলপ্ৰয়োগ, বাধা-নিষেধ আৰু দমনমূলক ব্যৱস্থা গ্ৰহণ কৰাটো ভাৰতৰ সংবিধান প্ৰদত্ত মত প্ৰকাশৰ স্বাধীনতা আৰু গণতান্ত্ৰিক অধিকাৰ পৰিপন্থী। গণতন্ত্ৰত জনতাৰ দাবীৰ উত্তৰ বলপ্ৰয়োগেৰে নহয়, আলোচনাৰ জৰিয়তেহে দিব লাগে। সেয়েহে চৰকাৰক তৎক্ষণাত হস্তক্ষেপ কৰি গণতান্ত্ৰিক পৰিৱেশ পুনঃস্থাপন কৰাৰ বাবে আহ্বান জনায়। উল্লেখ্য যে, প্ৰতিবাদকাৰীসকলে প্ৰসংগক্ৰমে সকলো সচেতন নাগৰিকক এই গণতান্ত্ৰিক আন্দোলনত ওলাই আহিবলৈকো আহ্বান জনায়। ইয়াৰ পাছত বামপন্থীদলটোৰ কৰ্মকৰ্তা- আৰু সমৰ্থকসকলে উপৰোক্ত দাবী সম্বলিত শ্ল'গান দি চহৰখনৰ মূলপথৰে এক প্ৰতিবাদী সমদল কাৰ্যসূচী ৰূপায়ণ কৰে ।একেদৰে শিক্ষাবিদ সোনম ৱাংচুকৰ আন্দোলনৰ প্ৰতি সমৰ্থন জনাই তেজপুৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজৰ লগতে বিশ্ববিদ্যালয়খনৰ কৰ্মচাৰীসকলেও আজি বিশ্ববিদ্যালয়ৰ চৌহদত দিনযোৱা অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। এই শান্তিপূৰ্ণ প্ৰতিবাদী কাৰ্যসূচীত তেজপুৰৰ আন মহাবিদ্যালয়ৰ একাংশ ছাত্ৰছাত্ৰীয়েও অংশ লয়। কেন্দ্ৰীয় বিশ্ববিদ্যালয়খনৰ ছাত্ৰ সমাজে কয় যে ৱাংচুকে শৈক্ষিক ব্যৱস্থা নিকা হোৱাৰ স্বাৰ্থত কৰা অনশনৰ দৰেই তেজপুৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰসমাজে তেজপুৰ বিশ্ববিদ্যালয়ত যোৱা ছেপ্টেম্বৰত আন্দোলন কৰিছিল।এই আন্দোলনৰ সাদৃশ্য ৱাংচুকৰ দাবীৰে থকা বুলিও উল্লেখ কৰি ছাত্ৰছাত্ৰীসকলৰ গণতান্ত্ৰিক অধিকাৰ তথা তেজপুৰ বিশ্ববিদ্যালয়ৰ সমস্যা সমূহ সমাধানৰো দাবী জনাই বিশ্ববিদ্যালয়খনৰ ছাত্ৰ সমাজে। চৰকাৰক ৱাংচুকৰ স'তে আলোচনাত বহিবলৈ আহ্বান জনাই লগতে কয় যে তেজপুৰ বিশ্ববিদ্যালয়ত সংঘটিত অনিয়মৰ তদন্তৰ প্ৰতিবেদন যোৱা মাৰ্চতে দাখিল কৰাৰ কথা আছিল যদিও বৰ্তমান জুলাইৰ শেষলৈকে এই প্ৰতিবেদন দাখিল হোৱা নাই।

# হাওৰাঘাটত মাকৈ ড্ৰেগনৰ বীজ বিতৰণ

**বাতৰি কাকত, হাওৰাঘাট, ২১ জুলাই ঃ** কাৰ্বি আংলং জিলাৰ হাওৰাঘাট কৃষি উন্নয়ন চক্ৰৰ উদ্যোগত হাওৰাঘাটৰ ভি ডি চি কাৰ্যালয়ত প্ৰাংগনত বৃহৎ সংখ্যক কৃষক ৰাইজৰ মাজত মাকৈ আৰু ড্ৰেগনৰ বীজ বিতৰণ কৰা হয়। উন্নত মানৰ বীজ বিতৰণ কাৰ্যসূচীত হাওৰাঘাটৰ ভি ডি চিৰ অধ্যক্ষ দেউৰী লেকথে হাওৰাঘাট কৃষি উন্নয়ন চক্ৰৰ সহকাৰী কৃষি পৰিদৰ্শক তপন বৰা কৃষি সম্প্ৰসাৰণ সহায়ক জয়ন্ত ডেকা আৰু মৃদুল বৰাই উপস্থিত থকাৰ লগতে ভি ডি চি কাৰ্যালয়ৰ সমূহ বিষয় ববীয়াই কাৰ্যসূচীত উপস্থিত থাকে। অঞ্চলটোৰ কৃষক ৰাইজৰ সুবিধাৰ অৰ্থে এই বীজ সমূহ কৃষক সকলক প্ৰদান কৰা হৈছে আৰু এই খেতিৰ দ্বাৰা কৃষক সকলক উপকৃত হব বুলি আশা প্ৰকাশ কৰিছে কৃষি বিষয়াসকলে। আন হাতে কৃষক সকলেও বীজ সমূহ লাভ কৰি গভীৰ সন্তোষ প্ৰকাশ কৰিছে আৰু কৃষি কাৰ্য সম্পাদনা কৰি কৃষি সামগ্ৰী সমূহ বজাৰত উপলব্ধ কৰিবলৈ কৃষক সকলক আহ্বান জনাইছে কৃষি বিষয়াসকলে।

# বানপানীৰ কৱলত গুৱাহাটী-ডিব্ৰুগড় সংযোগী পথ যান-বাহন চলাচল ব্যাহত

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২১ জুলাই ঃ** ৰাজ্যজুৰি অব্যাহত থকা প্ৰলয়ংকাৰী বান পৰিস্থিতিৰ বাবে জনজীৱন স্তব্ধ হৈ পৰাৰ লগতে যাতায়াত ব্যৱস্থাও চূড়ান্তভাৱে ব্যাহত হৈ পৰিছে। বিশেষকৈ গুৱাহাটী-ডিব্ৰুগড় সংযোগী ৰাষ্ট্ৰীয় ঘাইপথৰ কেইবাটাও স্থান জলমগ্ন হৈ পৰাত যান-বাহন চলাচলৰ ক্ষেত্ৰত জটিলতা সৃষ্টি হৈছে। বানপানীৰ ফলত শিৱসাগৰ আৰু যোৰহাট জিলাৰ একাধিক অংশৰ পথ প্লাৱিত হৈছে। ইয়াৰ ফলত গুৱাহাটীৰ পৰা ডিব্ৰুগড় অভিমুখে অহা বাহনসমূহৰ চলাচল সাময়িকভাৱে স্তব্ধ হৈ পৰিছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি যান-বাহনসমূহক কলিয়াবৰৰ পৰা বিকল্প পথলৈ ঘূৰাই দিয়া হৈছে। ডিব্ৰুগড় জিলা প্ৰশাসনে এক নিৰ্দেশনা জাৰি কৰি ডিব্ৰুগড়মুখী বাহনসমূহক তেজপুৰ-বিশ্বনাথ চাৰিআলি হৈ বগীবিল দলঙৰ মাজেৰে চলাচল কৰিবলৈ পৰামৰ্শ দিছে। বান পৰিস্থিতি শাম কটাৰ পিছত আৰু পথৰ অৱস্থা স্বাভাৱিক হ'লেই পূৰ্বৰ দৰে ৰাষ্ট্ৰীয় ঘাইপথত পুনৰ যান-বাহন চলাচল আৰম্ভ কৰা হ'ব বুলি প্ৰশাসনে জনাইছে। লগতে প্ৰশাসনে চালকসকলক যান-বাহন আৰক্ষীৰ সকলো নিৰ্দেশনা মানি চলিবলৈ আৰু প্ৰয়োজন নহ'লে প্লাৱিত পথসমূহেৰে যাত্ৰা নকৰিবলৈ আহ্বান জনাইছে। পথৰ লগতে ৰে'ল যাতায়াতৰ ওপৰতো বানপানীয়ে ব্যাপক প্ৰভাৱ পেলাইছে। এই বান পৰিস্থিতিৰ বাবে উজনিমুৱা পাঁচখন আৰু নামনিমুৱা পাঁচখনকৈ মুঠ দহখন ৰে'ল বাতিল কৰা হৈছে। বাতিল হোৱা ৰে'লসমূহৰ ভিতৰত শিলিগুড়ি—ডিব্ৰুগড় পেচেঞ্জাৰ, ৰঙীয়া-তিনিচুকীয়া ইণ্টাৰচিটি, লামডিং- তিনিচুকীয়া ডেম' ৰে'ল আদিকে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ ৰে'ল সেৱা অন্তৰ্ভুক্ত হৈ আছে।

# হাৰিভাঙাত নলবাৰী জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আইন সজাগতা সভা

**কুমুদ বৰ্মন, টিহু, ২১ জুলাইঃ** টিহুৰ সমীপৰ হাৰিভাঙাস্থিত পশ্চিম নাম্বৰভাগ গাঁও পঞ্চায়তৰ কাৰ্যালয় প্ৰাংগণত আজি নলবাৰী জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আৰু জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব জুৰী দত্তৰ দিক-নিৰ্দেশনা আৰু আন্তৰিক প্ৰচেষ্টাত এখন আইন সজাগতা সভা সফলতাৰে সম্পন্ন হয় । সভাত অধিবক্তা অঞ্জুৰাণী দাসে 'অসম লোকায়ুক্ত আৰু উপ-লোকায়ুক্ত আইন, ১৯৮৫ (২০২২ সংশোধনীসহ)' সম্পৰ্কে বক্তব্য ৰাখি লোকায়ুক্তৰ উদ্দেশ্য, দুৰ্নীতি বা অনিয়মৰ অভিযোগ দাখিলৰ পদ্ধতি, প্ৰয়োজনীয় নথি-পত্ৰ, মিছা অভিযোগৰ পৰিণাম আৰু জনসাধাৰণৰ ভূমিকা সম্পৰ্কে উপস্থিত ৰাইজক অৱগত কৰে । ইয়াৰ পিছতে অদ্ধ আইনী স্বেচ্ছাসেৱক ৰঞ্জিত তালুকদাৰে আইন খনৰ মূল বিষয় সমূহ সংক্ষেপে ব্যাখ্যা কৰি চৰকাৰী জনসেৱকৰ বিৰুদ্ধে দুৰ্নীতি বা অনিয়মৰ ক্ষেত্ৰত আইনসম্মত ভাৱে লোকায়ুক্তৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। লগতে লগতে যিকোনো আইনী সহায় সম্পৰ্কে অধিক জানিব বা সহায়ৰ প্ৰয়োজন হ'লে তেওঁৰ সৈতে যোগাযোগ কৰিবলৈও ৰাইজক আহ্বান জনায়। উপস্থিত ৰাইজে বিষয়বস্তুসমূহ গভীৰ আগ্ৰহেৰে গ্ৰহণ কৰে আৰু এনে আইন সজাগতা কাৰ্যসূচীয়ে আইনী সচেতনতা বৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি বিভিন্নজনে মত প্ৰকাশ কৰে।

# কাৰ্বি আংলঙত বানৰ বিভীষিকা



**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ২১ জুলাইঃ** উজনি অসমৰ পিছত এইবাৰ বানৰ সংহাৰী ৰূপ মধ্য অসমত। বিশেষকৈ পাহাৰীয়া জিলা কাৰ্বি আংলং জিলাত বানে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। জিলাখনৰ প্ৰকৃতিৰ অনুপম সৌন্দৰ্যৰ আকৰ কান্তিলাংছ আৰু ভিৰবাৰ পাহাৰৰ পৰা বৈ অহা মুষলধাৰ বৰষুণৰ পানীয়ে বুৰাই পেলাইছে দেনগাওঁ, ডকমকা সহ কাষৰীয়া প্ৰায় ২৭ খনৰো অধিক কাৰ্বি গাওঁ। যোৱা নিশাৰে পৰা গাঁৱকেইখনত আবদ্ধ হৈ পৰে শতাধিক লোক। জলবন্দী হৈ পৰে পোহনীয়া জীৱ-জন্তু। পূৰ্বে কোনোদিনে ভয়ংকৰ বান বিভীষিকা দেখা নাই কাৰ্বি আংলংবাসীয়ে। হঠাৎ পাহাৰৰ পৰা নামি অহা বৰষুণৰ পানীয়ে অস্বাভাৱিক বান-বিভীষিকাৰ সৃষ্টি কৰে। বানত এজন যুৱক নিখোঁজ হৈ পৰাত আজি পুৱাৰ ভাগত যুৱকজনৰ মৃতদেহ উদ্ধাৰ হয়। কালি দুপৰীয়া বানৰ পানীত মাছ ধৰিবলৈ যোৱাৰ সময়ত বানে উটুৱাই নিছিল যুৱকজনক। কাৰ্বি আংলং জিলাৰ ডকমকাত বানত উটি যোৱা যুৱকজনৰ মৃতদেহ আজি পুৱাৰ ভাগত এচডিআৰএফে উদ্ধাৰ কৰিছে। যুৱকৰ্জনৰ নাম ৰাহুল এ।। বুলি জানিব পৰা গৈছে। কাৰ্বি আংলং জিলাত হঠাৎ বানে সংহাৰী ৰূপ ধাৰণ কৰাৰ সময়ত স্থানীয় প্ৰশাসনৰ ভূমিকাক লৈ সৰৱ হৈ পৰে স্থানীয় ৰাইজ। ৰাইজৰ অভিযোগ মতে, বানৰ সময়ত প্ৰশাসনে কোনো ধৰণৰ তৎপৰতা দেখুৱা নাই। ইপিনে ভয়ংকৰ বানৰ কৱলত পৰা ডবকা-ডিফু সংযোগী ৩৬ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত একঁকাল পানী হোৱাৰ ফলত পথছোৱাদে যাতায়াত বন্ধ হৈ পৰিছে। ভয়ংকৰ বানে ডকমকাত ডিফু সংযোগী ৰাষ্ট্ৰীয় ঘাইপথৰ এছোৱা উটুৱাই লৈ যোৱাত সম্প্ৰতি পথছোৱাৰে সকলো ধৰণৰ যাতায়াত বন্ধ হৈ পৰে। হোজাই জিলা প্ৰশাসন আৰু কাৰ্বি আংলং জিলা প্ৰশাসনে পথছোৱা বন্ধ কৰি দিছে। ফলত ডিমাপুৰ, নাগালেণ্ড, মনিপুৰ অভিমুখী সকলো ধৰণৰ যাতায়াত ব্যাহত হৈ পৰিছে। ইপিনে ডবকাতো বানে সংহাৰী ৰূপ ধাৰণ কৰিছে। ডবকাৰ বুঢ়ীগংগা পাহাৰৰ পৰা বৈ অহা দেউৰীজান আৰু বোকাজান নৈৰ পানীত সূতাৰগাওঁ পঞ্চায়তৰ এক বিস্তৃৰ্ণ অঞ্চল বানত ডুব গৈছে। বিশেষকৈ ডবকা পৌৰসভা এলেকাৰ দুই নম্বৰ ৱাৰ্ড, সূতাৰগাওঁ পঞ্চায়তৰ কেবাখনো গাঁৱৰ ঘৰ-দুৱাৰ বানৰ কৱলত পৰিছে। বিশেষকৈ ডবকা পৌৰসভা এলেকাত দেউৰীজান নৈৰ সোঁতত কোনো লোকে মাটি দি ভেটা দিয়াৰ ফলত পানী নামি অহাৰ সকলো পথ বন্ধ হৈ পৰিছে। প্ৰতি বছৰ বাৰিষাৰ সময়ত এই অঞ্চলৰ ৰাইজে বানত ককবকাই থাকিবলগীয়া হয়। সোমবাৰে ডবকা ৰাজহ চক্ৰ বিষয়াই বিভিন্ন বিভাগৰ বিষয়া সকলক লৈ পৰিস্থিতি নিৰীক্ষণ কৰিছে। যোৱা দুদিনৰ পৰা হোৱা মুষলধাৰ বৰষুণৰ ফলত যমুনা নৈৰ পানী ফেনে ফুটুকাৰে বাঢ়িছে। ইপিনে কাৰ্বি আংলঙত বান সদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱাত সেই পানীখিনিও আহি যমুনা নৈত পৰিছে। ফলত যমুনাৰ বানে যিকোনো সময়ত ভয়ংকৰ ৰূপ ধাৰণ কৰিব পাৰে। ফলত ডবকা চহৰৰ পৰা নাহৰগাওঁ সংযোগী যমুনা নৈৰ ওপৰত থকা শতিকা প্ৰাচীন দলংখনৰ ওপৰেদি সকলো ধৰণৰ যাতায়াত বন্ধ কৰা হৈছে। বান পৰিস্থিতি উন্নত হলে পুনৰ দলংখন মুকলি কৰি দিয়া হ'ব।

# সম্পাদকীয় বিশেষ

## অসমীয়াক সহজ বুলি কোৱা সকলৰ বাবে এটা উত্তৰ

■ কানুপ্ৰিয়া ডেকা

'অসমীয়া ভাষা সহজ'-এই বাক্যটো আমি প্ৰায়েই শুনিবলৈ পাওঁ। বহুতে ভাবে, যিহেতু এই ভাষাটো ঘৰত, সমাজত বা দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা হয়, সেয়েহে ইয়াক আয়ত্ত কৰাটোও নিশ্চয় সহজ। কিন্তু ভাষাৰ দৈনন্দিন ব্যৱহাৰ আৰু ভাষাৰ শৈক্ষিক অধ্যয়ন-এই দুয়োটাৰ মাজত আছে আকাশ-পাতাল পাৰ্থক্য। যিসকলে অসমীয়া ভাষা আৰু সাহিত্যক অনাৰ্চ বা উচ্চ শিক্ষাৰ বিষয় হিচাপে অধ্যয়ন কৰিছে, তেওঁলোকেহে ভালদৰে উপলব্ধি কৰে যে অসমীয়া কেৱল কথা-বতৰাৰ ভাষা নহয়; ই এক গভীৰ, সমৃদ্ধ আৰু বহুমাত্ৰিক জ্ঞানৰ ভঁৰাল।

এটা ভাষা ক'ব পাৰিলেই সেই ভাষাটো সম্পূৰ্ণ আয়ত্ত কৰা হয় বুলি ক'ব নোৱাৰি। আমি দৈনন্দিন জীৱনত বহু শব্দ ব্যৱহাৰ কৰোঁ, কিন্তু সেই শব্দৰ উৎপত্তি, ব্যাকৰণগত ৰূপ, অৰ্থৰ পৰিৱৰ্তন, অলংকাৰিক প্ৰয়োগ বা সাহিত্যিক তাৎপৰ্য সকলোৰে জ্ঞান আমাৰ নাথাকে। অনাৰ্চৰ পাঠ্যক্ৰমত ভাষাবিজ্ঞান, ধ্বনিবিজ্ঞান, ৰূপতত্ত্ব, বাক্যতত্ত্ব, শব্দতত্ত্ব, ছন্দ, অলংকাৰ, সাহিত্যৰ ইতিহাস, সমালোচনা, লোকসাহিত্য, তুলনামূলক সাহিত্য আদি বহু জটিল বিষয় অধ্যয়ন কৰিব লাগে। এই অধ্যয়নে বুজাই দিয়ে যে অসমীয়া ভাষাৰ গভীৰতা কিমান বিস্তৃত।

অসমীয়া সাহিত্যৰ ইতিহাসো এক বিশাল অধ্যায়। চৰ্যাপদৰ যুগৰ পৰা শংকৰদেৱ-মাধৱদেৱৰ বৈষ্ণৱ সাহিত্য, বুৰঞ্জী সাহিত্য, অৰুণোদয় যুগ, জোনাকী যুগ, ৰামধেনু যুগ, আধুনিক আৰু উত্তৰ-আধুনিক সাহিত্য-প্ৰতিটো যুগৰ নিজস্ব বৈশিষ্ট্য, ভাষাশৈলী আৰু সাহিত্যিক দৰ্শন আছে। এই সকলোবোৰ বিষয় বুজিবলৈ কেৱল পঢ়িলেই নহয়, বিশ্লেষণী দৃষ্টিভংগী আৰু গভীৰ অধ্যয়নৰো প্ৰয়োজন হয়।

আনহাতে, অসমীয়া ব্যাকৰণক বহুতে সহজ বুলি ভাবে। কিন্তু ব্যাকৰণৰ সূক্ষ্ম নিয়ম, সন্ধি, সমাস, কাৰক, বিভক্তি, প্ৰত্যয়, উপসৰ্গ, বাক্যৰ গঠন, ভাষাৰ ৰূপান্তৰ, শব্দৰ শুদ্ধ ব্যৱহাৰ আদি বিষয়সমূহ গভীৰভাৱে অধ্যয়ন নকৰাকৈ সহজে আয়ত্ত কৰিব নোৱাৰি। এটা মাত্ৰ বাক্যৰ ব্যাকৰণগত বিশ্লেষণ কৰিবলৈও কেতিয়াবা বহু চিন্তা কৰিবলগীয়া হয়।

অনাৰ্চৰ ছাত্ৰ-ছাত্ৰীসকলে বহু সময় পুৰণি পুথি, প্ৰাচীন ভাষা, সাহিত্য সমালোচনা, গৱেষণামূলক প্ৰবন্ধ, বিভিন্ন সাহিত্য তত্ত্ব আদিৰ সৈতে পৰিচিত হ'ব লাগে। বিশ্বসাহিত্যৰ তত্ত্ব, ভাৰতীয় কাব্যতত্ত্ব, পাশ্চাত্য সাহিত্য সমালোচনাৰ ধাৰা, ভাষাবৈজ্ঞানিক মতবাদ-এই সকলো বিষয় অসমীয়া বিষয়টোৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। সেয়েহে ইয়াক 'সহজ বিষয়' বুলি কোৱাটো বাস্তৱ সত্যৰ সৈতে মিল নাখায়।

এটা ভাষাৰ সৌন্দৰ্য কেৱল শব্দত নাথাকে; তাৰ ইতিহাস, সংস্কৃতি, লোকবিশ্বাস, সমাজজীৱন আৰু জাতীয় চেতনাতো লুকাই থাকে। অসমীয়া ভাষাই অসমৰ ইতিহাস, সংস্কৃতি আৰু জাতিসত্তাক কঢ়িয়াই আনিছে। এই ভাষাক অধ্যয়ন কৰা মানে কেৱল এটা বিষয় পঢ়া নহয়; নিজৰ শিপা, ঐতিহ্য আৰু পৰিচয়ক জানিবলৈ এক অবিৰাম যাত্ৰা আৰম্ভ কৰা।

দুৰ্ভাগ্যজনকভাৱে, সমাজত এতিয়াও এনে এক মানসিকতা আছে যে বিজ্ঞান, চিকিৎসা, অভিযান্ত্ৰিক বা ব্যৱসায় শিক্ষা যেনে কঠিন, ভাষা বিষয়বোৰ যেন তেনে নহয়। কিন্তু এই ধাৰণা অমূলক। প্ৰতিটো বিষয়ৰ নিজৰ নিজস্ব জটিলতা, সৌন্দৰ্য আৰু অধ্যয়নৰ পদ্ধতি থাকে। ভাষা বিষয়ত সফল হ'বলৈও একে ধৰণৰ অধ্যৱসায়, অধ্যয়ন আৰু বিশ্লেষণী ক্ষমতাৰ প্ৰয়োজন হয়।

অসমীয়াক সহজ বুলি কোৱা সকলৰ বাবে উত্তৰ এটাই-এবাৰ অসমীয়া অনাৰ্চৰ পাঠ্যক্ৰম, সাহিত্যৰ ইতিহাস, ভাষাবিজ্ঞান, সমালোচনা আৰু কাব্যতত্ত্বৰ গভীৰতালৈ সোমাই চাওক। তেতিয়াহে বুজিব যে অসমীয়া কেৱল এটা ভাষা নহয়; ই এক জ্ঞান-সমুদ্ৰ। এই সমুদ্ৰৰ গভীৰতা কূলত থিয় হৈ অনুমান কৰিব নোৱাৰি; ইয়াৰ গভীৰতা উপলব্ধি কৰিব পাৰি কেৱল ইয়াৰ মাজলৈ নামি সাঁতুৰি চালে।

অসমীয়া ভাষাক সহজ বুলি কোৱাত দোষ নাই, যদি সেই 'সহজ' শব্দটোৱে ভাষাটোৰ সৰল ব্যৱহাৰক বুজায়। কিন্তু ইয়াৰ জ্ঞান, সাহিত্য, ব্যাকৰণ আৰু বৌদ্ধিক গভীৰতাক সহজ বুলি গণ্য কৰাটো ভাষাটোৰ প্ৰতি এক অবিচাৰ। ভাষা যিমানেই পঢ়া যায়, সিমানেই নতুন দুৱাৰ মুকলি হয়; সিমানেই উপলব্ধি হয়-অসমীয়া এক অনন্ত সাধনা।

সেয়েহে, অসমীয়াক সহজ বুলি কোৱা সকলৰ বাবে বিনম্ৰ উত্তৰ এটাই-অসমীয়া সহজ যেন লাগে, কিন্তু ইয়াৰ গভীৰতালৈ নামিলেহে বুজি পোৱা যায়, এই ভাষা কিমান বিশাল, কিমান সমৃদ্ধ আৰু কিমান গৌৰৱময়।

আজি বহুতে বিষয় বাছনি কৰাৰ ক্ষেত্ৰত কেৱল চাকৰিৰ সম্ভাৱনা বা সমাজৰ ধাৰণাকহে গুৰুত্ব দিয়ে। ফলত ভাষা আৰু সাহিত্যক পঢ়িবলৈ আগবঢ়া শিক্ষাৰ্থীসকলক কেতিয়াবা তুচ্ছ-তাচ্ছিল্যও কৰা হয়। 'অসমীয়া লৈ কি হ'ব?', 'এইটো পঢ়িবলৈ ইমান কষ্ট কিয়?'-এনে প্ৰশ্ন তেওঁলোকে সঘনাই শুনিবলগীয়া হয়। কিন্তু প্ৰকৃততে, এই প্ৰশ্নবোৰেই ভাষা আৰু সাহিত্যৰ মূল্য নুবুজাৰ প্ৰমাণ।

এজন অসমীয়া অনাৰ্চৰ শিক্ষাৰ্থীৰ দিনটো কেৱল গল্প-কবিতা পঢ়াতেই নাযায়। তেওঁক একেটা কবিতাৰ প্ৰতিটো শব্দ, প্ৰতীক, চিত্ৰকল্প, অলংকাৰ, দাৰ্শনিক তাৎপৰ্য, সামাজিক পটভূমি আৰু সাহিত্যিক মূল্য বিশ্লেষণ কৰিবলগীয়া হয়। একেটা গদ্যৰ আঁৰত লুকাই থকা লেখকৰ চিন্তা, সময়, সমাজ আৰু সংস্কৃতিকো বুজিবলৈ চেষ্টা কৰিবলগীয়া হয়। এই অধ্যয়ন মুখস্থ বিদ্যাৰে সম্ভৱ নহয়; ইয়াৰ বাবে প্ৰয়োজন যুক্তিবোধ, বিশ্লেষণী ক্ষমতা আৰু গভীৰ পঠন।

অসমীয়া ভাষাৰ আন এটা উল্লেখযোগ্য দিশ হ'ল ইয়াৰ উপভাষাৰ বৈচিত্ৰ্য। কামৰূপী, গোৱালপৰীয়া, পূৰ্বাঞ্চলীয়, মধ্য অসমীয়া আদি বিভিন্ন উপভাষাই ভাষাটোক অধিক সমৃদ্ধ কৰিছে। এই বৈচিত্ৰ্যৰ মাজতো ভাষাটোৰ ঐক্য ৰক্ষা হোৱাৰ ইতিহাস জানিবলৈ ভাষাবিজ্ঞানৰ গভীৰ অধ্যয়নৰ প্ৰয়োজন হয়। ইয়াৰ উপৰিও টাই, বড়ো, মিচিং, কাৰ্বি, ৰাভা আদি বিভিন্ন জনগোষ্ঠীৰ ভাষা-সংস্কৃতিৰ প্ৰভাৱেও অসমীয়া ভাষাক এক অনন্য ৰূপ দান কৰিছে।

আজিৰ ডিজিটেল যুগত ইংৰাজীৰ প্ৰভাৱ দিনক দিনে বৃদ্ধি পাইছে। এনে সময়ত অসমীয়া ভাষাৰ শুদ্ধ ব্যৱহাৰ, সাহিত্য চৰ্চা আৰু গৱেষণাৰ প্ৰয়োজনীয়তা আৰু অধিক বাঢ়িছে। ভাষা কেৱল যোগাযোগৰ মাধ্যম নহয়; ই এখন জাতিৰ ইতিহাস, সংস্কৃতি, পৰম্পৰা আৰু আত্মপৰিচয়ৰ বাহক। ভাষা দুৰ্বল হ'লে জাতিৰ সাংস্কৃতিক ভেটিও দুৰ্বল হৈ পৰে।

সেয়েহে, অসমীয়া ভাষাক সহজ বুলি কোৱাৰ আগতে ইয়াৰ গভীৰতা অনুভৱ কৰাৰ চেষ্টা কৰা উচিত। ভাষাটোৰ প্ৰতি সন্মান জনোৱাটো মানে কেৱল ভাষাটোক ভালপোৱা নহয়, নিজৰ মাটি, নিজৰ সংস্কৃতি আৰু নিজৰ পৰিচয়কো সন্মান জনোৱা। অসমীয়া অনাৰ্চ কেৱল এখন ডিগ্ৰী নহয়; ই হৈছে জ্ঞান, সাধনা, ধৈৰ্য আৰু সংস্কৃতিৰ সৈতে এক গভীৰ আত্মীয়তাৰ যাত্ৰা।

শেষত এয়াই ক'ব পাৰি-অসমীয়া সহজ নহয়, অসমীয়া সৰল। কিন্তু সৰলতাৰ আঁৰত লুকাই আছে এক অসীম গভীৰতা। সেই গভীৰতালৈ যিসকলে নামিছে, তেওঁলোকেহে জানে যে এই ভাষাক আয়ত্ত কৰা মানে কেৱল এখন বিষয় পঢ়া নহয়; ই এক জীৱনজোৰা সাধনা।

দূৰভাষ ঃ ৯৩৬৫৮-১০৮৬২

## মূল্যবোধৰ শিক্ষাঃ শিশুৰ চৰিত্ৰ গঠনত পৰিয়ালৰ ভূমিকা

■ নলিনী ৰঞ্জন ভূঞা

সমাজ এখন সুস্থ, সবল আৰু প্ৰগতিশীল কৰি গঢ়ি তুলিবলৈ হ'লে প্ৰতিজন নাগৰিক সৎ, চৰিত্ৰবান, দায়িত্বশীল আৰু নৈতিক মূল্যবোধসম্পন্ন হোৱাটো অতি প্ৰয়োজন। এজন ব্যক্তিক সমাজৰ আদৰ্শ নাগৰিক হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত 'মূল্যবোধৰ শিক্ষা'ই প্ৰথম আৰু প্ৰধান ভূমিকা পালন কৰে। মূল্যবোধ হৈছে মানুহৰ চিন্তা-চেতনা, আচৰণ আৰু কৰ্মক সঠিক দিশত পৰিচালিত কৰা কিছুমান নৈতিক আদৰ্শ। বৰ্তমানৰ আধুনিক, অৰ্থসৰ্বস্ব আৰু প্ৰযুক্তিনিৰ্ভৰ অন্ধ দৌৰত মানুহে ক্ৰমান্বয়ে সততা, উদাৰতা আৰু পৰোপকাৰৰ দৰে চিৰন্তন গুণসমূহ হেৰুৱাই পেলাইছে, যাৰ ফলত সমাজত নৈতিকতাৰ স্খলন এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান হিচাপে দেখা দিছে। এই জটিল সন্ধিক্ষণত আজিৰ শিশুক শৈশৱৰে পৰা সঠিক মূল্যবোধৰ শিক্ষাৰে দীক্ষিত কৰাটো সমাজৰ সৰ্বপ্ৰধান দায়িত্ব। কিয়নো তেওঁলোকেই হৈছে ভৱিষ্যৎ সমাজৰ একো একোজন কাণ্ডাৰী। শৈশৱতে মানৱীয় গুণৰ বিকাশ ঘটিলেহে ভৱিষ্যতে এখন শান্তিপূৰ্ণ আৰু উন্নত সমাজ গঠন সম্ভৱ হ'ব । শিশুৰ এই দীঘলীয়া জীৱন যাত্ৰাত মূল্যবোধৰ প্ৰথম পাঠশালাখন গঢ়ি উঠে তেওঁলোকৰ আপোন ঘৰখনতেই।

প্ৰতিটো শিশুৰ বাবে তেওঁলোকৰ পৰিয়ালটোৱেই হৈছে বিশ্বৰ প্ৰথম শিক্ষানুষ্ঠান। কোনো আনুষ্ঠানিক বিদ্যালয়ৰ দুৱাৰদলিত ভৰি দিয়াৰ পূৰ্বেই শিশুৱে ঘৰৰ পৰিৱেশৰ পৰা জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰাথমিক শিক্ষাসমূহ লাভ কৰে। পিতৃ-মাতৃ আৰু পৰিয়ালৰ জ্যেষ্ঠ সদস্যসকল হৈছে শিশুৰ প্ৰথম পথপ্ৰদৰ্শক। মনস্তত্ত্ববিদসকলৰ মতে, মানুহৰ মগজুৰ সৰ্বাধিক বিকাশ শৈশৱ অৱস্থাতে ঘটে। এই সময়ছোৱাত শিশুৱে যি দেখিব, যি শুনিব আৰু যি অনুভৱ কৰিব, সেয়া তেওঁৰ অবচেতন মনত গভীৰভাৱে খোদিত হৈ ৰয়। শিশু এজনে কেনেকৈ কথা পাতিব, সমাজত কেনেকৈ আচৰণ কৰিব, জ্যেষ্ঠজনক কেনেকৈ শ্ৰদ্ধা জনাব আৰু কনিষ্ঠক কেনেকৈ মৰম কৰিব- এই সকলোবোৰ কথা তেওঁ পৰিয়ালৰ কাৰ্যকলাপ নিৰীক্ষণ কৰি আয়ত্ত কৰে। শিশুৰ কোমল মনটো এখন বগা কাগজৰ দৰে, য'ত পৰিয়ালে যি নীতিশিক্ষা অংকন কৰি দিব, শিশুৰ ভৱিষ্যতৰ চৰিত্ৰটো ঠিক তেনেদৰেই গঢ় লৈ উঠিব। গতিকে, সমাজৰ আটাইতকৈ ক্ষুদ্ৰ আৰু শক্তিশালী গোট 'পৰিয়াল'ৰ ওপৰতেই শিশুৰ চৰিত্ৰ গঠনৰ মূল দায়িত্ব ন্যস্ত থাকে।

শিশুৰ এটা স্বাভাৱিক আৰু অতি শক্তিশালী প্ৰবৃত্তি হৈছে অনুকৰণশীলতা। তেওঁলোকে মুখৰ উপদেশতকৈ চকুৰ সন্মুখত দেখা কাৰ্যবোৰহে বেছি সোনকালে আৰু নিৰ্ভুলভাৱে গ্ৰহণ কৰে। বহু সময়ত দেখা যায় যে পিতৃ-মাতৃয়ে সন্তানক মুখেৰে সততাৰ বাণী শুনায়, কিন্তু ব্যৱহাৰিক জীৱনত তাৰ ওলোটাটোহে প্ৰতিফলিত কৰে। উদাহৰণস্বৰূপে, ঘৰত মিছা মতা বা জ্যেষ্ঠজনক অৱজ্ঞা কৰা দেখিলে শিশুৱেও তাকেই স্বাভাৱিক বুলি ভাবি লয়। বিপৰীতে, যি ঘৰত পিতৃ-মাতৃয়ে পৰস্পৰক সন্মান কৰে আৰু আনৰ প্ৰতি সদয় আচৰণ কৰে, সেই ঘৰৰ শিশুৰ মনত স্বতঃস্ফূৰ্তভাৱে সৎ গুণৰ বিকাশ ঘটে। পৰিয়ালৰ ভিতৰতেই শিশুৱে প্ৰথমবাৰৰ বাবে 'ত্যাগ' আৰু 'সহানুভূতি'ৰ শিক্ষা লাভ কৰে। যেতিয়া শিশুৱে দেখে যে মাক-দেউতাকে ঘৰৰ বনকৰা মানুহজনক সন্মান কৰিছে, দুখীয়া-দৰিদ্ৰক সহায় কৰিছে বা অসুস্থ প্ৰতিবেশীক শুশ্ৰূষা কৰিছে, তেতিয়া শিশুটিৰ মনতো পৰোপকাৰ আৰু সংবেদনশীলতাৰ ভাৱ জাগ্ৰত হয়। গতিকে, সন্তানক কেৱল মুখেৰে নীতিশিক্ষা দিয়াতকৈ পিতৃ-মাতৃয়ে নিজৰ আচৰণক আদৰ্শ স্বৰূপ কৰি তোলাটো অত্যন্ত অপৰিহাৰ্য।

অতীতৰ সমাজ ব্যৱস্থাৰ ফালে লক্ষ্য কৰিলে দেখা যায় যে, যৌথ পৰিয়ালসমূহে শিশুৰ চৰিত্ৰ গঠনত এক অনন্য ভূমিকা পালন কৰিছিল। ককা-আইতা, বৰদেউতা-বৰমা, খুড়া-খুড়ী আদিৰে পৰিপূৰ্ণ একোখন ঘৰত শিশুৱে অকলশৰীয়া অনুভৱ কৰাৰ সুযোগ নাপাইছিল। বিশেষকৈ ককা-আইতাৰ সান্নিধ্যই শিশুৰ মানসিক বিকাশত মহৌষধৰ দৰে কাম কৰিছিল। ৰাতি জুহালৰ কাষত বা বিছনাত শুৱাৰ সময়ত ককা-আইতাই কোৱা পুৰাণৰ সাধু, বিভিন্ন সাধুকথাৰ মাজত লুকাই থকা নৈতিক শিক্ষা, সমাজপ্ৰীতি আৰু ধৰ্মীয় চেতনাই শিশুৰ মনত গভীৰ সাঁচ বহুৱাইছিল। কিন্তু বৰ্তমান সময়ত অৰ্থনৈতিক কাৰণ, নগৰীকৰণ আৰু আধুনিক মানসিকতাৰ বাবে যৌথ পৰিয়ালসমূহ ক্ৰমান্বয়ে ভাঙি একক পৰিয়াললৈ ৰূপান্তৰিত হৈছে। ইয়াৰ ফলত শিশুসকল ককা-আইতাৰ মৰম আৰু তেওঁলোকৰ সুদীৰ্ঘ জীৱনৰ অভিজ্ঞতাৰ পৰা বঞ্চিত হৈছে। আজিকালি বহু শিশুৰ ককা-আইতাৰ মুখৰ সজীৱ কথা-বতৰা বা মৌখিক সাধুকথাৰ সোৱাদ নোপোৱাৰ বাবে তেওঁলোকৰ ভাষিক আৰু কাল্পনিক চিন্তা-শক্তিৰ পৰিসৰো সীমিত হৈ পৰিছে। কিতাপৰ পাতত থকা নীতিশিক্ষামূলক সাধুবোৰো তেওঁলোকক মৰমেৰে পঢ়ি শুনাবলৈ বা তাৰ অন্তৰালৰ সত্যটোক সহজকৈ বুজাই দিবলৈ ঘৰখনত জ্যেষ্ঠজনৰ অভাৱ ঘটিছে। ফলত শিশুৱে যান্ত্ৰিকভাৱে ডাঙৰ হ'বলগীয়া হৈছে আৰু পৰম্পৰাগত জ্ঞানৰ পৰা দূৰত অৱস্থান কৰিছে। একক পৰিয়ালৰ এই শূন্যতা দূৰ কৰিবলৈ পিতৃ-মাতৃয়ে অধিক তৎপৰতা প্ৰদৰ্শন কৰিব লাগিব। তেওঁলোকে সন্তানক নিজৰ শিপা, পৰম্পৰা আৰু লোক-সংস্কৃতিৰ সৈতে চিনাকি কৰাই দিয়াৰ বাবে বিশেষ সময় উলিয়াব লাগিব।

আজিৰ দিনত শিশুসকলৰ শৈশৱটো স্মাৰ্টফোন, কম্পিউটাৰ আৰু ইণ্টাৰনেটৰ স্ক্ৰীণৰ মাজত আৱদ্ধ হৈ পৰিছে। বহু সময়ত পিতৃ-মাতৃয়ে নিজৰ কৰ্মব্যস্ততাৰ বাবে বা সন্তানক শান্ত কৰি ৰাখিবলৈ অতি কম বয়সতে তেওঁলোকৰ হাতত মোবাইল ফোন তুলি দিয়ে। ইয়াৰ ফলত শিশুসকল কিতাপৰ জগতখনৰ পৰা বা সমাজৰ বাস্তৱ সম্পৰ্কবোৰৰ পৰা আঁতৰি এক ছদ্মবেশী জগতত হেৰাই যাবলৈ ধৰিছে। ইণ্টাৰনেটত উপলব্ধ বহুতো অনৈতিক, হিংসাত্মক আৰু অপসাংস্কৃতিক সমলে শিশুৰ কোমল মনস্তত্ত্বত গভীৰ কু-প্ৰভাৱ পেলাইছে। ইয়াৰ ফলত শিশুৰ মাজত জেদ, ক্ৰোধ আৰু অসামাজিক প্ৰৱণতা বৃদ্ধি পাইছে। এই ক্ষেত্ৰত পৰিয়ালৰ সজাগতা অতি জৰুৰী। পিতৃ-মাতৃ কেৱল অভিভাৱক হ'লেই নহ'ব, তেওঁলোকে সন্তানৰ বন্ধু হৈ তেওঁলোকৰ ডিজিটেল কাৰ্যকলাপৰ ওপৰত চকু ৰাখিব লাগিব। মোবাইলৰ ব্যৱহাৰ সীমিত কৰি শিশুসকলক সমনীয়াৰ লগত খেলিবলৈ উদগনি দিয়া, বিভিন্ন মহৎ লোকৰ জীৱনী পঢ়াৰ অভ্যাস গঢ়া, আৰু প্ৰকৃতিৰ সান্নিধ্যলৈ লৈ যোৱাৰ দায়িত্ব পৰিয়ালে গ্ৰহণ কৰিব লাগিব।

শিশুৰ চৰিত্ৰ গঠনৰ আন এক অপৰিহাৰ্য দিশ হৈছে অনুশাসন। পৰিয়ালত শিশুসকলক এক সুস্থ অনুশাসনৰ মাজত ৰখাটো প্ৰয়োজনীয়, কিন্তু এই অনুশাসন কেতিয়াও একনায়কত্ববাদী বা অত্যধিক কঠোৰ হ'ব নালাগে। অতিমাত্ৰা শাসন, গালি-গালাজ বা শাৰীৰিক প্ৰহাৰে শিশুৰ মনত হীনমান্যতা, ভয় আৰু বিদ্ৰোহী ভাৱৰ জন্ম দিয়ে। তেওঁলোকে নিজৰ ভুলবোৰ লুকুৱাবলৈ মিছা কথাৰ আশ্ৰয় ল'বলৈ শিকে। আনহাতে, অত্যধিক মৰম বা অন্ধ স্নেহেও শিশুক বিপথে পৰিচালিত কৰিব পাৰে, যাৰ ফলত তেওঁলোকে কাকো খাতিৰ নকৰা হৈ পৰে। গতিকে, মৰম আৰু শাসনৰ মাজত এক সুন্দৰ ভাৰসাম্য ৰক্ষা কৰাটো জৰুৰী। শিশুৱে কোনো ভুল কৰিলে তাক শান্তভাৱে, মৰমেৰে বুজাই দিব লাগে যে, তেওঁৰ কাৰ্যটো কিয় ভুল আছিল আৰু ইয়াৰ পৰিণাম কি হ'ব পাৰে। তেওঁলোকক নিজৰ মতামত প্ৰকাশ কৰাৰ সম্পূৰ্ণ স্বাধীনতা দিব লাগে, যাতে তেওঁলোকৰ আত্মবিশ্বাস আৰু সিদ্ধান্তগ্ৰহণৰ ক্ষমতা বৃদ্ধি পায়।

আজিৰ প্ৰতিযোগিতামূলক শিক্ষা ব্যৱস্থাই শিশুসকলক এক তীব্ৰ মানসিক চাপৰ মাজলৈ ঠেলি দিছে। কেৱল পৰীক্ষাৰ নম্বৰ, প্ৰথম স্থান লাভ কৰা বা শৈক্ষিক সফলতাহে যেন জীৱনৰ একমাত্ৰ লক্ষ্য-তেনে এক পৰিৱেশ সৃষ্টি কৰা হৈছে। ইয়াৰ ফলস্বৰূপে, বৰ্তমানৰ যুৱ প্ৰজন্মৰ মাজত সহনশীলতা ক্ৰমান্বয়ে হ্ৰাস পাইছে। সামান্য ব্যৰ্থতা, পৰীক্ষাত কম নম্বৰ পোৱা বা মনৰ আশা পূৰণ নহ'লেই বহু শিশু আৰু কিশোৰে হতাশাত ভুগি চৰম পথ বাছি লোৱা পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত পৰিয়ালে শিশুক শৈশৱৰে পৰাই জীৱন যুদ্ধৰ আচল শিক্ষা দিয়া উচিত। তেওঁলোকক বুজাব লাগে যে জয় আৰু পৰাজয়, লাভ আৰু লোকচান-এই সকলোবোৰ জীৱনৰ একেটা মুদ্ৰাৰে ইপিঠি আৰু সিপিঠি। সফলতাত যেনেকৈ অহংকাৰ কৰিব নালাগে, ব্যৰ্থতাতো তেনেকৈ ভাঙি পৰিব নালাগে। ধৈৰ্য্য, মানসিক দৃঢ়তা আৰু সংগ্ৰাম কৰাৰ প্ৰেৰণা পৰিয়ালৰ পৰাই আহে। যেতিয়া পিতৃ-মাতৃয়ে সন্তানক বিভিন্ন প্ৰত্যাহ্বানৰ মাজতো থিয় হৈ থাকিবলৈ সাহস দিয়ে, তেতিয়া শিশুটি ভৱিষ্যতে এজন মানসিকভাৱে শক্তিশালী আৰু দায়িত্বশীল ব্যক্তি হিচাপে সমাজত প্ৰতিষ্ঠিত হ'ব পাৰে।

পৰিয়ালৰ ভিতৰতেই শিশুৱে লিংগ বৈষম্য, জাতিভেদ প্ৰথা আৰু সামাজিক শ্ৰেণী বিভাজনৰ দৰে বিষয়সমূহৰ প্ৰথম ধাৰণা লাভ কৰে। বহু ঘৰত ল'ৰা আৰু ছোৱালী সন্তানৰ মাজত কাম-কাজ, খোৱা-বোৱা বা স্বাধীনতাৰ ক্ষেত্ৰত বৈষম্যমূলক আচৰণ কৰা দেখা যায়। এনে পৰিৱেশে শিশুৰ মনত সংকীৰ্ণতাৰ জন্ম দিয়ে। সুস্থ মূল্যবোধৰ শিক্ষাই শিশুক সমাজৰ সকলো মানুহক সমান চকুৰে চাবলৈ শিকায়। পৰিয়ালত ল'ৰা-ছোৱালী উভয়কে ঘৰুৱা দায়িত্ব সমানে ভগাই দিয়া উচিত। ইয়াৰ উপৰি, সমাজৰ বিভিন্ন ধৰ্ম, বৰ্ণ আৰু জাতিৰ মানুহৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ শিশুক সৰুৰে পৰা শিকাব লাগে। ধৰ্মনিৰপেক্ষতা, মানৱতাবাদ আৰু বিশ্বজনীন ভাতৃত্ববোধৰ শিক্ষা যদি পৰিয়ালৰ পৰা পোৱা যায়, তেন্তে ভৱিষ্যতে সমাজত সাম্প্ৰদায়িক হিংসা বা বৰ্ণবৈষম্যৰ দৰে ব্যাধিবোৰ চিৰদিনৰ বাবে নিৰ্মূল হ'ব।

পৰিশেষত ক'ব পাৰি যে, শিক্ষা কেৱল বিদ্যালয়ৰ চাৰিসীমাৰ ভিতৰতে আৱদ্ধ নহয়। বিদ্যালয় বা মহাবিদ্যালয়ে এজন শিক্ষাৰ্থীক অৰ্থ উপাৰ্জনৰ বাবে কোনো ডিগ্ৰী বা কাৰিকৰী জ্ঞান দিব পাৰে ।কিন্তু তেওঁক এজন প্ৰকৃত 'মানুহ' হিচাপে গঢ়ি তুলিব পাৰে কেৱল পৰিয়ালেহে। মূল্যবোধৰ শিক্ষা কোনো মুখস্থ কৰা বিষয় নহয়, ই হৈছে অন্তৰৰ গভীৰৰ পৰা অহা এক জীৱন ধাৰণৰ পবিত্ৰ পদ্ধতি। বৰ্তমান আমাৰ সমাজত দিনক দিনে বাঢ়ি অহা অপৰাধপ্ৰৱণতা, দুৰ্নীতি, ধৰ্ষণ আৰু নৈতিক অৱক্ষয় ৰোধ কৰিবলৈ হ'লে আমি শিপাৰ পৰাই সংস্কাৰ সাধন কৰিব লাগিব। আমাৰ মানৱ সমাজৰ আটাইতকৈ পবিত্ৰ শিপাডাল হৈছে পৰিয়াল। প্ৰতিগৰাকী পিতৃ-মাতৃয়ে যদি নিজৰ সন্তানক কেৱল ধন-সম্পত্তি, লাহ-বিলাসৰ সামগ্ৰী বা কিতাপৰ নম্বৰ যোগান ধৰাতকৈ সৎ চৰিত্ৰ, দেশপ্ৰেম, ধৰ্মনিৰপেক্ষতা আৰু মানৱতাৰ অক্ষয় শিক্ষা প্ৰদানত অধিক ব্ৰতী হয়, তেন্তে এখন অপৰাধমুক্ত, শান্তিপূৰ্ণ আৰু আদৰ্শ সমাজ গঠন হোৱাটো নিশ্চিত।

দূৰভাষ ঃ ৯৮৫৪৫-২৮৩০৪

## নিচামুক্ত ভাৰত অভিযান ঃ এটি আলোকপাত

নাছিৰ আহমেদ

সামাজিক ন্যায়বিচাৰ আৰু ক্ষমতায়ন মন্ত্ৰকৰ অধীনস্থ সামাজিক ন্যায় আৰু ক্ষমতায়ন বিভাগ, ভাৰত চৰকাৰে নতুন দিল্লীত অনুষ্ঠিত এখন জৰুৰী সভাৰ প্ৰস্তাৱ অনুসৰি সমাজৰ পৰা মাদক দ্ৰব্য আৰু পদাৰ্থৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ ২০২০ চনৰ ১৫ আগষ্টৰ পৰা দেশব্যাপি নিচামুক্ত ভাৰত অভিযানৰ (NMBA) শুভাৰম্ভ কৰে। ই এটি সমন্বিত আন্দোলন, যিয়ে মাদক দ্ৰব্যৰ ক্ষতিকাৰক প্ৰভাৱ সম্পৰ্কে সচেতনতা প্ৰস্তুত কৰে আৰু আসক্ত ব্যক্তিসকলৰ পুনৰ্বাসনত সহায়ৰ হাত আগবঢ়ায়।

**অভিযানৰ মূল লক্ষ্য আৰু কাৰ্য্যাৱলী ঃ**

সচেতনতা বৃদ্ধিঃ- উচ্চশিক্ষা প্ৰতিষ্ঠান, যেনে-মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু বিদ্যালয়সমূহৰ শিক্ষাৰ্থী সকলৰ মাজত মাদকৰ কুফল সম্পৰ্কে ব্যাপক সচেতনতা প্ৰচাৰ।

যুব আৰু নাৰী অংশগ্ৰহণ ঃ- সমাজক মাদকমুক্ত কৰিবলৈ তৰুণ প্ৰজন্ম আৰু মহিলাসকলক এই অভিযানৰ সৈতে প্ৰত্যক্ষ ভাৱে যুক্ত কৰা।

চিকিৎসা আৰু পুনৰ্বাসনঃ- মাদকাসক্ত সকলক চিহ্নিত কৰি তেওঁলোকক পুনৰ্বাসনৰ ব্যৱস্থা কৰা।

প্ৰসাৰঃ- প্ৰাথমিক পৰ্যায়ত দেশৰ সৰ্বাধিক সতৰ্কবাণী সংকেত থকা ২৭২খন জিলাত এই প্ৰকল্প আৰম্ভ হ'লেও পৰৱৰ্তী ইয়াক ভাৰতৰ সমস্ত জিলাত সম্প্ৰসাৰণ কৰা হৈছে।

'নিচামুক্ত ভাৰত অভিযানক্ষৰ অধীনত সামাজিক ন্যায় আৰু ক্ষমতায়ন মন্ত্ৰকৰ অধীনস্থ সামাজিক ন্যায় আৰু ক্ষমতায়ন বিভাগ, ভাৰত চৰকাৰে ৰাষ্ট্ৰসংঘৰ

সাধাৰণ পৰিষদে (UNGA) ১৯৮৭ চনৰ ৭ ডিচেম্বৰত লোৱা সিদ্ধান্তমৰ্মে পৃথিৱীৰ সকলো দেশে প্ৰতি বছৰে ২৬ জুন তাৰিখে উদযাপন কৰি অহা আন্তৰ্জাতিক মাদকবিৰোধী দিৱসৰ (মাদক দ্ৰব্য অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী) (International Day Against Drug and Illicit Trafficking) লগত সংগতি ৰাখি দেশব্যাপি সচেতনতা কাৰ্যক্ৰমৰ বিভিন্ন আঁচনি ৰূপায়ণ কৰিবলৈ ২০২৫ চনৰ ২৬ জুন তাৰিখে এটি বিশেষ অনুষ্ঠান আয়োজন কৰে। এই অনুষ্ঠানটি অনুষ্ঠিত হয় ড° আম্বেদকাৰ আন্তৰ্জাতিক কেন্দ্ৰ, নতুন দিল্লীত। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত আছিল কেন্দ্ৰীয় সামাজিক ন্যায় আৰু ক্ষমতায়ন মন্ত্ৰকৰ কেন্দ্ৰীয় প্ৰতিমন্ত্ৰী শ্ৰী বি এল বাৰ্মা আৰু বিভাগীয় উৰ্ধতন বিষয়াসকল।

ইতিমধ্যে নিচামুক্ত ভাৰত এপ্লিকেচন প্ৰস্তুত কৰা হৈছে ; যাৰ মাধ্যমত জিলা, ৰাজ্য আৰু জাতীয় স্তৰত ৰিয়েল-টাইম তথ্য উপস্থাপন সম্ভৱ হৈছে। একে লগে ওৱেবছাইটত আছে বিস্তাৰিত তথ্য ,অনলাইন আলোচনা ফৰাম, ড্যাছবোৰ্ড ও ই-প্লেজ ফিচাৰ। 'ড্ৰাগ ফ্ৰি' থকাৰ প্ৰতিশ্ৰুতি লৈছে ১.৬৭ কোটিৰ বেছি শিক্ষাৰ্থী, যিবিলাকে ৯৯,৫৯৫টি শিক্ষাপ্ৰতিষ্ঠানৰ পৰা শপত গ্ৰহণত অংশ গ্ৰহণ কৰিছিল। নিয়মিত আয়োজিত হৈছে নানা কাৰ্যক্ৰম -যেনে 'নশে সে আজাদী' নয়া ভাৰত, নিচামুক্ত ভাৰত আৰু এন এম বিএ- এনসিসি ইন্টাৰ একচন।

ভাৰত চৰকাৰ, সামাজিক আৰু আধ্যাত্মিক সংগঠন যেনে দ্য আৰ্ট ফৰ লিভিং, ব্ৰহ্ম কুমাৰী, ইছকন, ৰামচন্দ্ৰ মিছন ও অল ওৱাল্ড গায়ত্ৰী পৰিয়ালৰ লগত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত কৰে, যাতে এই অনুষ্ঠানবোৰে গণচেতনতা কাৰ্যক্ৰমত সহায়তা প্ৰদান কৰিব পাৰে। ইয়াৰ উপৰিও দেশৰ সমস্ত ডি-এডিকচন চেন্টাৰক জিও- ট্যাগ কৰি সাধাৰণ জনগণৰ লগত যোগাযোগৰ ব্যৱস্থা সহজলভ্য কৰা হৈছে।

আন্তৰ্জাতিক মাদক দ্ৰব্য বিৰোধী দিৱস (International Day Against Drug and Illicit Trafficking) উপলক্ষে কেন্দ্ৰীয় চৰকাৰৰ সামাজিক ন্যায় আৰু ক্ষমতায়ন বিভাগৰ (Social Justice and Empowerment) কেন্দ্ৰীয় মন্ত্ৰী মাননীয় ড° বীৰেন্দ্ৰ কুমাৰ ডাঙৰীয়াৰ তত্বাৱধানত ২০২ছ চনৰ ১৭ জুনৰ পৰা মাদক দ্ৰব্যৰ বৰবিহৰ সৰ্বনাশী গ্ৰাসৰ পৰা দেশৰ কোটি কোটি জনতাক মুক্ত কৰাৰ বাবে আৰু ইয়াৰ অপব্যৱহাৰ সম্পৰ্কে লগতে অবৈধ সৰবৰাহ বিৰোধী অভিযান সফল কৰিবলৈ 'নিচামুক্ত ভাৰত সপ্তাহ' 'নিচামুক্ত ভাৰত অভিযান'ৰ অধীনত 'নিচামুক্ত ভাৰত অভিযান,বিকশিত ভাৰত কি পেহচান' এই প্ৰতিপাদ্যৰ আধাৰত গোৱা ৰাজ্যৰ পাঞ্জিমত শুভাৰম্ভ কৰে।

গোৱাত 'নিচামুক্ত ভাৰত অভিযানৰ (NMBA) মূল লক্ষ্য হ'ল, মাদকমুক্ত সমাজ গঢ়ি তোলা। এই অভিযানৰ অধীনত সচেতনতা বৃদ্ধি, শিক্ষাপ্ৰতিষ্ঠানত প্ৰচাৰ আৰু পুনৰ্বাসন কেন্দ্ৰ পৰিচালনাৰ দৰে নানা কৰ্মসূচী লোৱা হৈছে। এই সংক্ৰান্তৰ সমস্ত গুৰুত্বপূৰ্ণ নিৰ্দেশিকা আৰু ৰিপোৰ্ট তলত উল্লেখ কৰা হ'ল ঃ-

গোৱা জইনছ ন্যাশনাল মিছন (Goa Joins National Mission)ঃ- গোৱাত এই অভিযানৰ ৰূপৰেখা, উদ্বোধনী অনুষ্ঠান আৰু স্থানীয় কৰ্মসূচীৰ বিস্তৃত বিৱৰণ দিয়া আছে।

সচেতনতা কৰ্মসূচী (Awareness Programme Saptah)ঃ- মাদক দ্ৰব্য বিৰোধী আৰু অবৈধ সৰবৰাহ বিৰোধী সপ্তাহৰ জৰিয়তে মূলতঃ উচ্চ শিক্ষানুস্থান, যেনে- বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়ৰ কেম্পাছ আৰু সম্প্ৰদায়ভিত্তিক স্থানীয় জনগণৰ মাজত ইয়াৰ অপকাৰিতাৰ আৰু কু-প্ৰভাৱৰ বিষয়ে কাৰ্যক্ৰম পৰিচালনা কৰা হৈছে।

জাতীয় একচন প্লেন (National Action Plan)ঃ- সামাজিক ন্যায়বিচাৰ আৰু ক্ষমতায়ন মন্ত্ৰকৰ অধীনত গোটেই দেশজুৰি মাদক দ্ৰব্যৰ চাহিদা হ্ৰাস আৰু প্ৰচাৰৰ বাবে প্ৰণীত মূল ৰূপৰেখা।

কেন্দ্ৰীয় নিৰ্দেশিকা প্ৰটোকল (Central Implementation Protocol)ঃ- ৰাজ্যভিত্তিক বাস্তবায়ন প্ৰক্ৰিয়া,এন এম বিএ- ড্যাছবোৰ্ড আৰু লক্ষ্যমাত্ৰা সংক্ৰান্ত তথ্য।

মুঠতে, গোৱা ৰাজ্যিক চৰকাৰৰ সহযোগিতাত কেন্দ্ৰীয় সামাজিক ন্যায় আৰু ক্ষমতায়ন মন্ত্ৰকৰ তত্বাৱধানত নিচামুক্ত ভাৰত গঢ়ি তোলাৰ লক্ষ্যৰে ১৭ জুনৰ পৰা সপ্তাহ জোৰা জনগণৰ মাজত বিভিন্ন কাৰ্যসূচী যেনে - জন জাগৰণ, সমদল যাত্ৰা, চিনেমা প্ৰদৰ্শনী , বেনাৰ, পোষ্টাৰ ,পুস্তিকা, বিভিন্ন প্ৰচাৰ কাৰ্য্যক্ৰম আৰু বিশেষকৈ শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰাচীৰ পত্ৰিকা,কুইজ প্ৰতিযোগিতা, তৰ্ক প্ৰতিযোগিতা, কবিতা,গল্প, প্ৰবন্ধ লিখা প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হৈছে।

থুলমূল ভাৱে 'নিচামুক্ত ভাৰত অভিযান'ৰ বিষয়ে আলোকপাত কৰা হ'ল।

দূৰভাষ ঃ ৯১০১৪-৬৫৮০৫

দৈনিক বাতৰি কাকত সত্য আৰু ন্যায়ৰ সপক্ষে

# সতীৰ্থ সন্মিলন ৪৪ বছৰ অন্তত একত্ৰিত ১৯৮২ শিক্ষাবৰ্ষৰ সতীৰ্থ



**বাতৰি কাকত, বৰনৰ্দী, ২১ জুলাই ঃ** নলবাৰী জিলাৰ পানীগাঁওস্থিত মিলন হাইস্কুলত দেওবাৰে ১৯৮২ শিক্ষাবৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ এখন সতীৰ্থ সন্মিলন অনুষ্ঠিত হৈ যায়। শিক্ষা, সাহিত্য আৰু ক্ৰীড়াৰ ক্ষেত্ৰত আগবঢ়া নিজ পকোৱা, পানীগাঁও আৰু সন্ধেলীৰ সমন্বয়ৰ মিলন চ'কৰ গাতে লাগি থকা মিলন হাইস্কুলত সুদীৰ্ঘ প্ৰায় ৪৪ বছৰৰ অন্তত কৰ্মসূত্ৰে বিভিন্ন প্ৰান্তত থাকিলেও আজি সতীৰ্থসকল তদানীন্তন বিদ্যালয়খনৰ শিক্ষাগুৰু (বৰ্তমান অৱসৰপ্ৰাপ্ত) সকলৰ শ্ৰীচৰণত এটি ভক্তিপূত সেৱা জনোৱা, শ্ৰদ্ধা জনোৱা আৰু এধানিমান আশীৰ্বাদ লোৱাৰ উদ্দেশ্যি একত্ৰিত হয় এই হাইস্কুলখনত। সতীৰ্থসকলৰ এই মিলনমেলাই এক আৱেগঘন আৰু আনন্দমুখৰ পৰিৱেশ সৃষ্টি কৰি তোলে। দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা এই সতীৰ্থ সন্মিলনৰ পুৱা ৯ বজাত বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক সম্পাদক তথা প্ৰধান শিক্ষক প্ৰয়াত শৰৎ চন্দ্ৰ শৰ্মা, প্ৰতিষ্ঠিপক সভাপতি প্ৰয়াত প্ৰভাত চন্দ্ৰ শৰ্মা আৰু সহযোগী প্ৰতিষ্ঠাপক প্ৰয়াত মমাত আলীৰ স্মৃতিসৌধত বন্তি প্ৰজ্বলনত প্ৰজ্বালক হিচাপে ভাগ লয় ক্ৰমে প্ৰাক্তন ছাত্ৰ তথা বিশিষ্ট চিত্ৰশিল্পী খচনুৰ আহমেদ , সাংবাদিক নগেন তালুকদাৰ আৰু ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যই । ইয়াৰ পিচত শিলচৰ পাব্লিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক গোকুল চন্দ্ৰ দত্তই অসমীয়াৰ হিয়াৰ আমঠু বিশ্বকণ্ঠ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি পজ্বলন কৰে । বিদ্যালয়খনৰ চৌহদতে এটি গছপুলি বিশিষ্ট চিত্ৰশিল্পী খচনুৰ আহমেদৰ জৰিয়তে ৰোপন কৰি ১৯৮২ শিক্ষাবৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱত্তীৰ্ণ এই প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়খনত এটি স্মৃতি ৰাখি থৈ যায়। ইয়াৰ পিচত বিদ্যালয়খনৰ প্ৰয়াত শিক্ষাগুৰু আৰু সহপাঠী সকলৰ স্মৃতি তৰ্পণত বন্তি প্ৰজ্বালক হিচাপে ভাগ লয় বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ক্ৰমে প্ৰবীণ দত্ত আৰু অমূল্য নাথ শৰ্মাই । পিচত প্ৰতিষ্ঠাপক অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক থানেশ্বৰ সাউদ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ক্ৰমে প্ৰবীণ দত্ত, অমূল্য নাথ শৰ্মা, সহকাৰী শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে গিৰিশ কুমাৰ সাউদ,মুনীন্দ্ৰ বৰ্মন, পদুমী মজুমদাৰ, অনিমা দত্ত আৰু অৱসৰপ্ৰাপ্ত কৰ্মচাৰী নৰপতি বৈশ্য, পদ্মা তালুকদাৰক চেলেং চাদৰ, ফুলাম জাপি সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱাৰ লগতে বৰ্তমানৰ বিদ্যালয়খনৰ প্ৰধান শিক্ষক অলকেশ মজুমদাৰ , বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য মজিদ আলী আৰু বিদ্যালয়খনৰ অবৈতনিক চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নৃপেন বৰ্মনকো ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা গ্ৰহণ কৰি অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰবীণ দত্তই ১৯৮২ বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলে আয়োজন কৰা এই সতীৰ্থ সন্মিলনখনৰ স্মৃতিয়ে শিক্ষাগুৰুসকলৰ আয়ুস বহুখিনি বঢ়োৱা বুলি ভাষণত উল্লেখ কৰে । লগতে দত্তই কয় শিক্ষক সকলে কোনো ছাত্ৰ-ছাত্ৰীৰ পৰা একো নিবিচাৰে , মাত্ৰ প্ৰতিগৰাকীৰ উজ্বল ভৱিষ্যত কামনাহে কৰে । ইয়াৰোপৰি সমাজৰ সুস্থ বতাহ বোৱাই সমাজৰ প্ৰতিগৰাকী লোককে নৈতিক চৰিত্ৰবান কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত সমাজত আগভাগ ল'বলৈ আহ্বান জনায়। সম্বৰ্ধনা গ্ৰহণ কৰা প্ৰতিগৰাকী শ্ৰদ্ধাৰ শিক্ষাগুৰুৱে বহু তত্বগধুৰ ভাষণে একালৰ ছাত্ৰ-ছাত্ৰীসকলক আৱেগিক কৰি তোলে এই সতীৰ্থ সন্মিলনত। সতীৰ্থসকলৰ মাজত বিভিন্ন গীত-মাতৰ অনুষ্ঠানত কমলেশ্বৰ সাউদ, ৰীতা দাস, ৰুবুল দত্ত, হীয়া কাশ্যপ , ত্ৰিনয়না শৰ্মাকে আদি কৰি কেবাগৰাকী সতীৰ্থই বিভিন্ন গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰি তোলে । সমূহ কাৰ্যসূচীৰ আঁত ধৰা সতীৰ্থ অঞ্জন ৰায় চৌধুৰীয়ে শেষত শলাগৰ শৰাই আগবঢ়াই সতীৰ্থ সন্মিলনৰ সমূহ কাৰ্যসূচীৰ সফল সামৰণি মাৰে।

# ১৭৩৫ নং বালিকুৰি পশ্চিম কলনী পল্লী মণ্ডল প্ৰাঃ বিদ্যালয়ত চুৰি কাণ্ড সংঘটিত

**বাতৰি কাকত কলগাছিয়া, ২১ জুলাই ঃ** বৰপেটা জিলাৰ মন্দিয়া প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ১৭৩৫ নং বালিকুৰি পশ্চিম কলনী পল্লী মণ্ডল প্ৰাথমিক বিদ্যালয়ত সংঘটিত হোৱা চুৰি কাণ্ডক কেন্দ্ৰ কৰি বিদ্যালয় খনত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী, অভিভাৱক -অভিভাৱিকা সকল আৰু শিক্ষক -শিক্ষয়িত্ৰী সকলৰ মাজত এক চাঞ্চলৰ সৃষ্টি হৈছে। বিদ্যালয় খনৰ প্ৰধান শিক্ষক শিকদাৰ খইমুদ্দিনে জনোৱা মতে যোৱা নিশা অব্যাহত থকা নেৰানেপাৰা বৰষুণৰ মাজত বিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰীৰ মধ্যাহ্ন ভোজনৰ কোঠালীৰ খিৰিকী ভাঙি ঘৰৰ ভিতৰত কোনোবা অজ্ঞাত চোৰে প্ৰৱেশ কৰি কোঠালীৰ ভিতৰত থকা দুখন চিলিং ফেন ভাঙি পেলায় আৰু ফেনৰ ভিতৰত থকা কয়েল, আৰু বৈদ্যুতিক তাঁৰ চুৰ কৰি লৈ যায়। উল্লেখযোগ্য যে, বিদ্যালয় খনৰ গাতে লাগি থকা ১৮ৰ নং বালিকুৰি পশ্চিম কলনী অংগনবাদী কেন্দ্ৰৰ খিৰিকী ভাঙি ঘৰৰ ভিতৰত সোমাই গেছ ছিলিণ্ডাৰৰ তাঁৰ কাটি ছিলিণ্ডাৰখন বাহিৰলৈ আনিব খোজে যদিও কষ্টকৰ ঠাইৰ বাবে বাহিৰ কৰিব পৰা নাই। ইয়াৰোপৰি কন কন ছাত্ৰ-ছাত্ৰীৰ বাবে ব্যৱহাৰিত শিক্ষন শিকণ সামগ্ৰী সমূহ চুৰ কৰি লৈ যায় ।অতি পৰিতাপৰ বিষয় যে, মানৱ সম্পদ গঢ়া পৱিত্ৰ শিক্ষানুষ্ঠানত এনেকুৱা চুৰি কাণ্ড সংঘটিত হোৱাত স্থানীয় ৰাইজে অধিক চিন্তিত হোৱা পৰিলক্ষিত হৈছে। অৱশ্যে পূৰ্বেও এই দুখন বিদ্যালয়ত চুৰি হোৱা বুলি প্ৰধান শিক্ষক গৰাকীয়ে সাংবাদিকক জানিবলৈ দিয়ে। এই সংক্ৰান্তত বালিকুৰি আৰক্ষী চকীত এখন এজাৰৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে। বিদ্যালয় কৰ্তৃপক্ষ ও স্থানীয় ৰাইজে এই সংক্ৰান্তত স্থানীয় প্ৰশাসনৰ দৃষ্টি আকৰ্ষণ বিচাৰিছে।

# নীটত জুৰীয়াৰ পাঁচ শিক্ষাৰ্থীৰ সাফল্য বিধায়ক নুৰুল হুদাৰ সম্বৰ্দ্ধনা

**বাতৰি কাকত, ৰূপহীহাট, ২১ জুলাই ঃ** সদ্য ঘোষিত NEET-26 ৰ ফলাফলত জিলিকি উঠিল জুৰীয়া ৰূপহী হাটৰ - জুৰীয়াৰ ৫ শিক্ষাৰ্থীৰ চমকপ্ৰদ সাফল্য সমগ্ৰ জুৰীয়া অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। চিকিৎসক হোৱাৰ সপোন দেখা ৫ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক বিধায়ক নুৰুল হুদাৰ সম্বৰ্দ্ধনা। কৃতী ছাত্ৰ চাহিল মহম্মদ ইলাহী, মনিৰুল কবি, জুবেইৰ আহমেদ চৌধুৰীৰ ঘৰত উপস্থিত বিধায়ক। ছাত্ৰ-ছাত্ৰীসকলৰ কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ক ব্যক্তিগতভাৱে স্বীকাৰোক্তি বিধায়কগৰাকীৰ। চিকিৎসা সেৱাৰ জৰিয়তে সমাজলৈ অৱদান আগবঢ়াবলৈ আহ্বান জনালে বিধায়ক নুৰুল হুদাই।

# শিৱসাগৰত সাংস্কৃতিক মহাসভা অসমৰ কেন্দ্ৰীয় সাংস্কৃতিক উৎসৱ



**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ২১ জুলাই ঃ** সাংস্কৃতিক মহাসভা অসমৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত শিৱসাগৰ বাসী ৰাইজৰ সহযোগত গত বছৰৰ দৰে এইবাৰো বিংশতিতম কেন্দ্ৰীয় সাংস্কৃতিক উৎসৱ অনুষ্ঠিত কৰিবৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। শিৱসাগৰ নগৰস্থ কে পি চাৰি আলি কালী প্ৰসাদ মেম'ৰিয়েল প্ৰেক্ষাগৃহৎ ২৫ জুলাই শনিবাৰে উৎসৱ ভাগি অনুষ্ঠিত হ'ব । এই উপলক্ষে শ্ৰদ্ধাঞ্জলি , মুকলি সভা, সম্বৰ্ধনা, স্মৃতিগ্ৰন্থ, সাংস্কৃতিক অনুষ্ঠান আদি সকলো দিশ সামৰি গুণগত মানদণ্ড অটুত ৰখাৰ লগতে ছাত্ৰ-ছাত্ৰী মন মগজু স্পন্দন আৰু বিকাশ সাধনত পুৱা ৯ বজাৰ পৰা ৰাজ্যিক ভিত্তিত তিনিটা শাখাত দ্বাদশ শ্ৰেণীলৈকে নিজৰ পচন্দত চিত্ৰাংকনক্ট দ্বাদশ শ্ৰেণীলৈকে দুটা শাখাত অসমীয়া গীতৰ আধাৰত একক সৃষ্টিশীল, এটা শাখাত দলীয় সৃষ্টিশীল নৃত্য আৰু ষষ্ঠ শ্ৰেণীলৈকে এটা শাখাত সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হক্সব । প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰী সকলক ২৩ জুলাই ভিতৰত যোগদান নিশ্চিত কৰিবৰ বাবে অনুৰোধ জনাইছে । তদুপৰি একালৰ শিৱসাগৰ জিলা খনৰ অধিকাংশ সচেতন মহলৰ শিক্ষা গুৰু, ৰাজহুৱা সমাজ জীৱনত তেখেতৰ অৱদান , পৰিচিত আৰু সকলোৰে সন্মানীয় পুৰোধা ব্যক্তি, শিৱসাগৰ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ শচবৰ্তমান শিৱসাগৰ বিশ্ববিদ্যালয় ড° প্ৰকাশ কটকী দেৱক 'শিৱসাগৰ সমাজ ৰত্ন' বঁটা ২৫ জুলাই ২০২৬ তাৰিখ শনিবাৰে দিনৰ ২ বজাত জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি প্ৰেম গগৈ দেৱৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা এক গাম্ভীৰ্য পূৰ্ণ মুকলি সভাত প্ৰদান কৰা হ'ব । স্মৰ্তব্য যে, সেইদিনা বিয়লি ৩-৩০ বজাৰ পৰা পুণৰ প্ৰতিযোগিতা সমূহ সমান্তৰাল ভাৱে অনুষ্ঠিত হ'ব। উক্ত মুকলি সভাত বহু গন্যমাণ্য ব্যক্তিৰ উপস্থিতিৰ লগতে সাংস্কৃতিক মহাসভা অসমৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পৱিত্ৰ কুমাৰ শৰ্মা, সন্মানীয় অতিথি জিলা আয়ুক্ত শ্ৰীযুত মৃদুল য়াদৱ , বিশিষ্ট অতিথি আৰক্ষী অধীক্ষক শ্ৰীযুতা পাপৰি চেতিয়া, জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক ড° সমীৰন বৰা উপস্থিত থকাৰ লগতে মুখ্যবক্তা শিৱসাগৰ প্ৰেছ ক্লাৱৰ সভাপতি, বিশিষ্ট নিৱন্ধকাৰ তথা গঞ্জগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই মুখ্যবক্তা হিচাপে বক্তব্য প্ৰদান কৰিব । সবিশেষ জানিবৰ বাবে ৮৪৮৬৭০৯৫৫৫, ৯৩৬৫৯১১০৫৬, ৯১০১১৭৩০১৪ যোগাযোগ কৰিব পাৰিব। সকলো কাৰ্যসূচী সাফল্য মণ্ডিত কৰি তুলিবৰ বাবে উদযাপন সমিতিৰ সভাপতি ডাঃ পি পি চেতিয়া (প্ৰবুদ্ধ প্ৰসাদ চেতিয়া) , কাৰ্যকৰী সভাপতি খাইৰুদ্দিন আহমেদ, ড° বন্তি বৰগোহাঁই ভূএগ আৰু প্ৰধান সম্পাদক ত্ৰৈলোক্য দত্তই আন্তৰিকতাৰে উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে ।

# ঘগ্ৰাপাৰত ৰে'লৰ খুন্দাত নিহত যুৱক

**বাতৰি কাকত, ঘগ্ৰাপাৰ, ২১ জুলাই ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰেল ষ্টেচনতশনিবাৰে সন্ধিয়া এগৰাকী যুৱকক ৰেলে মহতিয়াই নিয়ে । উক্ত যুৱকজন ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত গলিয়া গাৱৰ প্ৰণৱ কলিতা (পৰেশ) (৩৮) বুলি চিনাক্ত হৈছে। উল্লেখ্য যে বৃহস্পতিবাৰে নামনিমুৱা বন্দেভাৰত ৰেল গাড়ীখনে ঘগ্ৰাপাৰ ৰেল ষ্টেচনৰ কাষতে এগৰাকী যুৱকক মহতিয়াই নিয়াৰ ফলত লোকজনৰ শৰীৰটো ছিন্নভিন্ন হৈ পৰে । ঘটনাস্থলীত ৰেল কৰ্ত্তৃপক্ষই মৃত লোকজনৰ সন্ধান চলোৱাৰ পিছত আজি যুৱকজনক চিনাক্ত কৰিব সক্ষম হয়। নিশাটো নলবাৰী শ্বহীদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ৰ মৰ্গত ৰাখি আজি মৰণোত্তৰ পৰীক্ষাৰ অন্তত ৰাজহুৱা বাবে অন্তষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত সদৌ নলবাৰী জিলা সাংবাদিক সন্থা,ঘগ্ৰাপাৰ প্ৰেছ ক্লাব, গলিয়া গাঁও উন্নয়ন সমিতি, নিমুৱা বুঢ়া গোঁসাই থান পৰিচালনা সমিতি, বৃহত্তৰ নলবাৰী গণ সেৱা সংস্থা আদিয়ে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পিতৃ মাতৃ, সাংবাদিক ককায়েক ৰবীন্দ্ৰনাথ কলিতা সহ অনেক গুণ মুগ্ধক ইহসংসাৰত এৰি যায়।

# নীট পৰীক্ষাত উজ্বলিল মেধাৱী ছাত্ৰ নিবিৰ বৰ্মন

**বাতৰি কাকত, জাগীৰোড, ২১ জুলাই ঃ** কঠোৰ পৰিশ্ৰম,ধৈৰ্য, একাগ্ৰতা আৰু অধ্যৱসায়ৰ জড়িয়তে যে সফলতাৰ আকাশ চুমিব পাৰি তাৰেই যেন পুনৰবাৰ প্ৰমাণ কৰিলে জাগী ভকতগাঁৱৰ এগৰাকী কৃতীমান ছাত্ৰই। সদ্যঘোষিত ২০২৬ ৰ সৰ্বভাৰতীয় নীট' পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ জাগী ভকতগাঁৱলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয় নিবিৰ বৰ্মন নামৰ মেধাৱী ছাত্ৰজনে। পিতৃ, সফল ব্যৱসায়ী বুবুল বৰ্মন আৰু মাতৃ তথা শিক্ষয়িত্ৰী নিজৰা শইকীয়াৰ একমাত্ৰ সন্তান নিবিৰে 'নীট' পৰীক্ষাত অৱতীৰ্ণ হৈ ৪৮৬ নম্বৰ লাভ কৰি মৰিগাঁও জিলা তথা জাগী ভকতগাঁৱলৈ গৌৰৱ কঢ়িয়াই আনে। নিবিৰৰ এনে সফলতাই গাঁওবাসীৰ লগতে জাগীভকত গাঁও শাখা সাহিত্য সভাৰ সভাপতি মিনতি দেৱী, সম্পাদক হিমু বৰা, সামাজিক সংস্থা সুন্দৰমৰ অধ্যক্ষ জয়ন্ত সাগৰ শইকীয়া, সচিব ৰাজীৱ চহৰীয়া, সদৌ অসম কৃষক সংঘৰ মুখ্য সমন্বয়ক তুলসী ডেকা, কলং কপিলী শাখা কবি সন্মিলন সভাপতি ৰণ্টুমনি শইকীয়া, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ জাগীভকতগাঁও আঞ্চলিক সমিতিৰ লগতে জিলা সমিতিৰ উপদেষ্টা জ্যোতিৰ্ময় গোস্বামীয়ে কৃতীমান ছাত্ৰজনলৈ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। আনহাতে 'দৈনিক বাতৰি কাকত'ৰে হোৱা এক টেলিফোনিক বাৰ্তালাপত নিজৰ সফলতাৰ আৰত পিতৃ-মাতৃৰ লগতে শিক্ষাগুৰু তথা শুভাকাংক্ষী বন্ধু-বান্ধবীৰ শলাগ লয় মেধাসম্পন্ন ছাত্ৰ নিবিৰে। লগতে ৰাইজৰ অকৃত্ৰিম মৰম,স্নেহ আৰু ভক্তিভৰা আশীৰ্বাদ শিৰত লৈ অদূৰ ভৱিষ্যতে এগৰাকী সু-চিকিৎসক হৈ মানৱ কল্যানৰ হকে সেৱা কৰাৰ দুৰ্বাৰ আকাংক্ষাৰ কথাও সদৰী কৰে ছাত্ৰ নিবিৰ বৰ্মনে।



# নীটত ৫৩৬ নম্বৰ লাভ কৰি গৌৰৱ কঢ়িয়াই আনিলে ইউহানা পাৰবিনে

**বাতৰি কাকত, কচুগাওঁ, ২১ জুলাই ঃ** সদ্য ঘোষিত সৰ্বভাৰতীয় চিকিৎসা প্ৰৱেশিকা পৰীক্ষাত ৫৩৬ নম্বৰ লাভ কৰি গোসাঁইগাঁও মহকুমাৰ পদ্মবিল অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে ইউহানা পাৰবিনে। পাৰবিন গোসাঁইগাঁও মহকুমাৰ পদ্মবিলৰ মধ্যবিত্ত পৰিয়ালৰ মোঃ ইনছান আলী শেখ আৰু মাজিদা খাতুনৰ সুযোগ্যা কন্যা। কঠোৰ



পৰিশ্ৰম, অধ্যৱসায় আৰু একাগ্ৰতাৰ বলতেই তেওঁ এই উজ্জ্বল সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। ইউহানাৰ এই কৃতিত্বই কেৱল তেওঁৰ পৰিয়ালটোকেই নহয়, সমগ্ৰ পদ্মবিল অঞ্চল তথা গোসাইগাঁওবাসীকো গৌৰৱান্বিত কৰিছে। তেওঁৰ এই সফলতাত আত্মীয়-স্বজন, শিক্ষক-শিক্ষয়িত্ৰী, শুভাকাংক্ষী আৰু স্থানীয় ৰাইজে আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে উজ্জ্বল ভৱিষ্যতৰ বাবে শুভেচ্ছা আৰু শুভকামনা জনাইছে। অঞ্চলটোত ইউহানা পাৰবিনৰ এই উল্লেখযোগ্য সাফল্যই আন বহু শিক্ষাৰ্থীকো উচ্চলক্ষ্য নিৰ্ধাৰণ কৰি অধ্যৱসায়েৰে আগবাঢ়ি বলৈ অনুপ্ৰেৰণা যোগাব বুলি উল্লেখ কৰিছে স্থানীয় সচেতন ৰাইজে।


# নীটত নগাঁৱৰ ডাছোৱানী ইনষ্টিটিউটৰ শিক্ষাৰ্থীৰ সাফল্য




**বাতৰি কাকত, নগাঁও, ২০ জুলাই ঃ** প্ৰত্যেক বছৰৰ দৰে এই বছৰো সদ্যঘোষিত সৰ্বভাৰতীয় মেডিকেল প্ৰবেশ পৰীক্ষাত নগাঁৱৰ অগ্ৰণী শিক্ষানুষ্ঠান ডাছোৱানী ক্লাছেছৰ সফলতাৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। প্ৰতিষ্ঠানখনৰ পৰা এই বছৰত মুঠ অবতীৰ্ণ হোৱা ১০০ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১০০জনেই মেডিকেল প্ৰবেশ পৰীক্ষাত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে নীটত সফলতা লাভ কৰা সৰ্বমুঠ চৰ গৰাকী ছাত্ৰছাত্ৰীয়ে চৰকাৰী চিকিৎসা মহাবিদ্যালয়ত অধ্যয়নৰ সুবিধা লাভ কৰিব। ইপিনে নীটত সফলতা লাভ কৰা ছাত্ৰ-ছাত্ৰী সকলৰ ভিতৰত সৰ্বোচ্চ নাম্বাৰ লাভ কৰা কেইজনমান ছাত্ৰ-ছাত্ৰী হৈছে ক্ৰমে নাছিফ আহমেদ ৫৭৭(সাধাৰণ),ছামিম আলম ৫৪৪(সাধাৰণ), অকুৰ কলিতা ৫৩৪ (সাধাৰণ),অন্যন্যা ৰয় ৫৮৮) সাধাৰণঠ), হিতেশ ঘোষ ৪৮) (অ,বি,চি-এন,চি,এন (সাধাৰণ) আৰু বিনীত পুকায়স্থ ৫১১, (সাধাৰণ) নাম্বাৰ লাভ কৰিবলৈ সক্ষম হৈছে। শিক্ষানুষ্ঠান খনৰ পৰিচালক ড° প্ৰাঞ্জল কুমাৰ বৰাই জানিবলৈ দিয়া মতে ১৮ বছৰৰ অভিজ্ঞতাৰে শিক্ষাদান আগঢ়োৱা ডাছোৱানীৰ এই সাফল্যই জিলাখনলৈ এক সুনাম কঢ়িয়াই অনাৰ লগতে প্ৰতিষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱকসকলৰ মাজত এক আনন্দৰ পৰিৱেশ বিৰাজ কৰে।

# নীটত উত্তৰ-পূবৰ ভিতৰত দ্বিতীয় লীয়ন তালুকদাৰ

**বাতৰি কাকত, কুমুদ বৰ্মন, ২১ জুলাই ঃ** নলবাৰী জিলাৰ টিহুৰ শিয়ালমাৰীৰ চিকিৎসক দম্পতী ডাঃ মনোজ তালুকদাৰ আৰু ডাঃ বনশ্ৰী পাঠকৰ সু-সন্তান লীয়ন তালুকদাৰে সৰ্বভাৰতীয় নীট-ইউ জিত মুঠ ৬৮ৰ নম্বৰ আহৰণ কৰি সৰ্বভাৰতীয় ৰেংকত ২৪৩ সংখ্যক স্থান আহৰণ কৰাৰ লগতে উত্তৰ-পূব ভাৰতৰ দ্বিতীয় স্থান প্ৰাপ্তিৰে সফলতা লাভ কৰিছে। সৰুৰ পৰা চিকিৎসক পিতৃ-মাতৃক মানুহৰ সেৱা কৰা দেখি মনত চিকিৎসক হোৱাৰ সপোন পুহি ৰখা লীয়ন তালুকদাৰে কঠোৰ অধ্যয়ন আৰু পৰিশ্ৰমৰ ফলতে চিকিৎসা বিজ্ঞানত অধ্যয়ন কৰিবলৈ প্ৰৱেশ পৰীক্ষাত উত্তীৰ্ণ হোৱাত ঘৰখনৰ লগতে গাঁওখনতো আনন্দমুখৰ পৰিৱেশ সৃষ্টি হৈছে। আনফালে, ছাত্ৰগৰাকীৰ এই সাফল্যই শিয়ালমাৰী আৰু ইয়াৰ ওচৰৰ অঞ্চলসমূহৰ শিক্ষা ক্ষেত্ৰলৈ নতুন আশা আৰু অনুপ্ৰেৰণা কঢ়িয়াই আনিব বুলি আশা কৰা হৈছে। সমান্তৰালভাৱে চিকিৎসক হোৱাৰ সপোন দেখা অসংখ্য শিক্ষাৰ্থীৰ বাবে লীয়ন তালুকদাৰৰ এই কৃতিত্ব নিঃসন্দেহে অনুকৰণীয় দৃষ্টান্ত হিচাপে পৰিগণিত হৈছে। গুৱাহাটীৰ বীৰকুছিনাৰেংগীস্থিত মাৰিয়া পাব্লিক স্কুলৰ মেধাসম্পন্ন ছাত্ৰ লীয়নৰ এনে সাফল্যত বিভিন্ন ব্যক্তি, আত্মীয়-স্বজন, বন্ধুবৰ্গৰ লগতে ককা আইতা ক্ৰমে মাখিবাহাৰ নিবাসী অনাতাঁৰ আৰু দূৰদৰ্শন কেন্দ্ৰৰ স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ, ঔপন্যাসিক ৰামচৰণ পাঠক আৰু ইভা পাঠক, মোহিনী তালুকদাৰে আনন্দিত হৈ তেওঁক অভিনন্দন জনায়।



# ধুবুৰীত ড্ৰাগছ সহ চাৰিজন আটক

**ষ্টাফ ৰিপ'ৰ্টাৰ, ধুবুৰী, ২১ জুলাই ঃ** ধুবুৰী আৰক্ষী ড্ৰাগছৰ বিৰুদ্ধে যিমানেই সষ্টম হৈছে তাৰ বিপৰীতে ড্ৰাগছ ব্যৱসায়ীয়েও সিমানেই চতুৰ হৈ পৰিছে। এইবাৰ নিজৰ ঘৰৰ ভিতৰতে নিচাজাতীয় ড্ৰাগছ সেৱন কৰাৰ ঘাটি খুলি লোৱাৰ লগতে চলাই গৈছে ড্ৰাগছৰ ৰমৰমীয়া বেহা। বিক্ৰী আৰু খোৱা একেলগে উপলব্ধ। আজি আবেলিৰ ভাগত ধুবুৰী আৰক্ষীৰ এক গোপন তথ্যৰ ভিত্তিত চহৰখনৰ ৬ নং ৱাৰ্ডত অভিযান চলাই ড্ৰাগছ সহ চাৰিজনকৈ লোকক আটক কৰিবলৈ সক্ষম হয়। ধৃত চাৰিজন নুৰ খান (৫০), জাহাংগীৰ আলম (৪৬), ছাইফুল ইছলাম (৩৪) আৰু মমিনুৰ ইছলাম (৫২)। ধৃত চাৰিজনৰ পৰা নিচাজাতীয় য়ুবা টেবলেট ৬০০টা আৰু নিচাজাতীয় কফ চিৰাফ জব্দ কৰিবলৈ সক্ষম হয়। পিছত আৰক্ষীয়ে চাৰিওজনক আটক কৰি ধুবুৰী সদৰ থানালৈ আনি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

# টংলাৰ ৰাজ সৰকাৰৰ কৃতিত্ব অৰ্জন



**ষ্টাফ ৰিপৰ্টাৰ টংলা, ২১ জুলাই ঃ** ওদালগুৰি জিলাৰ শৈক্ষিক নগৰী টংলালৈ গৌৰৱ কঢ়িয়াই আনিলে মেধাৱী ছাত্ৰ ৰাজ সৰকাৰে।সৰ্বভাৰতীয় নীট পৰীক্ষাত অৱতীৰ্ণ হৈ টংলাৰ চমুৱাপাৰা গাঁৱৰ মেধাবী ছাত্ৰ ৰাজ সৰকাৰে ৫৫৫ নম্বৰ লাভ কৰি সফলতা অৰ্জন কৰা বাবে পিতৃ - মাতৃ,গাঁওবাসী উৎফুল্লিত।চমুৱাপাৰা গাঁৱৰ বাবুল সৰকাৰ আৰু বিনা সৰকাৰৰ পুত্ৰ ৰাজ সৰকাৰে কৃতিত্ব অৰ্জন কৰা বাবে বিভিন্ন দল সংগঠন , টংলা প্ৰেছ ক্লাব, ডিমাকুছি ই মিডিয়া ফৰাম , টংলা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকা,বিটিচিৰ পাৰিষদ অৰ্জুন দৈমাৰী আদিয়ে উষ্ম অভিনন্দন জ্ঞাপন কৰিছে

# ৰঙিয়া কৃষক শ্বহীদ ভৱনত এক্স ৰাই জেদ কথাছবিৰ কৰ্মশালা

**বাতৰি কাকত, মহেন্দ্ৰ কলিতা, ২১ জুলাই ঃ** ৰঙিয়া কৃষক শ্বহীদ ভৱনত দেওবাৰে উপস্থিত থাকে অসমীয়া কথাছবি এক্স ৰাই জেদ ৰঙিয়া বিশেষ প্ৰতিনিধি ৰঙিয়া কলাকুশলীসকল। কৃষক শ্বহীদ ভৱনত চলি থকা নটৰাজ নাট্যগোষ্ঠীৰ প্ৰশিক্ষাৰ্থীসকলে অসমীয়া চলচ্চিত্ৰৰ নব্বৈ বছৰীয়া যাত্ৰা, উত্থান-পতন সম্পৰ্কে গীত আৰু কথাৰ মাধ্যমেৰে উপস্থাপন কৰি উপস্থিত দৰ্শক তথা টীম এক্স ৰাই জেদক আহ্লাদিত কৰে। কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ জয়মতী নিৰ্মাণৰ পৰা আৰম্ভ কৰি লক্ষ্যধৰ চৌধুৰী, ড° ভবেন্দ্ৰনাথ শইকীয়া, মুনীন বৰুৱা, অশোক কুমাৰ বিষয়া, জুবিন গাৰ্গ, ৰীমা দাস ইত্যাদি অসমীয়া কথাছবি নিৰ্মাতাসকলৰ অৱদান কৃতজ্ঞতাৰে সুঁৱৰি পৰিচালক হিমাংশু প্ৰসাদ দাসৰ মুক্তি পাবলগীয়া চম এক্স ৰাই জেদলৈ শুভেচ্ছা জ্ঞাপন কৰে। উক্ত কাৰ্যসূচীত উপস্থিত থাকে এক্স ৰাই জেদৰ প্ৰযোজক হেমন্ত কলিতা, অভিনেত্ৰী পল্লবী ফুকন, অভিনেতা চন্দন দাস, অপূৰ্ব বৰ্মন, প্ৰদীপ দত্ত, কুল কুলদ্বীপ, প্ৰদ্যুৎ বিকাশ, গৌৰৱজ্যোতি দাস, দিংকু, ইৰফান আৰু ছবি সম্পাদনাকাৰী হাৰ্দিক কাশ্যপ। ছবি পৰিচালক হেমন্ত কলিতাই মত প্ৰকাশ কৰে যে, বিগত সময়ৰ অসমীয়া কথাছবিসমূহক ৰঙিয়াৰ ৰাইজে যি ধৰণে আদৰি লৈছে, একেদৰে ৰঙিয়াৰ কেইবাগৰাকীও অভিনেতাই অভিনয় কৰা এই এক্স ৰাই জেদ কথাছবিখনো ৰাইজে আদৰি ল'ব।

# মুখা নিৰ্মাণ আবৃত্তি-নাট কৰ্মশালাৰ সামৰণি

**বাতৰি কাকত, গোৰেশ্বৰ, ২১ জুলাই ঃ** তামুলপুৰ জিলাৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গোৰেশ্বৰ মহাবিদ্যালয়ত , গোৰেশ্বৰ মহাবিদ্যালয়, চিফুং দ্যা আৰ্টিষ্ঠ আৰু পাখি প্ৰডাকচনৰ উদ্যোগত সাতদিনীয়াকৈ অনুষ্ঠিত মুখা নিৰ্মাণ, আবৃত্তি আৰু নাট কৰ্মশালাৰ দেওবাৰে সামৰণি পৰে । নামনি অসমত মুখা নিৰ্মাণ প্ৰাচুৰ্যতাৰ হেতু মুখা নিৰ্মাণ, কবিতা আবৃত্তি আৰু নাটকৰ সাম্যক জ্ঞান দিয়াৰ উদ্দেশ্যে পৰী শৰণীয়াৰ তত্বাৱধানত উপম শইকীয়া আৰু মিণ্টু বড়াই শতাধিক শিক্ষাৰ্থীক গোৰেশ্বৰ মহাবিদ্যালয়ত কৰ্মশালাত প্ৰশিক্ষণ দিয়ে।

### বিশেষ কৰ্কট ৰোগৰ অ'পিডি মুকলি এইচচিএমটি মণিপাল হাস্পতালে

# ধূমপান, খাদ্যাভ্যাসৰ ফলত অসমত বাঢ়িছে কৰ্কট ৰোগঃডাঃ বিক্ৰম কুমাৰ ডেকা

**গুৱাহাটী,২১জুলাইঃ** সমগ্ৰ ভাৰতবৰ্ষতে ক্ৰমান্বয়ে বৃদ্ধি পোৱা কৰ্কট ৰোগৰ প্ৰতি লক্ষ্য ৰাখি দ্বাৰকাৰ এইচচিএমচিটি মণিপাল হাস্পতালে গুৱাহাটী মহানগৰীত এক বিশেষ অ'পিডি মুকলি কৰিছে। এই পদক্ষেপৰ উদ্দেশ্য হৈছে ৰোগীসকলে যাতে নিজৰ ঘৰৰ ওচৰতে সঠিক সময়ত বিশেষজ্ঞৰ পৰামৰ্শ লাভ কৰিব পাৰে, যাৰ ফলত উন্নত কৰ্কট ৰোগৰ পৰামৰ্শ আৰু চিকিৎসাৰ বাবে আন মহানগৰীলৈ যাবলগীয়া দূৰত্ব আৰু কষ্ট হ্ৰাস পাব।এই বিশেষ অ'পিডি প্ৰতিমাহৰ দ্বিতীয়টো দেওবাৰে পুৱা ১০বজাৰ পৰা দুপৰীয়া ১২বজালৈ গুৱাহাটীৰ লাচিত নগৰস্থিত ইউএইচএছ, ভিষ্টা ছুপাৰ স্পেচিয়েলিটি ক্লিনিকত আগবঢ়োৱা হ'ব। দ্বাৰকাৰ এইচচিএমচিটি মণিপাল হাস্পতালৰ ছাৰ্জিকেল অংক'লজী বিভাগৰ কনছালটেণ্ট ডাঃ বিক্ৰম কুমাৰ ডেকাই এই অ'পিডি সেৱাত ৰোগীসকলক পৰামৰ্শ প্ৰদান কৰিব।দেশজুৰি কৰ্কট ৰোগৰ সংখ্যা ক্ৰমাগতভাৱে বৃদ্ধিৰ সময়তে এই সেৱা আৰম্ভ কৰা হৈছে। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে, ২০৫০ চনৰ ভিতৰত ভাৰতত কৰ্কট ৰোগীৰ সংখ্যা দুগুণ হোৱাৰ সম্ভাৱনা আছে। পাকস্থলী, স্তন, হাওঁফাওঁ, মুখগহ্বৰ আৰু জৰায়ুৰ মুখৰ কৰ্কট ৰোগেই বৰ্তমান



আটাইতকৈ বেছিকৈ ধৰা পৰা কৰ্কট ৰোগৰ ভিতৰত অন্যতম। ইয়াৰ পৰাই প্ৰাৰম্ভিক স্ক্ৰীনিং, সঠিক সময়ত ৰোগ চিনাক্তকৰণ আৰু বিশেষজ্ঞৰ চিকিৎসাৰ গুৰুত্ব প্ৰকাশ পায়। ডাঃ ডেকাই কয় যে, কৰ্কট ৰোগৰ আশংকা থকা আৰু আক্ৰান্ত ৰোগীৰ ক্ৰমবৰ্ধমান সংখ্যাই নিয়মীয়া স্ক্ৰীনিং আৰু কৰ্কট ৰোগ বিশেষজ্ঞৰ সহায় সোনকালে পোৱাৰ প্ৰয়োজনীয়তাটোকে আঙুলিয়াই দিয়ে। তেওঁ উল্লেখ কৰে যে, প্ৰাৰম্ভিক পৰ্যায়ৰ কৰ্কট ৰোগ প্ৰায়ে ফলপ্ৰসূভাৱে চিকিৎসা কৰিব পৰা যায়। আনহাতে জটিল বা শেষৰ পৰ্যায়ৰ কৰ্কট ৰোগত আক্ৰান্ত ৰোগীসকলে এতিয়া মিনিমেলি ইনভেছিভ আৰু ৰব'টিক-সহায়ক অস্ত্ৰোপচাৰৰ সুবিধা ল'ব পাৰে, যিয়ে অধিক নিখুঁত চিকিৎসা, দ্ৰুত আৰোগ্য আৰু উন্নত ফলাফল প্ৰদান কৰে।গুৱাহাটী মহানগৰীত আৰম্ভ হোৱা এই নতুন কৰ্কট ৰোগৰ অ'পিডিয়ে অসম তথা সমগ্ৰ উত্তৰ-পূবৰ বাবে এক উদীয়মান স্বাস্থ্যসেৱাৰ কেন্দ্ৰ হিচাপে চহৰখনৰ স্থানক অধিক শক্তিশালী কৰি তুলিছে। বিশেষজ্ঞৰ পৰামৰ্শ সহজলভ্য হোৱাৰ ফলত ৰোগীসকলে প্ৰাৰম্ভিক কৰ্কট মূল্যায়নৰ বাবে ডাঙৰ মহানগৰীসমূহলৈ যাত্ৰা কৰাৰ প্ৰয়োজন হ্ৰাস পাব বুলি আশা কৰা হৈছে। ইয়াৰ সমান্তৰালকৈ গুৱাহাটীত উন্নত ডায়গনষ্টিক সেৱা, বিশেষ ক্লিনিক আৰু আনুষংগিক স্বাস্থ্যসেৱা আন্তঃগাঁথনিৰ চাহিদাকো সমানে সহায় কৰিব।এইচচিএমচিটি মণিপাল হাস্পতালে জানিবলৈ দিয়ে যে এই পদক্ষেপ ৰোগীৰ ওচৰলৈ বিশেষ অংক'লজী সেৱা সম্প্ৰসাৰণ কৰাৰ বাবে এক বিস্তৃত পৰিকল্পনাৰ অংশ। বৰ্তমান মণিপাল হাস্পতালৰ নেটৱৰ্কে ভাৰতৰ ২৪খন চহৰত ৪৯খন হাস্পতাল পৰিচালনা কৰি আছে। য'ত ১২,৬০০তকৈও অধিক বিচনা আছে আৰু বছৰেকীয়াভাৱে ৮ মিলিয়নৰো অধিক ৰোগীক সেৱা আগবঢ়াই আহিছে।

## ২১গৰাকী এমডিআৰটি-যোগ্য উপদেষ্টা পঞ্জীয়ন টাটা এআইএৰ

**গুৱাহাটী,২১ জুলাইঃ** টাটা এআইএ লাইফ ইঞ্চুৰেন্সে অসমত ২১গৰাকী মিলিয়ন ডলাৰ ৰাউণ্ড টেবুল(এমডিআৰটি)যোগ্য উপদেষ্টা পঞ্জীয়ন কৰিছে। ইয়াৰ দ্বাৰা ৰাজ্যখনৰ জীৱন বীমা খণ্ডত নিজৰ উপস্থিতি শক্তিশালী কৰাৰ লগতে ধাৰাবাহিকভাৱে চতুৰ্থ বছৰৰ বাবে এমডিআৰটি-যোগ্য উপদেষ্টাৰ সংখ্যাৰ ফালৰ পৰা ভাৰতৰ শীৰ্ষ বীমাকাৰী প্ৰতিষ্ঠান হিচাপে নিজৰ স্থান অক্ষুণ্ণ ৰাখিছে।২০২৬ চনৰ গ্লবেল এমডিআৰটি ৰেংকিং অনুসৰি, কামৰূপ(ম) আৰু কোকৰাঝাৰ জিলাৰ পৰা চাৰিগৰাকীকৈ এমডিআৰটি-যোগ্য উপদেষ্টা আছে। আনহাতে কাছাৰ জিলাৰ দুগৰাকী উপদেষ্টাই এই যোগ্যতা অৰ্জন কৰিছে। সমগ্ৰ ভাৰতবৰ্ষত টাটা এআইএই ১,৩৯৭গৰাকী এমডিআৰটি-যোগ্য উপদেষ্টা পঞ্জীয়ন কৰিবলৈ সক্ষম হৈছে। যাৰ ফলত প্ৰতিষ্ঠানটোৱে বিশ্বজুৰি ১৩সংখ্যক স্থান লাভ কৰিছে। এই মুঠ যোগ্যতা অৰ্জনকাৰীসকলৰ ভিতৰত ৬৯৫গৰাকী মহিলা, যি প্ৰতিষ্ঠানটোৰ মুঠ এমডিআৰটি সদস্যৰ প্ৰায় আধা অংশক প্ৰতিনিধিত্ব কৰে।এমডিআৰটিক জীৱন বীমা আৰু বিত্তীয় সেৱা বৃত্তিৰ ক্ষেত্ৰত এক গোলকীয় উৎকৃষ্টতাৰ মাপকাঠি হিচাপে গণ্য কৰা হয়। ই উপদেষ্টাসকলক নিজৰ পেচাদাৰী জ্ঞান, নৈতিক আচৰণ, উৎপাদনশীলতা আৰু গ্ৰাহক সেৱাৰ বাবে স্বীকৃতি প্ৰদান কৰে।টাটা এআইএ লাইফ ইঞ্চুৰেন্সৰ প্ৰপ্ৰাইটৰী বিজনেছৰ মুখ্য বিতৰণ বিষয়া ৰাকেশ শৰ্মাই কয় যে কোম্পানীটো সমগ্ৰ দেশতে এক ভৱিষ্যতৰ বাবে প্ৰস্তুত উপদেষ্টা নেটৱৰ্ক গঢ়ি তুলিবলৈ প্ৰতিশ্ৰুতিবদ্ধ, যি বিশ্বাসযোগ্য আৰু প্ৰয়োজন-ভিত্তিক বিত্তীয় নিৰ্দেশনা প্ৰদান কৰিবলৈ সক্ষম হ'ব। তেওঁ কয় যে, এই ধাৰাবাহিক স্বীকৃতিয়ে কোম্পানীটোৰ উপদেষ্টাসকলৰ গুণগত মান, স্থিৰতা আৰু প্ৰতিশ্ৰুতিক প্ৰতিফলিত কৰে।বীমা প্ৰতিষ্ঠানটোৱে লগতে জানিবলৈ দিয়ে যে ৫ৰ পৰা ৯ বছৰ ধৰি এমডিআৰটি যোগ্যতা অৰ্জন কৰা উপদেষ্টাসকলৰ তালিকাতো ২০৭গৰাকী উপদেষ্টাৰে ই ভাৰতৰ ভিতৰত প্ৰথম স্থান লাভ কৰিছে। টাটা এআইএ-ই যোগ কৰি কয় যে, অ'ৰা প্লেটফৰ্মৰ দ্বাৰা সমৰ্থিত উপদেষ্টা উন্নয়ন কাৰ্যসূচীয়ে এক পূৰ্ণকালীন বিত্তীয় পৰামৰ্শদাতা কেৰিয়াৰ গঢ়ি তুলিবলৈ প্ৰশিক্ষণ, মেণ্টৰশ্বিপ আৰু ডিজিটেল সবলীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে।কোম্পানীটোৱে লগতে কয় যে ২০২৬ বিত্তীয় বৰ্ষত পাঁচটা পাৰ্চিষ্টেন্সী কোহৰ্টৰ ভিতৰত চাৰিটাত প্ৰথম স্থান লাভ কৰিছে, যি শক্তিশালী গ্ৰাহক ধৰি ৰখাৰ ক্ষমতা আৰু দীৰ্ঘম্যাদী পলিচি বাহাল ৰখাটো সূচায়। টাটা এআইএই জনোৱা মতে, ২০২৬ চনৰ ৩১মাৰ্চলৈকে পৰিচালনাধীন সম্পদৰ পৰিমাণ আছিল ১.৪৬ লাখ কোটি টকা আৰু ২০২৬ বিত্তীয় বৰ্ষৰ বাবে ব্যক্তিগত ডেথ ক্লেইম নিষ্পত্তিৰ অনুপাত আছিল ৯৯.৪৫শতাংশ।

## এলাইফৰ চাৰিবিধ নতুন সামগ্ৰী মুকলি



**গুৱাহাটী,২১ জুলাইঃ** এডব্লিউএল এগ্ৰি বিজনেছ লিমিটেড(পূৰ্বৰ আদানি উইলমাৰ লিমিটেড)ৰ ব্যক্তিগত যতন ব্ৰেণ্ড 'এলাইফ'এ নিজৰ নতুন ব্ৰেণ্ড প্ৰস্তাৱ খুবছুৰতি কুছ খাছৰ অংশ হিচাপে উন্নত ফৰ্মুলেচন, স্কিনকেয়াৰ-অনুপ্ৰাণিত উপাদান আৰু আধুনিক পেকেজিঙেৰে চাৰিটা নতুন ভেৰিয়েণ্টৰ সৈতে নিজৰ গা ধোৱা চাবোনৰ পৰ্টফলিঅ' পুনৰ মুকলি কৰিছে।এই নতুন পৰিসৰৰ চাবোনসমূহ ১৫জুলাইত কোম্পানীটোৰ মুন্দ্ৰা উৎপাদন কেন্দ্ৰত আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। এই অনুষ্ঠানত সমগ্ৰ ভাৰতৰ এলাইফৰ ৫০গৰাকী শীৰ্ষ ডিষ্ট্ৰিবিউটৰ উপস্থিত থাকে। যিয়ে ব্ৰেণ্ডটোৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি স্পৰ্শ কৰাৰ লগতে ব্যৱসায়িক অংশীদাৰসকলৰ সৈতে সম্পৰ্ক অধিক শক্তিশালী কৰি তোলে। এই নতুন পৰ্টফলিঅ'ত এক্টিভ নিম্বু, হালধি চন্দন, ৰ'জী গ্ল' আৰু ফ্ৰেছ লিলি অন্তৰ্ভুক্ত কৰা হৈছে। কোম্পানীটোৰ মতে, চাবোনসমূহত এক উন্নত গা ধোৱাৰ অভিজ্ঞতা প্ৰদান কৰিবলৈ উন্নত ফৰ্মুলেচনৰ সৈতে সতৰ্কতাৰে নিৰ্বাচিত উপাদান আৰু বিশেষ সুগন্ধিৰ সংমিশ্ৰণ ঘটোৱা হৈছে। নতুনকৈ প্ৰস্তুত কৰা পেকেজিংটোৰ উদ্দেশ্য হৈছে বজাৰৰ শ্বেলফসমূহত ইয়াৰ দৃশ্যমানতা বৃদ্ধি কৰা আৰু প্ৰতিটো ভেৰিয়েণ্টৰ সুকীয়া উপকাৰিতাসমূহ প্ৰদৰ্শন কৰা। এডব্লিউএল এগ্ৰি বিজনেছ লিমিটেডৰ বিক্ৰী আৰু বিপণন বিভাগৰ যুটীয়া অধ্যক্ষ মুকেশ মিশ্ৰই এই বিষয়ে কয় যে, 'কোম্পানীটোৱে গ্ৰাহকৰ পৰিৱৰ্তিত পছন্দসমূহৰ সৈতে খোজ মিলাই চলিবলৈ গুৰুত্ব দিছে। ইয়াৰ বাবে প্ৰতিষ্ঠানটোৱে এনে কিছুমান সামগ্ৰী বজাৰলৈ আনিছে যিয়ে বিশ্বস্ত ব্যক্তিগত যতনৰ সৈতে স্কিনকেয়াৰ-অনুপ্ৰাণিত উপকাৰিতা প্ৰদান কৰে। তেওঁ কয় যে, খুবছুৰতি কুছ খাছ প্ৰস্তাৱটোৱে দৈনন্দিন গা ধোৱাৰ প্ৰক্ৰিয়াটোক অধিক ফলপ্ৰসূ আৰু আনন্দদায়ক কৰি তুলিবলৈ কোম্পানীটোৱে কৰা প্ৰচেষ্টাক প্ৰতিফলিত কৰে।ন ৰূপত মুকলি কৰা এলাইফ গা ধোৱা চাবোনৰ এই পৰিসৰ সমগ্ৰ দেশৰ খুচুৰা প্ৰতিষ্ঠান আৰু আগশাৰীৰ বিতৰণ মাধ্যমসমূহৰ জৰিয়তে উপলব্ধ হ'ব।কলকাতা আৰু পশ্চিমবংগকে ধৰি পূব ভাৰতৰ বজাৰসমূহৰ বাবে, এই পুনৰ মুকলিয়ে এডব্লিউএল এগ্ৰি বিজনেছৰ এফএমচিজি বা ব্যক্তিগত যতন খণ্ডত স্থিতি অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে, য'ত মূল্য সংযোজিত স্কিনকেয়াৰ বৈশিষ্ট্যযুক্ত প্ৰিমিয়াম দৈনন্দিন অনাময় সামগ্ৰীৰ চাহিদা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। এই সম্প্ৰসাৰিত পৰ্টফলিঅ'ই কোম্পানীটোৰ বিতৰণ নেটৱৰ্কক সহায় কৰাৰ লগতে এই অঞ্চলটোৰ এফএমচিজি বজাৰত প্ৰতিযোগিতা বৃদ্ধি কৰাৰ সম্ভাৱনা আছে।

## শ্যাম ষ্টীল গ্ৰুপৰ দ্বাৰা তীখা প্ৰকল্পৰ আধাৰশিলা স্থাপন

**গুৱাহাটী, ২১ জুলাইঃ** পশ্চিম বংগৰ মুখ্যমন্ত্ৰী সুভেন্দু অধিকাৰীয়ে ১৭ জুলাইত শ্যাম ষ্টীল গ্ৰুপৰ তীখা সংমণ্ডলৰ সম্প্ৰসাৰণ কাৰ্যসূচীৰ অংশ হিচাপে ২ এমটিপিএ ক্ষমতাৰ একীকৃত তীখা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ৰজ্মাপ্ত চনত প্ৰখ্যাত বেৰিৱালা পৰিয়ালে প্ৰতিষ্ঠা কৰা এই গোটটোৱে সাত দশকৰো অধিক সময়ৰ চহকী ঔদ্যোগিক উত্তৰাধিকাৰ বহন কৰি আহিছে। এই গোটৰ বাৰ্ষিক টাৰ্ণঅ'ভাৰ ১০,০০০কোটি টকাতকৈও অধিক আৰু ই ২৫,০০০ তকৈও অধিক লোকক প্ৰত্যক্ষভাৱে নিযুক্তি দিয়াৰ লগতে ১.২৫লাখতকৈও অধিক পৰিয়ালৰ জীৱিকা নিৰ্বাহত সহায় কৰিছে। ইয়াৰ তীখা সংমণ্ডলৰ এই সম্প্ৰসাৰণ কাৰ্যসূচীয়ে বাংকুৰাৰ দৰে অনগ্ৰসৰ জিলা আৰু অন্যান্য কম উন্নত জিলাসমূহত প্ৰচুৰ অৰ্থনৈতিক কাৰ্যকলাপৰ সূচনা কৰাৰ উপৰিও প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে অতিৰিক্ত ১৫,০০০তকৈও অধিক লোকৰ বাবে সংস্থাপনৰ সুযোগ আৰু হাজাৰ হাজাৰ পৰিয়ালৰ বাবে জীৱিকাৰ পথ প্ৰশস্ত কৰিব। গোটৰ সঞ্চালক ললিত বেৰিৱালাই কয়, 'শ্যাম ষ্টীল গ্ৰুপৰ এইপ্ৰস্তাৱিত বিনিয়োগ কেৱল এটা বিত্তীয় প্ৰতিশ্ৰুতিয়েইনহয়, ই মূলতঃ 'আত্মনিৰ্ভৰ ভাৰত' আৰু 'বিকশিত পশ্চিমবংগ'ৰ ৰাষ্ট্ৰীয় আকাংক্ষাৰ সৈতে সংগতি ৰাখি গ্ৰহণ কৰা এক দূৰদৰ্শী পদক্ষেপ। নিজৰ প্ৰযুক্তিগত পাৰদৰ্শিতা, বিত্তীয় শক্তি, ব্যাপক ঔদ্যোগিক অভিজ্ঞতা আৰু দীৰ্ঘম্যাদী দৃষ্টিভংগীৰ বলত শ্যাম ষ্টীল গ্ৰুপ পশ্চিমবংগৰ ঔদ্যোগিক নৱজাগৰণৰ এক বিশ্বাসযোগ্য অংশীদাৰ হ'বলৈ সংকল্পবদ্ধ। আমাৰ এই পদক্ষেপসমূহ আমাৰ প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগীৰ সৈতে সংগতিপূৰ্ণ আৰু ই সম্পূৰ্ণৰূপে ডাবল ইঞ্জিন চৰকাৰৰ দ্বাৰা পৰিচালিত। তেওঁ লগতে কয়, 'তীখা উৎপাদন ক্ষমতা বৃদ্ধিৰ লগে লগে, শ্যাম ষ্টীল গ্ৰুপে সমগ্ৰ দেশতে থকা ইয়াৰ ৫,০০০তকৈও অধিক পঞ্জীয়নভুক্ত ডীলাৰ পাৰ্টনাৰৰ ব্যাপক ব্যৱসায়িক নেটৱৰ্কৰ জৰিয়তে দেশজুৰি থকা প্ৰতিষ্ঠানিক আৰু খুচুৰা গ্ৰাহকসকলৰ বৰ্ধিত চাহিদা পূৰণ কৰিবলৈ অধিক সুবিধাজনক স্থিতিত থাকিব। শ্যাম ষ্টীল গ্ৰুপৰ এই একক পদক্ষেপে পশ্চিমবংগক এক সজীৱ উৎপাদন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ দিশত অনাগত হাজাৰ হাজাৰ পদক্ষেপৰ পথ প্ৰশস্ত কৰিব, য'ত দক্ষতা বিকাশ, উন্নত প্ৰযুক্তিৰ বিকাশ, গুণগত উৎকৃষ্টতা আৰু উদ্ভাৱনে মিলি ৰাজ্যৰ অৰ্থনীতিৰ বহনক্ষম উন্নয়নত অৱদান যোগাব আৰু অনাগত বছৰবোৰত ভাৰতক বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হিচাপে গঢ়ি তোলাৰ অগ্ৰদূত হিচাপে কাৰ্য কৰিব।

## লেখিকা সমাৰোহ সমিতিৰ গাড়ীগাঁও শাখাৰ কাৰ্যনিৰ্বাহক সমিতি গঠন

**গুৱাহাটী,২১ জুলাই ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ গাড়ীগাঁও লেখিকা শাখাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হৈছে। গাড়ীগাঁৱৰ 'জোনাক'শীৰ্ষক বাসগৃহত অনুষ্ঠিত সভাত সভানেত্ৰী হিচাপে সৰ্বসন্মতি ক্ৰমে মনোনীত কৰা অধ্যাপিকা ড° দীপামণি বৰুৱা দাসক। একেদৰে সম্পাদিকা হিচাপে ৰীণা দাস, যুটীয়া সহকাৰী সম্পাদিকা হিচাপে জুৰি ঠাকুৰীয়া আৰু কবিতা দাস,



কোষাধ্যক্ষ হিচাপে নুমলী দাস, সাংস্কৃতিক সম্পাদিকা হিচাপে দীপিকা দাস, প্ৰচাৰ বিভাগৰ সম্পাদিকা হিচাপে মনোনীত কৰা হয় টুটুমণি দাস, জুৰি দাস আৰু পাপৰি দাসক। ১২জুলাইত অনুষ্ঠিত সভাত সকলো ধৰণৰ সহায়-সহিযোগিতা আগবঢ়োৱা বাবে নৱজিত দাসলৈ গাড়ীগাঁও মহিলা লেখিকা শাখা সমাৰোহ সমিতিৰ তৰফৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰা হয়। জুৰি ঠাকুৰীয়া আৰু দীপিকা দাসে সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্যৰ দুটি কবিতাৰ আবৃত্তিৰে সভাৰ সামৰণি মৰা হয়। ইপিনে ৰীণা দাসে বন্তি প্ৰজ্বলন কৰি সভাৰ শুভাৰম্ভণি কৰে। আনহাতে আৰম্ভণি অনুষ্ঠানত শংখ বজাই অধ্যাপিকা ড° দীপামণি বৰুৱা দাসে, নাগাৰা সংগত কৰে নৱজিত দাসে, তাল বজাই মেঘালী দাসে আৰু স্থিৰচিত্ৰ গ্ৰহণ কৰে টুটুমণি দাসে। ৰাখিমণি কাশ্যপ আৰু আন সদস্যাসকলে উৰুলি ধ্বনি আৰু মাংগলিক কাৰ্যৰে গাড়ীগাঁও মহিলা লেখিকা শাখা সমাৰোহ সমিতিৰ শুভাৰম্ভ কৰে।

## সচিত্ৰপুথি সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত নাট্য,নৃত্য কৰ্মশালাৰ সফল সামৰণি

**গুৱাহাটী, ২১ জুলাইঃ** শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ড° বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত প্ৰশিক্ষাৰ্থীসকলে জুবিন গাৰ্গক সুঁৱৰি তেখেতৰ সৃষ্টিশীল গীতত নৃত্য পৰিৱেশন কৰে। তাৰপিছত 'বুঢ়া পৃথিৱী' শীৰ্ষক অনন্য সুন্দৰ নাটকেৰে এই নাট কৰ্মশালাখনৰ সফল সমাপ্তি ঘটে।প্ৰথমবাৰৰ বাবে দিব্যাংগ আৰু সাধাৰণ শিশুসকলক একগোট কৰি সচিত্ৰ পুথি সাংস্কৃতিক গোষ্ঠীয়ে অনুষ্ঠিত কৰা এই কৰ্মশালাৰ অন্তত অনুষ্ঠিত কৰা নাট্যানুষ্ঠানত উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলক উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ বহুমূলীয়া মন্তব্য প্ৰদান কৰে নাট্য জগতৰ সৈতে জড়িত কেইবাগৰাকীও প্ৰতিষ্ঠিত তথা স্বনামধন্য ব্যক্তিয়ে।উক্ত অনুষ্ঠানত উপস্থিত থাকি



প্ৰশিক্ষাৰ্থীসকলক উৎসাহিত কৰাৰ লগতে দিব্যাংগ তথা আন বহুকেইগৰাকী প্ৰতিভাবান শিশুৰ প্ৰতিভাক সচিত্ৰ পুথি সাংস্কৃতিক গোষ্ঠীৰ যোগেদি ৰাইজৰ আগত তুলি ধৰাৰ ক্ষেত্ৰত ৰাজীৱ কুমাৰ সাউদৰ এই প্ৰচেষ্টাৰ ভূয়সী প্ৰশংসা কৰে সংগীত নাটক অকাডেমীৰ প্ৰকল্প সঞ্চালক প্ৰতিভা শৰ্মাই। আনহাতে ষ্টিফেন হকিন্সৰ দৰে মহান বিজ্ঞানীৰ উদাহৰণ দি 'ঈৰদা'ৰ সঞ্চালক ৰমনী বৰ্মনে কয় যে, 'এই দিব্যাংগসকলৰ মাজৰ পৰা বিশেষ প্ৰতিভাসমূহ উলিয়াই অনাত প্ৰতিজ্ঞাবদ্ধ হোৱা ৰাজীৱ কুমাৰ সাউদৰ এই প্ৰচেষ্টা সঁচাকৈয়ে প্ৰশংসনীয়।নাট্য জগতৰ আন এগৰাকী স্বনামধন্য ব্যক্তি জগদীশ পাটগিৰিয়ে ৰাজীৱ সাউদৰ এই অনন্য প্ৰচেষ্টাৰ একেমুখে শলাগ লয়। আনহাতে দিব্যাংগ তথা সাধাৰণ শিশুসকলক লৈ এনে এখন সৰ্বাংগসুন্দৰ নাট মঞ্চস্থ কৰাৰ ক্ষেত্ৰত সচিত্ৰ পুথি সাংস্কৃতিক গোষ্ঠী হয়তো অসমৰ ভিতৰতেই প্ৰথমটো অনুষ্ঠান বুলি শলাগ লৈ এই নাটখনক ৰাষ্ট্ৰীয় পৰ্যায়ৰ মঞ্চলৈ আগবঢ়াই লৈ যাবলৈ ৰাজীৱ সাউদে আহ্বান জনায়।

## নীট-২০২৬ত শিক্ষাৰ্থীৰ উন্নত প্ৰদৰ্শন উদযাপন ফিজিক্সৱালাৰ

**গুৱাহাটী, ২১ জুলাইঃ** আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান ফিজিক্সৱালাই ঘোষণা কৰিছে ২০২৬ বৰ্ষৰ নীটৰ ফলাফল। শিক্ষা প্ৰতিষ্ঠানখনৰ একাধিক ছাত্ৰছাত্ৰীয়ে নীটত সৰ্বভাৰতীয় পৰ্যায়ত শীৰ্ষস্থান লাভ কৰিবলৈ সক্ষম হৈছে। সফলতা অৰ্জন কৰা উল্লেখযোগ্য কেইগৰাকীমান শিক্ষাৰ্থী হৈছে- ৰবিকান্ত দিৱাকৰ (সৰ্বভাৰতীয় ৰেংকিং ৫৫), শিৱাংশ আনন্দ (সৰ্বভাৰতীয় ৰেংকিং ১৫২), দিব্যাংশ জয়ছৱাল (সৰ্বভাৰতীয় ৰেংকিং ১৭৩)আৰু সাক্ষী কুমাৰী (সৰ্বভাৰতীয় ৰেংকিং ১৯২)। এই কৃতিত্বসমূহ পি ডব্লিউৱে প্ৰদান কৰিবলৈ চেষ্টা কৰা শিক্ষণ পৰিৱেশ তন্ত্ৰৰ নমনীয়তাৰ প্ৰমাণ। ইয়াত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ ব্যক্তিগত পছন্দ আৰু শিক্ষণ শৈলীৰ ওপৰত নিৰ্ভৰ কৰি অনলাইন পাঠ্যক্ৰম বা অফলাইন, প্ৰযুক্তি-সক্ষম পি ডব্লিউ বিদ্যাপীঠ কেন্দ্ৰৰ জৰিয়তে উচ্চ নম্বৰ লাভ কৰিবলৈ সক্ষম হয় । তদুপৰি গুৱাহাটীত ছাত্ৰ-ছাত্ৰীৰ উন্নত প্ৰদৰ্শনক উদযাপন কৰি এক অনুষ্ঠান আয়োজন কৰা হয়, য'ত উপস্থিত থাকে আয়াং পেগু (সৰ্বভাৰতীয় ৰেংকিং ২১৮০) আৰু ইমৰাণ হুছেইন চৌধুৰী (সৰ্বভাৰতীয় ৰেংকিং ৩৯৯৯)ৰ লগতে গুৱাহাটীৰ ফিজিক্সৱালাৰ কেইগৰাকীমান উন্নত প্ৰদৰ্শনকাৰী শিক্ষাৰ্থী। সফলতা সন্দৰ্ভত ৰবিকান্ত দিৱাকৰে কয়, 'মোৰ কঠোৰ পৰিশ্ৰমৰ ফল লাভ কৰি মই অতিশয় আনন্দিত। পি ডব্লিউৰ শিক্ষাই মোৰ সকলো খেলিমেলি সম্পূৰ্ণৰূপে দূৰ কৰাত সহায় কৰে। ইয়াৰ শিক্ষকসকলে ধাৰণাবোৰ ইমান সুন্দৰকৈ বুজাই দিয়ে যে আচলতে মই কেৱল মুখস্থ কৰাৰ পৰিৱৰ্তে সূত্ৰবোৰৰ আঁৰৰ যুক্তি বুজি পোৱাটো সহজ হৈ পৰে। যেতিয়াই মই কোনো কঠিন সমস্যাত আবদ্ধ হৈ পৰোঁ, ভিডিঅ'ৰ ব্যাখ্যাবোৰে মোক নিমিষতে সঠিক পদক্ষেপবোৰ দেখুৱাই দিয়ে, যাৰ ফলত মোৰ বহু সময় ৰাহি হ'ল।' শিৱাংশ আনন্দে মনৰ ভাব প্ৰকাশ কৰি কয়, 'এই স্ক'ৰ লাভ কৰাটো মোৰ বাবে এক আচৰিত অনুভৱ আৰু মই আনন্দিত যে মোৰ সকলো প্ৰচেষ্টা সফল হ'ল। মোৰ বাবে আটাইতকৈ ডাঙৰ সহায়ক আছিল প্ৰশ্নকাকতৰ দৈনিক অনুশীলন। নিয়মীয়া পৰীক্ষাবোৰে মোক সঠিকভাৱে শিকাইছিল যে, ভয় নকৰাকৈ কেনেদৰে নিজৰ গতি অব্যাহত ৰাখি নিৰ্ধাৰিত সময়খিনি মেনেজ কৰিব লাগে। শিক্ষকসকলেও মোৰ সকলো দিশৰ সন্দেহ দূৰ কৰাত সহায় কৰিছিল আৰু ক'ত ভুল কৰি আছোঁ সেয়া সুন্দৰকৈ দেখুৱাই দিছিল, যিয়ে মোক প্ৰকৃত পৰীক্ষাৰ আগতে সেইবোৰ ঠিক কৰাত সহায় কৰিছিল।' ফিজিক্সৱালাৰ প্ৰতিষ্ঠাপক তথা মুখ্য কাৰ্যবাহী বিষয়া অলখ পাণ্ডেয়ে কয়,'এই যাত্ৰাত কঠোৰ পৰিশ্ৰম, অনুশাসন মানি চলি অন্তৰেৰে প্ৰয়াস কৰা প্ৰতিজন নীট ২০২৬ৰ শিক্ষাৰ্থীলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। আপোনালোকৰ সমৰ্পণ সঁচায়ে প্ৰশংসনীয় ।ফলাফল উদযাপন কৰাসকলে সম্পূৰ্ণ নিজা প্ৰচেষ্টাৰে এই সফলতা অৰ্জন কৰিছে আৰু যিসকলে নিজৰ লক্ষ্যত উপনীত হোৱাত সাময়িকভাৱে ব্যৰ্থ হৈছে, তেওঁলোকেও এই কথা মনত ৰাখিব যে এই পৰীক্ষাটো মাত্ৰ এটা মাইলৰ খুঁটি, আপোনাৰ মূল্য বা ভৱিষ্যতৰ পৰিমাপ নহয়, আপোনাৰ সম্ভাৱনা বিশাল, আৰু এইয়া আগত দীঘলীয়া, সফল যাত্ৰাৰ এটা অধ্যায় মাত্ৰ।' নীট কোচিঙৰ ক্ষেত্ৰত ফিজিক্সৱালাৰ পদ্ধতি সহজ, সুলভ আৰু উচ্চমানৰ শিক্ষণ প্ৰদানৰ ওপৰত আধাৰিত। এই প্লেটফৰ্মটোৱে প্ৰযুক্তিৰ ওপৰত আধাৰিত সমাধান প্ৰদান কৰে, যেনে দৈনন্দিন অনুশীলনৰ প্ৰশ্ন, ভিডিঅ' সমাধানৰ সৈতে ম'ক টেষ্ট আৰু এ আই-পাৰ্ছনেলাইজড পুনৰীক্ষণ যাত্ৰা একত্ৰিত কৰে। যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ অৱস্থান বা পটভূমি যিয়েই নহওক কিয়, সঠিক দিশত আগুৱাই যোৱাটো থকাটো নিশ্চিত কৰে।

## মিডিয়াটেকৰ নতুন প্ৰযুক্তি প্ৰদৰ্শন




**গুৱাহাটী,২১ জুলাইঃ** বিশ্বৰ আগশাৰীৰ ছেমিকণ্ডাক্টৰ প্ৰতিষ্ঠান মিডিয়াটেকে নতুন দিল্লীত অনুষ্ঠিত তেওঁলোকৰ ফ্লেগশ্বিপ কাৰ্যসূচী 'বিয়ণ্ড দ্য লেন্স' টেক ডেত স্মাৰ্টফোন ফটোগ্ৰাফীৰ বাবে কেইবাটাও অত্যাধুনিক প্ৰযুক্তি প্ৰদৰ্শন কৰে। এই অনুষ্ঠানত কোম্পানীটোৱে স্মাৰ্টফোন ইমেজিং আৰু এজ-টু-ক্লাউড প্ৰযুক্তিৰ ভৱিষ্যতৰ ৰূপৰেখা দাঙি ধৰে। য'ত কোম্পানীটোৱে স্মাৰ্টফোনৰ উপৰিও মটৰগাড়ী, ডাটা চেণ্টাৰ আৰু এআই পিচিৰ দৰে ক্ষেত্ৰসমূহকো সংযোগ কৰাৰ লক্ষ্য লৈছে, যাক তেওঁলোকে 'ৱান মিডিয়াটেক' বুলি অভিহিত কৰিছে। এই অনুষ্ঠানত ভিভ', মটৰ'লা আৰু শ্বাওমি আদি আগশাৰীৰ ম'বাইল কোম্পানীৰ প্ৰতিনিধি, প্ৰযুক্তি বিশ্লেষক আৰু পেছাদাৰী ফটোগ্ৰাফাৰসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ এক্সপিৰিয়েন্স জ'নত মিডিয়াটেকৰ নতুন চিপছেট ব্যৱহাৰ কৰা কেইবাটাও ফ্লেগশ্বিপ ফোনো প্ৰদৰ্শন কৰা হয়। মিডিয়াটেক ইণ্ডিয়াৰ মাৰ্কেটিং ডাইৰেক্টৰ অনুজ সিদ্ধাৰ্থই কয় যে, 'গ্ৰাহকৰ ক্ৰমবৰ্ধমান প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ তেওঁলোকৰ নতুন চিপছেটসমূহে বেটাৰী খৰচ নকৰাকৈয়ে উন্নত কম্পিউটেশ্যনাল ফটোগ্ৰাফী প্ৰদান কৰিব। তেওঁলোকে সহযোগী ব্ৰেণ্ডসমূহৰ সৈতে মিলি গ্ৰাহকক অধিক সৰল, সৃষ্টিশীল আৰু স্মাৰ্ট প্ৰযুক্তিৰ অভিজ্ঞতা দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ দুটা বিশেষ প্ৰযুক্তিৰ কথা উল্লেখ কৰে। তাৰ এটা হৈছে ৰজ্ম ইভি এইচআৰ ফচেইন ইয়াৰ সহায়ত ছবিৰ ডাইনামিক ৰেঞ্জ বহুত ভাল হ'ব। আনটো ৪ কে ১২০ ইয়াৰ জৰিয়তে অতি মসৃণ আৰু চিনেমাৰ দৰে ভিডিঅ' ৰেকৰ্ডিং কৰিব পৰা যাব। অনুষ্ঠানত ৰাজীৱ মাখনিৰ সঞ্চালনাত এটা এখন পেনেল আলোচনা অনুষ্ঠিত হয়। য'ত প্ৰখ্যাত ফটোগ্ৰাফাৰ ৰাহুল ঝাণ্ডিয়ানীৰ লগতে মিডিয়াটেক ইণ্ডিয়া মাৰ্কেটিং ডাইৰেক্টৰ অনুজ সিদ্ধাৰ্থ, ভিভ' ইণ্ডিয়াৰ প্ৰডাক্ট এণ্ড জিটিএমৰ মুৰব্বী পাইঘাম ডানিছ চিটিঅ', শ্বাওমি ইণ্ডিয়াৰ সহযোগী সঞ্চালক - প্ৰডাক্ট মাৰ্কেটিং গৌতম বাত্ৰ আৰু মটৰ'লা ম'বিলিটিৰ এপিএচিৰ বিপণন সঞ্চালক শিৱম ৰঞ্জনে অংশগ্ৰহণ কৰে। তেওঁলোকে আলোচনা কৰে যে এখন ধুনীয়া ফটোৰ আঁৰত মানুহৰ দৃষ্টিভংগী, কেমেৰাৰ হাৰ্ডৱেৰ আৰু চিপছেটৰ প্ৰচেচিং পাৱাৰৰ, যাৰ ভূমিকা সমানেই গুৰুত্বপূৰ্ণ। ইয়াৰ লগতে শক্তিশালী চিপছেট আৰু ফ্লেগশ্বিপ ডাইমেনচিটি পৰ্টফলিঅ'ৰ সহায়ত মোবাইল ইমেজিং কেনেকৈ সলনি হ'বলৈ গৈ আছে, সেই বিষয়েও আলোচনা কৰে। মিডিয়াটেকে তেঁওলোকৰ বিভিন্ন খণ্ডৰ কামকাজসমূহ সহজ কৰিবলৈ চিপসমূহক কেইটামান ভাগত বিভক্ত কৰিছে। স্মাৰ্টফোনৰ বাবে ডাইমেনেষ্ট্ৰী, গাড়ীৰ বাবে ডাইমেনষ্টী এএক্স আৰু কম্পিউটাৰৰ বাবে ডাইমেনষ্ট্ৰী চিএক্স চিপ ব্যৱহাৰ কৰা হ'ব। ইয়াৰ লগতে বিশ্বৰ ডাঙৰ গাড়ী নিৰ্মাতা কোম্পানীসমূহৰ সৈতে ২০ টাতকৈও অধিক অংশীদাৰিত্ব আৰু ১৯০ টাতকৈও অধিক প্ৰজেক্টৰ কাম তেঁওলোকৰ চলি আছে। ২০২৬ চনৰ দ্বিতীয় ত্ৰৈমাসিকত ৪৯ শতাংশ বজাৰ অংশীদাৰিত্বৰে মিডিয়াটেক ভাৰতৰ নম্বৰ ১ স্মাৰ্টফোন চিপ ব্ৰেণ্ড হৈ আছে।

# চৰাই চিনো আহা

## সখিয়তী



সখিয়তী 'Oriole' পৰিয়ালৰ অন্তৰ্ভুক্ত এবিধ চৰাইৰ প্ৰজাতি। ই বিষুৱীয় অঞ্চলৰ দক্ষিণ এছিয়াৰ ভাৰতৰ পৰা শ্ৰীলংকা, ইণ্ডোনেছিয়া পৰ্যন্ত স্থানীয়ভাৱে প্ৰজনন কৰে।পূৰ্ণবয়স্ক মতা সখিয়তী চৰাইৰ দেহটো উজ্জ্বল হালধীয়া বৰণৰ আৰু মূৰ অংশ ক'লা বৰণৰ হয়। তাৰোপৰি ইয়াৰ ডেউকা আৰু নেজতো ক'লা বৰণ থাকে। মাইকী সখিয়তীৰ মূৰ অংশ ক'লা আৰু দেহৰ তলৰ অংশ কিছু সেউজ বৰণীয়া হয়। পোৱালিবোৰ বাহ্যিক গঠন মাইকীজনীৰ দৰেই হোৱা দেখা যায়। অৱশ্যে পোৱালি অৱস্থাত ইহঁতৰ মূৰ অংশ সম্পূৰ্ণ ক'লা নহয়। সখিয়তী চৰাই সমগ্ৰ বিশ্বতে বহুলভাৱে বিস্তৃত হৈ আছে। ই প্ৰধানতঃ ভাৰত, বাংলাদেশ, ভূটান, কম্বোডিয়া, চীন, ইণ্ডোনেছিয়া, মালয়েছিয়া,ম্যানমাৰ, নেপাল, শ্ৰীলংকা, থাইলেণ্ড, ভিয়েটনাম আদিত প্ৰজনন কৰে।সখিয়তীৰ প্ৰধান বাসস্থান হ'ল মুকলি কাঠনি তথা খেতি-পথাৰ আদি। সখিয়তীয়ে প্ৰধানকৈ পোক-পতংগ, ফল-মূল আদি খাদ্য হিচাপে গ্ৰহণ কৰে।ই গছৰ ওপৰত ডাল-পাতেৰে বাহ সাজে। এবাৰত সাধাৰণতে দুটাকৈ কণী পাৰে। সখিয়তীৰ বৰ্তমানৰ জনসংখ্যা কিমান সেয়া সঠিককৈ ধাৰণা কৰিব পৰা নাযায় যদি ই হ্ৰাস পোৱা নাই বুলিয়ে জনা যায়। সেয়েহে ইয়াক সংকটমুক্ত বুলি স্বীকৃতি দিয়া হৈছে।

# ভাৰতৰ স্বাধীনতা আন্দোলনৰ অগ্ৰণী নেতা সুভাষ চন্দ্ৰ বসু



মৰমৰ অকণিহঁত, তোমালোকে নেতাজী সুভাষ চন্দ্ৰ বসুৰ বিষয়ে আগতে পঢ়িছা নাইবা তেওঁৰ নাম নিশ্চয় শুনিছা নহয় জানো? আজি তোমোলোকক এইগৰাকী ভাৰতৰ স্বাধীনতা আন্দোলনৰ পথ পদৰ্শক নেতা সুভাষ চন্দ্ৰ বসুৰ বিষয়ে কিছু কথা জনাবলৈ লৈছো। আশা কৰো তোমালোকে ইয়াৰদ্বাৰা উপকৃত হ'বা।

সুভাষ চন্দ্ৰ বসু ভাৰতৰ স্বাধীনতা আন্দোলনৰ এজন অগ্ৰণী নেতা আছিল। তেওঁ দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত নাজী জাৰ্মানী আৰু জাপানৰ সহযোগত ভাৰতক বৃটিছ শাসনৰ পৰা মুক্ত কৰিবলৈ প্ৰয়াস কৰিছিল। ১৯৪২ চনত জাৰ্মানীত Indische Legionৰ ভাৰতীয় সৈন্যসকল আৰু বাৰ্লিনস্থিত Special Bureau for India ৰ জাৰ্মান আৰু ভাৰতীয় বিষয়াসকলে তেওঁক প্ৰথমে 'নেতাজী' সম্বোধনেৰে মাতিছিল আৰু বৰ্তমান সমগ্ৰ ভাৰতে তেওঁক এই সন্মানেৰে জানে।

১৯২০-১৯৩০ চনৰ সময়ছোৱাত বসু ভাৰতীয় জাতীয় কংগ্ৰেছৰ যুৱ শাখাৰ নেতা আছিল আৰু পিছলৈ ১৯৩৮ আৰু ১৯৩৯ চনত দুবাৰকৈ কংগ্ৰেছৰ সভাপতি হিচাপে নিৰ্বাচিত হৈছিল। অৱশ্যে মহাত্মা গান্ধী আৰু কংগ্ৰেছৰ আন শীৰ্ষ নেতৃত্বৰ সৈতে মতৰ অমিল হোৱাত তেওঁক ১৯৩৯ চনত কংগ্ৰেছ নেতৃত্বৰপৰা অব্যাহতি দিয়া হয়। ১৯৪০ চনত তেওঁ ভাৰত এৰাৰ আগলৈকে বৃটিছৰ হাতত ঘৰবন্দী হৈ থাকিব লগা হৈছিল।

১৯৪১ চনৰ এপ্ৰিলত বসু জাৰ্মানীত উপস্থিত হয়। জাৰ্মান নেতৃত্বই অপ্ৰত্যাশিতভাৱে ভাৰতৰ স্বাধীনতাৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰে। ১৯৪১ চনৰ নৱেম্বৰ মাহত জাৰ্মান পূঁজিৰে বাৰ্লিনত Free India Centre স্থাপন কৰা হয় আৰু তাৰ কিছুদিন পাছতে Free India Radio আৰম্ভ কৰা হয় আৰু ৰাতি এই ৰেডিঅ'ৰ সম্প্ৰচাৰ বসুৱে কৰে। Erwin Rommelৰ আফ্ৰিকা কৰ্প কৰায়ত্ত কৰা ভাৰতীয়সকলক লৈ Free India Legion নামেৰে প্ৰায় ৩০০০ জনীয়া এক বাহিনী গঠন কৰা হয়। এই বাহিনীৰ উদ্দেশ্য আছিল ভৱিষ্যতে জাৰ্মানীৰ সম্ভাব্য স্থলপথেৰে ভাৰত আক্ৰমণত সহায় কৰা। এই সময়তে তেওঁৰ পত্নী Emilie Schenkl য়ে এটি কন্যা সন্তানৰ জন্ম দিয়ে। ১৯৪২ চনত দক্ষিণ এছিয়াত জাপানৰ জয়লাভ আৰু জাৰ্মানীয়ে বেলেগ কামক অগ্ৰাধিকাৰ দিয়াত, জাৰ্মানীৰ ভাৰত আক্ৰমণৰ সম্ভাৱনীয়তা কমি যায় আৰু বসু দক্ষিণ এছিয়ালৈ আহিবলৈ ব্যগ্ৰ হৈ পৰে। ১৯৪২ চনৰ মে' মাহত তেওঁ প্ৰথম আৰু একমাত্ৰবাৰ এডল্ফ হিটলাৰক লগ পায়। হিটলাৰেও তেওঁক দক্ষিণ এছিয়ালৈ যাবলৈ পৰামৰ্শ দিয়ে আৰু তেওঁক ছাবমেৰিনৰ যোগান ধৰাৰ কথা দিয়ে। ১৯৪৩ চনৰ ফেব্ৰুৱাৰীত বসুৱে এখন জাৰ্মান ছাবমেৰিনত যাত্ৰা আৰম্ভ কৰে আৰু মাদাগাস্কাৰত তেওঁক এখন জাপানী ছাবমেৰিনলৈ বদলি কৰা হয়। ১৯৪৩ চনৰ মে' মাহত তেওঁ জাপান অধিকৃত সুমাত্ৰাত পদাৰ্পণ কৰে।



জাপানৰ সহযোগত বসুৱে ইণ্ডিয়ান নেচনেল আৰ্মীক (INA) পুনৰুজ্জীৱিত কৰে আৰু ছিংগাপুৰৰ যুদ্ধত বন্দী হোৱা বৃটিছ-ভাৰতীয় সেনাবাহিনীৰ ভাৰতীয় সৈন্যসকলক একত্ৰিত কৰে।জাপানীসকলে তেওঁলোকৰ অধিকৃত বাৰ্মা, ফিলিপাইন, Manchukuo আদিত পুতলা চৰকাৰ বা তেওঁলোকৰ অনুগ্ৰহাধীন প্ৰভিজনেল চৰকাৰ চলোৱাত সহায় কৰিছিল। জাপান আধীকৃত আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জত মুক্ত ভাৰতৰ প্ৰভিজনেল চৰকাৰ গঠন হয় আৰু ইয়াৰ নেতৃত্ব দিয়ে বসুৱে। আকৰ্ষণীয় ব্যক্তিত্বৰ অধিকাৰী বসুৱে জনপ্ৰিয় ভাৰতীয় শ্লোগান 'জয় হিন্দ'ৰ প্ৰথম প্ৰচাৰ কৰে। বসুৰ নেতৃত্বৰ ইণ্ডিয়ান নেচনেল আৰ্মী আছিল ভৌগোলিক বৈচিত্ৰ, ধৰ্মীয় বৈচিত্ৰ আৰু লিংগ বৈচিত্ৰৰ এক উদাহৰণ। কিন্তু তেওঁ আছিল সামৰিকভাৱে অৰ্দী (২০) আৰু তেওঁৰ সামৰিক কৰ্মৰাজী ীক্ষন্তেকীয়াহে আছিল। ১৯৪৪ৰ শেষৰফালে আৰু ১৯৪৫ৰ প্ৰথমভাগত বৃটিছ-ভাৰতীয় সেনাবাহিনীয়ে প্ৰথমবাৰৰ বাবে জাপানী সৈন্যৰ আগ্ৰাসনক বাধা দিয়ে আৰু জাপানী সৈন্যৰ ভাৰত আক্ৰমণক বিফল কৰে। আধা জাপানী সৈন্যৰ লগতে এই যুদ্ধত ভাগ লোৱা INAৰ আধা সৈন্য এই যুদ্ধত নিহত হয়। INA মলয় উপদ্বীপৰ ফালে পলাই যাবলৈ আৰু পাছত ছিংগাপুৰত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হয়। বসুৱে নিজৰ সৈন্য বা জাপানী সৈন্যৰ সৈতে আত্মসমৰ্পণ কৰাৰ পৰিৱৰ্তে মাঞ্চুৰিয়ালৈ পলাই যাবলৈ বিচাৰে যাতে লাহে লাহে বৃটিছবিৰোধী হৈ অহা ছোভিয়েট ইউনিয়নৰ লগত ভৱিষ্যতে লগ লাগিব পাৰে। কিন্তু তেওঁৰ উৰাজাহাজ টাইৱানত দুৰ্ঘটনাত পতিত হোৱাত তেওঁ মৃত্যুমুখত পৰে। কিছুসংখ্যক ভাৰতীয়ই এই দুৰ্ঘটনাৰ কথা বিশ্বাস কৰা নাছিল আৰু বহুলোকে, বিশেষকৈ বংগৰ বহু লোকে বিশ্বাস কৰিছিল যে বসু পুনৰ আহি ভাৰতক স্বাধীনতা প্ৰদান কৰিব।

ভাৰতীয় জাতীয় কংগ্ৰেছে বসুৰ দেশভক্তিৰ প্ৰশংসা কৰিছিল কিন্তু বসুৰ মতাদৰ্শ আৰু কৰ্মপদ্ধতিৰপৰা, বিশেষকৈ fascismৰ সৈতে তেওঁৰ সহযোগিতাসমূহৰপৰা নিৰ্দিষ্ট দূৰত্ব বজাই ৰাখিছিল। বৃটিছ প্ৰশাসনে ৩০০ জন INA বিষয়াক INA trialত দেশদ্ৰোহৰ অভিযোগত অভিযুক্ত কৰে কিন্তু শেষত উঠাই লয়।

# সোণৰ কণী পৰা হাঁহজনী আৰু দুখীৰামৰ সাধু

এসময়ত এখন দেশত দুখীৰাম নামেৰে এজন মানুহ আছিল। তেওঁ ইমান দুখীয়া আছিল যে লঘোণে-ভোকে থাকিয়ে দিন-ৰাতি কটাইছিল। এদিন তেওঁ আলিবাটৰ দাঁতিতে বহি আছিল। সেই বাটেদি তেনেতে এজন বৃদ্ধ বাটৰুৱা আহি আছিল। বাটৰুৱাজনে দুখীৰামক আমন-জিমনকৈ বহি থকা দেখি সুধিলেঃ হেৰা বন্ধু! তুমি ইমান মন মাৰি কিয় বহি আছা কোৱাচোন! তোমাৰ কিবা বিপদ-বিঘিনি হৈছে নেকি? বাটৰুৱাজনৰ কথা শুনি দুখীৰামে দীঘল হুমুনিয়াহ এটা কাঢ়ি তাৰ দুখৰ কথাবোৰ বৃদ্ধ বাটৰুৱাজনক ভাঙি-পাতি বিৱৰি ক'লে। বাটৰুৱাজন বৰ দয়ালু মানুহ আছিল। দুখীৰামৰ দুখৰ কথাবোৰ শুনি তেওঁৰ বৰ দুখ লাগিল। তেওঁৰ লগত এজনী হাঁহ আছিল। হাঁহজনী তেওঁ দুখীৰামক দি দিলে আৰু ক'লেঃ এই হাঁহজনী মই তোমাক দিলোঁ। বিনিময়ত তুমি মোক মূল্য দিব নালাগে। এই হাঁহজনী তুমি পুহিবা। তাই কণী পাৰিব। সেই কণী বজাৰত বিক্ৰী কৰি তুমি ভাত-কাপোৰ যোগাৰ কৰিব পাৰিবা। বাটৰুৱাজনৰ এনে উপকাৰ পাই দুখীৰামৰ দুগালেদি দুধাৰি চকুলো বৈ আহিল। সি বাটৰুৱাজনক ধন্যবাদ আৰু কৃতজ্ঞতা জনালে। বাটৰুৱাজনেও দুখীৰামৰ পৰা বিদায় লৈ গ'লগৈ।



তেওঁৰ লগত এজনী হাঁহ আছিল। হাঁহজনী তেওঁ দুখীৰামক দি দিলে আৰু ক'লেঃ এই হাঁহজনী মই তোমাক দিলোঁ। বিনিময়ত তুমি মোক মূল্য দিব নালাগে। এই হাঁহজনী তুমি পুহিবা। তাই কণী পাৰিব। সেই কণী বজাৰত বিক্ৰী কৰি তুমি ভাত-কাপোৰ যোগাৰ কৰিব পাৰিবা।

হাঁহজনী লৈ দুখীৰাম ঘৰলৈ আহিল আৰু হাঁহজনীক দানা-পানী খুৱাই পুহিবলৈ ধৰিলে। এদিন ৰাতিপৰা দুখীৰামে শুই উঠি দেখিলে যে হাঁজনীয়ে এটা সোণৰ কণী পাৰি থৈছে। আনন্দত আত্মহাৰা হৈ সি কণীটো লৈ বজাৰলৈ গ'ল আৰু এজন সোণাৰিক বেচি বহুতো টকা পালে।

পিছদিনা পুৱা হাঁহজনীয়ে আকৌ এটা সোণৰ কণী পাৰিলে আৰু সেইদিনাও দুখীৰামে কণীটো বেচি বহু টকা পালে। তাৰ পিছদিনাখনো হাঁহজনীয়ে আৰু এটা সোণৰ কণী পৰা দেখি দুখীৰামে ভাবিলে যে এই হাঁহজনীৰ পেটত নিশ্চয় বহুত সোণৰ কণী সোমাই আছে। খুব সোনকালে দুখীৰামৰ ধনী মানুহ হোৱাৰ ইচ্ছা হ'ল। সি চিন্তা কৰিলে যে যদি হাঁহজনীৰ পেটটো ফালি একেলগে গোটেই কণীবোৰ উলিয়াই লয় তেন্তে সেইবোৰ বেচি সি সোনকালে ধনী মানুহ হ'ব পাৰিব।

কথামতে কাম। দুখীৰামে ছুৰী-কটাৰী এখনেৰে হাঁহজনীৰ পেটটো ফালি পেলালে। কিন্তু এটাও সোণৰ কণী নোলাল। হাঁহজনী মৰি থাকিল।

হাঁহজনী মৰাৰ পিছত দুখীৰামে ইনাই-বিনাই কান্দিলে। সি বুজিলে— অতিমাত্ৰা লোভ কৰিব নাপায়। অতিমাত্ৰা লোভৰ ফলতেই সি তাৰ মৰমৰ সোণৰ কণীপৰা হাঁহজনী হেৰুৱালে।

হাঁহজনী মৰাৰ পিছত দুখীৰাম আকৌ লাহে লাহে দুখীয়া মানুহ হৈ পৰিল।


এদিন তেওঁ আলিবাটৰ দাঁতিতে বহি আছিল। সেই বাটেদি তেনেতে এজন বৃদ্ধ বাটৰুৱা আহি আছিল। বাটৰুৱাজনে দুখীৰামক আমন-জিমনকৈ বহি থকা দেখি সুধিলেঃ হেৰা বন্ধুহ্ল তুমি ইমান মন মাৰি কিয় বহি আছা কোৱাচোনহ্ল তোমাৰ কিবা বিপদ-বিঘিনি হৈছে নেকি ? বাটৰুৱাজনৰ কথা শুনি দুখীৰামে দীঘল হুমুনিয়াহ এটা কাঢ়ি তাৰ দুখৰ কথাবোৰ বৃদ্ধ বাটৰুৱাজনক ভাঙি-পাতি বিৱৰি ক'লে। বাটৰুৱাজন বৰ দয়ালু মানুহ আছিল। দুখীৰামৰ দুখৰ কথাবোৰ শুনি তেওঁৰ বৰ দুখ লাগিল।





ফটো উঠিবলৈ ময়ো জানো

| ডৰিয়লী এম শইকীয়া



ধৃতিস্মিতা ভৰালী, দ্বিতীয় শ্ৰেণী, অংকুৰণ শিশু নিকেতন, বৰুৱাজানী

# দুই বছৰে বন্ধ ধুবুৰী-শিলিগুৰি এএছটিচি বাছ সেৱাঃ শীঘ্ৰে বাছ সেৱা পুনৰ আৰম্ভৰ দাবী ঃ আছু




**বাতৰি কাকত,ধুবুৰী, ২১ জুলাই ঃ** ধুবুৰীৰ পৰা শিলিগুৰিলৈ চলাচল কৰা অসম ৰাজ্যিক পৰিবহণ নিগমৰ নিজস্ব বাছ সেৱা প্ৰায় দুবছৰে বন্ধ হৈ থকাত যাত্ৰী সকলৰ মাজত তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি হৈছে। চৰকাৰী বাছ সেৱা বন্ধ হৈ থকাৰ ফলত সাধাৰণ যাত্ৰীসকল ব্যক্তিগত বাহনৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ বাধ্য হৈছে। এই পৰিপ্ৰেক্ষিতত সদৌ অসম ছাত্ৰ সন্থাৰ ধুবুৰী জিলা সমিতিয়ে অসমৰ মুখ্যমন্ত্ৰী, পৰিবহণ বিভাগৰ মন্ত্ৰী, ধুবুৰী জিলা আয়ুক্ত আৰু এএছটিচিৰ পৰিচালন সঞ্চালকৰ ওচৰত ধুবুৰীৰ পৰা শিলিগুৰিলৈ বাছ সেৱা অনতিপলমে পুনৰ আৰম্ভ কৰাৰ দাবী জনাইছে। এএছটিচিৰ ধুবুৰী আস্থানৰ অধীক্ষকে জনোৱা মতে, নিগমৰ নিজস্ব বাছ সমূহৰ অনলাইন ফিটনেছ পঞ্জীয়ন সম্পূৰ্ণ নোহোৱাৰ বাবেই পশ্চিমবংগ চৰকাৰে সেই বাহনসমূহ ৰাজ্যখনত চলাচলৰ অনুমতি দিয়া নাই। ধুবুৰীত নিগমৰ নিজস্ব বাছ উপলব্ধ আছে যদিও বাছ সমূহৰ অনলাইন ফিটনেছ পঞ্জীয়ন নথকাৰ বাবে পশ্চিমবংগলৈ অহা যোৱা কৰাৰ বাবে বাছ সেৱা আগবঢ়াব পৰা নাই। এই সমস্যা সমাধানৰ বাবে বহুবাৰ মন্ত্ৰী, বিষয়াক আবেদন-নিবেদন কৰা হৈছিল যদিও এতিয়ালৈকে কোনো ইতিবাচক ফল লাভ কৰা হোৱা নাই বুলি তেওঁ উল্লেখ কৰে। উল্লেখ্য যে, বৰ্তমান ধুবুৰীৰ পৰা এএছটিচিৰ নিজস্ব মাত্ৰ দুখন বাছ গুৱাহাটী অভিমুখে চলাচল কৰি আছে আৰু তাৰ বিপৰীতে দুখন বাছ বিকল হৈ পৰি আছে। কিন্তু শিলিগুৰিকে ধৰি ওচৰ-চুবুৰীয়া জিলাসমূহলৈ নিগমৰ কোনো নিজস্ব বাছ সেৱা উপলব্ধ নহয়। ফলত ধুবুৰী জিলাৰ যাত্ৰীসকলে চৰকাৰী পৰিবহণ সেৱাৰ সুবিধাৰ পৰা বঞ্চিত হোৱাৰ লগতে যাত্ৰাৰ ক্ষেত্ৰত বিভিন্ন অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। এই পৰিস্থিতিত ধুবুৰীৰ পৰা গুৱাহাটী, শিলিগুৰি আৰু ওচৰ-চুবুৰীয়া জিলাসমূহলৈ এএছটিচিৰ নিজস্ব বাছ সেৱা পুনৰ আৰম্ভ কৰিবলৈ চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰে, সেয়া এতিয়া ৰাইজে আগ্ৰহেৰে লক্ষ্য কৰি আছে।

# ওদালগুৰি জিলাৰ খৈৰাবাৰীত প্ৰাকৃতিক কৃষি বিষয়ক দুদিনীয়া প্ৰশিক্ষণ সফলভাৱে সম্পন্ন

**ওদালগুৰি,২১ জুলাই ঃ** ওদালগুৰি জিলাৰ খৈৰাবাৰী ব্লকৰ অন্তৰ্গত ৰঙাগাঁও এল.পি. স্কুলত ওদালগুৰি জিলা কৃষি বিভাগৰ অন্তৰ্গত কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থা (আটমা)ৰ উদ্যোগত "প্ৰাকৃতিক কৃষিৰ দ্বাৰা স্থায়ী কৃষি আৰু পুষ্টিকৰ খাদ্য সুৰক্ষা" শীৰ্ষক এটি দুদিনীয়া কৃষক প্ৰশিক্ষণ কাৰ্যসূচী সফলভাৱে অনুষ্ঠিত হয়। কাৰ্যসূচীখনত অঞ্চলটোৰ বহুতো কৃষকে উৎসাহেৰে অংশগ্ৰহণ কৰি প্ৰাকৃতিক কৃষি পদ্ধতিৰ প্ৰতি গভীৰ আগ্ৰহ প্ৰকাশ কৰে।প্ৰশিক্ষণ কাৰ্যসূচীত প্ৰাকৃতিক কৃষিৰ মৌলিক ধাৰণা আৰু গুৰুত্ব, জৈৱিক আৰু প্ৰাকৃতিক কৃষিৰ মাজৰ পাৰ্থক্য, ৰাসায়নিক সাৰৰ অপকাৰিতা, সাৰৰ সুষম ব্যৱহাৰৰ প্ৰয়োজনীয়তা, মাটিৰ গুণাগুণ সংৰক্ষণ আৰু উন্নয়নৰ পদ্ধতিৰ লগতে স্থায়ী কৃষি আৰু পুষ্টিকৰ খাদ্য সুৰক্ষাৰ গুৰুত্বৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰা হয়। বিশেষকৈ মাটিৰ জীৱবৈচিত্ৰ্য সংৰক্ষণ, উৎপাদন ব্যয় হ্ৰাস আৰু পৰিবেশ সংৰক্ষণৰ ক্ষেত্ৰত প্ৰাকৃতিক কৃষিৰ ভূমিকা সম্পৰ্কে কৃষকসকলক অৱগত কৰা হয়।ইয়াৰ উপৰি , বীজামৃত, জীৱামৃত, নিমাস্ত্ৰ, ব্ৰহ্মাস্ত্ৰ, অগ্নাস্ত্ৰ আদি বিভিন্ন প্ৰাকৃতিক দ্ৰাৱণৰ প্ৰস্তুতি পদ্ধতি আৰু ব্যৱহাৰিক দিশসমূহ বিষয়ে সুস্পষ্টভাৱে ব্যাখ্যা কৰা হয়। নিম-ভিত্তিক এক্সট্ৰেক্ট আদি প্ৰাকৃতিক উপাদান ব্যৱহাৰ কৰি পোক-পতংগ আৰু ৰোগ নিয়ন্ত্ৰণৰ সলনি-বিকল্প পদ্ধতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়।পুষ্টিকৰ খাদ্য সুৰক্ষা নিশ্চিত কৰাৰ ক্ষেত্ৰত মিশ্ৰিত খেতি পদ্ধতি, বহুস্তৰীয় কৃষি, গৃহস্থালীৰ কিচেন গাৰ্ডেন স্থাপন, আৰু প্ৰাকৃতিক পদ্ধতিৰে বায়'ফ'ৰ্টিফিকেচনৰ প্ৰাসংগিকতা সম্পৰ্কেও বিশদ আলোচনা কৰা হয়, যাৰ দ্বাৰা পৰিয়ালৰ পুষ্টিৰ প্ৰয়োজন পূৰণ কৰাৰ লগতে কৃষকৰ আয় বৃদ্ধি কৰিব পৰা যায়।কাৰ্যসূচীৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে জীৱামৃত, নিমাস্ত্ৰ, ব্ৰহ্মাস্ত্ৰ আৰু অন্যান্য প্ৰাকৃতিক পোক নিয়ন্ত্ৰণ দ্ৰাৱণ প্ৰস্তুতিৰ ওপৰত ব্যৱহাৰিক প্ৰশিক্ষণ অনুষ্ঠিত কৰা হয়। এই প্ৰশিক্ষণৰ জৰিয়তে কৃষকসকলে হাতে-কলমে শিকাৰ সুযোগ লাভ কৰি নিজ নিজ কৃষিক্ষেত্ৰত ইয়াৰ প্ৰয়োগ কৰিবলৈ উৎসাহিত হয়।এই প্ৰশিক্ষণত প্ৰশিক্ষক হিচাপে উপস্থিত আছিল শ্ৰী সৌৰভ দত্ত, প্ৰাকৃতিক কৃষিৰ ডোমেইন এক্সপাৰ্ট, থলুৱা বহুমুখী সমবায় সমিতি লিমিটেড, ধনশিৰিঘাট, ওদালগুৰি। তেখেতে সহজ ভাষাত প্ৰশিক্ষণ আগবঢ়াই কৃষকসকলক বিষয়সমূহ স্পষ্টভাৱে বুজাই দিয়ে।উক্ত কাৰ্যসূচীত খৈৰাবাৰী ভিচিডিচিৰ সভাপতি সমৰ বসুমতাৰীয়ে কয়- "বৰ্তমান সময়ত প্ৰাকৃতিক কৃষি হৈছে কৃষকৰ বাবে এক স্থায়ী আৰু লাভজনক বিকল্প। এই ধৰণৰ প্ৰশিক্ষণৰ জৰিয়তে কৃষকসকলে কম খৰচত অধিক উৎপাদন লাভ কৰাৰ লগতে স্বাস্থ্যসন্মত খাদ্য উৎপাদন কৰিব পাৰিব।" লগতে অনাগত দিনত এইধৰণৰ আৰু অধিক প্ৰশিক্ষণ কাৰ্যসূচীৰ প্ৰয়োজনীয়তাৰ ওপৰত তেখেতে গুৰুত্ব আৰোপ কৰে। এই কাৰ্যসূচীত খৈৰাবাৰী ভিচিডিচিৰ সদস্য বিমল দৈমাৰী আৰু সঞ্জীৱ দেবনাথৰ লগতে মৃনালী দেৱী, বিটিএম, আটমা, খৈৰাবাৰী ব্লক উপস্থিত থাকে ।প্ৰশিক্ষণ কাৰ্যসূচীৰ দ্বিতীয় দিনৰ অন্তত অংশগ্ৰহণকাৰী সকলক প্ৰমাণপত্ৰ বিতৰণ কৰা হয়। আয়োজক পক্ষই আশা প্ৰকাশ কৰে যে এই প্ৰশিক্ষণে অঞ্চলটোৰ কৃষকসকলক প্ৰাকৃতিক কৃষিৰ প্ৰতি অধিক আগ্ৰহী কৰি তুলিব আৰু মাটিৰ গুণাগুণ উন্নয়ন, উৎপাদন ব্যয় হ্ৰাস আৰু স্থায়ী কৃষি ব্যৱস্থাৰ দিশত আগবঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

## বিশেষ ৰঙিয়াৰ বাতৰি

# অভিনেত্ৰী বৰষাৰাণী বিষয়াই ৰঙিয়াত মুকলি কৰিলে এ কে বিউটি চেলুন এণ্ড একাডেমী

বিউটি চেলুন খনৰ অভিজ্ঞ বিউটিচিয়ান তথাদুটা স্বত্বাধিকাৰি পূৰবী ডেকাৰ তত্বাৱধানত আৰম্ভ হ'ল আধুনিক সৌন্দৰ্য চৰ্চাৰ অন্যতম এই কেন্দ্ৰ খন।উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি বৰষাৰাণীয়ে কয় যে নাৰীসকল আত্মনিৰ্ভৰশীল হ'বলৈ আৰ্থিক স্বাধীনতাৰ প্ৰয়োজন এই ক্ষেত্ৰত পুৰবী ডেকাই লগতে তেওঁৰ দ্বাৰা প্ৰশিক্ষিত কেবাগৰাকীও যুৱতীক লৈ যি সপোন দেখিছে সেয়া অত্যন্ত প্ৰশংসনীয়।

# ৰঙিয়া কৃষক শ্বহীদ ভৱনত উপস্থিত অসমীয়া কথাছবি এ' ৱাই জেদৰ

কৃষক শ্বহীদ ভৱনত চলি থকা নটৰাজ নাট্যগোষ্ঠীৰ প্ৰশিক্ষাৰ্থীসকলে অসমীয়া চলচ্চিত্ৰৰ নবৈ বছৰীয়া যাত্ৰা, উত্থান-পতন সম্পৰ্কে গীত আৰু কথাৰ মাধ্যমেৰে উপস্থাপন কৰি উপস্থিত দৰ্শক তথা টীম এক্স ৱাই জেদক আহ্লাদিত কৰে। কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ জয়মতী নিৰ্মাণৰ পৰা আৰম্ভ কৰি লক্ষ্যধৰ চৌধুৰী, ভবেন্দ্ৰনাথ শইকীয়া, মুনীন বৰুৱা, অশোক কুমাৰ বিষয়া, জুবিন গাৰ্গ, ৰীমা দাস ইত্যাদি অসমীয়া কথাছবি নিৰ্মাতাসকলৰ অৱদান কৃতজ্ঞতাৰে সুঁৱৰি পৰিচালক হিমাংশু প্ৰসাদ দাসৰ মুক্তি পাবলগীয়া এক্স ৱাই জেদলৈ শুভেচ্ছা জ্ঞাপন কৰে। উক্ত কাৰ্যসূচীত উপস্থিত থাকে এক্স ৱাই জেদৰ প্ৰযোজক হেমন্ত কলিতা, অভিনেত্ৰী পল্লবী ফুকন, অভিনেতা চন্দন দাস, অপূৰ্ব বৰ্মন, প্ৰদীপ দত্ত, কুল কুলদ্বীপ, প্ৰদ্যুৎ বিকাশ, গৌৰৱজ্যোতি দাস, দিংকু, ইৰফান আৰু ছবি সম্পাদনাকাৰী হাৰ্দিক কাশ্যপ। ছবি পৰিচালক হেমন্ত কলিতাই মত প্ৰকাশ কৰে যে, বিগত সময়ৰ অসমীয়া কথাছবিসমূহক ৰঙিয়াৰ ৰাইজে যি ধৰণে আদৰি লৈছে, একেদৰে ৰঙিয়াৰ কেইবাগৰাকীও অভিনেতাই অভিনয় কৰা এই এক্স ৱাই জেদ কথাছবিখনো ৰাইজে আদৰি ল'ব।

# ৰঙিয়াত প্ৰজ্ঞা আৰু সংগীতৰ সাংস্কৃতিক কৰ্মশালাৰ আয়োজন

কামৰূপ জিলাৰ অন্যতম স্বেচ্ছাসেৱী সামাজিক -সাংস্কৃতিক অনুষ্ঠান সংগীত গ্ৰুপ অৱ ক্ৰিয়েচন আৰু প্ৰজ্ঞা উত্তৰ কামৰূপ জিলা সমিতিৰ উদ্যোগত ৰঙিয়াৰ অসম ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত গ্ৰীষ্মকালীন বিশেষ সাংস্কৃতিক কৰ্মশালাৰ আয়োজন কৰা হৈছে। ২০ জুলাইৰ পৰা অনুষ্ঠিত হোৱা সাংস্কৃতিক কৰ্মশালাত ভূপেন হাজৰিকাৰ গীতৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। প্ৰজ্ঞাই সুধাকণ্ঠৰ গীতৰ প্ৰচাৰ আৰু প্ৰসাৰৰ অংশ হিচাপে এই কৰ্মশালাত আয়োজন কৰা হৈছে বুলি প্ৰজ্ঞা উত্তৰ কামৰূপ জিলাৰ সভাপতি মনোজ কুমাৰ শৰ্মা আৰু সম্পাদক বসন্ত কলিতাই জানিবলৈ দিয়ে। ইফালে অভিনয় কৰ্মশালাৰ মূখ্য প্ৰশিক্ষক হিচাপে ৰাষ্টীয় বঁটাপ্ৰাপ্ত অভিনেতা, পৰিচালক, চিত্ৰ নাট্যকাৰ পংকজ পল্লৱ শৰ্মা উপস্থিত থাকিব। উল্লেখ্য যে চাৰিটাকৈ ৰাষ্ট্ৰীয় তথা আন্ত ৰাষ্ট্ৰীয় বটা লাভ কৰা অসমীয়া চলচ্চিত্ৰ "দিঠকত হেৰাল সপোন" ৰ চিত্ৰনাট্যকাৰ তথা পৰিচালক পংকজ পল্লৱ শৰ্মাই ইতিমধ্যে অসমৰ বিভিন্ন ঠাইত প্ৰশিক্ষণ প্ৰদান কৰি যোৱা বছৰ নিজৰ অভিনয় প্ৰশিক্ষণৰ ২৫ বছৰ অৰ্থাৎ ৰূপালী জয়ন্তী পাৰ কৰিছে। তেওঁ বিশেষকৈ শিশু সকলক বৌদ্ধিক আৰু মানসিকভাৱে আগবঢ়াই নিবলৈ চেষ্টা কৰাৰ লগতে প্ৰশিক্ষাৰ্থী সকলক লৈ সমাজ সচেতন মূলক বাটৰ নাটক আৰু চুটি ছবি নিৰ্মান কৰি আহিছে। কৰ্মশালাৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণকাৰী প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব ।প্ৰতিদিনে দিনৰ ১০.৩০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া অভিনয় কৰ্মশালাত অংশগ্ৰহণ কৰিবলগীয়া ইচ্ছুক প্ৰশিক্ষাৰ্থী সকলে নিজৰ নিজৰ নাম সমূহ পঞ্জীয়ন কৰিব লাগিব। ইচ্ছুক অভিনয় প্ৰশিক্ষাৰ্থীক সবিশেষ তথ্যৰ বাবে ৯৯৫৪২৯৩৬৬৮, ৬০০১০৩৬৫০৪ আৰু ৯১০১২৬৫০৪৮ নম্বৰত যোগাযোগ কৰিবলৈ বসন্ত কলিতা, কৰুণা দত্ত, চৈয়দ মোস্তফা আহমেদ, চাকিল আহমেদ,অঞ্জু কলিতা, মেঘালী ডেকা আৰু শংকৰ কলিতাই অনুৰোধ জনাইছে।

# কাথপাৰাৰ সৰবৰহী যুৱক ৰাহিদ আলীৰ মৃত্যু

**খাইৰুদ্দিন আহমেদ শিৱসাগৰ ২১ জুলাই ঃ** শিৱসাগৰ নগৰৰ সমীপৰ কুকুৰাপহীয়া কাথপাৰা গাঁৱৰ অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰী ৰছিদ আলীৰ দ্বিতীয় পুত্ৰ তথা ফৰিদ আলীৰ কনিষ্ঠ ভাতৃ ৰাহিদ আলীৰ আবেলি ৪ বজাত কাথপাৰাৰ নিজ বাসস্থানত মৃত্যু হয়। যোৱা কিছুদিন ধৰি বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা ৰাহিদ অঞ্চলটোৰ এগৰাকী সৰবৰহী যুৱক আছিল। যুৱকজনৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে সমগ্ৰ কুকুৰাপহীয়া - কাথপাৰা অঞ্চলত শোকৰ ছাঁ পৰিছে। তেওঁৰ জানাজা স্থানীয় কবৰস্থানত সম্পন্ন কৰা হয়। এগৰাকী কন্যাৰ পিতৃ ৰাহিদ আলীয়ে মৃত্যুৰ সময়ত পিতৃ - মাতৃ, এগৰাকী জ্যেষ্ঠ ভাতৃ, এগৰাকী ভগ্নীৰ সহিতে পত্নীৰ লগতে বহু আত্মীয় স্বজনক ইহ সংসাৰত এৰি থৈ যায়। যুৱকজনৰ মৃত্যুত কুকুৰাপহীয়া, কাথপাৰা, বানমুখ, জেঙনিকটীয়া অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে।

# গোমোঠা গাঁৱত অসম নাট্য সন্মিলন 'কলংপাৰ' শাখাৰ শিশু নাট কৰ্মশালা

**বাতৰি কাকত নগাঁও, ২১ জুলাই ঃ** অসম নাট্য সন্মিলন কলংপাৰ শাখাৰ ব্যৱস্থাপনাত গোমোঠা গাঁও প্ৰাথমিক বিদ্যালয়ত দহদিনীয়া শিশুনাট কৰ্মশালা অনুষ্ঠিত হৈছে। এই উপলক্ষে কাৰ্যসূচী অনুসৰি পুৱা বন্তিপ্ৰজ্বলনৰ লগতে সন্মিলনৰ পতাকা উত্তোলন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সমাজকৰ্মী কমলাকান্ত বৰা আৰু কলংপাৰ শাখাৰ সভাপতি মাধৱ চন্দ্ৰ বৰাই।ইয়াৰ পিছতে জনতাৰ শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা,ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা,সুধাকণ্ঠ ভূপেন হাজৰিকা,প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সমাজকৰ্মী থুলেশ্বৰ বৰা, অসম নাট্য সন্মিলন নগাঁও জিলা সমিতিৰ সভাপতি প্ৰশান্ত শৰ্মা,নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক সুৰজ কুমাৰ শইকীয়া আৰু গোমোঠা গাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰত্নেশ্বৰ বৰাই। তাৰ পিছতেই বিদ্যালয়ৰখনৰ চৌহদত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত নাহৰৰ পুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে নাট্যকৰ্মী সোনাৰাম বৰাই। তেওঁৰ লগতে স্কুলৰ চৌহদত অৱসৰপ্ৰাপ্ত শিক্ষক দুলাল চন্দ্ৰ শৰ্মা আৰু সমাজকৰ্মী সোনাৰাম বৰাই একোটাকৈ গছপুলি ৰোপণ কৰে।ইয়াৰ অন্তত শিশুনাট কৰ্মশালাৰ শুভ উদ্বোধন কৰে বি.জে.পি নেতা তথা বিশিষ্ট সমাজকৰ্মী অনিল শইকীয়াই।ভাষণত উদ্বোধক শইকীয়াই অসম নাট্য সন্মিলৰ 'কলংপাৰ' শাখাই যুৱ প্ৰজন্মক নাট্য সংস্কৃতিৰ প্ৰতি আকৃষ্ট কৰা বাবে শিশুনাট কৰ্মশালাৰ আয়োজন কৰাৰ পদক্ষেপক শলাগ লয়।শাখাৰ সম্পাদক গোলাপ বৰা আৰু সহঃ সম্পাদক নিপুল বৰাই আঁত ধৰা অনুষ্ঠানত নাট্যকৰ্মী হেমকান্ত বৰুৱা,শিল্পী,কবি তথা লেখক গোলাপ বৰা,সূত জাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ তৰুণ চন্দ্ৰ বৰা,অভিনেতা অতুল বৰা,বঢ়মপুৰ শ্বহীদ স্মৃতি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দীপক চন্দ্ৰ বৰা,সমাজকৰ্মী নৰেন্দ্ৰনাথ বৰা,চন্দ্ৰকান্ত বৰা,অভিনেতা তথা পৰিচালক ৰাজেন ফুকন,ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ প্ৰশিক্ষণপ্ৰাপ্ত অভিনেত্ৰী সুস্মিতা শইকীয়া,সাংস্কৃতিক কৰ্মী দিলীপ দাস,প্ৰশিক্ষক শোণিত কুমাৰ বৰা প্ৰমুখ্যে বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

# উচ্চ শিক্ষা লাভ কৰি চাকৰিৰ পাছত দৌৰি নাথাকি ব্যৱসায়ৰে মানুহ হোৱাৰ সপোন নলবাৰী বালিকৰিয়াৰ যুৱক ৰতন বৰ্মন




**বাতৰি কাকত,ধমধমা,২১ জুলাই ঃ** বালিকৰিয়াৰ ৰতন বৰ্মন এজন উচ্চ শিক্ষিত যুৱক । শিক্ষা লাভ কৰি চাকৰিৰ পিছত বছৰ বছৰ ধৰি দৌৰি নাথাকি তেওঁ ব্যৱসায়িক ভাৱে স্বাৱলম্বী হোৱাৰ নিদৰ্শন দাঙি ধৰিছে । আজিৰ পৰা চাৰি বছৰ আগত তেওঁ বালিকৰিয়াৰ বুকুত 'অংকিতা কম্পিউটাৰ এণ্ড ফটোষ্টেট' নামেৰে বিভিন্ন ধৰণৰ অনলাইন সেৱা,উপহাৰ সামগ্ৰী,ফটো ফ্ৰম লগতে গ্ৰাহকৰ বিভিন্ন প্ৰয়োজনীয় সামগ্ৰীৰ এখন বিপনী গঢ় দিয়ে। অংকিতা কম্পিউটাৰ এণ্ড ফটোষ্টেটৰ প্ৰতি গ্ৰাহকৰ মৰম আৰু আশীৰ্বাদত বাবে মাত্ৰ দুই বছৰৰ ভিতৰতে তেওৰ উচ্চ শিক্ষিত লগতে কম্পিউটাৰ শিক্ষা গ্ৰহণ কৰি অহা ভাতৃ গগন বৰ্মনক লগত লৈ বালিকৰিয়াৰ বুকুত পোন প্ৰথম বাৰৰ বাবে ট্ৰেইনৰেল কম্পিউটাৰ ইডুকেচন চেণ্টাৰ নামেৰে এটা কম্পিউটাৰ শিক্ষাৰ প্ৰতিষ্ঠানৰ জন্ম দিয়ে । যাৰ বাবে আজি বালিকৰিয়া প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে কম্পিউটাৰ শিক্ষাৰ লগত জড়িত হৈ পৰিছে । বৰ্তমান প্ৰতিষ্ঠানটোত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৫০ গৰাকীৰো অধিক । ৰতন বৰ্মনে নিজ ব্যৱসায়ৰ লগতে সাংস্কৃতিক ক্ষেত্ৰখনতো কিছু আগবঢ়া । সেই অঞ্চলৰ ল'ৰা-ছোৱালীসকলৰ লগত তেও বিভিন্ন ধৰণৰ সামাজিক,সাংস্কৃতিক কামৰ লগত জড়িত । এতিয়ালৈ তেওঁ নিজে লিখা,সুৰ কৰা আৰু নিজে কণ্ঠদান কৰা ৫ টাকৈ গীত দৰ্শকৰ মাজলৈ আগবঢ়াই দিছে, ৬ খনৰো অধিক একাংকিতা নাট তেওঁ লিখিছে। তাৰ লগতে বিভিন্ন ধৰণৰ কবিতা লিখা,আবৃত্তি কৰাৰ উপৰিও এতিয়ালৈ বহুকেইখন নাটত তেওঁ অভিনয় কৰিছে। তেওঁ আৰু তেওঁৰ ভাতৃ গগন বৰ্মনক লগত লৈ ব্যাৱসায়িক ভাৱে বহুত সপোন দেখিছে ।ব্যৱসায়িক ক্ষেত্ৰখনত তেওঁলোকৰ বহুদূৰ আগবঢ়া ইচ্ছা ।

# ডিমাকুছিৰ টেংকিবস্তিত পুনৰ বন্যহস্তীৰ উপদ্ৰৱত একে নিশাই কেইবাটাও পৰিয়াল গৃহহাৰা



**ওদালগুৰি, টংলা, ২১ জুলাই ঃ** ৰাজ্যত অব্যাহত আছে হাতী-মানুহৰ সংঘাত , ভাৰত-ভূটান সীমান্তত দিনকদিনে বৃদ্ধি পাইছে হাতী-মানুহৰ ভয়াৱহ সংঘাত। কেইদিনমান পূৰ্বে ওদালগুৰি জিলাৰ বাদলাপাৰা চাহ বাগিচাত বন্যহস্তীৰ আক্ৰমণত নিহত হৈছিল বাটাম উড়িয়া নামৰ শ্ৰমিকজন । বিগত কেইমাহমানৰ পৰা ওদালগুৰি জিলাৰ ভূটান সীমান্তৱৰ্তী ডিমাকুছি , বামুনজুলি, বৰগীতল , বাদলাপাৰা, টেংকিবস্তি , ধৰমজুলি , নোনাইপাৰা , নালাপাৰা, ৰজাগড় , আটাৰীখাট, শুক্লাই, সোণাজুলি , ভূটিয়াচাংকে ধৰি বিভিন্ন অঞ্চলত সঘনাই বৃদ্ধি পাইছে বন্যহস্তীৰ উপদ্ৰৱ । বন্যহস্তীৰ উপদ্ৰৱৰ সমস্যা ৰোধৰ বাবে অসম বিধানসভাৰ বাজেট অধিৱেশনত ভেৰগাঁও বিধানসভা সমষ্টিৰ বিধায়ক মহেশ্বৰ বড়োৱে হাতী-মানুহৰ সংঘাত ৰোধ সম্পৰ্কৰ বিষয়ে উত্থাপন কৰিছে । পিছে ইয়াৰ পিছতেই পুনৰ বাদলাপাৰা আৰু টেংকিবস্তি আৰু ৰজাগড়ত কেইবাটাও পৰিয়ালৰ তামোল-নাৰিকলৰ গছৰ উপৰি খেতিপথাৰ ধ্বংস কৰাৰ লগতে বিদ্যালয় গৃহ ভাঙি লণ্ড-ভণ্ড কৰে। টেংকিবস্তিৰ কলবাৰীত জোনাকী বড়ো আৰু নগেন বড়ো নামৰ পৰিয়াল কেইটা বন্যহস্তীৰ আক্ৰমণৰ পৰা শিশু সহ কথমপি প্ৰাণ ৰক্ষা পৰে । ৩৩ নং নগৈ চেৰফাং পৰিষদীয় সমষ্টিৰ অন্তৰ্গত টেংকি বস্তিৰ কলবাৰীত বন্যহস্তীয়ে একেদিনাই কেইবাটাও বাসগৃহ ভাঙি চুৰ-মাৰ কৰাৰ ফলত গৃহহাৰা হৈ পৰে জোনালী বড়ো নামৰ মহিলাগৰাকী । স্থানীয় বন বিভাগ আৰু নগৈ চেৰফাং পৰিষদীয় সমষ্টিৰ পাৰিষদ পল টপ্পৰ ওপৰত ক্ষোভিত হৈ পৰিছে গৃহহৰা পৰিয়ালকেইটা , বন বিভাগ আৰু স্থানীয় এমচিএলএ পল টপ্পক খবৰ জনোৱাৰ পিছতো ঘটনাস্থলীত উপস্থিত নোহোৱাৰ অভিযোগ তুলিছে পৰিয়াল কেইটাই । জিলাখনৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলত ভয়ানক ৰূপত বৃদ্ধি পাইছে হাতী-মানুহৰ সংঘাত, কুম্ভকৰ্ণ নিদ্ৰাত বিয়াগোম বন বিভাগ কিম্বা বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱা । প্ৰতিদিনে উজাগৰি নিশা কটাবলগীয়া হৈছে ভূটান সীমান্তৰ অঞ্চলবাসীয়ে পূৰ্বতকৈ ক্ৰমান্নয়ে বৃদ্ধি পাইছে হাতী-মানুহৰ সংঘাত। উল্লেখযোগ্য যে ভেৰগাঁও বিধানসভা সমষ্টিত দুটা মাহতে তিনিজনকৈ নিৰীহ লোকে প্ৰাণ হেৰুৱাইছে , আনহাতে বামুনজুলি , ৰজাগড় , বাদলাপাৰা , টেংকিবস্তিকে ধৰি বিভিন্ন প্ৰান্তত প্ৰায় শতাধিক পৰিয়ালৰ ঘৰ-দুৱাৰ ভাঙি চুৰমাৰ কৰাৰ উপৰি কেইবাখনো বিদ্যালয় গৃহ ভাঙি লণ্ড-ভণ্ড কৰে যদিও গা-নলৰিল বিয়াগোম বিভাগটোৰ । ৰাজ্যৰ বিয়াগোম বন বিভাগটো সম্পূৰ্ণ ৰূপে ব্যৰ্থ হৈছে হাতী-মানুহৰ সংঘাট ৰোধ কৰিবলৈ , যাৰ বাবে এতিয়া ভূটান সীমান্তৱৰ্তী অঞ্চলত ধাৰাবাহিকভাৱে বৃদ্ধি পাইছে হাতী-মানুহৰ সংঘাত । খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চললৈ নামি অহা বন্যহস্তীৰ জাকে দিনত চাহ বাগিচাৰ মাজত আশ্ৰয় লয় আৰু নিশা হ'লেই গ্ৰামাঞ্চলত প্ৰৱেশ কৰি এফালৰ পৰা ধ্বংলীলা আৰম্ভ কৰে।কেইবাদিনো ধৰি স্থানীয় চাহ চাহ বাগিচাত বন্যহস্তীৰ বৃহৎ জাকে মুক্ত বিচৰণ কৰি থকাৰ বাবে আতংকিত হৈ আছে স্থানীয় ৰাইজ । বাৰে-বাৰে বিটিআৰ চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ বিয়াগোম বন বিভাগৰ উচ্চ পদস্থ বিষয়াক জনোৱাৰ পিছতো গা-নলৰিল বন মন্ত্ৰী কিম্বা বিটিআৰ চৰকাৰৰ । আজিলৈকে হাতী-মানুহৰ সংঘাত কিছু পৰিমাণে হ'লেও ৰোধ কৰিবলৈ কোনো ধৰণৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন নকৰিলে বিভাগীয় কৰ্তৃপক্ষই , এতিয়া ভূটান সীমান্তৱৰ্তী অঞ্চলত বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে অঞ্চলবাসীয়ে । টেংকিবস্তিত নগেন বড়ো নামৰ লোকজনৰ প্ৰায় ডেৰ শতাধিক তামোল গছ , চেগুন গছ আৰু বামুনজুলিৰ আনোৱাৰা বেগমৰ তামোল গছ আদি ভাঙি লণ্ড-ভণ্ড কৰে , ইফালে নগেন বড়োক আক্ৰমণৰ লক্ষ্য কৰি চোচা লয় বন্যহস্তীয়ে । আনহাতে জোনালী বড়ো সন্তানৰ সৈতে শুই থকা অৱস্থাত বন্যহস্তীয়ে ঘৰ ভাঙি চুৰমাৰ কৰে কথমপি প্ৰাণ ৰক্ষা জোনালী বড়ো আৰু সন্তানৰ । চাজাম বড়ো গহন বড়ো , লোডা বড়ো , মৰমী বড়ো , পদ্মা বসুমতাৰী , ধনেশ্বৰ বসুমতাৰীৰ ঘৰ-দুৱাৰ ভাঙিচুৰমাৰ কৰে । হাতী-মানুহৰ ভয়াৱহ সংঘাত ৰোধ কৰিবলৈ সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ ওদালগুৰি জিলা সমিতিৰ সভাপতি শিৱদত তাঁতীয়ে স্থানীয় বিধায়ক মহেশ্বৰ বড়োৰ লগতে বন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক আহ্বান জনাইছে।



(বিক্ষিপ্ত চিন্তা)

# কণ্ঠৰ যাদু

*কাণ-নাক আৰু ডিঙিৰ সহজ হাতপুথিৰ ৭৩পৃষ্ঠাত আছে ‘খোনক লাহে লাহে কথা ক’বলৈ শিকাব লাগে। এই বিষয়ৰ বিশেষজ্ঞৰ জৰিয়তে খোনোৱা ল’ৰা-ছোৱালীক মানুহৰ সমাবেশত নোখোনোৱাকৈ কথা কোৱাৰ কৌশল শিকাব লাগে। আত্মবিশ্বাস আৰু আত্মসজাগতাৰ শিক্ষা দিয়াই হৈছে খোনাই কথা কোৱাসকলক কৰা অন্যতম চিকিৎসা।’*

*অৱশ্যে কিছুমান প্ৰাকৃতিক ঘাটি বোধহয় পূৰণ নহয়; যেনেঃ মাষ্টাৰ ব্লাষ্টাৰ শচীন তেণ্ডুলকাৰে মহম্মদ ৰফি, মুকেশৰ গীতত কণ্ঠ মিলাব নোৱাৰিব (বোধহয়), যিহেতু তেণ্ডুলকাৰৰ কণ্ঠত ৰফি, মুকেশৰ কণ্ঠৰ মন কৰিব পৰা ধৰণৰ ঘাটি আছে।*

ড° ভূপেন হাজৰিকাৰ নামৰ আগত ৰাইজে দিয়া বিশেষণ এটা হ’ল ‘সুধাকণ্ঠ’ আৰু সেয়ে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা ৰূপেও খ্যাত। কণ্ঠৰ গভীৰতা (দৰদ), শব্দ-শৃঙ্খলা, শব্দ-গাঁথনিৰ গভীৰতা বা একক প্ৰকৃতি, গীতৰ বিষয়বস্তুৰ গভীৰতা, শব্দৰ উচ্চাৰণত বিশেষ গুৰুত্ব আদিৰ সমন্বয়ত আন্তৰ্জাতিক পৰ্যায়ৰ গায়ক-গীতিকাৰ ড° ভূপেন হাজৰিকা অসমত সুধাকণ্ঠ হিচাপেও সমাদৃত। ড° ভূপেন হাজৰিকাই গান গাওঁতে বা/আৰু কথা কওঁতে কণ্ঠৰ বা শব্দৰ যি স্পন্দন আৰু নান্দনিক সৌন্দৰ্য স্বতঃস্ফুৰ্তভাৱে পৰিস্ফুট হৈ পৰে, সি তুলনাবিহীন বুলি বহুত মনোযোগী আৰু অনুভৱী শ্ৰোতাই মত পোষণ কৰি আহিছে এক অনন্য মাত্ৰিক শব্দ সংযোজন আৰু তাৰ মূৰ্ত প্ৰকাশ। অথচ ড° ভূপেন হাজৰিকাৰ জীৱিত কালৰ পৰাই প্ৰায় একে সুৰ আৰু কণ্ঠত গীত গোৱা অৰ্দ্ধশতাধিক গায়কৰ সৃষ্টি হ’ল আৰু মৃত্যুৰ পিছত সেই সংখ্যা শতাধিক হ’ল। এই ক্ষেত্ৰত আমি নিশ্চয় সোণাপুৰৰ বিপুল কাথাৰ আৰু টিহুৰ জিতেন শৰ্মাৰ নাম ল’ব পাৰো। মহম্মদ ৰফিৰ গীত হুবহু গোৱা, সুৰ-লয়-শব্দ উচ্চাৰণত বিচ্যুতি ধৰা নপৰা ধৰণে গীত গোৱা অসমীয়া শিল্পী ২৫ জনমান নিশ্চয় আছে।

২২ বছৰ আগতে নগাঁও জিলাৰ পদুম বৰাই পুৰুষ-মহিলা দ্বৈত কণ্ঠৰ গীত অকলে গুৱাহাটী জাপৰিগোগ-কৃষ্ণনগৰৰ দুখন মঞ্চত হুবহু পৰিৱেশন কৰিছিল; ময়ো সাক্ষী। কমলপুৰৰ কুসুম্বৰ নাথে কৃষ্ণনগৰৰ উদয়ন সংঘৰ বিহুত ২০১৭ আৰু ২০১৮ বৰ্ষত কোনো ধৰণৰ খোকোজা নলগাকৈ দৰ্শকক আপ্লুত কৰি পুৰুষ-মহিলা দ্বৈত কণ্ঠৰ গীত পৰিৱেশন কৰা আমি প্ৰত্যক্ষ কৰিছো। শুনামতে বজালী মহকুমাৰ বদনকুছিৰ গায়ক এজনেও পুৰুষ-মহিলা দ্বৈত কণ্ঠৰ গীত এনেকি বেণ্ডপাৰ্টিৰ বাজনাৰ তালে তালেও গায়।

২৮ এপ্ৰিল ২০১৯ ত ১৯৭৪ চন মানতে লোকগীতৰ অনাতাঁৰ শিল্পীৰ মান্যতা পোৱা পশ্চিম নলবাৰীৰ শিমলীয়া গাঁৱৰ উমেশ দত্তই জনতা চ’কৰ সমন্বয় পুথিভঁড়ালৰ দশম প্ৰতিষ্ঠা দিৱসত দৰদী কণ্ঠত একাধিক গীত পৰিৱেশনৰ লগতে কুৰি শতিকাৰ অষ্টম দশক মানত চামতা মটৰ ষ্টেণ্ডৰ চাইকেল মেৰামতি কৰোঁতা সুৱল শৰ্মাৰ কণ্ঠৰ এটা খুহুতীয়া কৰি দৰ্শকক চমকিত কৰি তোলে। উল্লেখ্য যে সুৱল শৰ্মাৰ কণ্ঠত কেৱল নাৰী কণ্ঠহে প্ৰকট বা স্বাভাৱিক।

‘তেৰে মেৰে বিছ মে’ কেছেটত স্বপন মোডক নামৰ শিল্পী গৰাকীয়ে সুনিৰ্দিষ্ট নেপালী কণ্ঠ, মৈমন সিঙিয়া কণ্ঠ, বিহাৰী-ভোজপুৰী মানুহৰ কণ্ঠ আৰু বিভিন্ন ভাষা-ভাষীৰ কণ্ঠ নিৰ্গত কৰি খুহুতীয়া কেছেটখন বৰ মনোগ্ৰাহীকৈ উলিয়াইছিল; সেই বিষয়ক মঞ্চতো কৌতুক কৰিছিল।

বেলশৰৰ নাট্য পৰিচালক আৰু নাট্যকাৰ উগ্ৰ মেনাই প্ৰথমতে নাটকত মহিলাৰ অভিনয় কৰিবলৈ এক প্ৰকাৰ বাধ্য হৈছিল। পশ্চিম নলবাৰী যুৱ সমাজে ২০০৬ চনত আয়োজন কৰা এক অন্তৰংগ আলাপত (প্ৰয়াত) উগ্ৰ মেনাই কৰা মহিলাৰ অভিনয় এটিৰ অংশবিশেষ উপস্থাপন কৰিছিল।

অসমৰ কেইবাজনো শিল্পীয়ে বিভিন্ন চৰাই-চিৰিকতি, ঘৰচীয়া আৰু বনৰীয়া জীৱ-জন্তুৰ মাত প্ৰদৰ্শন কৰা আমি দেখি-শুনি আহিছো। দাক্ষিণাত্যৰ কামাল হাচানে হিন্দী বোলছবিতো মহিলাৰ ভূমিকাতো অভিনয় কৰা আমি প্ৰত্যক্ষ কৰিছো।

ড০ দীনেশ চন্দ্ৰ গোস্বামীয়ে ৰচনা কৰা ‘শতাধিক মহান বিজ্ঞানী’ কিতাপখন (তৃতীয় প্ৰকাশ ২০১৩) ৰ ২৫ পৃষ্ঠাত আছে, ‘হিপ’ক্ৰেটিছে যদিও কৈ গৈছিল যে মানুহৰ বুদ্ধি মস্তিষ্কতহে থাকে, এৰিষ্ট’টলে কিন্তু মানুহৰ বুদ্ধি কলিজাতহে থাকে বুলি ভাবিছিল। এবাৰ দৈবাৎ এটা জন্তুৰ কণ্ঠ (লেৰিনক্স)ৰ স্নায়ু কটা যোৱাত গেলেনে প্ৰমাণ পালে যে মস্তিষ্কৰ পৰা স্নায়ু কিছুমানহে বাকশক্তি নিয়ন্ত্ৰণ কৰে, এৰিষ্ট’টলে ভবাৰ দৰে কলিজাৰ পৰা অহা সংকেতে নহয়’। (গ্ৰীক চিকিৎসা বিজ্ঞানী গেলেনৰ জন্ম ১২৯ চন আৰু মৃত্যু আনুমানিক ১৯৯ চন)।

উত্তৰ আয়াৰলেণ্ডৰ টাইৰ’ন কাউন্টি হস্পিতালৰ জ্যেষ্ঠ কাণ-নাক-ডিঙি-মূৰৰ অস্ত্ৰোপচাৰক ডাঃ এচ কে কালুচকাৰ আৰু নতুন দিল্লীৰ ফ’ৰ্টিচ হেলথকেয়াৰ সীমিতৰ কাণ-নাক-ডিঙি-মূৰৰ অস্ত্ৰোপচাৰ বিভাগৰ সঞ্চালক ডাঃ সঞ্জয় সচদেৰ ৰচিত, গোলাঘাটৰ প্ৰাক্তন পৌৰপতি ডাঃ অজিত বৰুৱাই অনুবাদ কৰা ‘কাণ-নাক আৰু ডিঙিৰ সহজ হাতপুথি (সাধাৰণ সমস্যাৰাজি আৰু চিকিৎসা)’ নেশ্বনেল বুক ট্ৰাষ্ট ইণ্ডিয়াই প্ৰকাশ কৰা কিতাপখনৰ ৬৩ পষ্ঠাত আছেঃ এথেন্সত তৃতীয় শতিকাত এৰিষ্ট’টলে এটা ফঁকৰা যোজনা সৃষ্টি কৰি কৈছিল—‘মাতযাৰ হৈছে আমাৰ দাপোন।’ গেলেন নামৰ গ্ৰীক চিকিৎসকজনে যি সৰহভাগ সময় ৰোমত চিকিৎসাসেৱা আগবঢ়াইছিল, ধ্বনি সৃষ্টিকাৰী বাকচটো আৰু মাংসপেশী, কাৰ্টিলেজ (উপাস্থি)ৰ কথা প্ৰথমে বৰ্ণনা কৰিছিল। তেওঁৱেই প্ৰথমে এই অঙ্গটোক এটা বাঁহীৰ লগত তুলনা কৰিছিল আৰু তেওঁৰ ধ্বনি সৃষ্টিৰ বৰ্ণনাটোৱেই আজিও সত্য হৈ আছে।। প্ৰসঙ্গক্ৰমে কিতাপখনৰ আন এটা তথ্য হ’ল ‘দুৰ্ভাগ্যজনকভাৱে কেন্সাৰৰ দৰে বহুতো বিসঙ্গতিৰ এতিয়াও প্ৰথম অৱস্থাত ধৰা পেলাব নোৱাৰি, ইয়াৰ লক্ষণসমূহ সুনিৰ্দিষ্ট নোহোৱাৰ বাবে।’

পশ্চিম চামতা হাইস্কুলৰ চতুৰ্থ শ্ৰেণীত পঢ়ি থাকোতে ১৯৭২ চন) সহপাঠী প্ৰয়াত প্ৰদীপ কুমাৰ শৰ্মাই ৰচনা আৰু সুৰ কৰি দিয়া গীত এটা বিদ্যালয় সপ্তাহত পৰিৱেশন কৰিবলৈ গৈ উজুতি খাইছিলো। আবেগিক হৈ প্ৰথমতে অতি উচ্চস্বৰে আৰম্ভ কৰা গীতটোৰ শেষৰফালে উচ্চাৰণ পৰ্যন্ত কৰাত মই ব্যৰ্থ হৈছিলো। উপস্থিত প্ৰায় সকলোৱে ককৰ্থনা হজম কৰি ভৱিষ্যতে মই গীত গাব পাৰিম বুলি আশা কৰা নাছিলো। কেইবাটাও কবিতা লিখিবলৈ গৈ ব্যৰ্থ হোৱাৰ পিছত স্নাতক (বাণিজ্য) পঢ়ি থাকোতে মোৰ ‘স্বাধীন সত্বা’ নামৰ কবিতাটো নিৰুপমা বৰগোঁহাই (বাইদেউ) সম্পাদিত !সপ্তাহিক সাঁচিপাত’ত ছপা হ’ল। পাঁচ-ছটা মান কবিতা অ’ত ত’ত ছপা হোৱাৰ পাছত মোৰ কবিতাৰ কোনো প্ৰভাৱ নথকা যেন বুজি গীত ৰচনা কৰা হ’লো। তাকো কাৰোদ্বাৰা গোৱাৰ নোৱাৰি শেষত চিনাকি উদ্যোক্তা সমিতি সমূহক বহুত অনুনয় বিনয় কৰি খাতিৰ ধৰি বাদ্যযন্ত্ৰী-পৰিচালকক যৎসামান্য মাননী আগবঢ়াই নিজৰ ৰচনাৰ গীত গোৱা কৰিলো। হয়, গীত পৰিৱেশনৰ কোনো ব্যাকৰণিক জ্ঞান মোৰ নাই। হাৰমনিয়াম বজাব আজিও নাজানো। তথাপি মই, মদন শৰ্মা, পৰেশ বৰ্মন, চানক্য কলিতা (আৱাহন, মেঘালী আদি থিয়েটাৰৰ প্ৰাক্তন কণ্ঠশিল্পী) গোলাপ তালুকদাৰ (সংস্থাপিত গীতৰ শিক্ষক), অকণ বৰুৱা (চামৰাৰ বাদ্য বাদক), উমেশ দত্ত, উদ্ধৱ ঠাকুৰীয়া (নলবাৰী চ’ক বজাৰৰ শংকৰদেৱ একাডেমীৰ প্ৰৱক্তা) অতুল ঠাকুৰীয়া (সংগীত পৰিচালক, চামতা), মোৰ ভাতৃ প্ৰয়াত উমেশ কুমাৰ চৌধুৰী (পশ্চিম চামতা হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক) আদিয়ে অনুগ্ৰহৰে কৰা সহযোগৰ বাবে মই সুৰেৰে সৈতে ৰচনা কৰা গীত গোৱা কৰিলো। একুৰিমান মঞ্চ সফল গীত ইতিমধ্যে মই বিভিন্ন মঞ্চত পৰিৱেশন কৰিছো। দেশ প্ৰেমমূলক গীত, কাৰগিল, পৰাগ কুমাৰ দাস, বিযুওপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, ড০ ভূপেন হাজৰিকা, কল্পনা চাওলা অসমীয়াৰ সংজ্ঞা আদি বিষয়ক গীতবোৰ পৰিৱেশনৰ লগতে শেহতীয়াকৈ এন্টনিভান লিউৱেনহুক, শ্ৰীনিবাস আয়েঙ্গাৰ ৰামানুজন, টমাচ আলভা এডিচন, আইভান প্ৰেট্ৰ’ভিচ পাভলভ, লিজে মেইটনাৰ, পৰিসংখ্যাবিদ ড° জ্যোতিপ্ৰসাদ মেধি (ছাৰ) বিষয়ক গীত ৰচনাৰ সতে সুৰ কৰিছো, যদিও বিজ্ঞানীক বিষয় হিচাপে লৈ লিখা গীতৰ আদৰ ক’ত? মই যেন দিনে দিনে শত্ৰু বঢ়াই গৈহে আছো! গেলেনৰ দৰে প্ৰত্যাহ্বান জনাই ক’বৰ মন যায়, আন কোনো গায়কে মোৰ গীতৰ শব্দ আৰু আবেদন সলনি নকৰাকৈ সুৰীয়াকৈ গাব পাৰে বুলি বিশ্বাস নহয়। বাধ্যতামূলক জটিল শব্দবোৰ উচ্চাৰণ কৰোঁতে কি ‘কিটিব’ ল’ব লাগে মই জনা হৈছো। প্ৰথমৰ পৰা কণ্ঠ সৰু আৰু সুৰীয়াকৈ ৰাখি শেষৰ ফালে সাধাৰণতে দীঘলীয়াকৈ সুৰ টানো। গোলাপ তালুদাৰ, উদ্ধৱ ঠাকুৰীয়া, মুকুট পাটগিৰি (বিশিষ্ট কী-বোৰ্ড বাদক), অকণ বৰুৱা আদিয়ে তালিম নোহোৱাকৈ সঠিকভাৱে বাদ্য সংযোজন কৰে আৰু পৰৱৰ্তী ফাকি কেতিয়া আৰম্ভ কৰিব লাগে (অৰ্থাৎ ‘ইন্টাৰলিউড’ মিউজিকৰ পাছত অন্তৰাবোৰ আৰম্ভ কৰাৰ সময়ত) ইঙ্গিত দিয়ে। ভূল বা অধিক বিচ্যুতি হোৱাৰ ভয়ত নেগাওঁ যদিও ড° ভূপেন হাজৰিকাৰ কেইটামান গীত বোধহয় ভূপেন হাজৰিকাৰ কণ্ঠ আৰু সুৰৰ ওচৰেৰে যোৱা ৰূপত তালিম দি মিলাই লৈ মই গাব পাৰিম। মোৰ এটি গীতত এৰাব নোৱাৰা ‘অক্টোপাচ’ শব্দটো ‘ক্টোপাচ’ উচ্চাৰণৰ লক্ষ্যৰেও গাও য’ত ‘এম-এ’ শব্দৰ আগত ‘এ’ উচ্চাৰণ হয় বাবে ‘এন’ লিখাৰ দৰে কথা।

কাণ-নাক আৰু ডিঙিৰ সহজ হাতপুথিৰ ৭৩ পৃষ্ঠাত আছে ‘খোনক লাহে লাহে কথা ক’বলৈ শিকাব লাগে। এই বিষয়ৰ বিশেষজ্ঞৰ জৰিয়তে খোনোৱা ল’ৰা-ছোৱালীক মানুহৰ সমাবেশত নোখোনোৱাকৈ কথা কোৱাৰ কৌশল শিকাব লাগে। আত্মবিশ্বাস আৰু আত্মসজাগতাৰ শিক্ষা দিয়াই হৈছে খোনাই কথা কোৱাসকলক কৰা অন্যতম চিকিৎসা।’

অৱশ্যে কিছুমান প্ৰাকৃতিক ঘাটি বোধহয় পূৰণ নহয়; যেনেঃ মাষ্টাৰ ব্লাষ্টাৰ শচীন তেণ্ডুলকাৰে মহম্মদ ৰফি, মুকেশৰ গীতত কণ্ঠ মিলাব নোৱাৰিব (বোধহয়), যিহেতু তেণ্ডুলকাৰৰ কণ্ঠত ৰফি, মুকেশৰ কণ্ঠৰ মন কৰিব পৰা ধৰণৰ ঘাটি আছে।

গতিকে আমি বিশ্বাস কৰো যে—গভীৰ উপলব্ধিৰ সৈতে আত্মবিশ্বাস আৰু আত্মসজাগতাৰ শিক্ষা লৈ পদ্ধতিগত অনুশীলন কৰি স্বাভাৱিক কণ্ঠৰ পুৰুষে জীৱ-জন্তু, চৰাই-চিৰিকতিৰ মাত, মহিলা কণ্ঠৰ সুৰীয়া প্লাৱনৰ মাতেৰে গীত গোৱাত সিদ্ধহস্ত হৈ উঠিব পাৰে। স্বাভৱিকতেই উৎসাহ-আগ্ৰহ এৰাব নোৱাৰা উপাদান বা চৰ্ত। অবিকলভাৱে কণ্ঠ নিগৰাব পাৰে। এই ক্ষেত্ৰত আমি নিশ্চয় উপসংহাৰত ক’ব পাৰো, ‘অভ্যাসৰ নৰ কৰ্ণ পথে কৰে শৰ’। কোকিল কণ্ঠ, সুধাকণ্ঠ সুৰেৰে সৈতে অধ্যাৱসায়ৰ ফলত শিল্পীয়ে ‘শব্দৰ যাদু’ নিগৰাব পাৰে।

কৈলাস চৌধুৰী
৯৭০৬৩৯০৯৭৭

# শিক্ষক

*হিমাংশু ৰণ্জন ভূঞা*

শিক্ষা অবিহনে আমাৰ জীৱন অৰ্থহীন। ‘শিক্ষা’ এই শব্দটোৱেই সবাতোকৈ গভীৰ তথা মহত্তম্ শব্দ। শিক্ষাই মানৱ জীৱনত শুদ্ধ চিন্তা আৰু সৎ কৰ্মৰ পথ মোকলাই তোলে। জীৱনত কেনেদৰে সফলতা লাভ কৰিব পাৰি, কেনেভাৱে জীৱন নিৰ্বাহ কৰিলে জন্মলাভৰ সাৰ্থকতা হয়, সেই দিশৰ সন্ধান একমাত্ৰ উপযুক্ত শিক্ষাইহে দিব পাৰে। শিক্ষাৰ লগতে জড়িত হৈ আছে মানৱ-জীৱনৰ ক্ৰমোন্নতিৰ সম্পৰ্ক। শিক্ষাৰ জৰিয়তেহে মানুহে লাভ কৰে অনাবিল আনন্দ, উৎসাহ, উদ্যম, কৰ্মস্পৃহা প্ৰেৰণা আদি। স্বামী বিবেকানন্দই কৈছিল - “আমাক সেই শিক্ষা লাগে যাৰ দ্বাৰা চৰিত্ৰ গঠন হয়, মানসিক শক্তি বাঢ়ে, মেধা শক্তি বৃদ্ধি পায় আৰু মানুহে নিজৰ ভৰিৰ ওপৰত থিয় হ’ব পাৰে।” শিক্ষা ব্যৱস্থাটোৰ ওপৰতেই এটা জাতি বা এখন দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে। মানৱ সভ্যতাৰ বিকাশৰ লগে লগে শিক্ষাৰ লক্ষ্য, নীতি ভূমিকা আদি বিভিন্ন ৰূপত প্ৰকাশ পাই আহিছে। শিক্ষাৰ মূল লক্ষ্য হৈছে মানুহ গঢ়া। দৰাচলতে শিক্ষা মানৱ জীৱনৰ পূৰ্ণতাৰ স্বাক্ষৰ। অৱশ্যে সাম্প্ৰতিক সময়ত ফটফটীয়া দিশটো হ’ল সভ্যতাৰ বিকাশত আনুষ্ঠানিক শিক্ষাৰ গুৰুত্বহে সৰ্বাধিক। তাহানিৰ গুৰুকুল শিক্ষা ব্যৱস্থাই হওঁক বা আজিৰ অত্যাধুনিক ছেটেলাইট্ ক্লাচৰুমৰ ব্যৱস্থাই হওঁক - সকলো সভ্যতাৰ সকলো শিক্ষা ব্যৱস্থাতে সত্তাৰ বিকাশৰ বাবে, প্ৰয়োজনীয় সচেতনতাক সমৃদ্ধ কৰিবৰ বাবে শৈক্ষিক পৰিস্থিতিৰ মূল্যায়ণ যে অনস্বীকাৰ্য সেয়া প্ৰমাণিত।

এখন দেশৰ সমৃদ্ধি আৰু জীৱন নিৰ্বাহৰ প্ৰগতি নিৰ্ভৰ কৰে মানদণ্ডসম্পন্ন শিক্ষাব্যৱস্থাৰ ওপৰত। আচলতে দেশ এখন যিমানেই সম্পদশালী নহওক কিয়, শিক্ষাৰ দিশটো যদি পুতৌলগা হয়, তেতিয়াহ’লে দেশখনে কেতিয়াও প্ৰগতি কৰিব নোৱাৰে। এটা কথা ঠিক যে ৰাষ্ট্ৰৰ শিক্ষা আয়োগসমূহে বা চৰকাৰে শিক্ষাপদ্ধতিৰ উন্নয়ণৰ বাবে যিমানেই আঁচনি বা পৰিকল্পনা নলওক কিয়, এইবোৰক প্ৰকৃতাৰ্থত কাৰ্যকৰী কৰাত মূখ্য ভূমিকা গ্ৰহণ কৰে সমাজ, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে। সমাজৰ অগ্ৰগতিৰ লগে লগে শিক্ষাৰ মানদণ্ড উন্নত কৰি গতিশীল সমাজ ব্যৱস্থাৰ লগত খাপ খুৱাই ছাত্ৰ-ছাত্ৰীৰ সৰ্বতোপ্ৰকাৰৰ বিকাশ সাধন কৰি সুস্থ, সৱল, সুনাগৰিক হিচাপে গঢ়ি তোলাত মূখ্য ভূমিকা পালন কৰে শিক্ষকসকলে। শিক্ষক হৈছে এক চিৰপ্ৰজ্বলিত বন্তি যাৰ জ্যোতিয়ে আলোকিত কৰে এখন সমাজ, এটা জাতি। মানুহ গঢ়াৰ খনিকৰৰূপী শিক্ষকসকলেই আমৃত্যু কৃচ্ছসাধনৰ মাজেদি ভৱিষ্যত প্ৰজন্মক প্ৰতিনিয়ত জ্ঞানৰ পোহৰেৰে উদ্ভাষিত কৰি তোলে। কোৱা হয় - ‘শিক্ষক জন্মহে হয়, গঢ় দিব নোৱাৰি (‘Teacher is born, not made’)। শিক্ষকসকল সমাজৰ আটাইতকৈ উল্লেখনীয় আৰু সন্মানীয় ব্যক্তি। শিক্ষকসকলক ত্যাগ আৰু আদৰ্শৰ প্ৰতীক বুলি কোৱা হয়। শিক্ষক আৰু ছাত্ৰৰ সম্পৰ্কৰ বিষয়ে সকলোৱেই জ্ঞাত। শিক্ষক ছাত্ৰ-ছাত্ৰীৰ বন্ধু, পথ-প্ৰদৰ্শক। প্ৰখ্যাত দাৰ্শনিক এৰিষ্ট’টলে কৈছিল - ‘শিক্ষকসকল পিতৃ-মাতৃতকৈও শ্ৰদ্ধাৰ পাত্ৰ, কাৰণ পিতৃ-মাতৃয়ে সন্তান জন্মহে দিয়ে, জীৱন ধাৰণৰ প্ৰণালী নিৰূপণ কৰে শিক্ষকে’। শিক্ষকৰ পৰা লাভ কৰা জ্ঞান এজন ছাত্ৰই আজীৱন মনৰ মাজত আলফুলে কঢ়িয়াই লৈ ফুৰে। আমাৰ ভাৰতীয় সমাজতো শিক্ষকসকলৰ প্ৰতি সকলোৱে মনত এটা অতি উচ্চ ধাৰণা প্ৰোথিত হৈ আছে। প্ৰাচীন কালৰে পৰাই ছাত্ৰসকলে গুৰু বা শিক্ষকক দেৱতাতুল্য জ্ঞান কৰি আহিছে। গুৰুৰ আশ্ৰমত থাকি গুৰুৰ আদেশ আৰু উপদেশ বিনা-প্ৰতিবাদে আখৰে আখৰে পালন কৰিছিল। ‘গুৰু ব্ৰহ্মা গুৰু বিষ্ণু / গুৰু দেৱ মহেশ্বৰ / গুৰু সাক্ষাৎ পৰম ব্ৰহ্ম তস্মৈশ্ৰী গুৰুৱেই নমঃ’।

মহান দাৰ্শনিক, আদৰ্শ শিক্ষাবিদ ড0 সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছিল - ‘শিক্ষক সকল সমাজৰ এক শ্বাশ্বত প্ৰয়োজন। তেওঁলোকে বৌদ্ধিক, সাংস্কৃতিক আৰু প্ৰযুক্তিগত কৌশল এটা প্ৰজন্মৰ পৰা আন এটালৈ সংবহন কৰি সভ্যতাৰ চাকিগছি জ্বলাই ৰাখে’। এগৰাকী শিক্ষকৰ বাবে শিক্ষাদান এটা পবিত্ৰ সেৱা। নিজৰ বিস্তৃত জ্ঞানেৰে ছাত্ৰ-ছাত্ৰীক শুদ্ধ -সত্য পথেৰে নিয়াটো শিক্ষকৰ মূখ্য কৰ্তব্য। শিক্ষকসকল ছাত্ৰৰ পৰম বন্ধু, শুভাকাংক্ষী, পথ-প্ৰদৰ্শক, জ্ঞানদাতা তথা পিতৃস্বৰূপ হৈ পৰিলেহে ছাত্ৰ-ছাত্ৰীসকল জ্ঞানেৰে মহিমামণ্ডিত হৈ ভৱিষ্যত জীৱনত নিজকে সফল কৰি গঢ়ি তুলিব পাৰিব। এজন প্ৰকৃত আৰু আদৰ্শ শিক্ষক হ’বলৈ কিছুমান বিশেষ গুণৰ অধিকাৰী হোৱা একান্তই বাঞ্চনীয়। যোগ্যতা, বিচক্ষণতা, দক্ষতা, চৰিত্ৰ, ৰসিকতা, বাকপটুতা আৰু তৎপৰতা হৈছে এখন সফল আৰু আদৰ্শৱান প্ৰকৃত শিক্ষকৰ চাবিকাঠি। শিক্ষক সকল হ’ব লাগিব জিজ্ঞাসু, অনুসন্ধিৎসু আৰু অধ্যয়ণশীল। যি ভাষাৰ মাধ্যমত তেওঁ শিক্ষাদান কৰিব, সেই মাধ্যম তেওঁ পুংখানুপুংখকৈ আয়ত্ব কৰিব লাগিব। তেওঁ হ’ব লাগিব আদৰ্শৱান, স ৎ, সহনশীল, সদাচাৰী, ধৈৰ্যশীল, স্নেহপৰায়ণ, সমদৃষ্টিসম্পন্ন, ন্যায়নিষ্ঠ, নীতিনিষ্ঠ, সময়ানুৱৰ্তী, সত্যবাদী আৰু ত্যাগী। সহজ-সৰল জীৱন-যাপন আৰু উচ্চ চিন্তা পোষণ (‘Simple Living High Thinking’) - এই আদৰ্শ শিক্ষকসকলে সৰোগত কৰা উচিত। ইউনেস্ক’ই 1996 চনত প্ৰকাশ কৰা ‘What Makes a Good Teacher’ গ্ৰন্থত শিক্ষকৰ থাকিবলগীয়া গুণৰ বিষয়ে কোৱা হৈছে - ‘শিক্ষক এজন ধৈৰ্যশীল আৰু দয়ালু, নমনীয় আৰু প্ৰত্যুপন্নমতি, সহিষ্ণু আৰু মুক্ত মনৰ হোৱা উচিত। তেওঁ হাস্যৰসিক, উৎসাহী আৰু শিকাই আনন্দপোৱা বিধৰ হ’ব লাগে। শিক্ষকজন সৎ, কল্পনাপ্ৰৱণ, সৃষ্টিক্ষম, দক্ষ, আত্মশৃংখল, সহায়ক, নম্ৰ আৰু নিৰহংকাৰী হোৱা উচিত।” শিক্ষক হোৱাৰ আগতে বহু ব্যক্তিৰ এই গুণসমূহ নাথাকিব পাৰে, কিন্তু শিক্ষকতাক বৃত্তি হিচাপে ল’লে এই গুণ সমূহৰ অধিকাৰী হ’বই লাগিব। শিক্ষকতা মাথো এক বৃত্তিয়েই নহয়, ই ত্যাগ আৰু দায়িত্ববোধৰ প্ৰতীকস্বৰূপ। প্ৰকৃতাৰ্থত গুণী, জ্ঞানী, সত্যবাদী, কৰ্তব্যপৰায়ণ, সুদক্ষ শিক্ষকসকলে বিদ্যালয়ৰ শিক্ষাৰ জৰিয়তে এটি উপযুক্ত জাতি তৈয়াৰ কৰিব পাৰে। শিক্ষক সকলে অনুধাৱন কৰা উচিত যে ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবলৈ লোৱা প্ৰথম কিতাপখন হৈছে তেওঁলোকৰ আগত উপবিষ্ট হোৱা শিক্ষক গৰাকী। তেওঁলোকে প্ৰথমতে শিক্ষকগৰাকীক হে অধ্যয়ণ কৰে, পিছতহে তেওঁ কৰা পাঠদানত মনোনিৱেশ কৰে। শিক্ষক সকলক ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিমুহূৰ্ততে অনুকৰণ কৰে। সেয়ে শিক্ষকগৰাকীয়ে নিজকে আদৰ্শনীয ব্যক্তিত্ব আৰু নিকা ভাৱমূৰ্তিৰ ব্যক্তি হিচাপে ছাত্ৰ-ছাত্ৰীৰ সন্মুখত থিয় হ’ব লাগিব। তাৰোপৰি, দেশ আৰু জাতি অহৰহ প্ৰগতিৰ দিশত ধাৱমান হ’বলৈ হ’লে শিক্ষকসকলে ন-ন জ্ঞানৰ অন্বেষণ স্বয়ংসম্পূৰ্ণ হৈ থকাতো অতিকে প্ৰয়োজনীয়। জ্ঞানৰ আলোকৰে সমাজক আলোকিত কৰি তোলাত শিক্ষক সমাজৰ কৰণীয় নিশ্চিতভাৱে অপৰিসীম আৰু ইয়াৰ সামান্য হীনদেৰি হ’লেই ভৱিষ্যতৰ সমাজত এক বিৰূপ তথা নেতিবাচক প্ৰভাৱ পৰিব। কোৱা হয়, ‘এগৰাকী চিকিৎসকৰ ভুল চিকিৎসাত এজন ৰোগীৰ মৃত্যু হয়, কিন্তু এগৰাকী শিক্ষকৰ ভুল শিক্ষাত এটা জাতি ধ্বংস হ’ব পাৰে’। - এই সম্পৰ্কে শিক্ষকসকল সদা-সচেতন হোৱা একান্ত প্ৰয়োজন। এজন প্ৰকৃত আদৰ্শবাদী শিক্ষক সদায় সমাজৰ বা দেশৰ আদৰণীয়, অণুকৰণীয় ব্যক্তি আৰু তেওঁ আগবঢ়াই যোৱা বৰঙণি ছাত্ৰ-ছাত্ৰী তথা সমাজে সদায় শ্ৰদ্ধা আৰু সন্মানৰে গ্ৰহণ কৰাৰ লগতে তেওঁ দেখুৱাই যোৱা আদৰ্শ উজ্জলময় ৰূপত কাললৈ সমাজত জিলিকি থাকিব।

কোঠাৰী শিক্ষাআয়োগৰ ‘Education and National Development’ শীৰ্ষক প্ৰতিবেদনত কোৱা হৈছিল - ‘ভাৰতবৰ্ষৰ ভৱিষ্যৎ ইয়াৰ শ্ৰেণীকোঠা সমূহত তৈয়াৰ হয় (‘The Destiny Of India Is Now Being Shaped In Her Classroom’)। বৰ্তমান শিক্ষা ব্যৱস্থা শিশুকেন্দ্ৰীক যদিও শিক্ষাৰ্থীৰ কিছুমান প্ৰবৃত্তিগত প্ৰৱণতা, প্ৰতিক্ৰিয়া আৰু আচৰণ সুনিয়ন্ত্ৰীত কৰি সজ অভ্যাস গঢ়ি তোলাৰ লগতে শিক্ষাৰ্থীৰ সৰ্বাংগিণ বিকাশ কৰি এক সুস্থ ব্যক্তিত্ব গঠনত নিশ্চিতভাৱেই শিক্ষকগৰাকীয়ে সবল ভূমিকা পালন কৰে। সম্প্ৰতিক কালৰ শিক্ষা ব্যৱস্থাৰ মূল নীতি হৈছে আনন্দদায়ক আৰু ফলপ্ৰসু শিক্ষা। ছাত্ৰ-ছাত্ৰীসকলে যাতে কোনো ধৰণৰ মানসিক আৰু শাৰিৰীক কষ্ট নোপোৱাকৈ শিক্ষাগ্ৰহণ কৰিব পাৰে তাৰ প্ৰতি বিশেষ দৃষ্টি নিক্ষেপ কৰা হৈছে। বৰ্তমান সময়ত শিক্ষকসকলে শিশুৰ মনোবৈজ্ঞানিক দিশ অধ্যয়ণ কৰি পাঠদান কৰিব লাগিব। শৈক্ষিক ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ যাতে স্থবিৰতাই দেখা নিদিয়ে আৰু মানৱ-সম্পদৰ অপচয় হ’ব নোৱাৰে তাৰ বাবে শিক্ষা আয়োগে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে যিখিনি শিক্ষক সমাজৰ সদ্দিচ্ছা আৰু সহযোগিতা অবিহনে কেতিয়াও ফলপ্ৰসু হ’ব নোৱাৰে। শিক্ষকসকলে নতুন নতুন কৌশল শ্ৰেণীকোঠাত প্ৰয়োগ কৰি প্ৰায়োগিক দিশত ছাত্ৰ-ছাত্ৰীক উন্নত মানৱ শিক্ষাদান কৰিব লাগিব। একোটা শ্ৰেণীত বিভিন্ন পৰ্যায়ৰ বিভিন্ন ৰুচি-অভিৰুচিৰ ছাত্ৰ-ছাত্ৰী থাকে। একেদৰে বিভিন্ন সমাজ ব্যৱস্থা আৰু পৰিৱেশৰ ৰ ভিন ভিন আচৰণৰ অনেক ছাত্ৰ-ছাত্ৰী থাকে। গতিকে এই সকলোবিলাক দিশলৈ লক্ষ্য ৰাখি এগৰাকী শিক্ষকে যদি শিশুমনঃস্তত্বৰ জ্ঞানেৰে আধুনিক বৈজ্ঞানিক শিক্ষাপ্ৰণালী প্ৰয়োগ কৰি শিক্ষাদানত ব্ৰতী হয় তেন্তে সেই শিক্ষা নিশ্চিতভাৱে ফলপ্ৰসু হৈ উঠিব। তাৰোপৰি কেৱল পাঠ্যপুথিৰ সীমিত জ্ঞানৰ মাজতে ছাত্ৰ-ছাত্ৰীক সীমাবদ্ধ কৰি নাৰাখি শাৰীৰিক, মানসিক, বৌদ্ধিক, নৈতিক চৰিত্ৰগঠন, সৎ চিন্তা, সৎ কৰ্ম আদিৰে ব্যক্তিত্বৰ উৎকৰ্ষ সাধন কৰি দেশখনক ভাল পাব পৰা জাতিটোক ভাল পাব পৰা একোগৰাকী ‘ভাল মানুহ’ হিচাপে গঢ়ি তুলিব পৰা যায়, তাৰ বাবে সদা জাগ্ৰত প্ৰহৰীৰ ভূমিকা পালন কৰিব লাগিব শিক্ষকসকলে। কিন্তু অতিসম্প্ৰতি, বিভিন্ন কাৰকৰ প্ৰভাৱত শিক্ষকসমাজৰ যি আপুৰুগীয়া মৰ্যদা, সেই মৰ্যদা বহুপৰিমানে ম্লান পৰি আহিছে। ইয়াৰ অন্তৰালৰ কাৰণ বহুতো আছে যদিও একাংশ শিক্ষক (কম সংখ্যক) ৰ নিজৰ বৃত্তিগত দায়বদ্ধতা, সামাজিক দায়বদ্ধতা আৰু নৈতিক দায়বদ্ধতাৰ অভাৱ আৰু শিক্ষাদানৰ প্ৰতি প্ৰকাশ কৰা চৰম উদাসীনতা, বিভিন্ন কেলেংকাৰী তথা অপকৰ্মৰ সৈতে এচাম শিক্ষক জড়িত হোৱা, শিক্ষকতা বৃত্তিত যোগ্য আৰু মেধাৱী জনৰ বিপৰীতে অযোগ্য ব্যক্তিৰ সংখ্যা বৃদ্ধি আদি কাৰকে সমগ্ৰ শিক্ষক সমাজৰে মৰ্যদা বহু পৰিমানে যে লাঘৱ কৰিছে সি নিশ্চিত। এককথাত শিক্ষকসকলে ইতিবাচক চিন্তা, কাৰ্যপ্ৰণালী, সামাজিক দায়বদ্ধতা আৰু আদৰ্শ জীৱন যাপনৰে ছাত্ৰ-ছাত্ৰীক জ্ঞান অৰ্জ্জনৰ বাবে অনুপ্ৰাণিত কৰি ত্যাগ আৰু সেৱাৰ মনোভাৱেৰে আগবাঢ়ি যাব পাৰিলেহে শিক্ষকতাৰ সাৰ্থকতা থাকিব। শেষত ড0 এ. পি. জে. আব্দুল কালামে তেওঁৰ ‘India 2020 - A Vission Of the New Millenium’ গ্ৰন্থত লিখি থৈ যোৱা এযাৰ বাক্যৰেই সামৰিব খুজিছো -‘আপুনি এগৰাকী শিক্ষক হিচাপে আপোনাৰ যিমানখিনি ক্ষমতা আছে সেই ক্ষমতাৰে আপুনি ভৱিষ্যৎ প্ৰজন্ম গঢ় দিয়াৰ ক্ষেত্ৰত সমাজৰ অন্য এজনতকৈ বিশেষ ভূমিকাৰে অৱতীৰ্ণ হ’ব লাগিব।’

*কোঠাৰী শিক্ষাআয়োগৰ ‘Education and National Development’ শীৰ্ষক প্ৰতিবেদনত কোৱা হৈছিল - ‘ভাৰতবৰ্ষৰ ভৱিষ্যৎ ইয়াৰ শ্ৰেণীকোঠা সমূহত তৈয়াৰ হয় [‘The Destiny Of India Is Now Being Shaped In Her Classroom’]¼ বৰ্তমান শিক্ষা ব্যৱস্থা শিশুকেন্দ্ৰীক যদিও শিক্ষাৰ্থীৰ কিছুমান প্ৰবৃত্তিগত প্ৰৱণতা, প্ৰতিক্ৰিয়া আৰু আচৰণ সুনিয়ন্ত্ৰীত কৰি সজ অভ্যাস গঢ়ি তোলাৰ লগতে শিক্ষাৰ্থীৰ সৰ্বাংগিণ বিকাশ কৰি এক সুস্থ ব্যক্তিত্ব গঠনত নিশ্চিতভাৱেই শিক্ষকগৰাকীয়ে সবল ভূমিকা পালন কৰে। সম্প্ৰতিক কালৰ শিক্ষা ব্যৱস্থাৰ মূল নীতি হৈছে আনন্দদায়ক আৰু ফলপ্ৰসু শিক্ষা। ছাত্ৰ-ছাত্ৰীসকলে যাতে কোনো ধৰণৰ মানসিক আৰু শাৰিৰীক কষ্ট নোপোৱাকৈ শিক্ষাগ্ৰহণ কৰিব পাৰে তাৰ প্ৰতি বিশেষ দৃষ্টি নিক্ষেপ কৰা হৈছে। বৰ্তমান সময়ত শিক্ষকসকলে শিশুৰ মনোবৈজ্ঞানিক দিশ অধ্যয়ণ কৰি পাঠদান কৰিব লাগিব। শৈক্ষিক ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ যাতে স্থবিৰতাই দেখা নিদিয়ে আৰু মানৱ-সম্পদৰ অপচয় হ’ব নোৱাৰে তাৰ বাবে শিক্ষা আয়োগে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে যিখিনি শিক্ষক সমাজৰ সদ্দিচ্ছা আৰু সহযোগিতা অবিহনে কেতিয়াও ফলপ্ৰসু হ’ব নোৱাৰে। শিক্ষকসকলে নতুন নতুন কৌশল শ্ৰেণীকোঠাত প্ৰয়োগ কৰি প্ৰায়োগিক দিশত ছাত্ৰ-ছাত্ৰীক উন্নত মানৱ শিক্ষাদান কৰিব লাগিব। একোটা শ্ৰেণীত বিভিন্ন পৰ্যায়ৰ বিভিন্ন ৰুচি-অভিৰুচিৰ ছাত্ৰ-ছাত্ৰী থাকে। একেদৰে বিভিন্ন সমাজ ব্যৱস্থা আৰু পৰিৱেশৰ ৰ ভিন ভিন আচৰণৰ অনেক ছাত্ৰ-ছাত্ৰী থাকে। গতিকে এই সকলোবিলাক দিশলৈ লক্ষ্য ৰাখি এগৰাকী শিক্ষকে যদি শিশুমনঃস্তত্বৰ জ্ঞানেৰে আধুনিক বৈজ্ঞানিক শিক্ষাপ্ৰণালী প্ৰয়োগ কৰি শিক্ষাদানত ব্ৰতী হয় তেন্তে সেই শিক্ষা নিশ্চিতভাৱে ফলপ্ৰসু হৈ উঠিব। তাৰোপৰি কেৱল পাঠ্যপুথিৰ সীমিত জ্ঞানৰ মাজতে ছাত্ৰ-ছাত্ৰীক সীমাবদ্ধ কৰি নাৰাখি শাৰীৰিক, মানসিক, বৌদ্ধিক, নৈতিক চৰিত্ৰগঠন, সৎ চিন্তা, সৎ কৰ্ম আদিৰে ব্যক্তিত্বৰ উৎকৰ্ষ সাধন কৰি দেশখনক ভাল পাব পৰা জাতিটোক ভাল পাব পৰা একোগৰাকী ‘ভাল মানুহ’ হিচাপে গঢ়ি তুলিব পৰা যায়, তাৰ বাবে সদা জাগ্ৰত প্ৰহৰীৰ ভূমিকা পালন কৰিব লাগিব শিক্ষকসকলে।*

# গোসাঁইগাঁৱত কৃষকক আনুষ্ঠানিকভাৱে বীজ আৰু ৰোপণ সামগ্ৰী বিতৰণ

**বাতৰি কাকত, গোসাঁইগাঁও, ২১ জুলাই ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ উদ্যোগত আৰু কোকৰাঝাৰ জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ সহযোগিতাত গোসাঁইগাঁৱৰ আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ প্ৰেক্ষাগৃহত মাহ শস্যৰ বীজ, ৰোপণ সামগ্ৰী আৰু বিভিন্ন গছপুলি বিতৰণৰ এক আনুষ্ঠানিক কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানৰ উদ্বোধন কৰি অসম কৃষি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষাৰ সঞ্চালক মনোৰঞ্জন নেওগে কয় যে ভাৰতত বৰ্তমান মাহ জাতীয় শস্যৰ উৎপাদন দেশীয় চাহিদাৰ তুলনাত যথেষ্ট কম। দেশত প্ৰয়োজনীয় পৰিমাণৰ প্ৰায় ৫০ শতাংশহে উৎপাদন হয়, ফলত ম্যানমাৰ আৰু কানাডাৰ দৰে দেশৰ পৰা মাহ আমদানি কৰিবলগীয়া হৈছে। তেওঁ কয় যে এই পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় পালছ মিছনৰ অধীনত ২০৩০-৩১ চনৰ ভিতৰত মাহ শস্যৰ উৎপাদন ৩৫০ লাখ টনলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। লগতে ৰাজ্যৰ কৃষিমন্ত্ৰী পীযুষ হাজৰিকাৰ নিৰ্দেশনা অনুসৰি খেতিৰ পূৰ্বে কৃষকসকলক চৰকাৰীভাৱে বীজ আৰু ৰোপণ সামগ্ৰী বিতৰণৰ ব্যৱস্থা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত ভাষণ দি কোকৰাঝাৰ জিলাৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে কয় যে বহু কৃষকে চৰকাৰী আঁচনিৰ সুবিধা লাভৰ ক্ষেত্ৰত মাটিৰ নথি নিজৰ নামত নথকাৰ বাবে সমস্যাৰ সন্মুখীন হয়। তেওঁ কৃষকসকলক নিজৰ ভূমিৰ নথি নিজৰ নামত হস্তান্তৰ কৰি প্ৰয়োজনীয় পঞ্জীয়ন সম্পূৰ্ণ কৰাৰ আহ্বান জনায়, যাতে চৰকাৰী সুবিধাসমূহ সহজে লাভ কৰিব পাৰে। পৰ্বতঝোৰা সমষ্টিৰ বিধায়ক আশ্ৰাফুল ইছলাম শেখে কৃষি উৎপাদন বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে কৃষকসকলক অধিক উৎপাদনশীল কৰি তোলাৰ লক্ষ্যৰে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। তেওঁ জনায় যে পৰ্বতঝোৰা সমষ্টিত এখন কৃষি বিদ্যালয় স্থাপনৰ বাবে কৃষিমন্ত্ৰীলৈ লিখিত আবেদন জনোৱা হৈছে। ইয়াৰ উপৰি এখন মহিলা কলেজ, মডেল কলেজ, মডেল বিদ্যালয় স্থাপন, বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়ন আৰু শিক্ষক নিযুক্তিৰ দাবীও উত্থাপন কৰা হৈছে। তেওঁ লগতে কৃষিভূমিৰ অধিকাৰী সকলো কৃষকে যাতে কৃষক আইডি লাভ কৰি চৰকাৰী আঁচনিৰ সুবিধা উপভোগ কৰিব পাৰে, তাৰ বাবে বিভাগক ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়। অনুষ্ঠানত পৰ্বতঝোৰা আৰু গোসাঁইগাঁও বিধানসভা সমষ্টিৰ প্ৰায় ১০০ জন কৃষকক মাহ শস্যৰ বীজ, ৰোপণ সামগ্ৰী, তামোল আৰু নাৰিকলৰ পুলি আদি বিভিন্ন গছপুলি বিতৰণ কৰা হয়। উক্ত অনুষ্ঠানত গোসাঁইগাঁও সমষ্টিৰ বিধায়ক শোভাৰাম বসুমতাৰী, বিটিচিৰ কৃষি সঞ্চালক বি. বি. নাৰ্জাৰী, কোকৰাঝাৰ জিলাৰ কৃষি বিষয়া আৰু শতাধিক কৃষক উপস্থিত থাকে

# হোজাইত খাদ্য সুৰক্ষা বিভাগৰ নিয়মীয়া অভিযানত নথিপত্ৰ, পৰিষ্কাৰ পৰিচ্ছন্নতাৰ লগতে খাদ্যৰ নমুনা সংগ্ৰহ

**বাতৰি কাকত হোজাই, ২১ জুলাই ঃ** খাদ্যৰ গুণগত মান উন্নত নিশ্চিত কৰাৰ উদ্দেশ্যে হোজাই জিলা খাদ্য সুৰক্ষা বিভাগে জিলাখনৰ বিভিন্ন প্ৰান্তত দৈনিক অভিযান অব্যাহত ৰাখিছে। জিলা খাদ্য সুৰক্ষা বিষয়া কস্তুৰী পুষ্টি আৰু প্ৰতিষ্ঠা চেতিয়াৰ নেতৃত্বত হোজাই, ডবকা, লংকা, লামডিং আদি চহৰ আৰু বজাৰৰ হোটেল, ৰেস্তোৰাঁ আৰু মিঠাইৰ দোকানসমূহত এই অভিযান চলোৱা হয়।অভিযানৰ সময়ত বিষয়াসকলে দোকানসমূহৰ লাইচেঞ্চ, বিল, অন্যান্য নথিপত্ৰ পৰীক্ষা কৰাৰ লগতে খাদ্যৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষালৈ প্ৰেৰণ কৰে। খাদ্য প্ৰস্তুত আৰু সংৰক্ষণৰ ক্ষেত্ৰত স্বাস্থ্যসন্মত পৰিৱেশ নথকা আৰু নথিপত্ৰ অসম্পূৰ্ণ থকা কেইবাখনো দোকানক তৎক্ষণাত চাফ-চিকুণ কৰিবলৈ আৰু কাগজ-পত্ৰ ঠিক কৰিবলৈ কঠোৰ নিৰ্দেশ দিয়া হৈছে বুলি কস্তুৰী পুষ্টিয়ে সংবাদ মাধ্যমৰ আগত জনায়।এই সন্দৰ্ভত জিলা খাদ্য সুৰক্ষা বিষয়াই কয় যে, ৰাইজক নিৰাপদ আৰু বিশুদ্ধ খাদ্য যোগান ধৰাটোৱেই হৈছে চৰকাৰ আৰু প্ৰশাসনৰ প্ৰধান লক্ষ্য। এই ক্ষেত্ৰত কোনো ধৰণৰ গাফিলতি সহ্য কৰা নহ'ব।সাধাৰণ ৰাইজে বিভাগৰ এই পদক্ষেপক শলাগ লৈছে। ৰাইজৰ মতে, এনেদৰে নিয়মীয়া অভিযানে বজাৰত ভেজাল আৰু অস্বাস্থ্যকৰ খাদ্য বিক্ৰী ৰোধ কৰাত সহায় কৰিব। ৰাইজৰ সুৰক্ষাৰ স্বাৰ্থত এনেদৰে সময়ে সময়ে অভিযান অব্যাহত ৰাখিবলৈ সচেতন মহলে দাবী জনায়।

# নলবাৰী জিলা কৃষি বিভাগ আৰু আটমাৰ বিশেষ পদক্ষেপ



**কুমুদ বৰ্মন টিহু ,২১ জুলাই ঃ** নলবাৰী জিলা কৃষি বিভাগ আৰু আটমা - কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণৰ তত্ত্বাবধানত নলবাৰী জিলা কৃষি বিভাগৰ অন্তৰ্গত ৭ টাকৈ উন্নয়ন খণ্ডত ২০২৬ - ২৭ বিত্তীয় বৰ্ষৰ এক বিশেষ উন্নত জাতৰ মুৰ্গী, হাঁহ আদিৰ পোৱালি বিতৰণ কাৰ্যসূচী সফলভাৱে বিতৰণ কৰা হয়। জিলাখনৰ পূৱ নলবাৰী, টিহু, পশ্চিম নলবাৰী, বৰভাগ, ঘগ্ৰাপাৰ, বৰক্ষেত্ৰী আৰু মধুপুৰ উন্নয়ন খণ্ডৰ নিৰ্বাচিত হিতাধিকাৰী কৃষকসকলৰ মাজত এই উন্নত গুণাগুণসম্পন্ন সোণালী প্ৰজাতিৰ মুৰ্গী পোৱালি আৰু হাঁহৰ পোৱালি আনুষ্ঠানিকভাৱে বিতৰণ কৰে নলবাৰী জিলা কৃষি বিষয়া দিবাকৰ ডেকা আৰু মহকুমা কৃষি বিষয়া জাকিৰ হুছেইনে । কেৱল কুকুৰা পোৱালিয়েই নহয়, বৰং কৃষকসকলে যাতে এইবোৰ বিজ্ঞানসন্মতভাৱে প্ৰতিপালন কৰি উপযুক্ত লাভ অৰ্জন কৰিব পাৰে, তাৰ বাবে আটমাৰ তৰফৰ পৰা উচ্চ মানৰ দানা,আৱশ্যকীয় প্ৰতিষেধক তথা ঔষধ পাতি আৰু পানী-দানা খুৱাব পৰা বিশেষ পাত্ৰ আদিও যোগান ধৰা হয়। বিভাগটোৰ উপ প্ৰকল্প সঞ্চালক ডাঃ বিনীতা শইকীয়াই এই সোণালী প্ৰজাতিৰ মুৰ্গী আৰু হাঁহ অত্যন্ত লাভজনক কাৰণ ই থলুৱা পৰিৱেশত সহজে খাপ খাই পৰে আৰু ইয়াৰ ৰোগ প্ৰতিৰোধ ক্ষমতা আন প্ৰজাতিতকৈ বহুখিনি শক্তিশালী বুলি সদৰি কৰে । তদুপৰি এই মুৰ্গীয়ে বছৰত প্ৰায় ১৮০ ৰ পৰা ২২০ টাকে কণী উৎপাদন কৰাৰ লগতে ইয়াৰ মাংসৰ চাহিদাও বজাৰত যথেষ্ট বেছি। এনে এক উন্নত তথা দ্বিমুখী উৎপাদনক্ষম প্ৰজাতি লাভ কৰি অঞ্চলটোৰ হিতাধিকাৰী কৃষকসকলে নিজৰ আৰ্থিক ভেটি সবল কৰিবলৈ আহ্বান জনায়। ইফালে চি এছ এছ আটমাৰ অধীনত জিলাখনত বৰ্তমান সময়ৰ দ্ৰুত জলবায়ু পৰিৱৰ্তনৰ সৈতে মোকাবিলা কৰিব পৰাকৈ কেনেদৰে আধুনিক প্ৰযুক্তিৰ সহায়ত কম খৰচতে উৎপাদন দুগুণ কৰিব পাৰি কৃষক আৰু পশুপালকসকলৰ বাৰ্ষিক আয় বৃদ্ধি কৰিব পাৰি সেই সম্পৰ্কে প্ৰশিক্ষণৰ ব্যৱস্থাও কৰা হয়।এই অনুষ্ঠানত টিহু উন্নয়ন খণ্ডৰ কৃষি প্ৰযুক্তি ব্যৱস্থাপক ডাঃ পবিত্ৰ দাস, ঘগ্ৰাপাৰৰ বি টি এম ডাঃ ঈশ্বৰ শৰ্মা, বিটিএম ক্ৰমে জিন্টু ৰাজবংশী, ডাঃ শুভলক্ষ্মী বৰা,হিমাক্ষী শৰ্মা, ডলিমণী পাটোৱাৰী, জৰ্না চৌধুৰী আৰু আব্দুল আজিজ উপস্থিত থাকে।

# নাজিৰাৰ লখিমী পুখুৰীৰ ৩৭ বছৰীয়া যুৱক সন্ধানহীন ঃ ব্যাপক চাঞ্চল্য

**বাতৰি কাকত, নাজিৰা, ২১ জুলাই ঃ** নাজিৰা আদৰ্শ আৰক্ষী থানাৰ অন্তৰ্গত লখিমী পুখুৰী জয়খামদাং খাট গাঁৱৰ ৩৭ বছৰীয়া এজন যুৱক যোৱা ১২ জুলাইৰ নিশা নিজা ঘৰৰ বাহিৰলৈ ওলাই যোৱাৰ পিছৰে পৰা সন্ধানহীন হৈ থকা ঘটনাই অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। পৰিয়ালৰ সূত্ৰে জানিব পৰা মতে, সেই দিনা নিশা প্ৰায় ১২ বজাৰ পিছত ঘৰৰ পৰা ওলাই গৈছিল ৰমেন গগৈ নামৰ বিবাহিত যুৱকজন । পুৱা পৰিয়ালৰ লগতে স্থানীয় ৰাইজে অঞ্চলটোত বিচাৰ খোচাৰ কৰি থাকোঁতে লখিমী পুখুৰীৰ পাৰত ৰমেন গগৈয়ে পিন্ধি থকা চেণ্ডেলজোৰ দেখা পোৱাত লগে লগে স্থানীয় গাঁও প্ৰধান সহিতে পৰিয়ালৰ লোকে নাজিৰা আদৰ্শ আৰক্ষী থানাত লিখিত ভাৱে ঘটনাৰ বিষয়ে অৱগত কৰে। তাৰোপৰি এছ ডি আৰ এফৰ লোকে যোৱা দুদিন ধৰি লখিমী পুখুৰীত অনুসন্ধান চলাই যদিও কোনো সম্ভেদ লাভ কৰিবলৈ সক্ষম নহ'ল। ৰমেন গগৈ বিবাহিত যদিও প্ৰায় এবছৰে পত্নী গৰাকী পিতৃ গৃহতে আছে আৰু বৰ্তমান তেওঁ অকলশৰে বসবাস কৰি আহিছে।কোনো লোকে যদি যুৱকজনৰ কিবা সম্ভেদ লাভ কৰে তেনে সমীপৰ আৰক্ষী থানাৰ লগতে ভ্ৰাম্যভাষ ৯৩৬৫৪২৬০০২ অথবা ৯৮৫৯৫৫২৭৪৭ নম্বৰত ফোন যোগে জনাবৰ বাবে অনুৰোধ জনাইছে।

# শিৱসাগৰ পৌৰসভাৰ উপ-পৌৰপতি হিচাবে শপত গ্ৰহণ দিপু হাজৰিকাৰ

**খাইৰুদ্দিন আহমেদ শিৱসাগৰ২১ জুলাই ঃ** শিৱসাগৰ পৌৰসভাৰ কাৰ্যকাল অন্ত পৰিবলৈ মাজত মাথো মাত্ৰ আঠটা মাহ। অনাগত আঠটা মাহত শিৱসাগৰ চহৰৰ মৌলিক সমস্যা সমূহ পুৰণ কৰিবলৈ আপ্ৰাণ চেষ্টা চলাম। খোৱাপানী, ষ্ট্ৰিট লাইট, জাবৰ-জোথৰ, কৃত্ৰিম বানপানীৰ সমস্যাৰ সমাধানৰ ক্ষেত্ৰত শিৱসাগৰ পৌৰসভাই ইতিমধ্যেই বহুকেইটা ব্যৱস্থা গ্ৰহণ কৰিছে-- এই মন্তব্য শিৱসাগৰ পৌৰসভাৰ উপ-পৌৰপতি হিচাবে শপত গ্ৰহণ কৰা দিপু হাজৰিকাৰ। শিৱসাগৰ চহৰখন অসমৰ ভিতৰতেই আতকধুনীয়া কৰিম। এই ক্ষেত্ৰত ৰাইজৰ সহায়-সহযোগিতা লাগিব বুলি মন্তব্য কৰে। শতবৰ্ষ অতিক্ৰম কৰা শিৱসাগৰ পৌৰসভাৰ উপ পৌৰপতি হিচাপে দিপু হাজৰিকাই শপত গ্ৰহণ কৰে। শিৱসাগৰ চহৰৰ মাজমজিয়াৰ কালি প্ৰসাদ মেম'ৰিয়েল হলত অতিৰিক্ত জিলা আয়ুক্ত গৌৰীপ্ৰিয়া দেউৰীয়ে উপপৌৰপতি হিচাবে দিপু হাজৰিকাক শপত বাক্য পাঠ কৰোৱায়। এই শপত গ্ৰহণ অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা এক অনুষ্ঠানত মূখ্য অতিথি হিচাপে শিৱসাগৰ পৌৰসভাৰ কাৰ্যবাহী বিষয়া দেৱব্ৰত শৰ্মা, পৌৰপতি স্মৃতিৰেখা দত্ত, প্ৰাক্তন পৌৰপতি মৃদুস্মিতা সিনহা, সমাজকমীৰ ঘন গগৈ, প্ৰাঞ্জল কটকী, অধিবক্তা নিকুঞ্জ গগৈ আৰু চিৰঞ্জীৱ বেজবৰুৱাৰ লগতে বিজেপিৰ বিশ্বজ্যোতি হাজৰিকাই অংশগ্ৰহণ কৰে। নৱ নিৰ্বাচিত উপ পৌৰপতি দিপু হাজৰিকাক শিৱসাগৰ পৌৰসভাৰ পৰা উষ্ম আদৰণি জনোৱাৰ লগতে প্ৰায় ত্ৰিশ টাৰো অধিক অনুষ্ঠান-প্ৰতিষ্ঠানে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত ঘন গগৈ, প্ৰাঞ্জল কটকী আৰু চিৰঞ্জীৱ বেজবৰুৱাই শিৱসাগৰ পৌৰসভাৰ পৌৰপতি, উপ-পৌৰপতি আৰু সমূহ সদস্য-সদস্যাক অসমৰ ভিতৰতে শিৱসাগৰ চহৰখনক জাকত জিলিকাই তোলাৰ লগতে পৌৰকৰদাতা ৰাইজৰ অভাৱ-অভিযোগ সমূহ শীঘ্ৰে সমাধান কৰি ৰাইজৰ আস্থা বুটলিবলৈ আহ্বান জনায়। অনুষ্ঠানটো পৰিচালনা কৰে পৌৰসভাৰ ৱাৰ্ড সদস্য সমীৰ দত্তই। উল্লেখ্য যে, শিৱসাগৰ পৌৰসভা গঠন হোৱা পৰা বৰ্তমান সময়লৈকে অনুসূচীত জাতিৰ লোক হিচাপে দিপু হাজৰিকাই প্ৰথম বাৰৰ বাবে উপ পৌৰপতিৰ আসনখনত বহিবলৈ সক্ষম হয়।

# নগাঁৱৰ হয়বৰগাঁৱত বিনামূলীয়া দন্ত চিকিৎসা শিবিৰত ৩০০ ৰোগীক চিকিৎসা প্ৰদান

**বাতৰি কাকত নৰে, ২১ জুলাই ঃ** নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ জ্যেষ্ঠ দন্ত চিকিৎসক ডাঃ মিতালী গোস্বামীৰ নেতৃত্বত চিভিল হাস্পতালৰ পাঁচজনীয়া এটা স্বাস্থ্য বিভাগৰ দলে বৃহত্তৰ হয়বৰগাঁও অঞ্চলৰ প্ৰায় ৩০০ ৰোগীক চিকিৎসা সেৱা প্ৰদান কৰাৰ লগতে বিনামূলীয়া কৈ দৰৱপাতি বিতৰণ কৰে। নগাঁও জিলা স্বাস্থ্য বিভাগৰ সৌজন্যত হয়বৰগাঁও প্ৰেছ ক্লাব আৰু বাবা লোকনাথ বৈদিক বিকাশ জনকল্যাণ ন্যাসৰ উদ্যোগত হয়বৰগাঁও বাল্মিকী হিন্দী বিদ্যালয়ত দিনজোৱা কাৰ্যসূচীৰে এই চিকিৎসা শিবিৰত পুৱাৰে পৰাই ৰোগীৰ ভিৰ হোৱা পৰিলক্ষিত হয়। বিনামূলীয়া চিকিৎসা শিবিৰটি আৰম্ভ হোৱাৰ পুৰ্বেই হয়বৰগাঁও প্ৰেছ ক্লাৱৰ সম্পাদক মোস্তাফা কামালে আঁত ধৰা অনুষ্ঠানটোত বিশিষ্ট চিকিৎসক ডাঃ কামাল হাছান, বিশিষ্ট দন্ত চিকিৎসক ডাঃ মিতালী গোস্বামী,প্ৰেছ ক্লাৱৰ সভাপতি দিব্যজ্যোতি বৰুৱা, শিবিৰ তত্বাৱধায়ক ৰেখা শৰ্মা,বাবা লোকনাথ বৈদিক বিকাশ জনকল্যাণ ন্যাসৰ সভাপতি দুলাল পাল, সম্পাদক কাজল দত্তক প্ৰেছ ক্লাৱৰ তৰফৰ পৰা একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। পৰৱৰ্তী সময়ত দিনৰ দহ বজাৰ পৰা আৰম্ভ হোৱা বিনামূলীয়া দন্ত চিকিৎসা শিবিৰটি আনুষ্ঠানিক ভাৱে মুকলি কৰে চিকিৎসক ডাঃ কামাল হাছানে। উল্লেখযোগ্য যে, ইমান প্ৰখৰ ৰ'দৰ মাজতো হয়বৰগাঁও চামাদাৰপট্টীত অৱস্থিত বাল্মিকী হিন্দী বিদ্যালয়ত অনুষ্ঠিত হোৱা বিনামূলীয়া দন্ত চিকিৎসা শিবিৰত তিনি শতাধিক ৰোগীয়ে ভিৰ কৰা দেখা যায়। সকলোকে দাঁত মুখ বিশেষজ্ঞ চিকিৎসক ডাঃ মিতালী গোস্বামী আৰু তেওঁৰ সতীৰ্থ স্বাস্থ্য কৰ্মী সকলে চিকিৎসা সেৱা প্ৰদান কৰাৰ লগতে প্ৰয়োজনীয় দৰৱ পাতি যোগান ধৰি ৰাইজৰ মৰম বুটলিবলৈ সক্ষম হৈছে।

# নগাঁও লোকসভাৰ উপ-নিৰ্বাচন, তিৱা পৰিষদৰ নিৰ্বাচনৰ ৰণশিঙা বজালে মৰিগাঁও সমষ্টি বিজেপিয়ে

**মৰিগাঁও,২১ জুলাই ঃ** উৎকট গৰমকো আওকাণ কৰি মৰিগাঁও সমষ্টিৰ পাঁচ সহস্ৰাধিক বিজেপি নেতা কৰ্মীয়ে মৰিগাঁও বিহুতলিত নিৰ্বাচনী ৰণশিঙা বজালে আসন্ন নগাঁও লোকসভা নিৰ্বাচন আৰু তিৱা স্বায়ত্ত পৰিষদৰ নিৰ্বাচনৰ বিশাল ৰাজহুৱা সভাখন আয়োজন কৰে মৰিগাঁও সমষ্টিৰ বিজেপিয়ে। বন্তি প্ৰজ্বলন আৰু বন্দে মাতৰম পৰিৱেশনৰে শুভাৰম্ভ হোৱা সভাখনৰ মুখ্য বক্তা হিচাপে বিধায়ক ৰমাকান্ত দেউৰীয়ে ভাষণ প্ৰসংগত কয় যে, ৰাইজৰ আশীৰ্বাদৰ ফলতে তেওঁ তৃতীয়বাৰৰ বাবে মৰিগাঁৱত সমষ্টিৰ বিধায়ক নিৰ্বাচিত হৈছে। এইবাৰ নগাঁও লোকসভাৰ উপ-নিৰ্বাচনত অভিলেখ সংখ্যক ভোটদান কৰিব লাগিব ৰাইজে। কংগ্ৰেছ প্ৰাৰ্থিত্বকৈ কমেও ৯০ হাজাৰ অধিক ভোটদান কৰি মৰিগাঁও সমষ্টিবাসীয়ে অভিলেখ কৰিব লাগিব। তিৱা পৰিষদৰ নিৰ্বাচনৰ সন্দৰ্ভত তেওঁ কয়, এটা দুষ্ট চক্ৰই দুৰ্নীতি কৰি দুৰ্নাম আনিছে তিৱা পৰিষদৰ। কাৰ্যকাল ছমাহ বৃদ্ধি কৰাৰ পিছতো পুনৰ ছমাহ বৃদ্ধি কৰিবলৈ বৰ্তমানৰ তিৱা পৰিষদৰ কৰ্মকৰ্তা সকল উঠি পৰি লাগিছে। মন্ত্ৰীৰ ঘৰে ঘৰে অনুৰোধ জনাই ফুৰিছে। মুখ্যমন্ত্ৰীয়ে কোনো অৱস্থাতে এক্সটেনচন নিদিয়ে বুলি বিধায়ক গৰাকীক কোৱা বুলি উল্লেখ কৰি ৰমাকান্ত দেউৰীয়ে কয়, অচিৰেই নিৰ্বাচন হ'ব তিৱা পৰিষদৰ। দুৰ্নীতিৰ প্ৰসংগ উত্থাপন কৰি দেউৰীয়ে কয়, ৬০ কোটি টকীয়া কেলেংকাৰিত জড়িত খগেন চন্দ্ৰ বৰদলৈ।ভুৱা ৱৰ্ক অৰ্ডাৰ, ভুৱা দেয়কৰে ধন লুণ্ঠন অভিযানত লিপ্ত হৈছে বৰদলৈ। তেওঁৰ বিৰুদ্ধে উচ্চ পৰ্যায়ত তদন্ত হ'ব লাগে। তেওঁ কয়, তিৱা পৰিষদত নিকা লোকক প্ৰাৰ্থিত্ব দি পৰিষদত বিজয় লাভ কৰিব লাগিব আৰু বৰ্তমানৰ তিৱা পৰিষদৰ চক্ৰান্তকাৰীসকলক চিনাক্ত কৰিব লাগিব। তেওঁ কয়, আপোনালোকে বিজেপি আৰু মোক ভোট দি আপোনালোকৰ কৰ্তব্য পালন কৰিলে। এতিয়া আপোনালোকৰ উন্নয়নৰ কাম কৰাৰ দায়িত্ব মোৰ। বিধানসভা নিৰ্বাচনত মৰিগাঁও সমষ্টিৰ ৰৰ জন বিজেপি নেতাই ৰমাকান্ত দেউৰীৰ বিৰোধিতা কৰাৰ প্ৰসংগ উত্থাপন কৰি যুৱনেতা তথা মৰিগাঁও জিলাৰ অন্যান্য পিছপৰা শ্ৰেণীৰ সভাপতি শিৱাজী ডেকাই কয়, তেওঁলোক মৰিগাঁৱত কংগ্ৰেছী, জাগীৰোড আৰু গুৱাহাটীত বিজেপি। মধ্য অসমৰ শক্তিশালী নেতা ৰমাকান্ত দেউৰীয়ে তিৱা পৰিষদত প্ৰথম গণতান্ত্ৰিক নিৰ্বাচন পাতি পৰিষদলৈ সুস্থিৰতা আনিছিল। এইজন ব্যক্তিয়ে পথৰ পৰা তুলি আনি তিৱা পৰিষদৰ কৰ্মকৰ্তা পতা লোক সকলেই এতিয়া ৰমাকান্ত দেউৰীক পিছফালৰ পৰা আক্ৰমণ কৰিছে। জনপূৰ্ণ সভাখনত ভাষণ দি মৰিগাঁও জিলা বিজেপিৰ সভাপতি ৰামপ্ৰসাদ সৰকাৰ আৰু সহ-প্ৰভাৰী অৰ্জুন মজুমদাৰে আগন্তুক দুয়োটা নিৰ্বাচনতে বিজেপিৰ প্ৰাৰ্থীক জয়ী কৰিবলৈ আহ্বান জনায়। আদৰণি ভাষণ দি জিলা সম্পাদক জিতু বৰাই মৰিগাঁও নগৰত বন্ধ হৈ থকা বাছ আস্থান কেইটা মুকলি কৰা, মাণিপুৰত মিনি ষ্টেডিয়াম এটা বিধায়ক ৰমাকান্ত দেউৰীয়ে উদ্বোধন কৰা কথা সদৰি কৰে। সভাত মৰিগাঁও জিলা পৰিষদৰ সভানেত্ৰী প্ৰণতি কলিতা ডেকা, মৰিগাঁও পৌৰপতি যোগেশ তামুলী, আই টি ডি পিৰ অধ্যক্ষ মনক বৰদলৈ, তিৱা পৰিষদৰ কাৰ্যকৰী সদস্য মদন দেউৰী, বিজেপি নেতা নগেন দাস, যুৱনেতা প্ৰাণজিৎ হাজৰিকাৰ উপৰিও মৰিগাঁও জিলা বিজেপিৰ সম্পাদকদ্বয় নিৰ্মল কোঁৱৰ, জিতুমণি পাঠক, আঞ্চলিক পঞ্চায়ত, জিলা পৰিষদৰ সদস্য, পঞ্চায়তৰ প্ৰতিনিধি সকল, পৌৰসভাৰ ৱাৰ্ড কমিছনাৰ আৰু মণ্ডল বিজেপিৰ কৰ্মকৰ্তা সকলে যোগদান কৰে। মৰিগাঁও মণ্ডলৰ সভাপতি প্ৰতাপ বৰদলৈয়ে সভাখন সফল কৰাত বিশেষ ভূমিকা লয়। সভাৰ আৰম্ভণিতে তিৱা, বড়ো, বিহু নৃত্য দল, কঁলা সন্মত নৃত্য প্ৰদৰ্শনে দৰ্শক মণ্ডলীক মোহিত কৰে।।



সংবাদ মেল অনুষ্ঠিত কৰি অভিযোগ নস্যাৎ ক্ষীৰোদ লস্কৰ -জনাৰ্দ্দন শইকীয়াৰ

# ৰহা সমষ্টিত ভুৱা আঁচনিৰে লাখ লাখ টকা আত্মসাৎ কৰাৰ অভিযোগ

**বাতৰি কাকত কচুৱা, ২১ জুলাই ঃ** অনুসূচিত জাতি যুৱ পৰিষদৰ সভাপতি ৰুবুল দাসে গুইমাৰীত এখন সংবাদ মেল অনুষ্ঠিত কৰে । বিগত ২০২১- -২৪ বৰ্ষত ৰহা বিধান সভা সমষ্টিৰ বিধায়ক পুঁজি বিতৰণত ব্যাপক বিসংগতি আৰু কেলেংকাৰী হোৱাৰ অভিযোগ তুলিছে ৰুবুল দাসে । ৰুবুল দাসে বিগত বৰ্ষত বিধায়ক শশীকান্ত দাসৰ কাৰ্যকালত বিধায়ক পুঁজি বিতৰণত ব্যাপক বিসংগতি আৰু কেলেংকাৰী সংঘটিত হোৱাৰ অভিযোগ কৰিছে । অভিযোগ অনুসৰি, শশীকান্ত দাসৰ ঘনিষ্ঠ ক্ষীৰোদ লস্কৰ আৰু জনাৰ্দন শইকীয়াই সমষ্টিটোৰ বহু অঞ্চলত বিধায়ক পুঁজিৰ অধীনস্থ শংকৰী কলা কৃষ্টি বিকাশ কেন্দ্ৰৰ আঁচনি ৰূপায়নত ব্যাপক খেলিমেলি কৰিছে । বিধায়কৰ ঘনিষ্ঠ দুয়ো ২৭ খন সমিতিৰ ভিতৰত ক্ষীৰোদ লস্কৰে ১৫ খন আৰু জনাৰ্দন শইকীয়াই ১২ খন সমিতিৰ সভাপতিৰ দ্বায়িত্ব লৈ বিধায়ক পুঁজিৰে নিৰ্মাণ কৰা শংকৰী কলা কৃষ্টি বিকাশ কেন্দ্ৰৰ আঁচনিত অনিয়ম কৰাৰ অভিযোগ উত্থাপিত কৰিছে । ৰুবুল দাসে ইয়াৰ এক তদন্তৰ দাবী কৰি দোষীক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে । ইফালে ৰুবুল দাসে অভিযোগ কৰা ক্ষীৰোদ লস্কৰ আৰু জনাৰ্দ্দন শইকীয়াই বাৰেগোগাত এখন সংবাদ মেল অনুষ্ঠিত কৰি সমূহ অভিযোগ নস্যাৎ কৰিছে । তেওঁলোকে কয় যে ৰুবুল দাসে ভিত্তিহীন অভিযোগ উত্থাপন কৰিছে । কিয়নো শংকৰী কলা কৃষ্টি বিকাশৰ নামত আৱন্টন হোৱা বিধায়ক পুঁজিৰ ধনেৰে ইতিমধ্যে নামঘৰ সমূহৰ উন্নয়নমূলক কাম-কাজ কৰি থকা হৈছে । ইতিমধ্যে বহুকেইটি উন্নয়নমূলক কাম-কাজ সম্পন্ন হৈছে বুলি তথ্য সহকাৰে দুয়োগৰাকীয়ে সদৰী কৰে । এই সংবাদ মেলখনত ৰহা সমষ্টিৰ অন্তৰ্গত নামঘৰ সমূহৰ নিৰ্মাণ সমিতিৰ বিষয়ববীয়া সকলো উপস্থিত থাকি ৰুবুল দাসৰ অভিযোগ খণ্ডন কৰে ।

# গড়গাঁও কলেজৰ উদ্যোগত বিনামূলীয়া চকু পৰীক্ষা শিবিৰ

**খাইৰুদ্দিন আহমেদ শিৱসাগৰ, ২১ জুলাই ঃ** গড়গাঁও মহাবিদ্যালয়, নাৰী উন্নতি নজিৰা, ডিব্ৰুগড়স্থিত ৰেনু আই কেয়াৰ আৰু সামাজিক উদ্যোগ "Sympathy to Empathy"-ৰ যৌথ উদ্যোগত চৰাইদেউ চাহ বাগিচাত এখন বিনামূলীয়া চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰৰ জৰিয়তে প্ৰায় ৩০০ জন চাহ বাগিচাৰ শ্ৰমিক উপকৃত হয়।এই শিবিৰৰ আয়োজন কৰা হয় গড়গাঁও মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে সম্পন্ন কৰা এক প্ৰাথমিক স্বাস্থ্য সমীক্ষাৰ ভিত্তিত। সমীক্ষাত চাহ বাগিচাৰ বাসিন্দাসকলৰ মাজত চকুৰ সমস্যা আৰু হিম'গ্লবিনৰ অভাৱ 'ৰক্তহীনতা' মুখ্য স্বাস্থ্যজনিত সমস্যা হিচাপে চিহ্নিত হৈছিল। সমীক্ষা পৰিচালনা আৰু শিবিৰৰ সমন্বয়ত ছাত্ৰ স্বেচ্ছাসেৱক প্ৰজ্ঞানদীপ নাথ, প্ৰিয়াংশু টাই, ঋতুজ্যোৎস্না শইকীয়া, অনিন্দিতা গগৈ, সমীৰ বৰুৱা আৰু প্ৰকাশ কোঁৱৰে উল্লেখযোগ্য ভূমিকা পালন কৰে। ডিব্ৰুগড়স্থিত ৰেনু আই কেয়াৰে বিশেষজ্ঞ চিকিৎসক, প্ৰযুক্তিবিদ আৰু চিকিৎসা সহায় আগবঢ়ায়। নাৰী উন্নতি নজিৰাৰ আমিনা বেগমে শিবিৰ সফলভাৱে আয়োজন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। লগতে স্থানীয় যুৱক অৰুণ প্ৰান্তাস্তী আৰু সঞ্জয় দাসেও আন্তৰিক সহযোগিতা আগবঢ়ায়। এই কাৰ্যসূচী গড়গাঁও মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক সমন্বয়ক সুৰজিৎ শইকীয়াৰ তত্ত্বাৱধানত অনুষ্ঠিত হয়। তেওঁৰ সৈতে মহাবিদ্যালয়ৰ নিতালী কোঁৱৰ, নিলুৎপল চুতীয়া আৰু অংকিকা দত্তই ছাত্ৰ স্বেচ্ছাসেৱকসকলক অনুষ্ঠানটোৰ বাবে সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে, সুৰজিৎ শইকীয়াৰ নেতৃত্বত চলি থকা "Sympathy to Empathy" প্ৰকল্পৰ অধীনত এই শিবিৰৰ আয়োজন কৰা হয়। এই প্ৰকল্পই বিগত দুবছৰ ধৰি চৰাইদেউ চাহ বাগিচা সম্প্ৰদায়ৰ কল্যাণৰ বাবে বিভিন্ন সামাজিক আৰু স্বাস্থ্যসেৱামূলক কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ সব্যসাচী মহন্তই এই যৌথ প্ৰচেষ্টাৰ শলাগ লৈ ভৱিষ্যততো দুৰ্বল আৰু সুবিধাবঞ্চিত জনগোষ্ঠীৰ বাবে এনে অধিক স্বাস্থ্যসেৱামূলক কাৰ্যসূচী আয়োজন কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ অংগীকাৰ পুনৰ ব্যক্ত কৰে।

# শিৱসাগৰত দুই সৰবৰাহকাৰীসহ ১২ টা গৰু জব্দ

**খাইৰুদ্দিন আহমেদ শিৱসাগৰ ২১ জুলাই ঃ**শিৱসাগৰ আৰক্ষীৰ অভিযানত গৰু সৰবাহকাৰীৰ বৃহৎ চক্ৰ জালত পৰে। এ এচ ০২ ডি চি ৮৪৫৪ নম্বৰৰ এখন মিনি ট্ৰাকত অবৈধভাৱে কঢ়িয়াই অনা অৱস্থাত ১২ টাকৈ গৰু জব্দ কৰে আৰক্ষীয়ে। শিৱসাগৰ আৰক্ষীৰ নগৰ উপ-পৰিদৰ্শক দেৱাশীষ শৰ্মাৰ নেতৃত্বত বনীয়াবাৰীত চলাইছিল এই সফল অভিযান। আখৈফুটীয়াৰ পৰা নগাঁও অভিমুখে আনি আছিল গৰু সমুহ । গৰু ভৰ্তি গাড়ী খনৰ পৰা গিয়াছউদ্দিন আহমেদ আৰু মফিদুল ইছলাম নামৰ দুই সৰবৰাহকাৰীক আটক কৰে আৰক্ষীয়ে। ধৃত দুই সৰবৰাহকাৰীয়ে জানিবলৈ দিয়া মতে গৰু সমূহ নগাঁৱৰ চফিকুল ইছলামে ৰিৰিয়াৰ বুটু নামৰ ব্যক্তিজনৰ পৰা আনিছিল । আৰক্ষীয়ে গৰু ভৰ্তি গাড়ীখনৰ লগতে দুই সৰবৰাহকাৰীক নিজৰ জিম্মাত লৈ গৰু সৰবৰাহকাৰী চক্ৰৰ মাষ্টাৰ মাইণ্ড বুটুৰ সন্ধানত অভিযান তীব্ৰ কৰি তুলিছে ।

## আই আই এম গুৱাহাটীৰ প্ৰথম শিক্ষাবৰ্ষৰ

শিক্ষাবৰ্ষৰ এম বি এ পাঠ্যক্ৰম আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই আজিৰ দিনটো ৰাজ্যখনৰ বাবে এটা অতি গৌৰৱৰ দিন বুলি অভিহিত কৰি কয় যে আজিৰ দিনটোত ৰাজ্যখনত পুনৰ এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ শিক্ষানুষ্ঠানে আত্মপ্ৰকাশ কৰিছে। আই আই এম গুৱাহাটীৰ আৰম্ভণি বৰ্ষৰ এম বি এ শিক্ষাৰ্থীসকলক অভিনন্দন জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজিৰ দিনটোৱে অসম তথা উত্তৰ-পূৰ্বাঞ্চলবাসীৰ এক দীৰ্ঘদিনীয়া প্ৰত্যাশা পূৰণ কৰিলে। এম বি এ পাঠ্যক্ৰমৰ শুভাৰম্ভণিৰে আই আই এম গুৱাহাটীয়ে আজি ইণ্ডিয়ান ইনষ্টিটিউট অৱ মেনেজমেন্টৰ মৰ্যাদাপূৰ্ণ পৰিয়ালটোৰ গৌৰৱী সদস্য হ'বলৈ সক্ষম হোৱাৰ লগতে এই আৰম্ভণিয়ে নতুন প্ৰজন্মৰ বাবে সুযোগৰ নতুন দুৱাৰ মুকলি কৰিলে। ভাষণত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ৰাজ্যবাসীৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে অসমক দেশৰ শিক্ষাৰ এক কেন্দ্ৰবিন্দুলৈ ৰূপান্তৰ কৰাৰ দিশত প্ৰধানমন্ত্ৰী মোদীৰ থকা প্ৰত্যাশাই আজি আৰু এখোজ আগুৱাই যাবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানকো কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে ২০২২ চনৰ ২২ মে'ত তেওঁ প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় শিক্ষামন্ত্ৰীলৈ অসমত এখন আই আই এম স্থাপনৰ বাবে অনুৰোধ জনাই পত্ৰ প্ৰেৰণ কৰিছিল। পৰৱৰ্তী ২০২৩ চনৰ ১৯ এপ্ৰিলত প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰি এই ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানখন অসমত স্থাপনৰ বাবে অনুৰোধ কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মাত্ৰ এটা বছৰৰ ভিতৰতে ২০২৪ চনৰ ১৪ এপ্ৰিলত শিক্ষা মন্ত্ৰালয়ে অসমত আই.আই.এম স্থাপনত নীতিগত অনুমোদন জনায় আৰু পৰৱৰ্তী বৰ্ষত দেশৰ ২২ সংখ্যক আৰু উত্তৰ-পূৰ্বাঞ্চলৰ দ্বিতীয়খন আই আই এম হিচাপে আই আই এম গুৱাহাটীক কেন্দ্ৰীয় কেবিনেটে আনুষ্ঠানিক অনুমোদন প্ৰদান কৰিছিল। মুখ্যমন্ত্ৰীয়ে কয় যে ২০১৪ চনত দেশত আই আই এমৰ সংখ্যা আছিল ১৩ খন। বৰ্তমান এনে প্ৰতিষ্ঠান ২২ খনলৈ বৃদ্ধি পাইছে। তেওঁ লগতে সদৰী কৰে যে আই আই এম গুৱাহাটীক বিশ্বমানৰ শৈক্ষিক প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে পলাশবাৰী ৰাজহ চক্ৰৰ মৰাভিটা আৰু দীঘলকুছি গাঁৱত স্থায়ী চৌহদ নিৰ্মাণৰ বাবে ৫৭৪ বিঘা ভূমি আৱণ্টন কৰা হৈছে আৰু এই ভূমিৰ লগতে আজিম প্ৰেমজী বিশ্ববিদ্যালয় নামৰ আন এখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰো গঢ়ি উঠিব। ইয়াৰ ফলত পলাশবাৰী সমষ্টি শিক্ষাৰ এক নতুন কেন্দ্ৰ হিচাপে উদ্ভাষিত হ'ব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে সদৰী কৰে যে মাত্ৰ পাঁচ মাহৰ ভিতৰতে দেশৰ বিভিন্ন স্থানৰ ৫২ গৰাকী শিক্ষাৰ্থীৰে এম বি এ পাঠ্যক্ৰমৰ প্ৰথমটো বেচ আৰম্ভ কৰা হৈছে। দেশৰ ওঠৰখন ৰাজ্যৰ পৰা অহা এই শিক্ষাৰ্থীসকলে নিজ ৰাজ্যলৈ অসমৰ শিক্ষাৰ নৱজাগৰণৰ বাৰ্তা কঢ়িয়াই লৈ যাব বুলিও তেওঁ আশা প্ৰকাশ কৰে। সম্প্ৰতি অসমত দেশৰ আগশাৰীৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানসমূহ স্থাপন হ'বলৈ ধৰিছে বুলি ভাষণত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে আই আই টি গুৱাহাটী, কাছাৰ আৰু তেজপুৰত কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপনৰ পিছত এন আই টি শিলচৰ, এইমছ গুৱাহাটী, আই আই আই টি, যোৰহাটত নেচনেল ইনষ্টিটিউট অৱ ডিজাইন, ইণ্ডিয়ান ইনষ্টিটিউট অৱ ৰেইন ফৰেষ্ট, ধেমাজিত ইণ্ডিয়ান এগ্ৰিকালচাৰেল ৰিচাৰ্চ ইনষ্টিটিউট, কোকৰাঝাৰত চেণ্ট্ৰেল ইনষ্টিটিউট অৱ টেকন'লজি, গুৱাহাটীত 'নাইপাৰ', নেচনেল ফৰেনচিক ছায়েন্স ইউনিভাৰ্চিটি, নেচনেল ল' ইউনিভাৰ্চিটি এণ্ড জুডিচিয়েল একাডেমী, তেজপুৰত ইণ্ডিয়ান ষ্টেটিষ্টিকেল ইনষ্টিটিউট আদি স্থাপন হোৱাটো অসমৰ বাবে অতি গৌৰৱৰ বিষয়। বিভিন্ন শীৰ্ষস্থানীয় শৈক্ষিক প্ৰতিষ্ঠান স্থাপনেৰে অসমক জ্ঞান আৰু প্ৰজ্ঞাৰ এক মন্দিৰলৈ ৰূপান্তৰ কৰিব পৰা যাব বুলিও আশা প্ৰকাশ কৰি তেওঁ কয় যে অসমত স্থাপন হোৱা এনে উচ্চমানৰ শিক্ষানুষ্ঠানসমূহত ৰাজ্যৰ শিক্ষাৰ্থীৰ নামভৰ্তিৰ সংখ্যা যথেষ্ট কম। ইয়াৰ পৰিপ্ৰেক্ষিততে মুখ্যমন্ত্ৰীয়ে ৰাজ্যত জ্ঞান আৰু প্ৰজ্ঞাৰ পৰিৱেশ সৃষ্টিৰে শিক্ষাৰ্থীসমাজৰ মাজত এনে শিক্ষানুষ্ঠানসমূহত নামভৰ্তি কৰাৰ বাবে আগ্ৰহ বৃদ্ধিৰ দিশত পদক্ষেপ লোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ভাষণত টেক চিটি, গুৱাহাটীত স্থাপিত ডিজিটেল ডিজাইন আৰু অত্যাধুনিক থ্ৰী-ডি প্ৰিণ্টিং কেন্দ্ৰটোৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই কেন্দ্ৰটোৰ জৰিয়তে চিকিৎসাখণ্ড, উদ্যোগখণ্ড, বিমান পৰিবহণ আদিকেলৈ ধৰি বিভিন্ন খণ্ডৰ বাবে প্ৰয়োজনীয় বিভিন্ন সঁজুলি আদি থ্ৰী-ডি প্ৰিণ্টিং ব্যৱস্থাৰে নিৰ্মাণ কৰিব পৰা যাব। অসম আজি প্ৰযুক্তিৰ এক নতুন দিগন্তলৈ যাত্ৰা কৰিবলৈ সক্ষম হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। উল্লেখযোগ্য যে পিএম-ডিভাইন আঁচনিৰ অধীনত গুৱাহাটীৰ টেক চিটিত ডিজিটেল ডিজাইন আৰু অত্যাধুনিক থ্ৰী-ডি প্ৰিণ্টিং কেন্দ্ৰটো স্থাপন কৰা হৈছে। উত্তৰ-পূব পৰিষদৰ সহযোগত আমট্ৰনে ৰূপায়ণ কৰা এই প্ৰকল্পটোৰ বাবদ মুঠ ব্যয় হৈছে ৫৩.৮৪ কোটি টকা। ইতিমধ্যে প্ৰায় ৮৮০ জন লোকক এই কেন্দ্ৰৰ জৰিয়তে প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। আজিৰ এই অনুষ্ঠানত শিক্ষা, তথ্য-প্ৰযুক্তি আদি বিভাগৰ মন্ত্ৰী ড° ৰণোজ পেগু, পলাশবাৰী সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্য, আমট্ৰনৰ অধ্যক্ষ তথা প্ৰাক্তন বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, আই আই এম আহমেদাবাদ তথা গুৱাহাটীৰ সঞ্চালক অধ্যাপক ভাৰত ভাস্কৰৰ উপৰি মুখ্য সচিব ড° ৰৱি কোটাক ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া তথা গণ্যমান্য ব্যক্তি উপস্থিত থাকে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে পলাশবাৰী সমজিলা আয়ুক্তৰ নতুন সংহত কাৰ্যালয় ভৱনৰ ভূমি পূজন তথা আধাৰশিলা স্থাপন কৰে। প্ৰায় ২০ কোটি টকা ব্যয়েৰে এই কাৰ্যালয় ভৱনটো নিৰ্মাণ কৰা হ'ব। এই সংহত কাৰ্যালয় ভৱনটোত ৰাজহ চক্ৰ বিষয়া, কোষাগাৰ বিষয়া আদিকেলৈ ধৰি কেইবাটাও বিভাগৰ বিষয়াৰ কাৰ্যালয় সংলগ্ন হৈ থাকিব। এই উপলক্ষে মুখ্যমন্ত্ৰীয়ে কয় যে এই সংহত কাৰ্যালয় ভৱনটো নিৰ্মাণ হৈ উঠিলে পলাশবাৰী ৰাইজে আমিনগাঁৱলৈ নোযোৱাকৈ অতি সহজে চৰকাৰী সেৱাসমূহ লাভ কৰিবলৈ সক্ষম হ'ব। এই অনুষ্ঠানত শিক্ষা, তথ্য-প্ৰযুক্তি আদি বিভাগৰ মন্ত্ৰী ড° ৰণোজ পেগু, পলাশবাৰী সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্যকে ধৰি কেইবাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

## মুক্তিৰ পূৰ্বে চৰ্চাত 'ঐ পুলিচ'ৰ ট্ৰেইলাৰ

'ঐ পুলিচ' ছবিখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছে ছুপাৰষ্টাৰ ৰবি শৰ্মা আৰু অমৃতা গগৈয়ে। লক্ষ্যণীয় যে ছবিপ্ৰেমিৰ দ্বাৰা সমাদৃত ছবি 'শ্ৰী ৰঘুপতি'ৰ পিছত এই ছবিৰ জৰিয়তে পুনৰ এবাৰ দৰ্শকৰ বাবে উভতি আহিছে ৰবি শৰ্মা আৰু নতুন প্ৰজন্মৰ জনপ্ৰিয় পৰিচালক সুব্ৰত (সুব) কাকতি। ট্ৰেইলাৰ উন্মোচনৰ পাছত উপস্থিত সকলক সম্বোধন কৰি ছুপাৰষ্টাৰ ৰবি শৰ্মাই কয়— প্ৰতিখন ছবিয়েই বিশেষ। কিন্তু 'ঐ পুলিচ'ক লৈ উৎসাহ একেবাৰেই বেলেগ। ট্ৰেইলাৰ উন্মোচনৰ পাছত আজি দৰ্শকৰ পৰা লাভ কৰা মৰমে আমাক আপ্লুত কৰিছে। ইয়াৰ পৰাই বুজা যায়, ছবিখন ছবিগৃহত চাবলৈ দৰ্শক আগ্ৰহেৰে অপেক্ষা কৰি আছে। মোৰ আন্তৰিক আশা, অহা ৭ আগষ্টত 'ঐ পুলিচ'য়ে পৰিয়ালৰ সকলো সদস্যক মনোৰঞ্জন প্ৰদান কৰাৰ লগতে দৰ্শকক আৰু এক স্মৰণীয় চলচ্চিত্ৰ অভিজ্ঞতা উপহাৰ দিব। ছবিখনৰ বিষয়ে পৰিচালক সুব্ৰত (সুব) কাকতিয়ে কয়— আৰম্ভণিৰে পৰাই আমাৰ লক্ষ্য আছিল এনে এখন সম্পূৰ্ণ মনোৰঞ্জনধৰ্মী ছবি নিৰ্মাণ কৰা, যিখন ছবি পৰিয়ালৰ সকলোকে লগত লৈ ছবিগৃহত উপভোগ কৰিব পাৰি। বৰ্তমান আঞ্চলিক চলচ্চিত্ৰৰ পৰা দৰ্শকৰ প্ৰত্যাশা যথেষ্ট বৃদ্ধি পাইছে। সেই কথা মনত ৰাখিয়েই চিত্ৰনাট্য, অভিনয়, সংগীত আৰু দৃশ্যায়নৰ প্ৰতিটো দিশত আমি বিশেষভাৱে কাম কৰিছোঁ। ট্ৰেইলাৰত কেৱল ছবিখনৰ এক আভাসহে দেখা গৈছে। সম্পূৰ্ণ ছবিখনত দৰ্শকৰ বাবে এতিয়াও বহু চমক অপেক্ষা কৰি আছে। ছবিখনত ৰবি শৰ্মাৰ বিপৰীতে মুখ্য চৰিত্ৰত অভিনয় কৰা জনপ্ৰিয় অভিনেত্ৰী অমৃতা গগৈয়ে কয় যে ট্ৰেইলাৰ উন্মোচনী অনুষ্ঠানত লাভ কৰা সঁহাৰিয়ে অসমীয়া চলচ্চিত্ৰৰ প্ৰতি দৰ্শকৰ অটুট ভালপোৱাক পুনৰ এবাৰ স্পষ্ট কৰি তুলিছে। তেওঁ কয়— ট্ৰেইলাৰক লৈ দৰ্শকৰ ইতিবাচক সঁহাৰিয়ে আমাক নতুন আত্মবিশ্বাস দিছে। ইয়াৰ পৰাই এই কথা স্পষ্ট হৈ পৰিছে যে ভাল কাহিনীয়ে আজিও দৰ্শকৰ হৃদয় স্পৰ্শ কৰে। ৰবি দাৰ সৈতে অভিনয় কৰা আৰু সুব্ৰতৰ পৰিচালনাত কাম কৰাটো মোৰ বাবে এক অনন্য শিক্ষণীয় অভিজ্ঞতা। ছবিগৃহত দৰ্শকে সম্পূৰ্ণ ছবিখন চোৱাৰ মুহূৰ্তলৈ এতিয়া মই অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছোঁ। প্ৰণিধানযোগ্য যে, 'শ্ৰী ৰঘুপতি'ৰ সফলতাৰ পাছত পুনৰ ডাঙৰ পৰ্দাত একেলগে কাম কৰিছে ৰবি শৰ্মা, সুব্ৰত কাকতি আৰু প্ৰণয় দত্তই। ট্ৰেইলাৰ উন্মোচনৰ পিছৰে পৰা ছবিখনক লৈ দৰ্শকৰ মাজত যথেষ্ট উৎসাহৰ সৃষ্টি হৈছে। সেই উৎসাহক সঙ্গী কৰিয়েই অহা ৭আগষ্টত ছবিগৃহলৈ আহিব 'ঐ পুলিচ'। এই পূৰ্ণদৈৰ্ঘ্যৰ ছবিখনে অসমীয়া দৰ্শকক এক সম্পূৰ্ণ মনোৰঞ্জনধৰ্মী চলচ্চিত্ৰৰ অভিজ্ঞতা প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰিছে ছবিখনৰ সৈতে জড়িত প্ৰযোজক, পৰিচালক আৰু কলা-কুশলীসকলে।

## কাৰ্বি পাহাৰৰ পৰা নামি অহা

কামপুৰ ৰাজহ খণ্ডৰ তেঁতেলিসৰা পঞ্চায়তৰ পৰা হাৰিয়া নামেৰে পশ্চিমলৈ গতি কৰি চাপৰমুখত কপিলীত চামিল। ইতিমধ্যে শেহতীয়াকৈ নিশাৰী তথা হাৰিয়ানৈ খন ভয়াবহ ভাবে ওফন্দি পৰিছে। নিশাৰী গৰুবন্ধা প্লাবিত কৰিছ আৰু সেই ঠাইত স্থানীয় বিধায়কক মথাউৰী নিৰ্মাণৰ বহু দাবী কৰাৰ পৰিপ্ৰেক্ষিতটো নিৰ্মাণ নকৰাত ভেলৌগুৰি পঞ্চাৰতত এতিয়া ব্যাপক বানৰ পানী লগতে কঠীয়াতলী পঞ্চায়ত, নিজ কঠীয়াতলী পঞ্চায়ত , ৰাঙলু পঞ্চায়ত , তেঁতেলিসৰা পঞ্চায়তলৈও বানে ভয়াবহতা নমাই আনিছে। কৃষক ৰাইজে খৰাঙ বতৰকো নেওচাদি হাজাৰ হাজাৰ একৰ কৃষি ভূমিত কৃষি কৰ্মৰ বাবে পানী সিঁচি সিঁচি যি কঠীয়া পাৰিছিল সেয়া কৃষকৰ সমুদায় কঠীয়া প্ৰথমটো শাওঁনীয়া বানত বিনষ্ট হোৱাৰ আশংকাই চিন্তিত কৰি তুলিছে। ৰাইজে স্থানীয় বিধায়ক জিু গোস্বামীক বৃহত্তৰ কৃষকৰ বাবে কঠীয়া যোগাৰ কৰাৰ ওপৰত গুৰুত্ব দিবলৈ দাবী জনাইছে । লগতে কোনো কৃপনালি বিহনে বান দুৰ্গতক খাদ্য যোগান ধৰা আৰু পতিতক উদ্ধাৰৰ হকে ব্যৱস্থা তৰান্নিত কৰাৰো জনপ্ৰতিনিধি জনক সতৰ্ক কৰি দিছে।

## প্ৰত্যাহ্বান নেওচি মেধাবী ছাত্ৰ-ছাত্ৰীয়ে

বিদ্যালয় মহাবিদ্যালয় সমূহৰ অধ্যক্ষ আৰু প্ৰধান শিক্ষক সকলক জাপি গামোচা, সম্বৰ্ধনা পত্ৰ আৰু স্মাৰকে সম্বৰ্ধনা জ্ঞাপন কৰা হয় । পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি মিৰ্জা আৰিফ আলমৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাত স্বাগত ভাষণ আগবঢ়াই পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদক মাধুৰ্য ময়ূৰ বৰাই । ইয়াৰ পিছতে বিশেষ অভিনন্দন অনুষ্ঠানটি উদ্বোধক হিচাপে উপস্থিত থকা অসম

## বানৰ কবলত ৰাজ্যৰ ১১ জিলাৰ ৩৬ ৰাজহ চক্ৰ

কৃষিভূমি পানীৰ তলত। ৫২টা সাহায্য শিবিৰ খোলা হৈছে। সাহায্য শিবিৰত আশ্ৰয় লৈছে ১২,৭২০গৰাকী লোকে। বানৰ ফলত ৰজন লোকৰ মৃত্যু (চৰাইদেউ জিলাত)। নাৱেৰে ৯,১৬০ জন লোকক উদ্ধাৰ কৰা হৈছে। কামৰূপ মহানগৰৰ সাতগাঁও (হাতীগাঁও LFS স্কুলৰ সন্মুখ), সাউকুচি, নটবমা, বৰাগাঁও, মালিগাঁও আৰু চানমাৰিত নগৰীয়া বানৰ সৃষ্টি হৈছে। কামৰূপ জিলাৰ উত্তৰ গুৱাহাটী ৰাজহ চক্ৰৰ ১, ৪, ৫ আৰু ৬ নম্বৰ ৱাৰ্ডতো নগৰীয়া বানৰ খবৰ পোৱা গৈছে। আজিৰ পুৱাপৰ্যন্ত নতুনকৈ কোনো ভূমিস্খলনৰ ঘটনা সংঘটিত হোৱা নাই। অৱশ্যে কালি সন্ধিয়া কামৰূপ মহানগৰৰ গোটানগৰ, কামাখ্যা, গড় পাণ্ডু কুমাৰপাৰা গাঁও আৰু মালিগাঁও অঞ্চলত ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছিল। এন ডি আৰ এফৰ ৬টা দলে শচমুঠ ২২৭ জন কৰ্মী, ২৮খন নাও) শিৱসাগৰ আৰু চৰাইদেউ জিলাত উদ্ধাৰ অভিযান চলাই আছে। যোৰহাট জিলাত এন ডি আৰ এফৰ ২টা দলে (৬৫ জন কৰ্মী, ১২খন নাও) উদ্ধাৰ অভিযানত নিয়োজিত। এন ডি আৰ এফৰ বিভিন্ন দলে ৬২খন নাওসহ চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাত উদ্ধাৰ অভিযান চলাই আছে। শিৱসাগৰ জিলাত বানৰ পৰিস্থিতি অত্যন্ত সংকটজনক হৈ পৰিছে। জিলাখনৰ ন-পাম গাঁৱত এক অতি হৃদয়বিদাৰক ঘটনা সংঘটিত হৈছে। খেতি কৰিবলৈ পৰিয়ালসহ ন-পাম গাঁৱত আশ্ৰয় লোৱা ডিমৌ সমষ্টিৰ দিখৌ শইকীয়া বিলৰ স্থায়ী বাসিন্দা বিশাল পাণ্ডৱ আৰু সাবিত্ৰী পাণ্ডৱৰ ৩ বছৰীয়া কন্যা শিশুটি বাঢ়নী পানীত পৰি কৰুণ মৃত্যুক সাবটি লয়। আনফালে, কেন্দ্ৰীয় জল ব'ৰ্ডৰ তথ্য অনুসৰি শিৱসাগৰত দিচাং নৈৰ জলস্তৰ নিশাৰ তুলনাত পুৱা পুনৰ বৃদ্ধি পাইছে। বৰ্তমান দিচাং নৈ বিপদসীমাৰ চ.ৰচ মিটাৰ ওপৰেৰে বৈ আছে, যাৰ ফলত সমগ্ৰ অঞ্চলটোত তীব্ৰ আতংকৰ সৃষ্টি হৈছে। যোৰহাট জিলাত বানৰ বিভীষিকাই চৰম পৰ্যায় পাইছেগৈ। জিলাখনৰ ৫টা ৰাজহ চক্ৰৰ ১৬২খন গাঁও পানীত উপচি পৰিছে আৰু ৫০,৯৮৭ ৰো অধিক লোক গৃহহীন তথা দুৰ্দশাগ্ৰস্ত হৈ পৰিছে। যোৰহাটত বানৰ ফলত ইতিপূৰ্বে ৪ জন লোকে প্ৰাণ হেৰুৱাইছে। প্ৰশাসনৰ তৰফৰ পৰা বানপীড়িতসকলৰ বাবে ৩টা আশ্ৰয় শিবিৰ নিৰ্মাণ কৰাৰ লগতে ৩০টা সাহায্য বিতৰণ কেন্দ্ৰ খোলা হৈছে।

## আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত অসমীয়া ছবি 'ৰ'দৰ পাখি'লৈ জুৰীৰ বিশেষ সন্মান

এই স্বীকৃতিয়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱসমূহত ছবিখনৰ সফল যাত্ৰাত আন এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে চিহ্নিত কৰিব। ড° ববি শৰ্মা বৰুৱাৰ পৰিচালনাত নিৰ্মিত 'ৰ'দৰ পাখি' (মৰ্ণিং চানছাইন) লেখিকা শৰ্মিষ্ঠা প্ৰীতম-ৰ বাস্তৱ জীৱনৰ পৰা অনুপ্ৰাণিত। কম বয়সতে স্পাইনেল মাস্কুলাৰ এট্ৰফি মেৰুদণ্ডজনিত পেশী দুৰ্বলতা ৰোগত আক্ৰান্ত অসমৰ এগৰাকী উচ্চাকাংক্ষী সাহিত্যিক জ্যোতিক কেন্দ্ৰ কৰি ছবিখন নিৰ্মাণ কৰা হৈছে। তীব্ৰ শাৰীৰিক প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ পিছতো স্বাধীন ভাৱে জীৱন গঢ়ি তোলাৰ লগতে নিজৰ সপোন পূৰণৰ অবিচল প্ৰয়াসেই ছবিখনৰ আৱেগিক মূল বিষয়বস্তু। এই স্বীকৃতিত আনন্দ প্ৰকাশ কৰি ড° ববী শৰ্মা বৰুৱাই কয়— আমাৰ ছবিখনে জুৰী স্পেচিয়েল মেনচন- ছুপাৰ মামা বঁটা লাভ কৰাত এই যাত্ৰা আৰু অধিক অৰ্থপূৰ্ণ হৈ পৰিল। আন্তঃৰাষ্ট্ৰীয় মঞ্চত এই স্বীকৃতি লাভ কৰাটো আমাৰ সমগ্ৰ দলটোৰ বাবে এক গৌৰৱ আৰু স্মৰণীয় মুহূৰ্ত। তেওঁ লগতে কয়— এই সন্মান আমাৰ নিষ্ঠাৱান অভিনয়শিল্পী আৰু কাৰিকৰী দলৰ প্ৰতিগৰাকী সদস্যৰ, যাৰ নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমৰ ফলতেই এই কাহিনীয়ে জীৱন্ত ৰূপ লাভ কৰিছে। আমাৰ শুভাকাংক্ষী, বন্ধু-বান্ধৱ আৰু সদায় সাহস যোগোৱা প্ৰতিগৰাকী ব্যক্তিলৈও আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।আপোনালোকৰ মৰম, প্ৰাৰ্থনা আৰু অহৰহ সমৰ্থনে এই যাত্ৰা সম্ভৱ কৰি তুলিলে। মস্কোত এই সন্মান লাভ কৰাৰ পূৰ্বেই 'ৰ'দৰ পাখি'এ বিভিন্ন সন্মানীয় চলচ্চিত্ৰ মহোৎসৱত এক দৃঢ় উপস্থিতি প্ৰতিষ্ঠা কৰিছিল। ছবিখন প্ৰথমে এনএফডিচি ফিল্ম বাজাৰ ক'-প্ৰডাকচন মাৰ্কেটত নিৰ্বাচিত হোৱাৰ পাছত ২০২৪ চনত গোৱাত অনুষ্ঠিত ৫৫তম সংখ্যক ভাৰতীয় আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ ইণ্ডিয়ান পেনোৰামা শিতানত ছবিখনৰ প্ৰদৰ্শনী কৰা হৈছিল। ইয়াৰ পিছত ২০২৫ চনত ছবিখন মুম্বাইৰ ২৭তম থাৰ্ড আই এছিয়ান ফিল্ম ফেষ্টিভেল-ৰ এছিয়ান স্পেকট্ৰাম শাখা, ২৩ সংখ্যক পুনে আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ, আৰু ১৬ সংখ্যক বেংগালুৰু আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ ভাৰতীয় প্ৰতিযোগিতা শিতানলৈ নিৰ্বাচিত হয়। ইয়াৰ উপৰিও ইণ্ডিয়ান ফিল্ম ফেষ্টিভেল অৱ মেলবৰ্ণ, ২০ সংখ্যক থ্ৰিছুৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ, আৰু কানাডাৰ মোজেইক আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱতো ছবিখন নিৰ্বাচিত হৈছিল। ২০২৬ চনত মস্কোৰ ইণ্টাৰনেশ্যনেল ফিল্ম ফেষ্টিভেল মেড বাই উইমেনত নিৰ্বাচন আৰু এই স্বীকৃতি লাভৰ জৰিয়তে ছবিখনৰ আন্তঃৰাষ্ট্ৰীয় যাত্ৰাই আৰু অধিক বিস্তৃতি লাভ কৰিলে। বসন্ত কুমাৰ বৰুৱা, ড° ববি শৰ্মা বৰুৱা আৰু সুলক্ষণা বৰুৱা-ই প্ৰযোজনা কৰা ৰ'দৰ পাখি' (মৰ্ণিং চানছাইন) ছবিখনত সুলক্ষণা বৰুৱা, কমল লোচন, অৰুণ নাথ আৰু বীণা পটংগীয়া-ই গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰিছে। ড° ববি শৰ্মা বৰুৱাই কয় যে এই শেহতীয়া সন্মানে দলটোক সংস্কৃতি আৰু ভৌগোলিক সীমাৰ সিপাৰে দৰ্শকৰ সৈতে সংযোগ স্থাপন কৰিব পৰা মূল্যবোধেৰে সমৃদ্ধ চলচ্চিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত নতুন উৎসাহ যোগাব। তেওঁ কয়— এই সন্মানে আমাৰ হৃদয় চুই যোৱা আৰু ভৌগোলিক সীমা অতিক্ৰম কৰি সকলোৰে সৈতে সংযোগ স্থাপন কৰিব পৰা কাহিনী ক'বলৈ অনুপ্ৰাণিত কৰিলে। হৃদয়ৰ অন্তঃস্থলৰ পৰা সকলোকে ধন্যবাদ জনাইছোঁ। মস্কোত লাভ কৰা এই জুৰী স্পেচিয়েল মেনচন-এ 'ৰ'দৰ পাখি'ৰ আন্তঃৰাষ্ট্ৰীয় যাত্ৰাক অধিক শক্তিশালী কৰাৰ লগতে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থপূৰ্ণ চলচ্চিত্ৰক অধিক স্বীকৃতি প্ৰদান কৰিছে।

## মৃতকৰ পৰিয়ালৰ ঘৰত ৰাজহ মন্ত্ৰী

বাগিচাখনৰ বৰলাইনস্থিত দুয়োগৰাকী কিশোৰীৰ ঘৰলৈ গৈ শোকসন্তপ্ত পৰিয়ালক দেখা কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে ৰাজ্য চৰকাৰৰ হৈ সমবেদনা জনায়। দুৰ্ভগীয়া পৰিয়াল দুটাক সাক্ষাতৰ সময়ত মন্ত্ৰীগৰাকীৰ সৈতে তিতাবৰৰ বিধায়ক ধীৰাজ গোৱালা, যোৰহাটৰ জিলা আয়ুক্ত জয় শিৱানী আৰু তিতাবৰৰ সমজিলা আয়ুক্ত প্ৰীতম কুমাৰ দাসো উপস্থিত থাকে। শোকাকুল পৰিয়ালক সাক্ষাতৰ সময়ত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী মহন্তই অসম চৰকাৰৰ ফালৰ পৰা দুয়োগৰাকী কিশোৰীৰ দুৰ্ভগীয়া পৰিয়াললৈ ৪ লাখ টকাকৈ এককালীন সাহাৰ্য প্ৰদানৰ ব্যৱস্থা কৰাৰ বিষয়েও পৰিয়ালৰ সদস্যক অৱগত কৰে। তিতাবৰৰ বিধায়ক আৰু সমজিলা আয়ুক্তই কাইলৈৰ ভিতৰতে কিশোৰী দুগৰাকীৰ ঘৰলৈ আহি এই এককালীন সাহাৰ্যৰ চেক পৰিয়ালক প্ৰদান কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। ইফালে, চাহ বাগিচাখনত সংঘটিত কালিৰ এই একেটা শোকাবহ ঘটনাতে ছোনিয়া পাহাৰীয়া আৰু সুস্মিতা মিৰ্ধাৰ সৈতে থকা ববীতা চেত্ৰী (১৫ বছৰ) নামৰ আন এগৰাকী কিশোৰীও বৰজানৰ বাঢ়নি পানীত ডুব গৈছিল যদিও সৌভাগ্যক্ৰমে তেওঁক উদ্ধাৰ কৰিব পৰা হয়। বৰ্তমান যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ থকা কিশোৰীগৰাকীৰ অৱস্থা ক্ৰমশঃ উন্নতি ঘটিছে। ৰাজহ মন্ত্ৰীগৰাকীয়ে আজি নাৰায়নপুৰ পাণবাৰী চাহ বাগিচাৰ বৰলাইনতে থকা ববীতা চেত্ৰীৰ ঘৰলৈও গৈ তেওঁৰ পৰিয়ালৰ খবৰ লয়। বৰ্তমান যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন কিশোৰীগৰাকীৰ চিকিৎসাৰ সম্পূৰ্ণ ব্যয় চৰকাৰৰ ফালৰ পৰাই বহন কৰাৰ ব্যৱস্থা লোৱাৰ বিষয়ে মন্ত্ৰী মহন্তই তেওঁৰ পিতৃ-মাতৃক অৱগত কৰে।

## পত্নীক নিৰ্যাতন চলাই গ্ৰেপ্তাৰ জোৱান

কৰা এজাহাৰত উল্লেখ কৰা অনুসৰি স্বামীৰ অত্যাচাৰৰ বাবে মহিলাগৰাকীৰ পিতৃয়ে হৰিদেৱ দাসক যৌতুক হিচাপে নগদ ২ লাখ টকা প্ৰদান কৰিছিল । ইয়াৰ পাছতো মহিলাগৰাকীক অকথ্য নিৰ্যাতন চলাই আহিছিল ২৮নং অসম আৰক্ষী বাহিনীৰ জোৱান হৰিদেৱ দাসে । ২০১৮ চনত তেওঁলোকৰ সংসাৰলৈ আহে কন্যা সন্তান এগৰাকী । ২০২১ চনত পুনৰ তেওঁলোকৰ এটা পুত্ৰ সন্তান জন্ম হয় । তাৰ পাছতো স্বামীয়ে অত্যাচাৰ চলাই অহাত অত্যাচাৰ সহিব নোৱাৰি দুই সন্তানৰ মহিলাগৰাকীয়ে উপায়ন্তৰ হৈ ২০২১ চনৰ শেষৰপিনে দুই সন্তানক লগত লৈ পিতৃগৃহলৈ গুচি যায় । তেতিয়াৰে পৰা স্বামী হৰিদেৱ দাসে পত্নীসহ দুই সন্তানৰ খা- খবৰ লোৱাৰ পৰা দূৰৈত থাকে । পৰৱৰ্তী সময়ত অন্য এগৰাকী যুৱতীৰ সৈতে প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠে হৰিদেৱ দাসৰ। এই অভিযোগ মহিলাগৰাকীৰ । স্বামীৰ সৈতে পত্নীৰ সম্পৰ্ক ক্ৰমাৎ হ্ৰাস পোৱাত ২০২৪ চনত পত্নীয়ে ন্যায় বিচাৰি অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়লৈ যোৱাত স্বামীৰ মাহিলী দৰমহাৰ পৰা মহিলাগৰাকীয়ে কিছু আৰ্থিক সহায় লাভ কৰে যদিওবা বিশেষ সঁহাৰি নাপালে মহিলাগৰাকীয়ে। পৰৱৰ্তী সময়ত ২০২৪ চনত মহিলাগৰাকীয়ে নলবাৰীৰ পাৰিবাৰিক আদালতত গোচৰ ৰুজু কৰে । আদালতত গোচৰ চলি থকাৰ মাজতেই মহিলাগৰাকীক বিবাহ বিচ্ছেদ (ডিভোৰ্চ) কৰিবলৈ হেঁচা প্ৰয়োগ কৰে স্বামীয়ে । শেহতীয়াভাৱে দুৰ্ভগীয়া মহিলাগৰাকীয়ে ন্যায় বিচাৰি সন্তানসহ মুখ্যমন্ত্ৰীৰ ওচৰ পায়গৈ । নলবাৰীৰ দৌলাশালস্থিত চতুৰ্দশ অসম আৰক্ষী বাহিনীৰ সদৰ কাৰ্যালয়ত ১২ জুলাইত অনুষ্ঠিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যসূচীত মহিলাগৰাকীয়ে মুখ্যমন্ত্ৰীক স্বামীৰ বিৰুদ্ধে অভিযোগ দাখিল কৰে । মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মহিলাগৰাকীৰ অভিযোগ গুৰুতৰ সহকাৰে লৈ নলবাৰীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাসক ঘটনা সন্দৰ্ভত গোচৰ ৰুজু কৰিবলৈ নিৰ্দেশ দিয়ে । মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পিছতেই ভুক্তভোগী মহিলাগৰাকীৰ এজাহাৰৰ ভিত্তিত ১৩ জুলাইত মুকালমুৱা থানাত গোচৰ ৰুজু কৰি অসম আৰক্ষীৰ জোৱান হৰিদেৱ দাসক কৰ্তব্যস্থলীৰ দৌলাশাল আৰক্ষীয়ে আটক কৰে । পত্নী নিৰ্যাতনকাৰী হৰিদেৱ দাসক ১৪ জুলাইত গ্ৰেপ্তাৰ কৰি সেইদিনাই নলবাৰী আদালতত হাজিৰ কৰোৱাত আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে আৰক্ষী জোৱানজনক । সম্প্ৰতি এই ঘটনাই সামাজিক মাধ্যমত ব্যাপক চৰ্চা লাভ কৰিছে ।

## সোণম ৱাংচুকক মেডাণ্টা হাস্পতাললৈ স্থানান্তৰৰ নিৰ্দেশ দিল্লী হাইক'ৰ্টৰ

এই সন্দৰ্ভত শুনানি গ্ৰহণ কৰি দিল্লী উচ্চ ন্যায়ালয়ে কয় যে, ৱাংচুকক মেডাণ্টা হাস্পতাললৈ স্থানান্তৰ কৰা হ'ব আৰু তাত চিকিৎসকৰ এক বিশেষ পেনেলে তেওঁৰ চিকিৎসাৰ দায়িত্ব ল'ব। ন্যায়ালয়ে লগতে নিৰ্দেশ দিয়ে যে ছফদৰজং হাস্পতালত ইতিমধ্যে সম্পন্ন হোৱা সকলো চিকিৎসা নথি, পৰীক্ষাৰ প্ৰতিবেদন আৰু আন আন তথ্য মেডাণ্টা হাস্পতালক প্ৰদান কৰিব লাগিব। শুনানিৰ সময়ত বিচাৰপীঠে মন্তব্য কৰে—আমি তেওঁক মেডাণ্টালৈ স্থানান্তৰ কৰাৰ প্ৰস্তাৱ ৰাখিছোঁ। তাতেই তেওঁৰ চিকিৎসা চলিব। ছফদৰজঙত সম্পন্ন হোৱা সকলো চিকিৎসা-সম্পৰ্কীয় তথ্য, প্ৰতিবেদন আৰু নথি মেডাণ্টাক যোগান ধৰা হ'ব। উল্লেখ্য যে ছোনম ৱাংচুকৰ পত্নী গীতাঞ্জলি জে আংমোৱে দিল্লী উচ্চ ন্যায়ালয়ত এক আবেদন দাখিল কৰি তেওঁৰ স্বামীৰ স্বাস্থ্যৰ অৱনতিৰ কথা উল্লেখ কৰি ছফদৰজং হাস্পতালৰ পৰা মেডাণ্টা হাস্পতাললৈ স্থানান্তৰৰ দাবী জনাইছিল। আবেদনত কোৱা হৈছিল যে যন্তৰ মন্তৰত দীৰ্ঘদিনীয়া অনশনৰ ফলত ৱাংচুকৰ শাৰীৰিক অৱস্থা সংকটজনক হৈ পৰিছে আৰু উন্নত চিকিৎসাৰ প্ৰয়োজন।

## ৰূপহীহাট- চামগুৰিত ৪৫ সহস্ৰাধিক

মহিলা হিতাধিকাৰীৰ মাজত ১০,০০০ টকাৰ চেক আনুষ্ঠানিকভাৱে বিতৰণ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী চিন্তাৰ ফচল এই যুগান্তকাৰী আঁচনিয়ে দৰিদ্ৰ তথা পিছপৰা শ্ৰেণীৰ মহিলাসকলক বহনক্ষম জীৱিকা গঢ়ি তুলিবলৈ আৰু ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশত সক্ৰিয়ভাৱে অৱদান যোগাবলৈ সক্ষম কৰি তুলিছে। তেওঁ উল্লেখ কৰে যে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান, নিযুত মইনা আৰু অৰুণোদয়ৰ দৰে আঁচনিসমূহে মহিলাসকলক বিনামূলীয়া শিক্ষা, ক্ষুদ্ৰ ব্যৱসায় প্ৰতিষ্ঠাৰ বাবে প্ৰাৰম্ভিক মূলধন আৰু প্ৰত্যক্ষ আৰ্থিক সাহায্য প্ৰদান কৰি সমাজত তেওঁলোকৰ এক মৰ্যদাপূৰ্ণ জীৱন নিশ্চিত কৰিছে। কোনো ধৰণৰ বৈষম্য নোহোৱাকৈ ৰাজ্যৰ সকলো অঞ্চল আৰু সমাজৰ সকলো শ্ৰেণীৰ সমবিকাশৰ বাবে ৰাজ্য চৰকাৰৰ দৃঢ় সংকল্পৰ কথা দোহাৰি মন্ত্ৰী হাজৰিকাই প্ৰাৰম্ভিক ১০,০০০ টকাৰ মূলধন সঠিকভাৱে ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। তেওঁ সকলো মহিলা হিতাধিকাৰীক নিজৰ ব্যৱসায় গঢ়ি তোলাৰ বাবে এই আৰ্থিক সাহায্য ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিবলৈ আহ্বান জনায় যাতে তেওঁলোকে আঁচনিখনৰ অধীনত পৰৱৰ্তী পৰ্যায়ৰ ২৫,০০০ আৰু ৫০,০০০ টকা লাভ কৰিবলৈ যোগ্য বিবেচিত হয়। বিশ্বৰ উন্নত দেশসমূহত কৰ্মক্ষেত্ৰত মহিলাৰ অধিক অংশগ্ৰহণৰ উদাহৰণ দাঙি ধৰি মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ মহিলাসকলক অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'বলৈ আৰু অসমৰ অৰ্থনীতিত অধিক অৱদান আগবঢ়াবলৈ এই চৰকাৰী পদক্ষেপসমূহৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। নগাঁও সংসদীয় সমষ্টিৰ উন্নয়ন ত্বৰান্বিত কৰাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি মন্ত্ৰী হাজৰিকাই ৰাইজক বৰ্তমানৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক সমৰ্থন জনাবলৈ আহ্বান জনায় যাতে আন্তঃগাঁথনি, শিক্ষা, স্বাস্থ্য আৰু মহিলা সৱলীকৰণৰ ক্ষেত্ৰত দ্ৰুতগতিত সৰ্বাংগীণ উন্নয়ন সাধন কৰিব পৰা যায়। চৰকাৰী পদক্ষেপসমূহৰ পৰা ৰাইজে যাতে সৰ্বাধিক লাভালাভ আদায় কৰিব পাৰে তাৰ বাবে জনপ্ৰতিনিধি নিৰ্বাচনৰ ক্ষেত্ৰত অধিক সজাগ হ'বলৈকো তেওঁ নাগৰিকসকলক আহ্বান জনায়। আজিৰ দুয়োখন সভাতে বঢ়মপুৰৰ বিধায়ক জিতু গোস্বামী, নগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাকে ধৰি আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## আদালতৰ মজিয়াত জুবিন গাৰ্গক

গ'ল, সমগ্ৰ বিশ্বত চিনাকি কৰি গ'ল, সমগ্ৰ জীৱনটো কামেই কৰি গ'ল সেই মানুহজনক কেৱল সুৰাপায়ী বুলি প্ৰমাণ কৰিবলৈ অপ্ৰাণ চেষ্টা চলিছে। তেওঁ যদি ইমানে সুৰাপান কৰিছিল, তেওঁ গানৰ সৃষ্টি কেতিয়া কৰিছিল, চিনেমাৰ কাম কেতিয়া কৰিছিল, মানুহক সহায় কেতিয়া কৰিছিল, প্ৰ'গ্ৰেম কেতিয়া কৰিছিল। গোটেই জীৱনজুৰি কাম কেতিয়া কৰিছিল। অসমৰ প্ৰতিগৰাকী পৰিয়ালৰ মানুহে কিয় ভাল পায়? এগৰাকী সুৰাপায়ীক মানুহে ইমান ভাল নাপায়? জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰে লগতে কয় যে তেওঁৰ গোটেই সৃষ্টি আৰু কামখিনি উপেক্ষা কৰিছে। এই গোটেই কথাটো মই দুখ পাইছো। জুবিন গাৰ্গৰ সমগ্ৰ কাম আৰু সত্তাটো বাদ দি ২৪ ঘণ্টাই যেন সুৰাপান কৰে সেই কথাটোকে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে। মই সেই কথাটো বৰ দুখ পাইছো। এই কাম কৰিছে অভিযুক্তৰ অধিবক্তাই। অসমৰে উকীলে, মই আচৰিত, তেওঁলোকে কিয় এনেকুৱা কৰিছে।"

## সংসদৰ অধিৱেশনৰ পূৰ্বে ৰাহুলক কটাক্ষ

দেশৰ নতুন বেচৰকাৰী মহাকাশ সংস্থা 'স্কাইৰুট এৰ'স্পেচ'ৰ প্ৰসংগ উত্থাপন কৰি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ কয় যে সংস্থাটোৰ অধিকাংশ কৰ্মচাৰীয়েই যুৱ প্ৰজন্মৰ। মোদীৰ ভাষাত, স্কাইৰুটৰ সমগ্ৰ টীমটোৰ গড় বয়স মাত্ৰ ২৮ বছৰ। ইয়াৰ পিছতেই ৰাহুল গান্ধীৰ নাম উল্লেখ নকৰাকৈ মোদীয়ে কটাক্ষ কৰি কয়— মই কিন্তু ৫৬ বছৰীয়া কোনো যুৱকৰ কথা কোৱা নাই। ভাৰতৰ বেচৰকাৰী মহাকাশ খণ্ডৰ ক্ৰমবৰ্ধমান সক্ষমতাৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে 'বিক্ৰম-১'ৰ সফল উৎক্ষেপণৰ বাবে স্কাইৰুট এৰ'স্পেচক অভিনন্দন জনায়। প্ৰধানমন্ত্ৰীয়ে কয়— এই সফলতাই ভাৰতীয় যুৱ উদ্ভাৱকসকলৰ অসাধাৰণ প্ৰতিভাৰ পৰিচয় বহন কৰিছে। ষ্টাৰ্টআপটোৰ সমগ্ৰ দলটোৰ গড় বয়স মাত্ৰ ২৮ বছৰ বুলিও উল্লেখ কৰে মোদীয়ে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়— ভাৰতৰ যুৱ সমাজে মহাকাশত এক নতুন যাত্ৰাৰ সূচনা কৰিছে। মোক জনোৱা হৈছে যে, 'স্কাইৰুট' ষ্টাৰ্টআপত কাম কৰা সমগ্ৰ দলটোৰ গড় বয়স মাত্ৰ ২৮ বছৰ। এই যুৱসকলেই এনে অসাধাৰণ কৃতিত্ব অৰ্জন কৰিছে। ইয়াৰ পিছতেই প্ৰধানমন্ত্ৰীয়ে এক ৰাজনৈতিক কটাক্ষ কৰে, যিটো কংগ্ৰেছ নেতা ৰাহুল গান্ধীক উদ্দেশ্য কৰিয়েই কৰা হৈছে বুলি ৰাজনৈতিক মহলে ধাৰণা কৰিছে। তেওঁ কয়— মই কিন্তু ৫৬ বছৰীয়া কোনো যুৱকৰ কথা কোৱা নাই। প্ৰধানমন্ত্ৰীয়ে আৰু কয় যে ভাৰতৰ যুৱসকলৰ এই সফলতাই দেশৰ আন্তঃৰাষ্ট্ৰীয় মৰ্যাদা বৃদ্ধি কৰাৰ লগতে বিশ্বজুৰি ভাৰতৰ প্ৰতি আস্থা বৃদ্ধি কৰিছে। মাত্ৰ এটা মাহৰ ভিতৰতে দেশে একাধিক মাইলষ্টোন স্পৰ্শ কৰিছে। ৰাষ্ট্ৰীয় পৰ্যায়ত হওক, আন্তঃৰাষ্ট্ৰীয় মঞ্চত হওক বা মহাকাশ ক্ষেত্ৰতেই হওক - প্ৰতিটো সফলতাই ভাৰতৰ বাবে এক গৌৰৱৰ মুহূৰ্ত। তেওঁ স্মৰণ কৰাই দিয়ে যে যোৱা বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে এজন ভাৰতীয় মহাকাশচাৰী আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ (ISS)লৈ গৈছিল। আনহাতে, শেহতীয়াকৈ ভাৰতীয় বেচৰকাৰী ষ্টাৰ্টআপ এটাৰ এই সফলতাও দেশৰ মহাকাশ যাত্ৰাৰ আন এক ঐতিহাসিক মাইলষ্টোন হিচাপে বিবেচিত হ'ব। মোদীয়ে কয়— আজিৰ দিনত সমগ্ৰ বিশ্বতে ভাৰতে সাৰ্বজনীন স্বীকৃতি আৰু গ্ৰহণযোগ্যতা লাভ কৰিছে। এয়া কোনো কাকতালীয় ঘটনা নহয়। এয়া এক শক্তিশালী বাৰ্তা - আমাৰ দেশৰ যুৱ সমাজৰ সম্ভাৱনা আৰু তেওঁলোকৰ আকাংক্ষা মহাকাশৰ দৰেই সীমাহীন। সংসদৰ বৰ্ষাকালীন অধিৱেশন আৰম্ভ হোৱাৰ পূৰ্বে সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে সংসদৰ কাৰ্যসূচী নিৰ্বিঘ্নে চলিব আৰু ইয়াত সকলোৰে মতামত প্ৰকাশৰ সুযোগ থাকিব। বৰ্ষাকাল আৰু সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ মাজত তুলনা টানি মোদীয়ে কয়— দেশৰ কল্যাণৰ বাবে দুয়োটাই 'সক্ৰিয়' আৰু 'ফলপ্ৰসূ' হোৱা উচিত। মোদীয়ে কয়— বৰ্ষা হওক বা বৰ্ষাকালীন অধিৱেশন - দুয়োটাই যদি সক্ৰিয় হয়, তেন্তে ই অত্যন্ত ফলপ্ৰসূ হয়। আৰু যেতিয়া দুয়োটাই ফলপ্ৰসূ হয়, তেতিয়া ই দেশৰ উন্নয়ন আৰু সকলো জীৱৰ কল্যাণ নিশ্চিত কৰে। সেয়ে আমি প্ৰাৰ্থনা কৰোঁ, বৰ্ষা যেন সক্ৰিয় আৰু ফলপ্ৰসূ হয় আৰু সংসদৰ বৰ্ষাকালীন অধিৱেশনো যেন ফলপ্ৰসূ হয়। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে বিশ্বজুৰি নানা প্ৰত্যাহ্বান থকাৰ পিছতো যোৱা এটা মাহত দেশে উল্লেখযোগ্য সফলতা অৰ্জন কৰিছে। মোদীয়ে আশা, সংসদৰ এই অধিৱেশনে ভাৰতৰ উন্নয়নৰ যাত্ৰাত নতুন গতি সঞ্চাৰ কৰিব। পশ্চিম এছিয়াৰ সংঘাত আৰু বিশ্ব অৰ্থনীতিৰ অনিশ্চয়তাৰ প্ৰসংগ উত্থাপন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে এই প্ৰতিকূল পৰিস্থিতিৰ মাজতো ভাৰতে বিশ্বৰ বৃহৎ অৰ্থনীতিসমূহৰ তুলনাত অধিক উন্নত প্ৰদৰ্শন কৰিছে। যুদ্ধ আৰু বিভিন্ন প্ৰত্যাহ্বানমূলক পৰিস্থিতিৰ মাজতো ভাৰতে ৭.৭ শতাংশ অৰ্থনৈতিক বৃদ্ধিৰে দ্ৰুত উন্নয়নৰ পথত আগবাঢ়ি গৈছে। বিশ্বৰ বৃহৎ অৰ্থনীতিসমূহৰ ভিতৰত ভাৰত এতিয়াও সৰ্বাধিক দ্ৰুতগতিত বিকাশ লাভ কৰা অৰ্থনীতি। দেশৰ উন্নয়নৰ গতি অধিক বৃদ্ধি পাইছে আৰু সংসদৰ ইতিবাচক তথা সমন্বিত মনোভাৱে এই গতিক অধিক শক্তিশালী কৰিব পাৰে। মোদীয়ে সংসদত সুস্থ আৰু গঠনমূলক আলোচনাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। বিশেষকৈ প্ৰথমবাৰৰ বাবে নিৰ্বাচিত আৰু যুৱ সাংসদসকলক বক্তব্য ৰখাৰ সুযোগ দিয়াৰ আহ্বান জনায়। মোদীয়ে কয়— সংসদত যুৱ আৰু নতুন সাংসদসকলৰ কণ্ঠৰ প্ৰয়োজন আছে। সুস্থ গণতান্ত্ৰিক বিতৰ্কৰ গুৰুত্বৰ বিষয়ে লগতে প্ৰধানমন্ত্ৰীয়ে কয়— যদি আপোনাৰ যুক্তি আৰু তথ্য শক্তিশালী হয়, তেন্তে আপুনি আত্মবিশ্বাসেৰে নিজৰ বক্তব্য আগবঢ়াব পাৰিব। সংসদত সকলোৰে মন্তব্য শুনাৰ সুযোগ থাকিব লাগে।

## চৰাইদেউত বানত উটি গ'ল এটা পৰিয়ালৰ

ইফালে, এই ঘটনাৰ খবৰ লাভ কৰি দুই পুত্ৰ বিদ্যুৎ দুৱৰা আৰু বিপ্লৱ দুৱৰাই পানীত নামি বিচাৰিবলৈ চেষ্টা কৰে যদিও দুয়োকে সোঁতে উটুৱাই নিয়ে। নিশা প্ৰায় ৭ বজাত সংঘটিত হয় এই ঘটনাটো। লগে লগে পৰিয়ালৰ লোকে জিলা প্ৰশাসনে দিয়া হেল্প লাইন নম্বৰলৈ ফোন কৰে যদিও কোনো সহাঁৰি লাভ নকৰাৰ অভিযোগ উত্থাপন হৈছে। ইয়াৰ পাছতে, চৰাইদেউ জিলা আয়ুক্তা ড° নেহা যাদৱক ফোন যোগে অৱগত কৰাত উদ্ধাৰকাৰী দল পঠিয়াব বুলি আশ্বাস প্ৰদান কৰে। গাঁওখনৰ একে পৰিয়ালৰ চাৰিজন সদস্য বাঢ়নী পানীত নিৰুদ্দেশ হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# বিশ্বকাপৰ ১০০ বছৰ উপলক্ষে তিনি দেশে অতিৰিক্তভাৱে আয়োজন কৰিব উদ্বোধনী খেল

## প্ৰথমবাৰলৈ ৩খন মহাদেশত অনুষ্ঠিত হ'ব ২০৩০ৰ ফিফা বিশ্বকাপ

**মেক্সিকো চিটি, ২১ জুলাই ঃ** কানাডা, মেক্সিকো আৰু আমেৰিকাত চলা ২০২৬ ৰ ফিফা বিশ্বকাপৰ অন্ত পৰিছে। এইবাৰ তিনিখন দেশে যৌথভাৱে আয়োজন কৰে আটাইতকৈ ডাঙৰ প্ৰথমখন বিশ্বকাপ। এই বিশ্বকাপৰ পিছত ২০৩০ বিশ্বকাপ তিনিখন দেশে যৌথভাৱে আয়োজন কৰিব। যি তিনিখন দেশে মিলি আয়োজন কৰা দ্বিতীয়খন বিশ্বকাপ হৈ পৰিব। ইয়াৰ লগতে ২০৩০ৰ ফিফা বিশ্বকাপ তিনিটা বেলেগ বেলেগ মহাদেশত খেলিবলগীয়া প্ৰথমখন বিশ্বকাপ হ'ব, য'ত টুৰ্নামেণ্টখনৰ এশ বছৰ সম্পূৰ্ণ হোৱাৰ বাবে ছয়খন বেলেগ বেলেগ দেশত খেলসমূহ অনুষ্ঠিত হ'ব। ২০৩০ চনৰ ফিফা বিশ্বকাপখন তিনিখন দেশে মিলি আয়োজন কৰিব। সেয়া হৈছে মৰক্কো, পৰ্তুগাল আৰু স্পেইন। বিশ্বকাপৰ ইতিহাসত এয়া দ্বিতীয়বাৰৰ বাবে ঘটিব, য'ত তিনিখন দেশে একেলগে বিশ্বকাপ আয়োজন কৰিব। ২০০৪ চনৰ ৰৰ ডিচেম্বৰত ২০৩০ চনৰ ফিফা বিশ্বকাপ যুটীয়াভাৱে আয়োজন কৰাৰ বাবে মৰক্কো, পৰ্তুগাল আৰু স্পেইনক আনুষ্ঠানিকভাৱে অনুমোদন জনোৱা হৈছিল। ইয়াৰ বাবে নিবিদা প্ৰক্ৰিয়া ২০২০ চনৰ অক্টোবৰ মাহত আৰম্ভ হৈছিল আৰু ২০২৩ চনৰ অক্টোবৰত সমাপ্ত হৈছিল, য'ত এই তিনিখন দেশে একমাত্ৰ আবেদনকাৰী হিচাপে অংশ লৈছিল। মৰক্কো প্ৰথমতে এই যুটীয়া আবেদনৰ অংশ নাছিল, কাৰণ তেওঁলোকে অকলেই এই প্ৰতিযোগিতাখন আয়োজন কৰিব বিচাৰিছিল। কিন্তু পাছত ২০২৩ চনৰ মাৰ্চ মাহত মৰক্কোও এই দলটোত যোগ দিয়ে। ২০৩০ চনৰ ফিফা বিশ্বকাপ ৮ জুন, ২০৩০ ৰ পৰা ২১ জুলাই, ২০৩০ লৈ অনুষ্ঠিত হ'ব। এই ৪৪ দিনীয়া সময়ছোৱাই ইয়াক এতিয়ালৈকে হোৱা আটাইতকৈ দীঘলীয়া বিশ্বকাপ হিচাপে গঢ়ি তুলিব। ২০২৬ চনৰ ৩৯ দিনীয়া বিশ্বকাপতকৈও এইবাৰ সময় বেছি লাগিব, কাৰণ এশ বছৰীয়া বৰ্ষপূৰ্তি উদযাপনৰ বাবে খেলুৱৈসকলে বিভিন্ন মহাদেশ ভ্ৰমণ কৰিব লগা হ'ব। ২০৩০ চনৰ ফিফা বিশ্বকাপে এই প্ৰতিযোগিতাৰ ১০০ বছৰ সম্পূৰ্ণ কৰিব। এই ১০০ বছৰীয়া বৰ্ষপূৰ্তি উদ্‌যাপন কৰিবলৈ ফিফাই আৰ্জেণ্টিনা, পেৰাগুৱে আৰু উৰুগুৱেক তিনিখন সুকীয়া উদ্বোধনী খেল অনুষ্ঠিত কৰাৰ দায়িত্ব দিছে। ১৯৩০ চনৰ প্ৰথম ফিফা বিশ্বকাপৰ প্ৰতি সন্মান জনাই এই সিদ্ধান্ত




লোৱা হৈছে। উৰুগুৱে আছিল ফিফা বিশ্বকাপৰ প্ৰথম আয়োজক আৰু বিজয়ী দেশ। এই বিশেষ খেলখন মণ্টেভিডিঅ'ৰ 'এষ্টাদিঅ' চেণ্টেনাৰিঅ' ষ্টেডিয়ামত খেলা হ'ব-এইটো সেই একেখন ষ্টেডিয়াম যিখন ১৯৩০ চনৰ প্ৰতিযোগিতাখনৰ বাবে নিৰ্মাণ কৰা হৈছিল। ১৯৩০ চনৰ ৰানাৰ্ছ-আপ (দ্বিতীয় স্থান পোৱা) দল হিচাপে আৰ্জেণ্টিনাই বুয়েনছ আয়াৰ্ছৰ 'এষ্টাদিঅ' মনুমেণ্টেলক্স ষ্টেডিয়ামত এখন খেল আয়োজন কৰিব। আনহাতে, দক্ষিণ আমেৰিকান ফুটবল ফেডাৰেচনৰ মুখ্য কাৰ্যালয় থকা বাবে পেৰাগুৱেৰ আছুনচিয়ন চহৰৰ 'এষ্টাদিঅ' ওছভালডো ডমিংগেজ ডিব' ষ্টেডিয়ামত আন এখন খেল অনুষ্ঠিত হ'ব।

# স্বদেশত উপস্থিত আৰ্জেণ্টিনাৰ ফুটবল দল

## বিমান বন্দৰত হাজাৰ হাজাৰ অনুৰাগীয়ে দলটোক জনালে উষ্ণ আদৰণি

**বুৱেনছ আয়াৰ্ছ, ২১ জুলাই ঃ** বিশ্বকাপৰ ফাইনেলত স্পেইনৰ হাতত পৰাজিত হোৱাৰ পিছত আৰ্জেণ্টিনাৰ ফুটবল দলটো নিজ দেশত উপস্থিত হৈছে। অৱশ্যে, অধিনায়ক লিয়নেল মেছি আৰু কেইজনমান খেলুৱৈ দলটোৰ সৈতে একেখন বিমানত নাছিল ।বিমান বন্দৰৰ বাহিৰত প্ৰচণ্ড ঠাণ্ডা আৰু বৰষুণক নেওচি হাজাৰ হাজাৰ অনুৰাগীয়ে ৰাষ্ট্ৰীয় পতাকা লৈ দলটোক উষ্ণ আদৰণি জনায়। ২০২২ চনৰ দৰে বিজয় উল্লাস কৰিব নোৱাৰিলেও, অনুৰাগীসকলে খেলুৱৈসকলৰ সুন্দৰ প্ৰদৰ্শনৰ বাবে ধন্যবাদ জনায়। দলটোৰ প্ৰশিক্ষক লিয়নেল স্কালোনি আৰু অন্যান্য খেলুৱৈসকলক ৰেড কাৰ্পেট আৰু সামৰিক বেণ্ডেৰে আদৰণি জনোৱা হয়। বিশ্বকাপৰ ফাইনেলত পৰাস্ত হোৱা সত্ত্বেও অনুৰাগীসকলে অধিনায়ক মেছিক দেশৰ হৈ খেলা অব্যাহত ৰাখিবলৈ অনুৰোধ জনায়।

# ইন্টাৰ মিয়ামীৰ পৰৱৰ্তী মেচসমূহ নেখেলে লিয়নেল মেচী-ৰড্ৰিগো ডি পলে

**মিয়মী, ২১ জুলাই ঃ** বিশ্বকাপ ফুটবল ২০২৬ ৰ সমাপ্তিৰ পিছত আৰ্জেন্টিনাৰ তাৰকা ফুটবলাৰ লিয়নেল মেচী আৰু তেওঁৰ সতীৰ্থ ৰড্ৰিগো ডি পলক লৈ এক গুৰুত্বপূৰ্ণ খবৰ প্ৰকাশ পাইছে। বাতৰি অনুসৰি, মেজৰ লিগ ছকাৰৰ ক্লাব ইন্টাৰ মিয়ামীৰ হ'বলগীয়া পৰৱৰ্তী দুখন মেচত এই দুজন খেলুৱৈয়ে অংশগ্ৰহণ নকৰে। অহা বুধবাৰে চিকাগো ফাইয়াৰ আৰু শনিবাৰে চি এফ মনট্ৰিয়েলৰ বিৰুদ্ধে হ'বলগীয়া মেচকেইখনত মেচী আৰু ডি পলক দেখা পোৱা নাযাব। ২৯ জুলাইত হ'বলগীয়া 'এম এল এছ অল-ষ্টাৰ মেচ'তো এই দুজন ফুটবলাৰে অংশ নলয়। ইন্টাৰ মিয়ামীয়ে ইতিমধ্যে এই বিষয়ে লিগ কৰ্তৃপক্ষক অৱগত কৰিছে। বিশ্বজুৰি খেলুৱৈসকলৰ সংস্থা 'FIFPRO'ৰ স্বাস্থ্য নিয়মাৱলী অনুসৰি, এখন ব্যস্ত প্ৰতিযোগিতাৰ শেষত খেলুৱৈসকলৰ বাবে ২১ দিনৰ বিশ্ৰামৰ পৰামৰ্শ দিয়া হয়। বিশ্বজুৰি অনুষ্ঠিত বিশ্বকাপৰ সকলো ৮-খন মেচতেই মেচীয়ে সম্পূৰ্ণ ১২০ মিনিট পৰ্যন্ত খেলিছিল, য'ত তেওঁ ৮টা গ'ল কৰাৰ লগতে ৪টা গ'লত সহায় কৰিছিল। ১ আগষ্টত কলম্বাসৰ বিৰুদ্ধে খেলাৰ পিছত, মিয়ামীয়ে ৫ ৰ পৰা ১২ আগষ্টলৈ অনুষ্ঠিত হ'বলগীয়া 'লিগছ কাপ'ত অংশ ল'ব। বৰ্তমান ইন্টাৰ মিয়ামী দলটো ৯-২-৪ ৰেকৰ্ডৰে এম এল এছ ইষ্টাৰ্ন কনফাৰেঞ্চৰ পইন্ট তালিকাৰ দ্বিতীয় স্থানত আছে।

# আৰ্জেণ্টিনাক অতিক্ৰম কৰি ফিফা ৰেংকিঙৰ শীৰ্ষত স্পেইন

## পুৰুষ আৰু মহিলা উভয় শাখাতে বিশ্বৰ ১ নম্বৰ দল হিচাপে নিজকে প্ৰতিষ্ঠা



**নতুন দিল্লী, ২১ জুলাই ঃ** ২০২৬ চনৰ ফিফা পুৰুষ বিশ্বকাপৰ ঐতিহাসিক জয়ৰ পাছত স্পেইনে পুনৰ ফিফা ৰেংকিঙৰ শীৰ্ষ স্থান দখল কৰিছে। ১৯ জুলাইত অনুষ্ঠিত ফাইনেলখনত স্পেইনে অতিৰিক্ত সময়ত ১-০ গ'লত ডিফেণ্ডিং চেম্পিয়ন আৰ্জেণ্টিনাক পৰাস্ত কৰি বিশ্ব চেম্পিয়নৰ মুকুট পিন্ধে। স্পেইনৰ হৈ জয়সূচক গ'লটো দিয়ে ফেৰান টৰেছে। এই সফলতাৰ লগে লগে স্পেইনে পুৰুষ আৰু মহিলা — উভয় শাখাতে বিশ্বৰ ১ নম্বৰ দল হিচাপে নিজকে প্ৰতিষ্ঠা কৰিলে ।লিয়নেল মেছিৰ নেতৃত্বাধীন আৰ্জেণ্টিনা দ্বিতীয় স্থানলৈ অৱনমিত হৈছে। বিশ্বকাপত চতুৰ্থ স্থান পোৱা ফ্ৰান্সে তৃতীয় স্থান বাহাল ৰাখিছে। কোৱাৰ্টাৰ ফাইনেললৈ যোৱা মৰক্কোৱে ষষ্ঠ স্থান লাভ কৰিছে, যিটো তেওঁলোকৰ ইতিহাসৰ শ্ৰেষ্ঠ ৰেংকিং। ব্ৰাজিল পুনৰ শীৰ্ষ ৫টা দলৰ ভিতৰত সোমাই ৫ম স্থানত আছে। আনহাতে পৰ্তুগাল ৭ম স্থানলৈ অৱনমিত হৈছে। চাৰিবাৰৰ বিশ্ব চেম্পিয়ন জাৰ্মানী ৩২টা দলৰ পৰ্যায়ৰ পৰা বিদায় লৈ ৰেংকিংত ১২ নম্বৰ স্থানলৈ অৱনমিত হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰ, মেক্সিকো আৰু কানাডাৰ যৌথ উদ্যোগত অনুষ্ঠিত এই বিশ্বকাপত মেক্সিকো ১০ম স্থানলৈ উন্নীত হৈছে।

## মুকলি বাছত উঠি খেলুৱৈসকলে মাদ্ৰিদ চহৰত উলিয়াই বিজয় ৰেলী

# স্পেইনৰ বিশ্বকাপ বিজয়ী দলক গৃহভূমিত উষ্ম আদৰণি




**মাদ্ৰিদ, ২১ জুলাই ঃ** নিউ জাৰ্চীত অনুষ্ঠিত ফিফা বিশ্বকাপ ২০২৬-ৰ ফাইনেলত আৰ্জেন্টিনাক ১-০ গ'লত পৰাস্ত কৰি দ্বিতীয়বাৰৰ বাবে বিশ্ব চেম্পিয়ন হোৱা স্পেইনৰ ফুটবল দলটো সোমবাৰে নিজ দেশত উপস্থিত হয়। ৰাজধানী মাদ্ৰিদৰ ৰাস্তাত একত্ৰিত হোৱা প্ৰায় ২০ লাখ আনন্দিত অনুৰাগীয়ে বিজয়ী দলটোক এক ঐতিহাসিক আৰু ৰাজকীয় আদৰণি জনায়। ২৬ জনীয়া খেলুৱৈৰ দলটো আৰু প্ৰশিক্ষকসকলে প্ৰথমে স্পেইনৰ ৰাজপৰিয়াল আৰু তাৰ পিছত প্ৰধানমন্ত্ৰী পেড্ৰ' ছাঞ্চেজক সাক্ষাৎ কৰে। প্ৰধানমন্ত্ৰীয়ে দলটোৰ সুন্দৰ খেল আৰু কঠোৰ পৰিশ্ৰমৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পিছতে 'ষ্টাৰ্চ ছাইন টুগেদাৰ' লিখা এখন মুকলি বাছত উঠি খেলুৱৈসকলে মাদ্ৰিদ চহৰত বিজয় ৰেলী উলিয়ায়। বাছখন মাক্ল'ৰা প্ৰাসাদৰ পৰা ঐতিহাসিক কিবেলেছ স্কোৱেৰলৈ যায়, য'ত প্ৰায় ১,২০,০০০ লোক অনুষ্ঠানটো উপভোগ কৰিবলৈ উপস্থিত আছিল। অতিৰিক্ত সময়ত জয়সূচক গ'লটো দিয়া ফেৰান টৰেছ আৰু বিশ্বকাপৰ ট্ৰফীৰ সৈতে আটাইবোৰ খেলুৱৈয়ে সংগীত আৰু নৃত্যৰে অনুৰাগীসকলৰ সৈতে এই সাফল্য উদযাপন কৰে। উল্লেখ্য যে ২০২৩ চনত মহিলা বিশ্বকাপ জয় কৰাৰ পিছত, স্পেইন এতিয়া একে সময়তে পুৰুষ আৰু মহিলা উভয়ৰে বিশ্বকাপ ট্ৰফী দখল কৰা বিশ্বৰ প্ৰথমটো দেশ হৈ পৰিল। এই জয়ৰ পিছতে স্পেইনে আৰ্জেন্টিনাক পিছ পেলাই ফিফা ৰেংকিং-ৰ প্ৰথম স্থান দখল কৰিছে। ইফালে, সমগ্ৰ দেশতে জয়ৰ উলাহ চলি থকাৰ মাজতে ছালামাংকা চহৰত বিজয় উদযাপনৰ সময়ত ফাউণ্টেইন ভাঙি পৰি এজন ১৩ বছৰীয়া কিশোৰৰ মৃত্যু হোৱাৰ দুখজনক ঘটনাও পোহৰলৈ আহিছে। যি নহওক, ২০১০ চনৰ পিছত প্ৰথমবাৰৰ বাবে জয় কৰা এই পুৰুষ বিশ্বকাপ ট্ৰফীয়ে সমগ্ৰ স্পেইনবাসীৰ মাজত এক অভূতপূৰ্ব আনন্দ আৰু উৎসাহৰ ঢৌ তুলিছে।

# বিশ্বকাপ ফাইনেলত স্পেইনৰ জয়ঃ গাজাৰ প্ৰতি বিশ্বৰ সমৰ্থন

**নিউ জাৰ্চি, ২১ জুলাই ঃ** ২০২৬ ৰ ফিফা বিশ্বকাপৰ চূড়ান্ত খেলখনত স্পেইনে আৰ্জেন্টিনাক পৰাস্ত কৰি বিশ্ব চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। কিন্তু এইবাৰৰ বিশ্বকাপ কেৱল এক ক্ৰীড়া প্ৰতিযোগিতাতেই সীমাবদ্ধ হৈ থকা নাছিল; ইয়াৰ লগত জৰিত হৈ পৰিছিল বিশ্বজুৰি মানৱতা আৰু নৈতিকতাৰ প্ৰশ্ন। গাজাৰ সংকটময় পৰিস্থিতিয়ে বিশ্বৰ কোটি কোটি মানুহৰ মানসিকতাক সলনি কৰি পেলাইছে। খেলপথাৰতো ইয়াৰ প্ৰভাৱ স্পষ্ট হৈ পৰে, য'ত অসংখ্য দৰ্শকে নৈতিক স্থিতিৰ ভিত্তিত স্পেইনক সমৰ্থন জনাইছিল ।পশ্চিমীয়া দেশসমূহৰ মৌনতাৰ বিপৰীতে স্পেইন চৰকাৰে ফিলিস্তিনক স্বাধীন ৰাষ্ট্ৰ হিচাপে স্বীকৃতি দিছে আৰু গাজাৰ আক্ৰমণৰ বিৰুদ্ধে স্পষ্ট মত প্ৰকাশ কৰিছে। এই সাহসিক স্থিতিয়ে বিশ্বজুৰি মানৱতাবাদী মানুহৰ মনত স্পেইনৰ প্ৰতি বিশেষ শ্ৰদ্ধা গঢ়ি তুলিছে। স্পেইনৰ উদীয়মান তাৰকা লামিন ইয়ামালে ইয়াৰ পূৰ্বে ফিলিস্তিনৰ পতাকা উৰুৱাই সমৰ্থন ব্যক্ত কৰিছিল। তেওঁৰ এই পদক্ষেপে লাখ লাখ অনুৰাগীক প্ৰভাৱিত কৰিছিল। বিপৰীতফালে, মেছিৰ দৰে মহান খেলুৱৈ থকা সত্ত্বেও আৰ্জেন্টিনাৰ ৰাষ্ট্ৰপতি হাভিয়াৰ মিলেইৰ ইজৰাইল-পন্থী ৰাজনৈতিক স্থিতিৰ বাবে বহু দৰ্শকৰ মনত বিৰূপ প্ৰভাৱ পৰিছিল। ফুটবল খেলখন কেৱল জয়-পৰাজয়ৰ খেল হৈ থকা নাই; ই ফিলিস্তিনৰ নিপীড়িত মানুহখিনিৰ প্ৰতি একতা আৰু সমৰ্থন প্ৰকাশৰ এক মাধ্যম হৈ পৰিল। স্পেইনৰ এই বিজয়ে ফুটবলৰ গণ্ডী পাৰ হৈ মানৱীয় প্ৰতীক হিচাপে বিশ্বজুৰি সমাদৰ লাভ কৰিছে।

# ২০২৬ ফিফা বিশ্বকাপ ঃ সাফল্য আৰু বিতৰ্কৰ এক মিশ্ৰণ

## ৰাজনৈতিক হস্তক্ষেপ, বাণিজ্যিক নীতিয়ে ফিফাৰ স্বচ্ছতাক লৈ উত্থাপন কৰিছে ডাঙৰ প্ৰশ্ন

**নতুন দিল্লী, ২১ জুলাই ঃ** সদ্যসমাপ্ত ২০২৬ ফিফা বিশ্বকাপ খেলপথাৰৰ অভূতপূৰ্ব শিহৰণ আৰু প্ৰশাসনিক বিতৰ্ক-এই দুয়োৰে এক অপূৰ্ব মিশ্ৰণ হিচাপে পৰিগণিত হৈছে। এফালে যিদৰে তাৰকা খেলুৱৈসকলৰ চমকপ্ৰদ প্ৰদৰ্শনে বিশ্ববাসীক মোহিত কৰিলে, আনফালে ৰাজনৈতিক হস্তক্ষেপ আৰু বাণিজ্যিক নীতিয়ে ফিফাৰ স্বচ্ছতাক লৈ ডাঙৰ প্ৰশ্ন উত্থাপন কৰিছে। স্পেইনে ফাইনেলত জয়লাভ কৰি ইতিহাস ৰচিলে। এতিয়া স্পেইন এনেখন একমাত্ৰ দেশ, যি একে সময়তে পুৰুষ আৰু মহিলা দুয়োটা বিশ্বকাপৰ খিতাপ দখল কৰি



আছে। কিলিয়ান এমবাপে মেছি আৰু বেলিংহামক পিছ পেলাই প্ৰতিযোগিতাৰ সৰ্বোচ্চ গ'লদাতা হিচাপে 'গোল্ডেন বুট' অৰ্জন কৰে। সহ-আয়োজক আমেৰিকাই তেওঁলোকৰ ফুটবল ইতিহাসত প্ৰথমবাৰলৈ ৩খন মেচ জিকি ৰৰটা গ'ল দিয়ে। কানাডায়ো প্ৰথমবাৰৰ বাবে নক-আউট পৰ্যায়লৈ অগ্ৰগতি লাভ কৰে। এইসমূহ আছিল এইবাৰৰ ফিফা বিশ্বকাপৰ সফলতা। কিন্তু এইবাৰ কিছু বিতৰ্কৰো সৃষ্টি হয়। আমেৰিকান ফুটবলাৰ ফক্সলাৰিন বেলোগানৰ ওপৰত থকা নিলম্বন আঁতৰাবলৈ আমেৰিকা চৰকাৰ আৰু ট্ৰাম্প প্ৰশাসনৰ প্ৰত্যক্ষ হস্তক্ষেপে খেলখনৰ নিৰপেক্ষতাক লৈ প্ৰশ্ন তুলিছে। ইনডোৰ ষ্টেডিয়ামত বিজ্ঞাপনৰ বাবে খেলৰ মাজতে বাধ্যতামূলক 'ৱাটৰ ব্ৰেক' দিয়া আৰু টিকটৰ অত্যাধিক মূল্যই অনুৰাগীসকলক হতাশ কৰে। যুদ্ধসদৃশ পৰিস্থিতিৰ মাজত ইৰান দলে ভ্ৰমণ আৰু খেল খেলাক লৈ চূড়ান্ত অনিশ্চয়তাত ভুগিবলগীয়া হয়। কিছুমান ডাঙৰ প্ৰশাসনিক ভুল আৰু বিতৰ্ক স্বত্বেও, ২০২৬ ৰ এই ফুটবল মহাকুম্ভই বিশ্বজুৰি কোটি কোটি অনুৰাগীক আমোদ প্ৰদান কৰিবলৈ সক্ষম হ'ল। ফুটবলৰ এই নান্দনিক ৰূপ আৰু অপূৰ্ব উত্তেজনাই খেলপ্ৰেমীসকলক পুনৰবাৰ মোহিত কৰি তুলিলে।

# বিশ্বকাপ ফাইনেলৰ পাছত খেলপথাৰত সৃষ্টি হোৱা বিশৃঙ্খলাৰ তদন্ত আৰম্ভ ফিফাৰ



**নিউ জাৰ্চি, ২১ জুলাই ঃ** ২০২৬ৰ ফিফা বিশ্বকাপৰ চূড়ান্ত খেলখনৰ শেষত স্পেইন আৰু আৰ্জেণ্টিনাৰ খেলুৱৈসকলৰ মাজত হোৱা অনাকাংক্ষিত সংঘাতৰ বিৰুদ্ধে বিশ্ব ফুটবল সংস্থা 'ফিফা'ই আনুষ্ঠানিক তদন্ত আৰম্ভ কৰিছে। বিশ্বকাপ ফাইনেলৰ খেলখনত স্পেইনে আৰ্জেণ্টিনাক ১-০ গ'লত পৰাস্ত কৰি দ্বিতীয়বাৰৰ বাবে বিশ্ব চেম্পিয়নৰ খিতাপ দখল কৰে। কিন্তু খেলৰ অন্তিম হুচেইল বজাৰ লগে লগে দুয়োটা দলৰ খেলুৱৈসকলৰ মাজত তীব্ৰ বাকবিতণ্ডা আৰু মাৰপিটৰ সৃষ্টি হয় ।আৰ্জেণ্টিনাৰ খেলুৱৈ লিয়ান্দ্ৰ' পাৰেডেছে স্পেইনৰ খেলুৱৈ এৰিক গাৰ্চিয়া আৰু গাভিক ঠেলা-হেঁচা কৰাক লৈ পৰিস্থিতি উত্তপ্ত হৈ পৰে ।ফিফাৰ অনুশাসন সমিতিয়ে জনোৱা মতে, খেলপথাৰত নিয়ম ভংগ কৰা খেলুৱৈসকলৰ বিৰুদ্ধে এক বিশেষ তদন্ত চলোৱা হৈছে। তদন্তৰ প্ৰতিবেদন অহাৰ পাছতহে পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰা হ'ব। এফালে ফুটবল তাৰকা লামিন য়ামালে জয়ৰ পাছত ঈশ্বৰক প্ৰাৰ্থনা জনোৱা দৃশ্য আৰু মেছিকো সাবটি ধৰা দেখা গৈছিল, আনফালে পুৰস্কাৰ বিতৰণ অনুষ্ঠানত আৰ্জেণ্টিনাৰ খেলুৱৈসকলে স্পেইনৰ বিজয়ী দলটোলৈ পিঠি দি অসৌজন্যমূলক আচৰণ কৰা দেখা যায় ।ফিফাই স্পষ্ট কৰি দিছে যে খেলপথাৰৰ শৃঙ্খলতা ভংগ কৰা যিকোনো ঘটনাৰ বিৰুদ্ধে সংস্থাই কঠোৰ আইনী অনুশাসনমূলক নীতি অনুসৰণ কৰিব।

এ বি পাব্লিকেশ্বনৰ হৈ অনিল বৰ্মনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, গুৱাহাটী-১৬ত মুদ্ৰিত। কাৰ্যালয় ঃ পেঞ্চনপাৰা ৰোড, গোস্বামী ছাৰ্ভিচ, গুৱাহাটী-৩, ফোন ঃ ২৬৬০২৬০, বিজ্ঞাপন ঃ লক্ষ্যধৰ ডেকা, ৯৮৬৪৪-৯১৫৯৫ ■ কোকৰাঝাৰ কাৰ্যালয়, জে ডি ৰোড, ফোন ঃ ৯৪৩৫৪-৮৩৮৩৬। তেজপুৰ কাৰ্যালয় ঃ তুলিকা কাৰ্ফ, অপূৰ্ব বৰা ৯৮৫৪২-১১৩০৪, ৯০৮৫০-৭১৩০৪, চাৰ্কুলেচন ঃ অৰুণ শৰণীয়া (৯৭০৭৬-৮৩১১২)
Owner, Publisher & Printer Anil Barman, Published from Pension Para Road, Goswami Service, Silpukhuri, Guwahati-781003 and Printed at Pee Gee India, MIE, Kalapahar, Guwahati-781016. Editor: Anil Barman. Phone : 0361-2660260 ■ Fax : 0361-2665919 ■ batorikakot@rediffmail.com
■ মুখ্য সম্পাদক ঃ ভুৱনেশ্বৰ শৰ্মা ■ সম্পাদকঃ অনিল বৰ্মন